# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Jotindra Nath Goswami | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Patraikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat |
| Year: 1961 (1883 Sak) | Edition: |
| Size: 23½ cms. 92+79+54 pages | Genre: Magazine |
| Volumes: 20 - 3 issues | Condition of the original: Brittle |
| Remarks: Old. 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

বিংশ বছৰ ॥ ॥ দ্বিতীয় সংখ্যা

১৮৮৩ শক

সম্পাদক :—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

## সূচীপত্ৰ


| | |
|---|---|
| মেছোপটামিয়াৰ প্ৰাচীন সভ্যতাত এভুমুকি—শ্ৰীসদানন্দ চলিহা, এম-এ ... | ১ |
| বড়ো-কছাৰী জাতিৰ দৰ্শন—শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভূষণ ... | ১০ |
| চুটিয়া জাতি—শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ, বি-এ ... | ১৩ |
| কটকী—শ্ৰীনকুলচন্দ্ৰ ভূঞা ... | ২০ |
| অষ্টাদশ-উনবিংশ শতাব্দীত প্ৰাগজ্যোতিষপুৰ—শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী ... | ২১ |
| অসমীয়া ভাষাৰ বোৰ্'তী স্থ্'তি—শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য ... | ২৭ |
| হিন্দু সাহিত্যৰ সঁফুৰা মেলি—শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা ... | ৩০ |
| সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা—শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য ... | ৩৪ |
| ৰজনী বৰদলৈৰ মনোমতী—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ... | ৩৯ |
| পুথি পৰিচয় ... | ৪৫ |
| অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ চতুৰ্থ অধিৱেশন ... | ৪৭ |
| সম্পাদকৰ দুআষাৰ ... | ৫৬ |
| প্ৰধান সম্পাদকৰ প্ৰতিৱেদন—শ্ৰীমহেশ্বৰ নেওগ ... | ৫৮ |


**পত্ৰিকা সম্পাদনা উপ-সমিতি :—**

(১) শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, এম-এ
(২) শ্ৰীলীলা গগৈ, বি-এ
(৩) শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা, এম-এ
(৪) শ্ৰীহৰিপ্ৰসাদ নেওগ, এম-এ
(৫) প্ৰধান সম্পাদক
(৬) পত্ৰিকা সম্পাদক

# অসম সাহিত্য সভা পত্ৰিকা


বিংশ বছৰ—দ্বিতীয় সংখ্যা

১৮৮৩ শক, ভাদ—আঘোণ


অসম সাহিত্য সভা

সম্পাদক

**শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী**


চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট

বাতৰি কাকত ৰেজিষ্ট্ৰেচন ( কেন্দ্ৰীয় ) নিয়মাৱলী ১৯৫৬ অনুযায়ী

প্ৰদেক বাৰ্ষিক বিৱৰণী

( চতুৰ্থ ফৰ্ম্ম, ৮ম বিধি )

| | | |
|---|---|---|
| ১। প্ৰকাশৰ ঠাই | : | যোৰহাট |
| ২। প্ৰকাশ কাল | : | চাৰিমহীয়া |
| ৩। মুদ্ৰাকৰৰ নাম | : | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| জাতীয়তা | : | ভাৰতীয় |
| ঠিকনা | : | চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট |
| ৪। প্ৰকাশকৰ নাম | : | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| জাতীয়তা | : | ভাৰতীয় |
| ঠিকনা | : | চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ( অসম ) |
| ৫। সম্পাদকৰ নাম | : | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, এম-এ, বি-টি |
| জাতীয়তা | : | ভাৰতীয় |
| ঠিকনা | : | চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট |
| ৬। স্বত্বাধিকাৰীৰ নাম | : | অসম সাহিত্য সভা |
| জাতীয়তা | : | ভাৰতীয় |
| ঠিকনা | : | চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ( অসম ) |

মই, শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে, ঘোষণা কৰিছোঁ যে ওপৰৰ বৰ্ণিত বিৱৰণ মোৰ জ্ঞান আৰু বিশ্বাস মতে সত্য।

স্বাক্ষৰ—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰকাশক,
অসম সাহিত্য সভা পত্ৰিকা

১।১।৬২



চন্দ্ৰধৰ বৰুৱা, সাহিত্যৰত্ন
( জন্ম-১৮৭৪ খ্ৰীঃ—মৃত্যু-১৯৬১ )

# অসম সাহিত্য সভা পত্ৰিকা

বিংশ বছৰ } ১৮৮৩ শক, ভাদ-আঘোণ } দ্বিতীয় সংখ্যা

## মেছোপটামিয়াৰ প্ৰাচীন সভ্যতাত এভুমুকি

( ১ )

শ্ৰীসদানন্দ চলিহা

মানৱ সভ্যতা হ'ল মূলতঃ এটি সমবায়মূলক প্ৰচেষ্টা। পৃথিবীৰ বিভিন্ন অঞ্চলত একো একোটা বিভিন্ন সভ্যতাই গঢ় লয় সঁচা আৰু এনে ধৰণৰ প্ৰতিটো সভ্যতাৰে নিজস্ব বৈশিষ্ট্য একোটাও থাকে সঁচা ; তথাপি কোনোটো সভ্যতাকে তাৰ প্ৰতিবেশী অধিকতৰ পুৰণি বা সমসাময়িক বা অপেক্ষাকৃত নতুন সভ্যতাবোৰৰ পৰা একেবাৰে নিলগাই থৈ নিৰীক্ষণ কৰিব নোৱাৰি। আন কথাত কব লাগিলে কোনোটো জাতিৰে সভ্যতা বা সংস্কৃতি 'বিচ্ছিন্ন সৃষ্টি' নহয়। তাৰ যোগসূত্ৰ অন্য কোনোবা এটা বা ততোধিক সংস্কৃতিৰ লগত থাকিবই লাগিব।

দেশ-কাল ভেদে বেলেগ বেলেগ জাতিৰ ওপৰত বেলেগ বেলেগ ধৰণে সভ্যতাৰ প্ৰথম পোহৰ পৰিছিল। কিন্তু পৃথিবীৰ য'তেই থাকক লাগিলে, মানুহৰ প্ৰাথমিক অনুভূতিবোৰ একেই হব লাগিব। পৰিপাৰ্শ্বিক প্ৰতিকূল অৱস্থা নিজৰ বশলৈ অনাৰ পিচতে মানুহে সভ্যতাক গঢ় দিয়াৰ প্ৰয়াস কৰে আৰু লগে লগে জীৱন সুসভ্য, সুন্দৰ আৰু পৰিমাৰ্জ্জিত কৰা প্ৰচেষ্টাৰ সূচনা হয়। সভ্যতাৰ

প্ৰথম পোহৰ পৰা প্ৰায় প্ৰতিটো জাতিৰে ধৰ্ম্মপুথি বা লৌকিক প্ৰবাদত কোনোবা স্মৰণাতীত কালত হোৱা প্ৰচণ্ড জলপ্লাৱন এটাৰ উল্লেখ আছে। এই বানপানীত ধন-জন, ঘৰ-বাৰী, তৃণ-তৰু সকলো উটি-ভাহি গল ; কিন্তু বাছি থাকিল ধৰ্ম্মনিষ্ঠ এজন ব্যক্তি বা এটি সম্প্ৰদায়। এইজন ব্যক্তিয়ে বা এইটো সম্প্ৰদায়ে কালক্ৰমত মানৱ সভ্যতা বিস্তাৰ কৰাৰ দায়িত্ব বহন কৰিলে। এই ধৰ্ম্মনিষ্ঠ মানুহজন বা জাতিটো দৈৱাৎ ঘটনা-চক্ৰত যে ৰক্ষা পৰে, তেনে নহয় ; পূৰ্ব্ব-পৰিকল্পিত ভাৱেই তেওঁক বছোৱা হয়। তেওঁৰ হিতাহিত জ্ঞান বা বিচাৰ-বুদ্ধি বেচি। তেওঁ বাছি থাকিলে পৃথিবীৰ যিমান কল্যাণ সাধিব পাৰিব, আনে সিমান নোৱাৰে। সেইদেখি তেওঁক পূৰ্ব্ব-পৰিকল্পিত ভাবে ত্ৰাণ কৰা হয়। নেতৃত্বৰ মূল্য আদিম কালতো স্বীকৃত হৈছিল। এনে ধৰণে মানৱ সভ্যতা বিস্তাৰ কৰাত নেতৃত্ব গ্ৰহণ কৰা জনসমষ্টি বা জাতিকে 'হেৰেন্‌ফক্' (Herrenvolk) বোলে।

অনুৰূপধৰণে দেখা যায় যে প্ৰতিটো জাতিৰ ধৰ্ম্মপুথি বা লৌকিক প্ৰবাদে আদিম কালত দানৱ আৰু মানৱৰ মাজত হোৱা ভয়ঙ্কৰ যুদ্ধ কিছুমানৰ উল্লেখ কৰিছে। কোনোবা এজন সাধু বা সুধী-প্ৰবৰৰ মন্ত্ৰণামতে আৰু কোনোবা এজন দেৱতাৰ অনুগ্ৰহ লভি মানৱে দানৱক ঘটুৱাই পৃথিবীখনত সভ্যতা বিস্তাৰৰ পথ সুগম কৰে। ভৰদ্বাজ, বশিষ্ঠ প্ৰমুখ্যে ঋষি-মুনিসকলৰ দিহা-বুদ্ধি মতে ইন্দ্ৰ দেৱতাৰ সাহায্যত আৰ্য্যসকলে অনাৰ্য্যসকলক পৰাস্ত কৰে। মছেছৰ আহ্বান ৰক্ষা কৰি অৰিয়ন বা সূৰ্য্যদেৱতাই দোপাল-পিটা বৰষুণ নমাই দিয়ে ; ফলত লোহিত সাগৰত বান উঠিল। বুছিৰিছ আৰু তেওঁৰ অশ্বাৰোহী বাহিনী উটি গল আৰু হিব্ৰুসকল ৰক্ষা পৰিস। এই হিব্ৰুসকলেই হল পৰৱৰ্ত্তী যুগত মানৱ সভ্যতা বিস্তাৰ কৰাৰ মাধ্যম।

এই পৌৰাণিক আখ্যানবোৰে প্ৰমাণ কৰে যে সভ্যতাৰ পোহৰলৈ ওলাই অহা প্ৰতিটো জাতিৰে প্ৰাথমিক অভিজ্ঞতা আছিল প্ৰায় একে ধৰণৰ। আদিম প্ৰাগৈতিহাসিক অৱস্থা হ'ল পৰ্ব্বত আৰু পানী। পৰ্ব্বতবোৰ হয়তো বৰফে ঢাকি থৈছিল ; বৰফ পানী-ৰেই ৰূপান্তৰ মাথোন। কালক্ৰমত বৰফ গলি গ'ল ; পানী বৈ গ'ল। জলাহ ভূমি ওলাল ; জলাহ ভূমি ক্ৰমে টান মাটিত পৰিণত হল। গতিকে স্মৰণাতীত কালত প্ৰচণ্ড জলপ্লাৱন এটা হৈছিল বুলি কোৱাটো শাস্ত্ৰৰ অলীক কল্পনা নহয় ; নিৰ্ঘাত ঐতিহাসিক সত্য। পৃথিবীৰ ভূ-ভাগৰ এই বিৰাট পৰিৱৰ্ত্তন ঘটাৰ পিচত পৰ্ব্বতৰ খোৰোঙৰ পৰা ওলাল দানৱ আৰু তাৰ পাচত ওলাল মানৱ। বল-বিক্ৰম আৰু গা-গাৰিত মানৱ দানৱতকৈ বহু গুণে নিকৃষ্ট যদিও বুদ্ধি-বৃত্তিত মানৱ দানৱতকৈ শ্ৰেষ্ঠ। সেইদেখি মানৱ-দানৱৰ প্ৰতিদ্বন্দ্বিতাত মানৱৰ জয় হ'ল। মানৱে বুজিলে যে বুদ্ধি-বৃত্তি থকা বাবেই তেওঁ বসুধা ভোগ কৰিবলৈ পাইছে। এই বিচাৰ-বুদ্ধি খটুৱাব পৰা শক্তিটোক মানুহে ইষ্টদেৱতা হিচাবে কল্পনা কৰিবলৈ শিকিলে আৰু যিজনৰ মন্ত্ৰণা মতে বিচাৰ-বুদ্ধি খটুৱাব পৰা এই শক্তিটো সংযত, নিয়ন্ত্ৰিত বা উৎকৰ্ষিত কৰিব পৰা যায়, সেইজনেই হল গুৰু। গতিকে ধৰ্ম্মশক্তিৰ উত্থান হয় আগে ; ৰাজশক্তিৰ উদ্ভৱ পাচতহে। প্ৰথম অৱস্থাত এই দুয়োটা শক্তি আছিল অভিন্ন ; প্ৰথমটোৰ পৰা দ্বিতায়টো বিচ্ছিন্ন হৈ আহোতে বহু কাল লাগিছিল। এই দুয়োটা শক্তিৰ বিচ্ছেদ ঘটাৰ ফলতেই ৰাষ্ট্ৰৰ সূত্ৰপাত হয়।

মানৱ সভ্যতা গঢ়ি তোলাত আগ ভাগ লোৱা জাতিবোৰৰ প্ৰাৰম্ভিক অভিজ্ঞতা আছিল প্ৰায় একে ধৰণৰ। তেওঁলোকৰ ধৰ্ম্মপুথি বা লৌকিক প্ৰবাদত প্ৰায় একে ধৰণৰ কথা কিছুমান পোৱাৰ কাৰণ



সেয়ে। এইবোৰ কথা হল কল্পনাৰ বোল সানি পৰপুৰুষলৈ থৈ যোৱা প্ৰাচীন জাতিবৰ্গৰ নিজস্ব অভিজ্ঞতাৰ কাহিনী। সময়ত পাৰস্পৰিক সংঘৰ্ষ বা সংঘাতলৈ আহি ইটো জাতিয়ে সিটোক প্ৰভাৱান্বিত কৰিছিল আৰু এতিয়াও তেনে কৰি আছে। বাইবেলত "বাবেলৰ স্তম্ভ" আৰু তাৰ চৌপাশৰ ৰাজ্যখণ্ডত নানান মানুহৰ "বাৰে-বাং-কৰা" মাত-কথাৰ উল্লেখ আছে। জেনেছিছত পোৱা এইষাৰ খণ্ডবাক্য ইংৰাজীত বৰ্ত্তমান জতুৱা ঠাঁচত পৰিণত হৈছে (১)। এই বাবেলৰ স্তম্ভটো আছিল বেবিলনত আৰু তাত হৰেক ৰকমৰ মানুহৰ এনেহে সমাগম হৈছিল যে নিভাঁজ বা শুদ্ধ মাত এষাৰো শুনিবলৈ পোৱা নগৈছিল। বাৰে-বাং-কৰা মাত-কথা সাধাৰণতে শুনিবলৈ পোৱা যায় হাটখোলাত। বেহা-বেপাৰ বা কিনা-বেচা কৰোঁতে সময়ত ইচ্ছাকৃত ভাবেও ভাষা বিকৃত কৰিব লগা হয়। এনে ধৰণে কিনোঁতা আৰু বেচোঁতা উভয়ৰে মাত-কথা সানমিহলি হৈ একপ্ৰকাৰ মিহলি ভাষাৰ সৃষ্টি হয়। এই মিহলি ভাষাটো পোনতে 'বজৰুৱা' আছিল যদিও পাচত গৈ সিয়ে 'লিঙ্গুৱা ফ্ৰাঙ্কা' হৈ পৰে। মধ্য যুগত পশ্চিম ইউৰোপৰ ফালে ইউৰোপীয় আৰু আৰবসকলৰ মাজত বেহা-বেপাৰ চলিছিল। আৰবসকলে নিজ মাতৃভাষা আৰবীৰ উপৰিও অলপ-অচৰপ তুৰ্ক ভাষা জানে। ইউৰোপীয়সকলে নিজ মাতৃভাষাৰ উপৰিও অলপ-অচৰপ লেটিন জানে। গতিকে এহাতে লেটিন, গ্ৰীক আৰু অন্যান্য পশ্চিম ইউৰোপীয় আৰু আনহাতে আৰবী আৰু তুৰ্কৰ সংমিশ্ৰণ ঘটি বাৰে-বাং-কৰা ভাষা এটাৰ সৃষ্টি হয়। সেই ভাষাটোকে "লিঙ্গুৱা ফ্ৰাঙ্কা" বোলা হৈছিল।

বাবেলৰ স্তম্ভৰ আশে-পাশে বাৰে-বাং-কৰা মাত-কথা শুনিবলৈ পোৱাটোৱে সেই দেশৰ দুৰ্ব্বলতাৰ পৰিচয় নিদিয়ে ; বৰঞ্চ সেই দেশ যে বিভিন্ন জাতিৰ মিলন-ক্ষেত্ৰ আছিল, সেইটোহে প্ৰতিপন্ন কৰে। বেহা-বেপাৰত বেবিলন যে বিশ্বৰ ভিতৰত অগ্ৰণী আছিল, বাবেলৰ এই মাত-কথাই তাৰেই সাক্ষ্য দিয়ে। বেহা-বেপাৰৰ অৰ্থে পৃথিবীৰ অন্যান্য ঠাইৰ পৰা যিবোৰ মানুহ বেবিলনলৈ গৈছিল, সেইবোৰ নিশ্চয় বেবিলনীয়সকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু বেবিলনীয়সকলো তেওঁলোকৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈ থকা নাছিল। কেৱল বেবিলনেই নহয়, নিকট প্ৰাচ্যৰ প্ৰতিটো প্ৰাচীন জাতিয়ে প্ৰতিবেশী জাতিবৰ্গক কম-বেচি পৰিমাণে প্ৰভাৱান্বিত কৰিব পাৰিছে। নীল নদীৰ পাৰত পৃথিবীৰ সুপ্ৰাচীন আৰু সুমহান সভ্যতা এটাৰ সূচনা হয় খ্ৰীষ্ট জন্মৰ প্ৰায় চাৰি হেজাৰ বছৰৰ পূৰ্ব্বে। ইয়াৰ প্ৰায় ডেৰ হেজাৰ বছৰৰ পাচৰ পৰাই ইউফ্ৰেট্ছ আৰু টাইগ্ৰীছ নদীৰ পাৰত আন এটি মহান সভ্যতাই থিতি লয়। অৱশ্যে এই অঞ্চলত বিকশিত হোৱা সভ্যতা এটাই নহয়, বহুতো। মিছৰীয় সভ্যতাৰ লগত ইউফ্ৰেটছ-টাইগ্ৰীছ উপত্যকাৰ সভ্যতাৰ সম্পৰ্কও প্ৰতিষ্ঠিত নোহোৱাকৈ থকা নাছিল। বহুতো প্ৰাচীন মিছৰীয় দেৱ-দেৱী ছেমিটিক গোষ্ঠীৰ, অৰ্থাৎ ইউফ্ৰেট্ছ-টাইগ্ৰীছ এলেকাৰ আদিবাসীৰ ধৰ্ম্ম-সম্ভূত। খ্ৰীষ্ট পূৰ্ব্ব ত্ৰয়োদশ শতাব্দীৰ মিছৰীয় সম্ৰাট চতুৰ্থ থুট্‌মছ আৰু দ্বিতীয়

(১) So the Lord scattered them abroad from thence upon the face of all the earth : and they left off to build the city.

Therefore is the name of it called Babel ; because the Lord did there confound the language of all the earth : and from thence did the Lord scatter them abroad upon the face of all the earth. —Genesis, XI, 8-9.

এমেনহটেপে ইউফ্ৰেটিছ নদীলৈকে নিজ ৰাজ্যৰ সীমা বহলাইছিল। মিছৰীয় সম্ৰাট চতুৰ্থ এমেনহটেপ ওৰফে ইখ্‌নেটনৰ ধৰ্ম্ম-সংস্কাৰ মূলতে আছিল এই বহিৰ্দ্দেশ কেইখনৰ পৰা আহৰণ কৰা ভাৱধাৰা; কাৰণ টাইগ্ৰীছ-ইউফ্ৰেটছৰ সভ্যতা সকলো পিনৰ পৰাই মিছৰীয় সভ্যতাতকৈ উন্নততৰ আছিল।

যি কোনো জাতিৰে সভ্যতা নিৰূপণ কৰোতে সাধাৰণতে সেই জাতিটোৰ কলানুৰাগৰ মূল্যাঙ্কণ কৰা হয়। ভাত-কাপোৰেই সৰ্ব্বস্ব নহয়; কেৱল বাচি থকাতে মানৱীয় মূল্য নিহিত নাথাকে। ভাত-কাপোৰৰ সমস্যা দূৰ হোৱাৰ লগে লগে, বাচি থকাৰ প্ৰাথমিক চাহিদা পূৰণ হোৱাৰ লগে লগে, উন্নততৰ আৰু উচ্চতৰ কিবা এটা পাবৰ বাবে মানুহৰ অভিলাষ জন্মে। সভ্য, ৰুচিবোধসম্পন্ন আৰু ন্যায়-অন্যায় বিচাৰক্ষম হোৱাৰ প্ৰবৃত্তি এটা মানুহ মাত্ৰৰে জাগে। সত্য-শিৱ-সুন্দৰ—এই বস্তু তিনিটিৰ চৰ্চ্চা বা সাধনা ভাৰতীয়সকলৰে একচেটিয়া অধিকাৰ নাছিল; যি কোনো জাতিৰে নৈতিক প্ৰয়াসৰ চৰম লক্ষ্য আছিল এই তিনিটি বস্তুৱেই। কলাত বা কলাজনিত সৃষ্টিত এনে প্ৰচেষ্টা ৰূপায়িত হয়। কলা প্ৰকৃতিৰ প্ৰতিৰূপ বা প্ৰতিলিপি নহয়; ই হ'ল প্ৰকৃতিৰ ব্যাখ্যা—আদৰ্শীকৃত আৰ্হি; প্ৰকৃতিৰ ৰুচি-বিগৰ্হিত গুণাগুণ শোধিত কৰি লৈ তৈয়াৰী কৰা সুৰুচিকৰ, সুমনোহৰ আৰু সুসমঞ্জস ৰূপ। একালত কলাক তিনি ভাগত ভগোৱা হৈছিল - ললিত কলা, আচাৰ কলা আৰু ব্যৱহাৰ্য্য কলা। ললিত কলাই মানুহৰ অন্তৰত সৌন্দৰ্য্যৰ অনুভূতি জাগৰিত কৰিব পাৰে—যিটোক হাৰ্ডাৰে 'এম্পেথি' (আবেগিক অন্তৰানুপ্ৰবেশ) বা 'ইন্‌ফিউলাঙ্গ' ( Einfuhlung ) থিয়ৰিৰ যোগেদি ব্যাখ্যা কৰাৰ চেষ্টা কৰিছিল আচাৰ কলাই নীতি-নিষ্ঠা শিকায় আৰু ভাল-বেয়া, হিতাহিত সৎ-অসতৰ বাচ-বিচাৰ কৰিব পৰা শক্তি যোগায়। ব্যৱহাৰ্য্য কলা ঐহিক সুখ-সম্পদৰ বাবে লাগে। আজিকালি কলাৰ এই তত্ত্ব অৱশ্যে পৰিত্যক্ত হৈছে। তথাপি পশ্চিমীয়া সভ্যতাৰ আঁতি-গুৰি বিশ্লেষণ কৰিলে এই তিনিও বিধ কলা তিনিটা প্ৰাচীন জাতিৰ পৰা সংগৃহীত হোৱাৰ প্ৰমাণ পোৱা যায়। ইউৰোপীয়সকলে ললিত কলা শিকিলে গ্ৰীকসকলৰ পৰা, আচাৰ কলা শিকিলে হিব্ৰুসকলৰ পৰা আৰু ব্যৱহাৰ্য্য কলা শিকিলে ৰোমানসকলৰ পৰা। সভ্যতা বিস্তাৰত আগ ভাগ লোৱা এই তিনিওটা জাতি কম-বেচি পৰিমাণে পৰস্পৰৰ সংস্পৰ্শ বা সংঘাতলৈ আহিছিল আৰু আটাই কেইটা জাতি আছিল প্ৰাচীন মেছোপটামিয়াৰ ওচৰত ঋণী। মেছোপটামিয়াক আমি একপ্ৰকাৰ সভ্যতাৰ আদি পীঠকে বুলিব পাৰোঁ। হিব্ৰুসকলে নিঃসঙ্কোচে মেছোপটামিয়াক এই মহান সন্মানৰ অধিকাৰী কৰিছে। বাইবেলৰ জেনেছিছত যি প্ৰচণ্ড জলপ্লাৱনৰ উল্লেখ আছে, তাত ৰক্ষা পৰা মানুহজন হল নোৱা। নোৱাৰ পুতেক হল ছেম, হাম আৰু জাফেথ। তেওঁলোকৰ সতি-সন্ততিসকল পূবফালে ক্ৰমে গৈ গৈ ছিনাৰৰ দেশত এক সমভূমিত ওলালগৈ আৰু তাতেই বসতি কৰিবলৈ ললে। এই ছিনাৰ দেশখন হ'ল ইউফ্ৰেটিছ-টাইগ্ৰীছ উপত্যকাৰ দক্ষিণ খণ্ড। বাবেলৰ স্তম্ভটোও আছিল এই ছিনাৰ দেশতে। এতেকে মানৱ সভ্যতা যে একালত ইয়াৰ পৰাই বিকীৰণ হৈছিল, সেই বিষয়ে জেনেছিছ ৰচয়িতাৰ অকণো সংশয় নাই।

খ্ৰীষ্টানসকলৰ অমৰ গ্ৰন্থ বাইবেলত আৰু হিৰডটাছ, ক্টেছিয়াছ, জেনফন, থুকিডাইডিছ, প্লিনী প্ৰমুখ্যে গ্ৰীক আৰু ৰোমান ঐতিহাসিকসকলৰ ৰচনাৱলীত মেছোপটামিয়া আৰু তাৰ দাঁতি-



কাষৰীয়া প্ৰায় প্ৰতিখন প্ৰাচীন দেশৰে বুৰঞ্জীৰ থূলমূল আভাস এটা পোৱা যায়। হিব্ৰু, গ্ৰীক আৰু ৰোমান—এই তিনিওটা জাতি মানৱ সভ্যতাৰ এই আদি পীঠৰ ওচৰত কৃতজ্ঞতাৰ পাশত কেনেকৈ আবদ্ধ হৈছিল, তাৰ এয়ে প্ৰমাণ। তদুপৰি দেখা যায় যে নিকট প্ৰাচ্যৰ প্ৰাচীন নামবোৰ হয় গ্ৰীক, নহয় হিব্ৰু। টাইগ্ৰীছ, ইউফ্ৰেটিছ, মেছোপটামিয়া, চালডিয়া, এছীৰিয়া, বেবিলনিয়া, এলাম, ছুচিয়ানা, কানান, এডম, মোৱাব আদি নামবোৰ গ্ৰীক নাইবা হিব্ৰু। আজিকালি সেই অঞ্চলত ঘাইকৈ আৰবসকলৰে বাস। আৰবী নামবোৰ সুশ্ৰাব্য হোৱা সত্বেও কিছুমান পুৰণি গ্ৰীক নামৰ জনপ্ৰিয়তা আজিও অটুট আছে। আৰব-সকলে বৰ্ত্তমান ইউফ্ৰেটিছ আৰু টাইগ্ৰীছক একত্ৰে 'ছাট্-অল-আৰব' বোলে; আমাৰ ওচৰত হলে নদী দুখন পুৰণি গ্ৰীক নামেৰেই পৰিচিত হৈ আহিছে। মেছোপটামিয়াক আমি আজিকালি 'ইৰাক' বুলিয়েই জানো। দৰাচলতে 'ইৰাক' বোলা দেশখনৰ দক্ষিণ খণ্ডকহে 'ইৰাক' বোলা হৈছিল; উত্তৰ খণ্ডক বোলা হয় 'জাজিৰা'। তদুপৰি পুৰণি মেছোপটা-মিয়া আছিল বৰ্ত্তমান ইৰাকতকৈ বহুতো সৰু। গ্ৰীক ভাষাত 'মেছছ' মানে মাজভাগ আৰু 'পটামই' মানে নদী। গতিকে 'মেছোপটামিয়া' মানে মাজুলী—নদী দুখনৰ মাজভাগ। এই নদী দুখনৰো গতি ভালেখিনি সলনি হ'ল। ইউফ্ৰেটিছ ( ছাট্-অল-ফাৰা ) নদীখন প্ৰায় দহ মাইল পূবলৈ গ'ল। পুৰণি কালত এই দুয়োখন নদী এতিয়াৰ দৰে মিলিত হৈ পাৰস্য উপসাগৰত পৰাগৈ নাছিল; বেলেগে বেলেগেহে পৰিছিলগৈ। তদুপৰি দুয়োখন নদীৰ মোহনাও আছিল ১২০ কি ১৩০ মাইল উত্তৰলৈ; অৰ্থাৎ পাৰস্য উপসাগৰখনেই ১৩০ মাইল দক্ষিণলৈ নামি গ'ল। গতিকে আধুনিক ৰাজনৈতিক মানচিত্ৰৰ লগত প্ৰাচীন কালৰ বুৰঞ্জীৰ বিশেষ সম্বন্ধ নাই।

মেছোপটামিয়াত মোটামুটি ভাবে তিনিটা সভ্যতাৰ উত্থান হৈছিল বুলি ধৰিব পৰা যায়। প্ৰথমটো হ'ল আদি বেবিলনীয় সভ্যতা; ছুমেৰ আৰু আক্কাড প্ৰধানতঃ এই দুখন ৰাজ্যই আছিল এই সভ্যতাৰ আধাৰ। দ্বিতীয়টো হ'ল এছাৰীয় সভ্যতা; অছুৰ আৰু নিনেভাক কেন্দ্ৰ কৰি লৈ এই সভ্যতাই গঢ় লৈছিল। তৃতীয়টো হ'ল পৰৱৰ্ত্তী বেবিলনীয় সভ্যতা। বেবিলনৰ প্ৰসিদ্ধ আলাস উদ্যান নিৰ্ম্মাতা নাবুকাডনেজাৰ এই শেহতীয়া যুগটোৰহে লোক। খ্ৰীষ্টপূৰ্ব্ব ৫৬২ চনত নাবুকা-ডনেজাৰৰ মৃত্যু ঘটে আৰু তাৰ প্ৰায় কুৰি বছৰৰ পাচতে বেবিলন পাৰ্চীসকলৰ দখললৈ যায়। গতিকে প্ৰাচীন মেছোপটামিয়াৰ সভ্যতা মোটামুটি ভাবে খ্ৰীষ্টপূৰ্ব্ব ৩০০০ বছৰৰ পৰা খ্ৰীষ্টপূৰ্ব্ব ৫৩৯ চনৰ ভিতৰত বুলি আমি ধৰিব পাৰোঁ। এই তিনিওটা সভ্যতাৰ অৱশ্যে ইটোৰ পিচত সিটোকৈ উত্থান হোৱা নাছিল। ছুমেৰত আৰম্ভণি হল আৰু বেবিলনত সামৰণি পৰিল মাত্ৰ। বাকীছোৱাত তিনিওটা সভ্যতা ঠায়ে ঠায়ে সমসাময়িক আৰু ঠায়ে ঠায়ে ক্ৰমানুৱৰ্ত্তীভাবে চলিছিল। বাহ্যিক প্ৰভেদ কিছু আছিল যদিও তিনিওটা সভ্যতা একেডাল সূতাৰেই গথা।

গ্ৰীক আৰু হিব্ৰুসকলৰ লেখাত 'কালডিয়া' ( বা চালডিয়া ) নামটো বেবিলনৰ সমাৰ্থক হিচাবে ব্যৱহাৰ কৰা হৈছে। নিতান্ত গৌণ হলেও চালডিয়া আৰু বেবিলনৰ মাজত কিছু প্ৰভেদ আছে। টাইগ্ৰীছ আৰু ইউফ্ৰেটিছৰ মোহনাত 'বিট য়াকিন' নামে যিখন নগৰ আছিল, তাৰ চৌপাশৰ ক্ষুদ্ৰ দেশখনকহে চালডিয়া বোলা হৈছিল। এছীৰিয়া আৰু বেবিলনৰ মাজত খ্ৰীষ্টপূৰ্ব্ব ষষ্ঠ শতাব্দীত

যুঁজ-বাগৰ লাগি থকা কালত এছীৰীয় সম্ৰাট ছাৰ্গন আৰু ছেনাচেৰিবৰ বিৰুদ্ধে বেবিলনৰ অধিপতি মাৰ্দুক-পাল-ইদিনাৰ ( গ্ৰীক উচ্চাৰণ অনুযায়ী 'মেৰডাক বালাদিন' ) ৰণোদ্যোগৰ ঘাটি আছিল বিট য়াকিন তথা চালডিয়া। কালক্ৰমত এছীৰীয়-সকলে মাৰ্দুক-পাল-ইদিনাৰ গোটেই দেশখনকে চালডিয়া বুলিবলৈ ললে। হিব্ৰু আৰু গ্ৰীকসকলে এই দৰেই চালডিয়া নামটো বেবিলনিয়াৰ সমাৰ্থক হিচাবে ব্যৱহাৰ কৰাৰ প্ৰয়াস পায়।

মেছোপটামিয়াৰ প্ৰাচীন সভ্যতাক "ছেমিটিক" আখ্যা দিয়া হয়। এছীৰিয়া-বেবিলনীয়, হিব্ৰু, আৰামাইক, আৰবী আৰু ইথিওপিয়ান—এই ভাষা কেইটা যে একেটা গোষ্ঠী-সম্ভূত, সেইটো শ্লজাৰ নামে ভাষাতত্ত্ববিদ পণ্ডিত এজনে প্ৰথম প্ৰমাণ কৰে। ইয়াৰ ভাল উদাহৰণ হ'ল 'ঘৰ'; এছীৰীয়-বেবিলনী ভাষাত ঘৰক 'বিটু' বোলে, হিব্ৰুত ই হ'ল 'বায়িথ', আৰামাইকত 'বায়থা', আৰবীত 'বায়তু' আৰু ইথিওপিয়ানত 'বেট'। এই ভাষা-গোষ্ঠীৰ শ্লজাৰে নাম থয় 'ছেমিটিক'; নোৱাৰ পুতেক ছেমৰ পৰাই এই নামটো আহৰণ কৰা হৈছে। নোৱাৰ আনজন পুতেক হামৰ নামেৰেও ভাষা-গোষ্ঠী এটা আছে; সেইটো হ'ল 'হেমিটিক'। লিবিয়া, টিউনিছিয়াকে আদি কৰি উত্তৰ আফ্ৰিকাৰ ভূমধ্য সাগৰৰ তটৱৰ্ত্তী এলেকাত হেমিটিক গোষ্ঠীৰ ভাষাবোৰৰ প্ৰচলন আছিল। নিকট প্ৰাচ্যত কেৱল ফিনিচীয়সকলেহে হেমিটিক গোষ্ঠীৰ প্ৰতিনিধিত্ব কৰিছিল। পাচত তেওঁলোকো আফ্ৰিকাৰ উত্তৰ-পশ্চিম কোণলৈ উঠি গ'ল। বাইবেলে কয় যে ছিনাৰ দেশত বাবেল, ইৰেথ, আক্কাড, কালনে প্ৰভৃতি নগৰ নিমৰডে প্ৰতিষ্ঠা কৰিছিল। চালডিয়াৰ উৰ নগৰী আছিল নিমৰডৰ ৰাজধানী। এই নিমৰড হ'ল কুছৰ পুতেক, কুছ হ'ল হামৰ পুতেক আৰু হাম নোৱাৰ পুতেক, গতিকে বাইবেলৰ বৃত্তান্ত মতে বেবিলনত হেমিটিক গোষ্ঠীৰহে প্ৰাধান্য হ'ব লাগিছিল; কিন্তু কাৰ্য্যতঃ ই ছেমিটিক গোষ্ঠীৰহে আদিধাম হ'লগৈ।

ছুমেৰত সভ্যতাৰ প্ৰথম প্ৰৱৰ্ত্তকসকল অৱশ্যে জাতিগত কিম্বা ভাষাগত ভাবে ছেমিটিক নাছিল; ছেমিটিক সংস্কৃতিৰ বেদীত তেওঁলোকে নিজৰ সংস্কৃতি প্ৰতিষ্ঠা কৰিলে মাথোন। তেওঁলোক সম্ভৱতঃ এলাম বা ছুচিয়ানাৰ ফালৰ পৰা তালৈ গৈছিল। এলাম ( ছুচিয়ানা ) বোলা দেশখন আছিল পাৰস্যৰ উত্তৰ-পশ্চিম দিশে টাইগ্ৰীছ নদীৰ পূৱলৈ। সেই কালত বেবিলন বুলি দেশ এখনেই নাছিল। মোটামুটি ভাবে দক্ষিণ বেবিলনক 'ছুমেৰ' আৰু উত্তৰ বেবিলনক 'আক্কাড' বুলিব পাৰি। বেবিলনীয় কিম্বদন্তী মতে মাটি-পানী বেলেগ বেলেগ কৰে 'মাৰ্দুক' বোলা দেৱতা এজনে। এই দেৱতাজনে হেনো প্ৰলয়-পয়োধি জলৰ দৈত্য তিয়ামতক পৰাস্ত কৰি ভূমি উদ্ধাৰ কৰে। মাৰ্দুক কিন্তু আটাইতকৈ পুৰণি দেৱতা নহয়; এৰিডু নগৰৰ অধিষ্ঠাতা দেৱতা এনুকি বা ইয়াহে সবাতকৈ পুৰণি। বেবিলনৰ পুৰণি ইতিহাস ৰচয়িতা বেৰছছৰ (২) মতে

(২) বেৰছছ খ্ৰীষ্টপূৰ্ব্ব তৃতীয় শতাব্দীৰ লোক। তেওঁ বেবিলনৰ থান বেল মন্দিৰৰ পূজাৰী আছিল। আলেক-জাণ্ডাৰে বেবিলন দখল কৰি পঞ্জাবলৈকে তেওঁৰ ৰাজ্য বিস্তাৰ কৰে। খ্ৰীষ্টপূৰ্ব্ব ৩২১ চনত তেওঁৰ মৃত্যু হোৱাৰ পিচত এচিয়াত তেওঁ দখল কৰা ৰাজ্যবোৰ তেওঁৰ সেনাপতিসকলে ভগাই লয়। ছিৰিয়াৰ গ্ৰীক ৰজা এন্টিয়কছৰ দিনত বেৰছছে "চালডিয়াৰ বুৰঞ্জী" নাম দি বেবিলনৰ পৌৰাণিক ইতিবৃত্ত সঙ্কলন কৰে। তিনি-খণ্ডত সমাপ্ত এই বুৰঞ্জীখন তেওঁ এন্টিয়কছৰ নামত উৎসৰ্গ কৰিছিল। কালক্ৰমত মূল গ্ৰন্থখন লুপ্ত হল; কিন্তু এপল'ডৰাছ, পলিহিষ্টৰ, ইউছেবিয়াছ, ছিন্‌চেলাছ প্ৰমুখ্যে গ্ৰীক ঐতিহাসিকসকলৰ লেখাত বেৰছছৰ প্ৰামাণ্য বহুলাংশে উদ্ধৃত হৈছে।



পাৰস্য উপসাগৰৰ পৰা অৰ্দ্ধ মৎস্য আৰু অৰ্দ্ধ-নৰ অৱানেছ বুলি বৃহদকায় জীৱ এটা আবিৰ্ভূত হয় আৰু এই অৱানেছে প্ৰাচীন বেবিলনীয়সকলক লিখা-পঢ়া বিদ্যা আৰু অন্যান্য কলা শিকায়। ইয়াৰ পিচত এলৰছৰ ৰাজফৈদে শাসন আৰম্ভ কৰে আৰু এই ফৈদৰ শেষৰ জন ৰজা জিছথ্ৰছৰ দিনত প্ৰচণ্ড জলপ্লাৱন এটা হয়। 'জীৱ-জঙ্গম-কীট-পতঙ্গম' যত আছিল মানে নাশ হ'ল যদিও, উৎনাপিষ্টিম নামে ধৰ্ম্মপ্ৰাণ এজন লোকে নাৱত উঠি প্ৰাণ ৰক্ষা কৰিব পাৰিলে। এওঁৰ পৰাই পুনৰ মানৱ জাতিৰ সৃষ্টি হয়। জেনেছিছত বৰ্ণিত নোৱাৰ কাহিনী বেৰছছৰ এই আখ্যানৰে প্ৰতিধ্বনি মাথোন। বেৰছছৰ আখ্যান একেবাৰে অমূলক নহয়। প্ৰাগৈতিহাসিক বেবিলনৰ ছেমিটিক অধিবাসীসকলে অক্ষৰ-জ্ঞান আৰু অন্যান্য কলা বোধ হয় কোনোবা এটা বহিৰাগত জাতিৰ পৰাই শিকিছিল আৰু সেই বহিৰাগত জাতিটো যে এলাম বা পাৰস্য উপসাগৰৰ ফালৰ পৰা যোৱা ছুমেৰীয়সকলেই, সেইটো দেখাতে ওলাই আছে। এই ছুমেৰীয়সকলনো ক'ৰ মানুহ আছিল, সেইটো অৱশ্যে থাটাংকৈ কব পৰা অৱস্থা হোৱা নাই। বহুতে তেওঁলোকক দক্ষিণ ভাৰতৰ পৰা যোৱা দ্ৰবিড় জাতীয় লোক বুলি ভাবে। এই বিষয়ে পিচত আলোচনা কৰা হ'ব।

ছুমেৰীয়সকলৰ আটাইতকৈ ডাঙৰ অৱদান হ'ল অক্ষৰ-জ্ঞান বা লিপি-বিদ্যা। বিখ্যাত 'কিউনিফৰ্ম' ( cuneiform ) লিপি তেওঁলোকেই প্ৰথম আবিষ্কাৰ কৰে। 'কিউনিফৰ্ম' নামটো অৱশ্যে নতুন; থমাছ হাইড আৰু এঞ্জেলবাৰ্ট কাম্ফাৰে এই নামটো জনপ্ৰিয় কৰি তোলে। লেটিন কিউনিয় ( cuneus ) মানে গোঁজ বা ঠিলা আৰু 'ফৰ্মা' ( forma ) মানে আকৃতি বা গঢ়; গতিকে কিউনিফৰ্ম মানে গোঁজ আকৃতিৰ আখৰ। মিছৰীয় 'হিয়েৰগ্লিফ' ছুমেৰীয় কিউনিফৰ্মতকৈ পুৰণি যদিও সি আছিল কিছুমান শব্দবাচক চিত্ৰ মাথোন। আখৰ হিচাবে চাব লাগিলে কিউনি-ফৰ্মেই বিশ্বৰ প্ৰথম লিপিমালা। পৃথিবীৰ বিশেষকৈ ছেমিটিক ভাষাগোষ্ঠীৰ প্ৰায়বোৰ লিপি একপ্ৰকাৰে নহয় আনপ্ৰকাৰে কিউনিফৰ্মৰ ওচৰত ধৰুৱা। গোঁজ দি অঁকা এটা বা ততোধিক ত্ৰিভুজ লৈ কিউনিফৰ্ম লিপিত একো একোটা আখৰ হয়। আখৰবোৰ একপ্ৰকাৰ কাঁড়ৰ দৰে; জোঙা মূৰটোৰ পৰা দুডাল বহা ওলাই তৃতীয় ডাল বাহুৰ দুয়ো মূৰে লগ লাগেগৈ আৰু এই তৃতীয় বাহুডালৰ সোঁমাজতে গোঁজ বা টুপ এটা দিয়া থাকে।

ছুমেৰীয়সকলৰ জীৱন আছিল নগৰ-প্ৰধান। প্ৰতিখন নগৰেই আছিল একোখন স্বতন্ত্ৰ ৰাজ্য আৰু প্ৰতিখন ৰাজ্যতে একো একোজন অধিষ্ঠাতা দেৱতাও আছিল। নগৰৰ মুখীয়ালজন আছিল একাধাৰে নগৰবাসীৰ শাসনকৰ্ত্তা আৰু অধিষ্ঠাতৃ দেৱতাৰ পুৰোহিত। তেওঁকে 'পটেছি' বোলা হৈছিল। কালক্ৰমত হয়তো কোনোবাজন পটেছি পৰাক্ৰমী হৈ উঠিল; ওচৰ চুবুৰীয়া পটেছিসকলক বশ কৰি তেওঁ এখন ডাঙৰ ৰাজ্য প্ৰতিষ্ঠা কৰিলে আৰু নিজে 'লুগাল' বা ৰজা উপাধি ললে। উৰৰ আ—আন্নি– পাদা আৰু কিছৰ উটুগ আটাইতকৈ পুৰণি ৰজাসকলৰ ভিতৰত উল্লেখযোগ্য। খ্ৰীষ্টপূৰ্ব্ব ২৮০০ চনৰ আগে আগে আক্কাডৰ ৰজা ছাৰুকিন্ বা ছাৰ্গনে দক্ষিণ মেছোপটামিয়াৰ অধিকাংশ নিজৰ কৰতলগত কৰে আৰু সেই সময়ৰ পৰাই ছেমিটিক গোষ্ঠীৰ প্ৰাধান্য প্ৰতিষ্ঠিত হয়। তেতিয়ালৈ ছুমেৰীয়সকলৰ নিজস্ব সংস্কৃতি বুলিবলৈ আৰু একোৰে অৱশেষ বোৱা নাছিল। তেওঁলোক ইতিপূৰ্ব্বে ছেমিটিক গোষ্ঠীত বিলীন হৈ গ'ল।

ছাৰ্গন পুৰণি কালৰ আটাইতকৈ ডাঙৰ ৰজা—

মহাযোদ্ধা আৰু সসাগৰা সাম্ৰাজ্যৰ অধিপতি। এওঁৰ ফৈদৰ আন দুজন ৰজা হ'ল নৰম-ছিন আৰু ছাৰ্গলি ছাৰি। ছাৰ্গনৰ বংশ বাদে প্ৰাচীন বেবিলনিয়াৰ আন এটা উল্লেখযোগ্য ৰাজফৈদ হল ছুমু-আবুৰ। ছুমু আবু আৰব জাতীয় লোক। এওঁৰ ফৈদৰ আটাইতকৈ উল্লেখযোগ্য ৰজা হ'ল খামুৰাবি বা হামুৰাবি। ছুমু আবু আৰু তেওঁৰ বংশধৰ-সকলহে খাচ বেবিলনৰ ৰজা আছিল। সমগ্ৰ বেবিলন সৰ্ব্বপ্ৰথম একত্ৰিত হয় খামুৰাবিৰ দিনতহে—খ্ৰীষ্টপূৰ্ব্ব ২১২৩—২০১০ চনৰ ভিতৰত।

বেবিলনীয় সভ্যতাৰ এই প্ৰথম অধ্যায়ৰ চকুত লগা বৈশিষ্ট্যৰ ভিতৰত প্ৰথম হ'ল তেওঁলোকৰ নগৰ পৰিকল্পনা আৰু গৃহ-নিৰ্ম্মাণ বিজ্ঞান। অৱশ্যে ইয়াৰ চৰম উৎকৰ্ষ পৰৱৰ্ত্তী এছীৰিয়া আৰু বেবিলনতহে সাধিত হয়। সেয়ে হলেও ছুমেৰ আৰু আক্কাডৰ পুৰণি নগৰবোৰতেই স্থাপত্যৰ প্ৰথম প্ৰস্তাৱনা হয়। উৰ, ইৰেখ আৰু আবু ছাৰেইনত পুৰণি মন্দিৰৰ ধ্বংসাৱশেষ খান্দি উলিওৱা হৈছে। বেবিলনীয়সকলে মাটি ৰ'দত শুকাই বা পাঁজাত পুৰি ইটা তৈয়াৰ কৰিছিল। চূণ-চুৰ্কী আৰু বিলাতী মাটিৰ বদলি আলকাতৰা আৰু অন্যান্য খনিজ তেল ব্যৱহাৰ কৰিছিল। খেৰ বা খেজুৰ গছৰ পাত কাটি সৰু সৰু কৰি ইটাৰ গাথনিৰ মাজত সুমাই দি ফাকবোৰ নোহোৱা কৰিছিল। খ্ৰীষ্ট জন্মৰ দুহাজাৰ বছৰৰ আগৰ ইটা এতিয়াও মজবুত অৱস্থাতে পোৱা গৈছে।

দ্বিতীয় আৰু আটাইতকৈ চকুত লগা বৈশিষ্ট্য হ'ল তেওঁলোকৰ জলসিঞ্চন প্ৰণালী। এই বিষয়ত তেওঁলোক পৃথিবীৰ ভিতৰত সৰ্ব্বপ্ৰথম। ইউফ্ৰেটিছ আৰু টাইগ্ৰীছক সংযুক্ত কৰি বহুতো খাল খান্দি পানী নি তেওঁলোকে শুকান বালিময় সেই মৰুভূমি-খন সাৰুৱা কৰি তুলিছিল। মেছোপটামিয়াৰ যত্নধানৰ খেতি দেখি গ্ৰীক ঐতিহাসিক হিৰ'ডটাছে তবধ মানিছিল। সভ্যতা আৰু সংস্কৃতিৰ আদিস্তৰ হ'ল কৃষি। প্ৰাচীন বেবিলনীয়সকলক আমি কৃষি-প্ৰণালীৰ আদি স্ৰষ্টা বুলিব পাৰোঁ। বেবিলনীয়-সকলৰ নিজৰেই কিংবদন্তি আছে যে তেওঁলোকৰ ইষ্টদেৱতা মাৰ্ডুকে প্ৰলয়-পয়োধি জলৰ দৈত্য তিয়ামতক পৰাস্ত কৰি মাটি-পানী বেলেগ বেলেগ কৰিলে আৰু জলসিঞ্চন প্ৰণালী প্ৰথমতে প্ৰৱৰ্ত্তন কৰিলে। প্ৰাচীন বেবিলনিয়াৰ শাসনাৱলীত দেখা যায় যে প্ৰতিজন ৰজাই জলসিঞ্চনৰ বাবে নতুন খাল খন্দাই দিয়া বুলি নাইবা পুৰণি খালকে মেৰামতি কৰাই দিয়া বুলি গৌৰৱ কৰিছে। জলসিঞ্চনৰ বাবে খাল খান্দি দিয়াটো ৰজাৰ বা কৰ্ত্তৃপক্ষৰ পক্ষে আটাইতকৈ কৃতিত্বৰ কাম আছিল। মেছোপটামিয়াৰ এই জলসিঞ্চন প্ৰণালী খ্ৰীষ্টপূৰ্ব্ব আঢ়ৈ হেজাৰ বছৰৰ পৰা ধৰি খ্ৰীষ্টোত্তৰ ১২৫৮ চনলৈকে প্ৰায় ৩৮০০ বছৰ তিষ্ঠি আছিল। ১২৫৮ চনৰ চেঙ্গিজ খানৰ নাতি হুলাগু খানে মেছোপটামিয়া প্ৰায় চাৰখাৰ কৰে আৰু পুৰণি খালবোৰ এই সৰ্ব্বনাশী মঙ্গোল আক্ৰমণতে বিধ্বস্ত হয়।

তৃতীয়তে উল্লেখযোগ্য হ'ল বেবিলনীয়সকলৰ বেহা-বেপাৰৰ প্ৰতি ধাউতি। পুৰণি কালৰ বেপাৰী জাতিবোৰৰ ভিতৰত বেবিলনীয়সকলেই অগ্ৰগণী আছিল। ফিনিচীয়সকল এওঁলোকৰ বহুত কালৰ পিচৰহে। শেষৰ ফালে বেহা-বেপাৰত বেবিলনীয়সকলে ইমান কৃতকাৰ্য্যতা লাভ কৰিছিল যে বণিক আৰু ধন-মুদৈৰ বৃত্তি তেওঁলোকৰ বিপুল সংখ্যক লোকৰ জীৱিকাৰ একমাত্ৰ আলম হৈ পৰিছিল। বেবিলনীয় সাউদৰ ডিঙা বিশাল জলধি পাৰ হৈ দূৰ-দূৰণিৰ দেশত পশিছিলগৈ। বেহা-বেপাৰত পাৰ্গত হৈ উঠাৰ লগে লগে মূল্য থিৰ কৰা আৰু ওজন জোখা প্ৰণালী এটাও তেওঁলোকে উদ্ভাৱন কৰিছিল। ওজন জোখাৰ মাপ আছিল 'মানা'। প্ৰাচীন ভাৰতত আৰ্য্যসকলে 'মনা' বোলা সোণৰ মোহৰ এটা ব্যৱহাৰ কৰিছিল। সংস্কৃত 'মনা' আৰু লেটিন 'মিনা' বেবিলনীয় মানাৰেই ৰূপান্তৰ বুলি বহুতে কব খোজে। সোণ-ৰূপ জুখিবৰ বাবে বেবিলনীয়সকলে 'টেলেণ্ট', 'ছেকেল' আদি ঘূৰণীয়া মাপ কিছুমান ব্যৱহাৰ কৰিছিল। এইবোৰ নাম পিচত তেওঁলোকৰ পৰা হিব্ৰু, গ্ৰীক্ আৰু পাৰ্চীসকলেও গ্ৰহণ কৰিলে।

চতুৰ্থতে জ্যোতিৰ্ব্বিদ্যাৰ বাবে বেবিলনীয়সকলৰ শলাগ লব লাগিব। গ্ৰহ-নক্ষত্ৰৰ বিদ্যাত চালডিয়াৰ মানুহ সবাতকৈ চৰা বুলি ডিয়দৰাছে কৈ গৈছে। বোধহয় পোনপ্ৰথমতে বেবিলনীয় সাউদসকলে যাত্ৰাৰ শুভাশুভ বা দিনবাৰ চাবৰ বাবেই জ্যোতিষৰ চৰ্চ্চা কৰিব লগা হৈছিল। তেওঁলোকৰ জ্যোতি-ৰ্ব্বিদ্যা প্ৰায় বিজ্ঞানসম্মত হৈছিলগৈ। তেওঁলোকে বছৰটো বাৰ মাহত ভাগ কৰিছিল। প্ৰতি মাহতে ৩০ দিনকৈ ধৰা হৈছিল। পিচত অৱশ্যে ভুলটো ধৰা পৰাত দিন-পঞ্জী শুধৰাই ৩৬৫ দিন ৬ ঘণ্টাত এবছৰ পূৰা কৰা হ'ল। প্ৰতিটো দিন ১২ ঘণ্টাত বিভক্ত কৰি প্ৰতিটো ঘণ্টাক আকৌ ৬০ ভাগ কৰা হৈছিল। "৬০" সংখ্যাটোৰ প্ৰতি তেওঁলোকৰ কিবা এটা মনস্তাত্বিক আকৰ্ষণ আছিল। "৬০" নাইবা ৬০ক পূৰণ বা হৰণ কৰি পোৱা সংখ্যাবোৰকে তেওঁলোকে বেছি পছন্দ কৰিছিল। ৬০ বছৰৰ এটা চক্ৰক 'ছচ' বোলা হৈছিল; ১০টা ছচত হয় এক 'নাৰ' আৰু ৬০টা ছচত হয় এক 'ছাৰ'। ১২টা ৰাশিও তেওঁলোকেই পোনপ্ৰথমতে স্থিৰ কৰে।

পঞ্চমতে বেবিলনীয়সকলৰ আইন-আদালত প্ৰণালীৰ উল্লেখ কৰিব পাৰি। বেবিলনীয়সকলে মামলা-মকৰ্দ্দমা বৰ ভাল পাইছিল। দলীল এখনৰ দুটা নকল কৰা, প্ৰতিটোতে ছীল-মোহৰ মৰা আৰু চহী কৰা, সাক্ষী দিয়া আৰু সাক্ষীয়ে দলীলত স্বাক্ষৰ কৰি দিয়া, ঘাই দলীলখন ৰজাঘৰত জমা দি নকলটো বিবাদীয়ে নিজে ৰখা ইত্যাদি তেওঁলোকৰ নিয়ম-কানুনবোৰ আধুনিক যুগতকৈ কোনোগুণে হীনতৰ নাছিল। আইনবোৰ আছিল ঘাইকৈ খেতি, ধন ধাৰে দিয়া আৰু ধাৰ পৰিশোধ কৰা, মাটি বিক্ৰী কৰা বা লীজত দিয়া, সম্পত্তিৰ ভাগ-বাটোৱাৰা কৰা, বিবাহ-বন্ধন আৰু বিচ্ছেদ বিষয়ক। আইনৰ বহুতো সংস্কাৰ সাধি সুসংবদ্ধ কৰি থৈ যোৱা বাবে খামুৰাবি স্বনামধন্য হৈ পৰিছে। সূৰ্য্য দেৱতা ছামাছৰ পৰা তেওঁ কিদৰে আইনবোৰ গ্ৰহণ কৰিছিল সি বেবিলনীয় ভাস্কৰ্য্যত চিৰকালৰ বাবে অমৰ হৈ আছে।

খামুৰাবি-ছামাছৰ প্ৰতিমূৰ্ত্তি খোদিত শিলা-খণ্ডতকৈও বেবিলনীয় ভাস্কৰ্য্যৰ বেছি ভাল নিদৰ্শন হল নৰম-ছিনৰ শিলাখণ্ড। ছাৰ্গনৰ বংশৰ কেবাজনো ৰজাই 'চতুৰ্দ্দিশ অধিপতি' উপাধি লৈছিল। নৰম-ছিন্ তেওঁলোকৰ ভিতৰৰে এজন। তেওঁ লুলুবুৰ ৰজা ছাটুনিক পৰাস্ত কৰাৰ চিত্ৰ এই শিলাখণ্ডত ৰূপায়িত হৈ আছে। নৰম-ছিনক ধেনু-কাঁড় লৈ পৰ্ব্বতেদি নামি যোৱা দেখুওৱা হৈছে। ডিঙিত লগা কাঁড়টো ছাটুনিয়ে টানি উলিয়াই পেলোৱাৰ বৃথা চেষ্টা কৰিছে। গোটেই যুদ্ধখনৰ আৰু তাৰ পৰিপাৰ্শ্বৰ সুন্দৰ আভাস এটা এই শিলাখণ্ডৰ পৰাই পাব পাৰি।

(ক্ৰমশঃ)

মহাযোদ্ধা আৰু সসাগৰা সাম্ৰাজ্যৰ অধিপতি। এওঁৰ ফৈদৰ আন দুজন ৰজা হ'ল নৰম-ছিন আৰু ছাৰ্গালি ছাৰি। ছাৰ্গনৰ বংশ বাদে প্ৰাচীন বেবিলনিয়াৰ আন এটা উল্লেখযোগ্য ৰাজফৈদ হল ছুমু-আবুৰ। ছুমু আবু আৰব জাতীয় লোক। এওঁৰ ফৈদৰ আটাইতকৈ উল্লেখযোগ্য ৰজা হ'ল খামুৰাবি বাহামুৰাবি। ছুমু আবু আৰু তেওঁৰ বংশধৰ-সকলহে খাচ বেবিলনৰ ৰজা আছিল। সমগ্ৰ বেবিলন সৰ্ব্বপ্ৰথম একত্ৰিত হয় খামুৰাবিৰ দিনতহে—খ্ৰীষ্টপূৰ্ব্ব ২১২৩—২০৮০ চনৰ ভিতৰত।

বেবিলনীয় সভ্যতাৰ এই প্ৰথম অধ্যায়ৰ চকুত লগা বৈশিষ্ট্যৰ ভিতৰত প্ৰথম হ'ল তেওঁলোকৰ নগৰ পৰিকল্পনা আৰু গৃহ-নিৰ্ম্মাণ বিজ্ঞান। অৱশ্যে ইয়াৰ চৰম উৎকৰ্ষ পৰৱৰ্ত্তী এছীৰিয়া আৰু বেবিলনতহে সাধিত হয়। সেয়ে হলেও ছুমেৰ আৰু আক্কাডৰ পুৰণি নগৰবোৰতেই স্থাপত্যৰ প্ৰথম প্ৰস্তাৱনা হয়। উৰ, ইৰেখ আৰু আবু ছাৰেইনত পুৰণি মন্দিৰৰ ধ্বংসাৱশেষ খান্দি উলিওৱা হৈছে। বেবিলনীয়সকলে মাটি ৰ'দত শুকাই বা পাজাত পুৰি ইটা তৈয়াৰ কৰিছিল। চূণ-চুৰ্কী আৰু বিলাতী মাটিৰ বদলি আলকাতৰা আৰু অন্যান্য খনিজ তেল ব্যৱহাৰ কৰিছিল। খেৰ বা খেজুৰ গছৰ পাত কাটি সৰু সৰু কৰি ইটাৰ গাথনিৰ মাজত সুমাই দি ফাকবোৰ নোহোৱা কৰিছিল। খ্ৰীষ্ট জন্মৰ দুহাজাৰ বছৰৰ আগৰ ইটা এতিয়াও মজবুত অৱস্থাতে পোৱা গৈছে।

দ্বিতীয় আৰু আটাইতকৈ চকুত লগা বৈশিষ্ট্য হ'ল তেওঁলোকৰ জলসিঞ্চন প্ৰণালী। এই বিষয়ত তেওঁলোক পৃথিবীৰ ভিতৰত সৰ্ব্বপ্ৰথম। ইউফ্ৰেটছ আৰু টাইগ্ৰীছক সংযুক্ত কৰি বহুতো খাল খান্দি পানী নি তেওঁলোকে শুকান বালিময় সেই মৰুভূমি-খন সাৰুৱা কৰি তুলিছিল। মেছোপটামিয়াৰ যত্নধানৰ খেতি দেখি গ্ৰীক ঐতিহাসিক হিৰ'ডটাছে তবধ মানিছিল। সভ্যতা আৰু সংস্কৃতিৰ আদিস্তৰ হ'ল কৃষি। প্ৰাচীন বেবিলনীয়সকলক আমি কৃষি-প্ৰণালীৰ আদি স্ৰষ্টা বুলিব পাৰোঁ। বেবিলনীয়-সকলৰ নিজৰেই কিংবদন্তি আছে যে তেওঁলোকৰ ইষ্টদেৱতা মাৰ্দুকে প্ৰলয়-পয়োধি জলৰ দৈত্য তিয়ামতক পৰাস্ত কৰি মাটি-পানী বেলেগ বেলেগ কৰিলে আৰু জলসিঞ্চন প্ৰণালী প্ৰথমতে প্ৰৱৰ্ত্তন কৰিলে। প্ৰাচীন বেবিলনিয়াৰ শাসনাৱলীত দেখা যায় যে প্ৰতিজন ৰজাই জলসিঞ্চনৰ বাবে নতুন খাল খন্দাই দিয়া বুলি নাইবা পুৰণি খালকে মেৰামতি কৰাই দিয়া বুলি গৌৰৱ কৰিছে। জলসিঞ্চনৰ বাবে খাল খান্দি দিয়াটো ৰজাৰ বা কৰ্ত্তৃপক্ষৰ পক্ষে আটাইতকৈ কৃতিত্বৰ কাম আছিল। মেছোপটামিয়াৰ এই জলসিঞ্চন প্ৰণালী খ্ৰীষ্টপূৰ্ব্ব আঢ়ৈ হেজাৰ বছৰৰ পৰা ধৰি খ্ৰীষ্টোত্তৰ ১২৫৮ চনলৈকে প্ৰায় ৩৮০০ বছৰ তিষ্ঠি আছিল। ১২৫৮ চনৰ চেঙ্গিজ খানৰ নাতি হুলাগু খানে মেছোপটামিয়া প্ৰায় চাৰখাৰ কৰে আৰু পুৰণি খালবোৰ এই সৰ্ব্বনাশী মঙ্গোল আক্ৰমণতে বিধ্বস্ত হয়।

তৃতীয়তে উল্লেখযোগ্য হ'ল বেবিলনীয়সকলৰ বেহা-বেপাৰৰ প্ৰতি ধাউতি। পুৰণি কালৰ বেপাৰী জাতিবোৰৰ ভিতৰত বেবিলনীয়সকলেই অগ্ৰগণী আছিল। ফিনিচীয়সকল এওঁলোকৰ বহুত কালৰ পিচৰহে। শেষৰ ফালে বেহা-বেপাৰত বেবিলনীয়সকলে ইমান কৃতকাৰ্য্যতা লাভ কৰিছিল যে বণিক আৰু ধন-মুদৈৰ বৃত্তি তেওঁলোকৰ বিপুল সংখ্যক লোকৰ জীৱিকাৰ একমাত্ৰ আলম হৈ পৰিছিল। বেবিলনীয় সাউদৰ ডিঙা বিশাল জলধি পাৰ হৈ দূৰ-দূৰণিৰ দেশত পশিছিলগৈ। বেহা-বেপাৰত পাৰ্গত হৈ উঠাৰ লগে লগে মূল্য থিৰ কৰা



আৰু ওজন জোখা প্ৰণালী এটাও তেওঁলোকে উদ্ভাৱন কৰিছিল। ওজন জোখাৰ মাপ আছিল 'মানা'। প্ৰাচীন ভাৰতত আৰ্য্যসকলে 'মনা' বোলা সোণৰ মোহৰ এটা ব্যৱহাৰ কৰিছিল। সংস্কৃত 'মনা' আৰু লেটিন 'মিনা' বেবিলনীয় মানাৰেই ৰূপান্তৰ বুলি বহুতে কব খোজে। সোণ-ৰূপ জুখিবৰ বাবে বেবিলনীয়সকলে 'টেলেন্ট', 'ছেকেল' আদি ঘূৰণীয়া মাপ কিছুমান ব্যৱহাৰ কৰিছিল। এইবোৰ নাম পিচত তেওঁলোকৰ পৰা হিব্ৰু, গ্ৰীক্ আৰু পাৰ্চীসকলেও গ্ৰহণ কৰিলে।

চতুৰ্থতে জ্যোতিৰ্ব্বিদ্যাৰ বাবে বেবিলনীয়সকলৰ শলাগ লব লাগিব। গ্ৰহ-নক্ষত্ৰৰ বিন্যাস চালডিয়াৰ মানুহ সবাতকৈ চৰা বুলি ডিয়দৰাছে কৈ গৈছে। বোধহয় পোনপ্ৰথমতে বেবিলনীয় সাউদসকলে যাত্ৰাৰ শুভাশুভ বা দিনবাৰ চাবৰ বাবেই জ্যোতিষৰ চৰ্চ্চা কৰিব লগা হৈছিল। তেওঁলোকৰ জ্যোতি-ৰ্ব্বিদ্যা প্ৰায় বিজ্ঞানসন্মত হৈছিলগৈ। তেওঁলোকে বছৰটো বাৰ মাহত ভাগ কৰিছিল। প্ৰতি মাহতে ৩০ দিনকৈ ধৰা হৈছিল। পিচত অৱশ্যে ভুলটো ধৰা পৰাত দিন-পঞ্জী শুধৰাই ৩৬৫ দিন ৬ ঘণ্টাত এবছৰ পূৰা কৰা হ'ল। প্ৰতিটো দিন ১২ ঘণ্টাত বিভক্ত কৰি প্ৰতিটো ঘণ্টাক আকৌ ৬০ ভাগ কৰা হৈছিল। "৬০" সংখ্যাটোৰ প্ৰতি তেওঁলোকৰ কিবা এটা মনস্তাত্ত্বিক আকৰ্ষণ আছিল। "৬০" নাইবা ৬০ক পূৰণ বা হৰণ কৰি পোৱা সংখ্যাবোৰকে তেওঁলোকে বেছি পছন্দ কৰিছিল। ৬০ বছৰৰ এটা চক্ৰক 'ছচ' বোলা হৈছিল; ১০টা ছচত হয় এক 'নাৰ' আৰু ৬০টা ছচত হয় এক 'ছাৰ'। ১২টা ৰাশিও তেওঁলোকেই পোনপ্ৰথমতে স্থিৰ কৰে।

পঞ্চমতে বেবিলনীয়সকলৰ আইন-আদালত প্ৰণালীৰ উল্লেখ কৰিব পাৰি। বেবিলনীয়সকলে মামলা-মকৰ্দ্দমা বৰ ভাল পাইছিল। দলীল এখনৰ দুটা নকল কৰা, প্ৰতিটোতে ছীল-মোহৰ মৰা আৰু চহী কৰা, সাক্ষী দিয়া আৰু সাক্ষীয়ে দলীলত স্বাক্ষৰ কৰি দিয়া, ঘাই দলীলখন ৰজাঘৰত জমা দি নকলটো বিবাদীয়ে নিজে ৰখা ইত্যাদি তেওঁলোকৰ নিয়ম-কানুনবোৰ আধুনিক যুগতকৈ কোনোগুণে হীনতৰ নাছিল। আইনবোৰ আছিল ঘাইকৈ খেতি, ধন ধাৰে দিয়া আৰু ধাৰ পৰিশোধ কৰা, মাটি বিক্ৰী কৰা বা লীজত দিয়া, সম্পত্তিৰ ভাগ-বাটোৱাৰা কৰা, বিবাহ-বন্ধন আৰু বিচ্ছেদ বিষয়ক। আইনৰ বহুতো সংস্কাৰ সাধি সুসংবদ্ধ কৰি থৈ যোৱা বাবে খামুৰাবি স্বনামধন্য হৈ পৰিছে। সূৰ্য্য দেৱতা ছামাছৰ পৰা তেওঁ কিদৰে আইনবোৰ গ্ৰহণ কৰিছিল সি বেবিলনীয় ভাস্কৰ্য্যত চিৰকালৰ বাবে অমৰ হৈ আছে।

খামুৰাবি-ছামাছৰ প্ৰতিমূৰ্ত্তি খোদিত শিলা-খণ্ডতকৈও বেবিলনীয় ভাস্কৰ্য্যৰ বেছি ভাল নিদৰ্শন হল নৰম-ছিনৰ শিলাখণ্ড। ছাৰ্গনৰ বংশৰ কেবাজনো ৰজাই 'চতুৰ্দ্দিশ অধিপতি' উপাধি লৈছিল। নৰম-ছিন্ তেওঁলোকৰ ভিতৰৰে এজন। তেওঁ লুলুবুৰ ৰজা ছাটুনিক পৰাস্ত কৰাৰ চিত্ৰ এই শিলাখণ্ডত ৰূপায়িত হৈ আছে। নৰম-ছিনক ধেনু-কাঁড় লৈ পৰ্ব্বতেদি নামি যোৱা দেখুওৱা হৈছে। ডিঙিত লগা কাঁড়টো ছাটুনিয়ে টানি উলিয়াই পেলোৱাৰ বৃথা চেষ্টা কৰিছে। গোটেই যুদ্ধখনৰ আৰু তাৰ পৰিপাৰ্শ্বৰ সুন্দৰ আভাস এটা এই শিলাখণ্ডৰ পৰাই পাব পাৰি।

(ক্ৰমশঃ)

# বড়ো-কছাৰী জাতিৰ দৰ্শন

( পূৰ্ব্বানুবৃত্তি )

শ্ৰীৰাজমোহন নাথ

## উৰ্ব্বৰতা শক্তিৰ দেৱী

আগতে কোৱা হৈছে যে, খ্ৰীষ্টজন্মৰ প্ৰায় চাৰি-পাঁচহেজাৰ বছৰমান আগৰ সুমেৰীয় সভ্যতাৰ দৰ্শনমতে পৃথিৱীৰ উৰ্ব্বৰ শক্তিৰ মূলত পুৰুষ সৰ্প 'গী' আৰু নাৰী সৰ্পিনী 'ইৰা'ৰ সঙ্গম। এই ইৰা নাৰী, আন উচ্চাৰণ—ইলা, ইড়া। পৃথিৱীও নাৰী, আই। ঋগ্বেদতো কোৱা হৈছে—"দ্যৌৰ্মে পিতা-মাতা মহীয়ম্ পৃথিৱী" (ঋ ১।১৬৪।৩৩)— দ্যুলোক পিতা আৰু পৃথিৱী মাতা। পতিকে ইৰা বা ইলা আৰু পৃথিৱী একেই। পৃথিৱী ৰজস্বলা হয়, গৰ্ভধাৰণ কৰে, আৰু তেওঁৰ গৰ্ভৰ পৰা সন্তানৰূপ শস্যাদি ওপজে। আজি কালিও সংস্কৃত ভাষাত পৃথিৱীৰ আন এটা সংজ্ঞা ইলা বা ইড়া।

যেহেতু পৃথিৱী মাতা ; সেই কাৰণে তেওঁৰ আন নাম ইড়া-মা, ইড়্মা ; ইড়্-অম্বা বা ইড়ম্বা। আকাশৰ বাচক অক্ষৰ 'ই', আকাশৰ বিস্তাৰ 'হা', আৰু গতি বা আকাশৰ প্ৰকৃতি শক্তি-হিৰ্ বা হিড়্। আকাশৰ প্ৰকৃতিৰ নাম অদিতি বা অখণ্ডা শক্তি ; তেনেঁই আকাশ আৰু পৃথিৱী বিয়পি থকা প্ৰাণশক্তিৰ মাতৃ। সেই কাৰণে প্ৰাণ আৰু অগ্নিশক্তিক কোৱা হয় মাতৰি-শ্বা। গতিকে তেওঁৰ আন এটা নাম হিড়্-মা, হিড়্-অম্বা, হিড়ম্বা বা হিড়িম্বা।

আকৌ প্ৰাণশক্তিৰ সংবেগৰ নাম-"দম্" ;—উশাহ লব নোৱাৰিলে দম্ বন্ধ হৈ মানুহ মৰি যায়। তিব্বতী ভাষাত ইয়াৰ উচ্চাৰণ "ডম্"। এই দম্ বা ডম্ যাৰ মাজত বিস্তাৰ ( আ ) লাভ কৰি চলি থাকে, তাৰ নাম আদম্ বা আডম্ অৰ্থাৎ জীৱ ( পুৰুষ )। দমৰ প্ৰকৃতি ঈদম্,—ঈদম্ বা য়িডম্। ই হ'ল প্ৰাণৰ বা জীৱৰ প্ৰকৃতি। শৈৱ দৰ্শনৰ মতে বিশ্ব-ব্ৰহ্মাণ্ডৰ গৰাকী কামেশ্বৰ— সদাশিৱৰ নাম "অহং", আৰু তেওঁৰ প্ৰকৃতি—কামেশ্বৰী—মহাগৌৰীৰ নাম ঈদম্। এই 'ঈদম্' বিশ্ব-ব্ৰহ্মাণ্ডৰ দ্যুলোক, অন্তৰীক্ষ আৰু পৃথিৱী বিয়পি থকা মহামায়া। সকলো সৃষ্টি, সকলো জ্ঞান-বুদ্ধি তেওঁৰ পৰাই ওপজে। তিব্বতী বজ্ৰযানৰ মতে সৃষ্টিৰ মূল পুৰুষ হ'ল-বজ্ৰসত্ত্ব বা ডৰজি চেঙ্ আৰু প্ৰকৃতিৰ নাম বজ্ৰযোগিনী বা য়িডম্। এই প্ৰকৃতিক য়িডম্-মাও, ডম্-মাও, ডম্-মা বা ডমে-মা বোলা হয়। বজ্ৰযানী কাৰগ্যুপা সম্প্ৰদায়ৰ সিদ্ধ মহাপুৰুষ মিলাৰেপাই তেওঁৰ বৰগীতত এই ডমে-মাক সৰ্ব্ববুদ্ধৰ জননী বুলি স্তুতি কৰিছে। ঋগ্বেদ আৰু অথৰ্ব্ববেদত যাক ত্ৰিভুবন বিয়পি থকা আৰু সৰ্ব্বজ্ঞানৰ গৰাকিনী বাক্‌দেৱী, আৰু যোগশাস্ত্ৰত যাক সৰ্পৰূপিনী আৰু জ্যোতিৰ্ম্ময়ী কুণ্ডলিনী বোলা হৈছে, তেওঁকেই তিব্বতীসকলে বজ্ৰযোগিনী য়িডম্-মা বা ডমেমা বোলে। 'মা'ৰ আন এটা প্ৰতিশব্দ অম্বা ; গতিকে তেনেঁই য়িড়ম্বা, হিড়ম্বা বা হিড়িম্বা। ভাৰতবৰ্ষ আৰু তিব্বতৰ সীমনাত থকা ৰটাঙ্ ।গৰিসঙ্কটৰ অধিত্যকাত আৰু তিব্বতৰ ৰাজধানী লাচা নগৰত এই দেৱীক 'প্লা-ডম্-ব্ৰা-মাও—জ্যোতিৰ্ম্ময়ী'— শক্তি-মহা-মাতা— নামে ডাঙৰ ডাঙৰ একোটা মন্দিৰত পূজা কৰা হয়। বিশ্ব-ব্ৰহ্মাণ্ডৰ শক্তি বা প্ৰকৃতিৰূপে



তেওঁ প্লা-ডম্-ব্ৰা-মাও ; আৰু আকাশৰ পৰা শক্তি আনি পৃথিৱীক উৰ্ব্বৰতা-শক্তিময় কাৰিণীৰূপে তেওঁৰ নাম ইড়্মা বা হিড়মা। জ্ঞান বা বোধিৰ জনয়িত্ৰী ৰূপে তেওঁৰ নাম ডম্-মা-বৌদ্ধদৰ্শনৰ প্ৰজ্ঞাপাৰমিতা, যোগদৰ্শনৰ প্ৰাতিভসংবিৎ।

মহাভাৰতৰ বনপৰ্ব্বত ভাৰতবৰ্ষৰ উত্তৰ পছিম সীমান্ত অঞ্চলত থকা ভীমা-দেৱী নামে যোনি-পীঠ তীৰ্থৰ উল্লেখ আছে ( বনপৰ্ব্ব—৮২ অধ্যায় )। খ্ৰীষ্টীয় সপ্তম শতিকাৰ চীন-পৰিব্ৰাজক হিউয়েনচাঙৰ ভ্ৰমণ কাহিনীত ভীমা-দেৱীৰ থানৰ উল্লেখ আছে। পেচোৱাৰৰ ওছৰৰ প্ৰাচীন পুষ্কলাৱতী নগৰৰ পৰা ১৫০ মাইলমান উত্তৰ-পূবত এটা পৰ্ব্বতৰ ওখ টিঙত এই দেৱীৰ মন্দিৰ। ধনী-দুখীয়া, ডাঙৰসৰু সকলো শ্ৰেণীৰ মানুহে নিজৰ কামনা পূৰণৰ বাবে এই দেৱীৰ মন্দিৰলৈ গৈছিল। মূৰ্ত্তিটো সেউজীয়া শিলৰ, মানুহে তেওঁক ঈশ্বৰৰ পত্নী বোলে। পৰ্ব্বতৰ দাঁতিত মহেশ্বৰ দেৱতাৰ মন্দিৰ ; ভস্মসনা যোগীসকল ভাৰতৰ সকলো ঠাইৰ পৰা ইয়ালৈ পূজা কৰিবলৈ আহে (Siyuki-II, P 162—163)।

বৰ্ত্তমান হিমাচল প্ৰদেশৰ পশ্চিম প্ৰান্তৰ জিলাৰ নাম কাঙ্গৰা। ইয়াৰ দুখন মহকুমা—কুলু আৰু নগৰ। কুলু মহকুমাৰ আন দুখন প্ৰধান চহৰ মানালি আৰু চুলতানপুৰ ; নগৰ-মহকুমাৰ প্ৰধান চহৰৰ নাম নগৰ। মানালি চহৰৰ ২৩ মাইলমান উত্তৰ পশ্চিমত ডুংৰি পৰ্ব্বতৰ ওখ টিঙত আজিলৈকে হিড়্মা দেৱীৰ প্ৰাচীন-কলীয়া মন্দিৰ আৰু মূৰ্ত্তি আছে। মূৰ্ত্তিটো অষ্টধাতুৰে সজা সৰু নাৰী-মূৰ্ত্তি। মন্দিৰৰ পূজাৰীজন স্থানীয় পৰ্ব্বতীয়া কানাইট জাতিৰ মানুহ ; নিজৰ দোৱানেৰে মন্ত্ৰ মাতি দেৱীৰ পূজা কৰে।

বছৰি দূৰ্গা পূজাৰ দশহৰাৰ দিনা হিড়্মাৰ মূৰ্ত্তিক ডুংৰি পৰ্ব্বতৰ মন্দিৰৰ পৰা নমাই ২৩ মাইলমান দক্ষিণ-পূবে চুলতানপুৰ চহৰলৈ গান-কীৰ্ত্তনেৰে শোভা যাত্ৰা কৰি অনা হয় ; আৰু তাতে হিন্দু ব্ৰাহ্মণ সকলে সেই মূৰ্ত্তিক মহামায়া দুৰ্গাৰূপে পূজা কৰি তেওঁৰ আগত এটি ক'লা মহ বলি দিয়ে। এই প্ৰথা আজিলৈকে চলি আছে।

ওপৰত উল্লেখ কৰা হিড়্মাদেৱী-পূজক কানাইতি জাতিৰ সম্পৰ্কত বাইবেল গ্ৰন্থত উল্লেখ কৰা কানাইতি (Canaanites) জাতিৰ কথা মন কৰিব লগীয়া। প্ৰাচীন বেবিলন ৰাজ্যত সমুদ্ৰোপকূলস্থ ফিনিচিয়া ৰাজ্যত কানাইতি জাতিৰ বাস আছিল। কেই বছৰমান আগতে তেওঁলোকৰ প্ৰাচীন নগৰৰ ধ্বংসাৱশেষ আবিষ্কৃত হৈছে। ধ্বংস-স্তূপৰ মাজত হাতীৰ দাঁতৰ বৰ ধুনীয়া গাভৰু পৃথিৱী দেৱীৰ এটি মূৰ্ত্তি পোৱা গৈছে। হিন্দুৰ কালীৰ দৰে ৰণ চণ্ডাৰো এটি ধাতু মূৰ্ত্তি পোৱা গৈছে। বাইবেলত লিখা আছে যে, সেই দেশৰ মানুহে বছৰত এদিন পৃথিৱী-দেৱী আৰু তেওঁৰ গিৰিয়েক বালদেৱতাৰ পূজাৰ সময়ত অবাধে নৰনাৰীৰ যৌন সম্মিলনক পূজাৰ অঙ্গ বুলি বিবেচনা কৰিছিল। যুদ্ধৰ সময়ত যাদুমন্ত্ৰ ব্যৱহাৰ কৰা আৰু শত্ৰুপক্ষৰ শিবিৰলৈ গাভৰুসকলক পঠাই দি বিপক্ষ সৈন্যক বশীভূত কৰা বা গুপুত তথ্য-সংগ্ৰহ কৰাত তেওঁলোক বৰ পাৰ্গত আছিল। এই পৃথিৱী দেৱীৰ নাম আছিল—'মা', ছাইবেলি বা কাইবেলি। বাইবেল গ্ৰন্থত এনে ধৰণৰ পূজা-আচাৰ আৰু প্ৰথাক বৰ নিন্দা কৰা হৈছে (Numbers-25)। সাংখ্যায়ন শ্ৰৌতসূত্ৰ নামে বৈদিক গ্ৰন্থত লিখা আছে যে, প্ৰাচীন কালত বছেৰেকীয়া কৃষি উৎসৱৰ সময়ত যি "ভূতানাং মৈথুনম্" প্ৰথা প্ৰচলিত আছিল, ই বৰ্ত্তমানে সমাজত অচল হৈ গৈছে (১৩।৩) ; কিন্তু আৰ্য্যবৈদিকসকলৰ বছেৰেকীয়া গবাময়ন যজ্ঞৰ সময়ত মাত্ৰ এহাল পুৰুষ—তিৰোতাই যজ্ঞ-শালাৰ ফালে এখন আৱৰা ঠাইত সেই পূৰ্ব্বৰ বিধিৰ স্মৃতি-পালন কৰিছিল। সেই সময়ত গাভৰুসকলে মূৰত ভৰা-পানীৰ কলহ লৈ বেৰৰ

চাৰিওপিনে ঘূৰি ঘূৰি গীত গাইছিল ( তৈত্তিৰীয় সংহিতা ৭।৫।৮।২ )। মহাভাৰতত লিখা আছে যে, সিন্ধু, শতদ্রু, বিপাশা, ইৰাৱতী, চন্দ্ৰভাগা আৰু বিতস্তা নদীবোৰ পৰ্ব্বতৰ পৰা নামি আহি যি ঠাইত সমতল ভূমিত পৰিছেহি, সেই আৰট্টদেশৰ মানুহে মদ, উটৰ মঙহ আৰু নহৰু খায়; তেওঁলোকৰ তিৰোতাসকলে গাধ আৰু উটৰ নিচিনাকৈ চিঞঁৰি অশ্লীল গীত গায়, আৰু নিজ-পৰ পুৰুষৰ ভেদাভেদ নকৰি যাৰে তাৰে লগত সঙ্গম কৰি উৎসৱ কৰে। সেই দেশৰ মানুহবোৰ বাহীক বা বাহ্লীক নামে জনাজাত। মদ্ৰ, গান্ধাৰ, খস্ আৰু বসাতি দেশৰ অধিবাসীসকলৰ মাজতো তেনে ধৰণৰ আচৰণ আছে ( কৰ্ণ পৰ্ব্ব—৪৫ অধ্যায় )। আকৌ সেই মহাভাৰততেই লিখা আছে যে, বেলুচিস্থানৰ ( বাল + উচী = শক্তি) পছিমে দেৱীকা নামৰ সৰোবৰৰ পাৰত কামাখ্যাতীৰ্থ আছে। তাতে বানৰ জাতি* ব্ৰাহ্মণসকলে ক্ৰিয়া কৰ্ম্ম কৰায় (বনপৰ্ব্ব ৮২ অধ্যায় )। সেই অঞ্চলত থকা ভীমা-দেৱীৰ যোনি-তীৰ্থৰ কথা আগতে উল্লেখ কৰা হৈছে। *

অসমত প্ৰাচীন যুগৰে পৰা চলি অহা বিহু-উৎসৱ কৃষি আৰু প্ৰজননৰ উৎসৱ। সূৰ্য্যৰ ৰশ্মিত সৃষ্টিৰ উপাদান বীজ বা মীন (Spermatozoon) গোটেই বিশ্বময় সিচৰতি হৈ পৰি মীন-ৰাশিৰ মাহত ( চ'ত মাহত ) প্ৰাণী জগতৰ মাজত উথল-মাথল লগায়; আৰু সেই বীজ প্ৰক্ষিপ্ত হৈ সকলোৰে দেহা আৰু মনত মেষৰ যুঁজ লগাই সকলোকে ৰাউলি কৰি দিয়ে। সেই কাৰণে মেষ ৰাশিৰ মাহৰ ( বহাগ ) আৰম্ভণিত নৱ-যৌৱন প্ৰাপ্ত বিশ্বৰ প্ৰজনন-কাৰকত্বৰ প্ৰতীক ডেকা-গাভৰুৰ হিয়াৰ কুহৰ ভেদ কৰি ওলোৱা হেন্দোলনি ৰূপ তথাকথিত অশ্লীল (?) সঙ্গীত, নৃত্য আৰু মিলন-সম্ভোগৰ ভাৱনাপূৰ্ণ উৎসৱৰ আয়োজন। ই প্ৰকৃতিৰ বিয়াৰলৈ গীত; সামবেদোক্ত বেয়-গীত বা গ্ৰাম্য-গেয় গীতৰ অনুৰূপ।

বছৰৰ এই সময়ত এনে ধৰণৰ উৎসৱ গোটেই মধ্যপ্ৰাচ্য মিচৰ, তিব্বত, ৰাচিয়া, চীন, জাপান, যাভা, সুমাত্ৰা আদি সকলো দেশতেই আছিল, আৰু এতিয়াও যি কোনো প্ৰকাৰে জীয়াই আছে। প্ৰকৃতিক দুই কৰিবৰ সাধ্য কাৰনো থাকিব পাৰে? অসমৰ বিহুগীত আৰু বিহুউৎসৱৰ আদি জনক পৃথিৱী-দেৱীৰ তথা হিড়্মা দেৱীৰ পূজক বড়ো-জাতি। তথাকথিত অশ্লীলতা প্ৰাচীনকলীয়া ৰীতিৰ এটা অঙ্গমাথোন,

* ৰামায়ণত যি বানৰ ( বান্দৰ ) জাতি মানুহৰ বৰ্ণনা আছে, এওঁলোক সঁচাকৈয়ে বনৰীয়া জন্তু নাছিল। প্ৰাচীন বেবিলন, মিচৰ আদি দেশত হাৱা পানী, ৰৰধুণ আদি-নিয়ামক জল বায়ুৰ দেৱতাৰ (Weather gods) উপাসক সম্প্ৰদায় বান্দৰ বা বাঁদৰী ( Weather বদৰ ) নামে জনাজাত আছিল। তেওঁলোকৰ পুৰোহিতসকলে বায়ুৰ প্ৰতীক বান্দৰক কান্ধত লৈ ফুৰিছিল। খ্ৰীষ্টজন্মৰ চাৰি হেজাৰমান বছৰৰ আগতে মিচৰ দেশৰ কায়ৰো আৰু কৰ্ণাৰকৰ মাজত বাদৰী নামে ঠাইত প্ৰাচীন যুগৰ বাদৰী জাতিৰ মানুহৰ কিছুমান কঙ্কাল পোৱা গৈছে (Our Oriental Heritage P. 146 )। মৈথিলী ভাষাত ডাৱৰক "বাদৰ" বোলে। এনেদৰে মেছোপ-টামিয়া উপত্যকাত পক্ষীক প্ৰাণ-শক্তিৰ প্ৰতীক ৰূপে উপাসনা কৰা এজাতি মানুহ আছিল। তেওঁলোকে চৰাইৰ মুখা আৰু পাখিৰ উপৰিও ঈগল-পক্ষীৰ সাজপাৰ পিন্ধি ফুৰিছিল। এবাৰ তেওঁলোকে বেবিলন দেশ আক্ৰমণ কৰি তিনিদিন ভয়ামৰা ৰণ কৰাৰ পিচত পৰাস্ত হয় ( Hall—P 178 )। ৰামায়ণত বৰ্ণোৱা জটায়ু তেনেবিধ পক্ষী জাতিৰ দলপতি আছিল। ঋগ্বেদত সিন্ধু উপত্যকা-বাসী দাসসকলৰ এটা বৈদিক সৰ্প জাতি বোলা হৈছে। ঐতৰেয় আৰণ্যক গ্ৰন্থত বৈদিক-বিধানৰ সূৰ্য্য-উপাসনা বিৰোধী বঙ্গ আৰু মগধবাসীৰ লগত "বয়াংসিচ ঈৰপাদাঃ" —পক্ষী আৰু সৰ্পজাতি মানুহৰ উল্লেখ আছে। এইদৰে প্ৰাচীন যুগত এচিয়া—মাইনৰৰ দক্ষিণ-পশ্চিম অঞ্চলত বৃষ বা টোৰাছ জাতিৰ ৰাজ্য আছিল; ক্ৰীট্‌দ্বীপৰ মীন বা মৎস্যজাতিৰ কথা আগতে কোৱা হৈছে।

* 'বল'ৰ প্ৰতিশব্দ শচ; শচৰ প্ৰকৃতি শচী :—ইন্দ্ৰৰ পত্নী। তেনে ধৰণে বালৰ পৰা ওলোৱা শক্তি বালুচী এজনী দেৱী। কাইবেলিৰ উপাসকসকল কাবুলি। তেওঁলোকৰ দেশৰ এটা নাম জাবেলি ( Zabeli ); কোৰিয়া দেশৰ পৰিব্ৰাজক হুয়েই—চ—আয়োৰ ( ৭২৭ খ্ৰীঃ অঃ ) ভ্ৰমণ কাহিনীত আফগনিস্থানৰ নাম Zabeli লিখা হৈছে।



কিন্তু ইয়াৰ অন্তৰ্নিহিত তত্ত্ব দেশৰ আৰু জাতিৰ শস্য আৰু জনসংখ্যা প্ৰবৰ্দ্ধনৰ ভক্তিমূলক সাধনা।

হিড়্মাৰ ককায়েকৰ নাম জামলু। তেওঁৰ থান হ'ল নগৰ চহৰৰ চৈধ্য মাইলমান পূবত মালান উপত্যকাৰ জামলু পৰ্ব্বতৰ ওখ টিঙত। সৰু ভায়েকৰ নাম গেপন। তেওঁৰ থান লাহোৱাল চহৰৰ ১২ মাইলমান উত্তৰ-পছিমত পিৰ-পাঞ্জাল পৰ্ব্বত শ্ৰেণীৰ উত্তৰত চন্দ্ৰ উপত্যকাত ২০,০০০ ফিট্ ওখ গেপন পৰ্ব্বতৰ টিঙত। ডুংৰি, জামলু আৰু গেপন পৰ্ব্বতৰ ওচৰচুৰবীয়া অঞ্চলবোৰ যথাক্ৰমে হিড়্মা, তেওঁৰ ককায়েক আৰু ভায়েকৰ ৰাজ্য। প্ৰতি ৰাজ্যৰ গৰাকিনী আৰু গৰাকীৰূপে মন্দিৰত তেওঁলোকৰ মূৰ্ত্তি আছে, আৰু বিষয়াসকলে সেই ৰাজ্য পৰিচালনা কৰি মন্দিৰৰ পূজা চলায় আৰু উপস্বত্ব ভোগ কৰে। জামলুৰ মন্দিৰত নিত্য পূজাৰ বাহিৰে আন একো বিশেষ উৎসৱ নহয়। সৰু ভায়েক গেপনৰ মন্দিৰৰ তলত পৰ্ব্বতৰ দাঁতিত দশহৰাৰ নদিনমানৰ আগত এজোপা দীঘল নীল-বৰণীয়া দেৱদাৰু গছ কাটি মাটিত পুতি থোৱা হয়। দশহৰাৰ দিনা ৰাতিপুৱা সেই গছজোপাক আকৌ খান্দি তুলি হেজাৰ হেজাৰ মানুহে একেলগে পৰ্ব্বতৰ টিঙৰ মন্দিৰলৈ টানি লৈ যায়। তাৰ পিচত বৰ শক্তিমন্ত এটা ঘোৰাক গেপন দেৱতাৰ উদ্দেশ্যে বলি দিয়া হয়; ভকতসকলে সেই বলি-দিয়া ঘোৰাৰ মঙহ খায়।

আৰু এটি কথা মন কৰিব লগীয়া এয়ে যে, ওপৰত উল্লেখ কৰা গেপন পৰ্ব্বতৰ টিঙৰ তলত আৰু মানালি চহৰৰ উত্তৰত পিৰপাঞ্জাল পৰ্ব্বত শ্ৰেণীৰ দক্ষিণত এটি পৰ্ব্বতৰ গুহাক ঋষি ব্যাস বোলা হয়; এই গুহাটো প্ৰাচীন যুগৰ ব্যাস ঋষিৰ আশ্ৰম বুলি প্ৰবাদ আছে, আৰু আজিকালিও মানুহে সেই ঠাইডোখৰক তেনে দৰে সন্মান কৰে।

উৰ্দ্ধৱতা শক্তিৰ দেৱী

---

# চুটিয়া জাতি

( পূৰ্ব্বানুবৃত্তি )

শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ

যোগিনী তন্ত্ৰত পোৱা যায় যে কামৰূপৰ পূবভাগত সৌমাৰসকলে, পশ্চিম ভাগত কুবাচবিলাকে, উত্তৰত প্লৱকবিলাকে আৰু দক্ষিণত যৱনবিলাকে ৰাজত্ব কৰিছিল। ১৪৯৭ খ্ৰীঃত হুচেনচাহে কমতাপুৰ ৰাজ্য ধ্বংস কৰাত খুটাঘাট পৰাগণাৰ চিকনাগ্ৰামৰ মেচ হাৰিয়া মণ্ডলৰ পুতেক বিশ্বসিংহই ১৫১৫ খ্ৰীঃত কোচ-ৰাজ্য স্থাপন কৰে। যোগিনী তন্ত্ৰত কমতাপুৰ ৰাজ্যৰ কথা নাই; আনহাতে কুবাচ, সৌমাৰ আৰু যৱনৰ মাজত যুদ্ধ হৈছিল বুলি লিখিছে। বিশ্বসিংহই বৰ নদীৰ পৰা কৰতোৱা নদীলৈকে অৰ্থাৎ কামৰূপৰ পশ্চিমভাগত ১৫১৫ খ্ৰীঃৰ পৰা ১৫৪০ খ্ৰীঃ লৈ ৰাজত্ব কৰিছিল। সেই সময়ত সৌমাৰখণ্ডত আহোম ৰজা স্বৰ্গদেৱ চুহুম্মুং বা স্বৰ্গনাৰায়ণে (১৪৯৭—১৫৩৯ খ্ৰীঃ) ৰাজত্ব কৰিছিল। সৌমাৰখণ্ড কামৰূপৰ পুব ভাগ। সেই সময়ত বঙ্গদেশ ( ইয়াৰ এছোৱা দক্ষিণ কামৰূপত পৰে ) ইচলাম ধৰ্ম্মী পাঠান ৰজাৰ তলত আছিল। ইচলাম ধৰ্ম্মীসকলকো ভাৰতৰ পশ্চিমৰ পৰা অহা জাতিসমূহক যৱন বোলাৰ দৰে যৱন বুলিছিল। সেই

সময়ত কামৰূপ ৰাজ্যত কোচ, আহোম আৰু মুচলমানৰ মাজত যুদ্ধ হৈছিল। যোগিনী-তন্ত্ৰত এই তিনি জাতিৰ ভিতৰত যুদ্ধৰ পাচত কামৰূপত কি হ'ল পোৱা নাযায়। এইবিলাক কথাৰ ওপৰত ভিত্তি কৰিলে বুজা যায় যে কোচ ৰজা বিশ্বসিংহক হিন্দু কৰিবৰ কাৰণে তেওঁৰ ৰাজত্বৰ কালত কোচৰাজ্যত ব্ৰাহ্মণ পণ্ডিতসকলে যোগিনী-তন্ত্ৰ লিখিলে। যোগিনী-তন্ত্ৰত কুবাচ্চ ৰজা বিশ্বসিংহ কোচদেশৰ (কোচাখ্যানে) যোনীগৰ্ত্তৰ (কামাখ্যা) ওচৰৰ ম্লেচকন্যা ৰেৱতীৰ গৰ্ভত সদাশিৱৰ ঔৰসত জন্ম হোৱা বুলি আছে। যোগিনী তন্ত্ৰই সৌমাৰৰ ৰজাক কুৰুপতি ধৃতৰাষ্ট্ৰ ৰজাৰ বিধৱা পত্নী কঙ্কতীৰ (মহাভাৰতত ধৃতৰাষ্ট্ৰৰ পত্নী এগৰাকী বুলিহে পোৱা যায় আৰু তেওঁ হৈছে গান্ধাৰী) গৰ্ভত স্বৰ্গৰাজ ইন্দ্ৰৰ ঔৰসত হোৱা অৰিন্দমৰ (আহোম বুৰঞ্জীত কঙ্কতী আৰু অৰিন্দমৰ কথা নাই) বংশধৰ বুলিছে। যোগিনী তন্ত্ৰত সেই সময়ত কামৰূপৰ উত্তৰ খণ্ডত প্লৱক-বিলাকে ৰাজত্ব কৰিছিল বুলি আছে। বুৰঞ্জীৰ মতে ব্ৰহ্মপুত্ৰৰ উত্তৰে বৰনদীৰ পূবে ভূঞাবিলাকে আৰু তেওঁলোকৰ পূবে আৰু আহোম ৰাজ্যৰ উত্তৰ পূবে চুটিয়া ৰাজ্য আছিল। যোগিনী তন্ত্ৰত উত্তৰ আৰু দক্ষিণ পাৰৰ ভূঞাসকলৰ আৰু কছাৰীসকলৰ ৰাজ্যৰ উল্লেখ নাই। চুটিয়া ৰজাসকলৰ নামৰ পাচত "পাল" শব্দটো পোৱা যায়। এইবিলাক কাৰণত অনুমান কৰিব পাৰি যে যোগিনী-তন্ত্ৰত উল্লেখ কৰা "প্লৱক"-বিলাকেই চুটিয়াসকল। প্লৱকৰ বিষয়ে যোগিনী তন্ত্ৰত তলত লিখা উপাখ্যানটি পোৱা যায়। শাম্বপুত্ৰ বহ্লীকগণ কুৰুক্ষেত্ৰৰ যুদ্ধত নিহত হোৱাত তেওঁলোকৰ কীৰ্ম্মি নামে বিধৱাই পুত্ৰ আশা কৰি কাশীৰ বিশ্বেশ্বৰলৈ গ'ল। তাৰ দ্বাৰপাল মহাকাল ভৈৰৱে তেওঁৰ লগত সহবাস কৰিলে। তেওঁলোকৰ পুত্ৰ মহাঙ্কুশে প্লৱ নামলৈ মণি মণ্ডপলৈ (মণিমণ্ডল ক'ত জনা নাযায়) গৈ ৰজা হ'ল। যোগিনী তন্ত্ৰৰ এই উপাখ্যানবিলাক কিংবদন্তি, অৰ্দ্ধসত্য আৰু কল্পিত বুলি প্ৰতীয়মান হয়।

চুটিয়াসকলক পাঁচভাগত বিভক্ত কৰা পোৱা যায়। যেনে—(১) হিন্দু চুটিয়া, (২) দেউৰী চুটিয়া, (৩) বৰাহী চুটিয়া, (৪) আহোম চুটিয়া আৰু (৫) মিৰি চুটিয়া।

"চুটিয়া" শব্দৰ আগত "হিন্দু" শব্দই বুজায় যে অতীজত চুটিয়াসকল অহিন্দু আছিল আৰু তাৰ পাচত হিন্দুধৰ্ম্ম গ্ৰহণ কৰি অন্য চুটিয়াৰ পৰা নিজক পৃথক কৰি ৰাখিবৰ অৰ্থে, "চুটিয়া" শব্দৰ আগত "হিন্দু" শব্দযোগ কৰি, নিজক "হিন্দু চুটিয়া" বুলি পৰিচয় দিয়ে। আজি অসমত "চুটিয়া" বুলিলে "হিন্দু চুটিয়া" বুজায়। কাৰণ "দেউৰী চুটিয়া"ক "দেউৰী" হে বোলে আৰু অন্যান্য চুটিয়া বিচাৰি পোৱা নাযায়। সেইকাৰণে "হিন্দু চুটিয়া"ৰ আগৰ "হিন্দু" শব্দটো কোনেও উল্লেখ নকৰে। "হিন্দু চুটিয়া" সকল সম্পূৰ্ণৰূপে হিন্দু আৰু অসমীয়া জাতিৰ এটি সম্প্ৰদায় মাথোন। 'এই সম্প্ৰদায় অনুন্নত সম্প্ৰদায়ৰ (Other backward classes) ভিতৰত ভুক্ত। এওঁবিলাক হিন্দুৰ শূদ্ৰ জাতিৰ নিম্ন শ্ৰেণীত ভুক্ত হয়। সকলো অনাৰ্য্য জাতিয়ে হিন্দুধৰ্ম্ম গ্ৰহণ কৰিলে প্ৰচলিত শূদ্ৰজাতিৰ নিম্নস্তৰত স্থান পোৱা দি এওঁলোকেও সেই সময়ৰ শূদ্ৰ জাতিৰ নিম্নস্তৰত স্থান পাইছিল। তাৰ উপৰি ষোড়শ শতিকাৰ আগ ভাগতে তেওঁলোকৰ ৰাজ্য যোৱাত তেওঁলোকে নিজৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰিলে আৰু আনেও তেওঁলোকক গণিতা নকৰিলে। অৱশ্যে আজি এই প্ৰথা উঠি গৈছে আৰু অচিৰে লোপ পাব। এওঁলোকৰ প্ৰায় সকলোৱেই মহাপুৰুষীয়া। সকলো বিষয়তে অসমীয়া হিন্দু সমাজৰ সৈতে এওঁবিলাক একে।



দেউৰীসকল চুটিয়াসকলৰ পূজাৰী আছিল। তেওঁবিলাক যদিও চুটিয়া তথাচ তেওঁলোক দেউৰী নামেহে জনাজাত। বৰ্ত্তমান তেওঁবিলাকৰ অন্য চুটিয়াৰ লগত কোনো সম্বন্ধ নাই। তেওঁবিলাক ভৈয়ামৰ তপচিল ভুক্ত জনজাতিবিলাকৰ ভিতৰত ভুক্ত। লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ ভিতৰুৱা আৰু হাবিতলীয়া ঠাইত তেওঁবিলাকে গাওঁ পাতি বসতি কৰে। অসমৰ পৰ্ব্বতীয়া জনজাতি আৰু পৰ্ব্বতৰ পৰা নামি আহি অসমৰ ভৈয়ামত বাস কৰি, অসমীয়া হোৱা জনজাতিবিলাকে চাংঘৰত বাসকৰাদি তেওঁবিলাকেও চাংঘৰত বাস কৰে। গাৱঁৰ ঘৰবিলাক শাৰীপাতি বা থুপখুৱাই সাজে। ঘৰবিলাক দীঘলীয়া আৰু কাঠৰ খুটা দি, বাঁহৰ চাংসাজি, বাঁহৰ বেৰ দি খেৰেৰে ছোৱা। ঘৰৰ মুখেদি বাট, আৰু চাঙলৈ উঠিবলৈ কাঠৰ জখলা থাকে। দেখাত মিৰিসকলৰ গাওঁ আৰু ঘৰৰ দৰে দেউৰীসকলৰ গাওঁ আৰু ঘৰ। গাওঁ আৰু ঘৰ দেখি নোসোধাকৈ মিৰি গাওঁ নে দেউৰী গাওঁ কব নোৱাৰি। দেউৰীসকল একান্ন পৰিয়াল ভুক্ত। আমি ১৯৪০ খ্ৰীঃৰ মানুহ পিয়লত কোনো কোনো একান্ন-ভুক্ত দেউৰী পৰিয়ালত ১০০।১২০ লৈকে মানুহ পাইছিলোঁ। এশ, ছকুৰি মানুহ একেটা দীঘল চাংঘৰতে থকাৰ পৰাই তেওঁ-লোকৰ ঘৰৰ আকাৰ কিমান দীঘল আৰু বহল হ'ব পাৰে অনুমান কৰিব পাৰি। তেওঁবিলাক সবল, স্বাস্থ্যৱান, পৰিশ্ৰমী আৰু বৰ ভাল খেতিয়ক। তিৰোতাসকলে হালবোৱাৰ বাহিৰে ঘৰৰ আৰু পথাৰৰ যাৱতীয় কাম কৰে। তেওঁলোকে সূতা কাটিব আৰু তাঁত বব জানে। দেউৰীসকলৰ সাজ-পোচাক আৰু অলঙ্কাৰ অসমীয়াৰ সৈতে একে। তেওঁবিলাকৰ কাপোৰ-কানি বেচ পৰিস্কাৰ পৰিচ্ছন্ন। তেওঁবিলাকে কুকুৰা আৰু গাহৰি পোহে আৰু ঘৰতে এবিধ মদ তৈয়াৰ কৰি খায়। গাহৰি পোহাৰ বাবে তেওঁলোকে বাম-খেতি বেচিকৈ কৰিব নোৱাৰে আৰু গাওঁবিলাক লেতেৰা হয়। গাৱঁত বাম-খেতি কৰিব লগা হ'লে গাহৰি সোমাব নোৱাৰাকৈ বৰ ঘন জেওঁৰা দিব লগা হয়।

তেওঁবিলাকৰ মাজত বাল্যবিবাহ নাই কিন্তু বহু বিবাহ, বিধৱা বিবাহ আৰু ছোৱালী ধৰি নিয়া প্ৰথা প্ৰচলিত।

তেওঁলোকৰ উৎসৱ হৈছে, বহাগ বিহু, মাঘবিহু আৰু "নভাতৰ পূজা"। বহাগবিহুত দেওধনি উঠে আৰু ফাগুনৰ পৰা বহাগলৈ ৰাতি বিহু পাতে।

দেউৰীসকলৰ মাজত প্ৰচলিত যে তেওঁবিলাক ওখ ঠাইৰ (অৰ্থাৎ পৰ্ব্বত) পৰা অহা "দুকীয়া কিসু মা'। পূৰ্ব্বে তেওঁবিলাক কুণ্ডিল নদীৰ পাৰত বাস কৰিছিল। তেওঁবিলাক চাৰিখেলত বিভক্ত, যেনে—(১) টেঙাপনীয়া (টেঙপানী নৈৰ কাষত বাস কৰিছিল আৰু তেওঁবিলাক ফৈদবিলাকক "টিকা' বোলে) (২) বৰগঞা (বৰপানী নৈৰ কাষত বাস' কৰিছিল), (৩) দিবঙীয়া (দিবাং নৈৰ কাষত বাস কৰিছিল). আৰু (৪) পাটৰ গঞা (পাটৰ শালৰ ওচৰত আছিল আৰু পাটৰ শালক পূজা কৰিছিল। বৰ্ত্তমান এই খেল নাই)। এই খেলবিলাক আকৌ ভালেমান ফৈদত বিভক্ত। বৰ্ত্তমান টেঙাপনীয়া দেউৰীবিলাক শিৱসাগৰত বৰগঞা দেউৰীবিলাক শিৱসাগৰৰ দিহিংমুখত আৰু দিবঙীয়াবিলাক লক্ষীমপুৰ আৰু যোৰহাটত বাস কৰে।

দেউৰীসকলৰ গীতত বৰ্ণোৱা আছে যে আদি নিৰঞ্জনে অনন্ত শয্যাৰ পৰা উঠি সকলোকে স্ৰজন কৰিবৰ ইচ্ছা কৰি, তেওঁৰ গাৰ এফালৰ পৰা "খুদিমামা" অৰ্থাৎ পুৰুষ-প্ৰকৃতি স্ৰজন কৰি লগত লৰাছোৱালী দি মাজ স্থল পালন কৰিবলৈ পঠালে। তেওঁবিলাকে ধৰ্ম্মৰ এৱাঁ সূতা এডাল ধৰি নামি আহিল (পিচ চিৰোচিং চাপি হুঁমা)। এই পুৰুষ-

প্ৰকৃতি বা বুঢ়া-বুঢ়ীক "গিৰিছা-গিৰি" বোলে। সদিয়াৰ পৰা ১০ মাইল উত্তৰ পূবে দিক্ৰং আৰু দেওপানীৰ সঙ্গমস্থলত বুঢ়া-বুঢ়ীৰ মন্দিৰ আছিল। এই মন্দিৰ অতি পুৰণি। হিন্দুসকলৰ মতে এই মন্দিৰ মহাদেৱৰ মন্দিৰ আৰু কৰ্ণেল হেন্নিয়ে কয় যে বাহিৰফালে শিল আৰু ভিতৰফালে ইটাৰে নিৰ্ম্মিত এখন দেৱালৰ মাজৰ বহল ঠাইত ছয়কোণীয়া এখন বেদী আছে। তাৰ সন্মুখৰ শিলৰ ওখ ঠাইত পূজা দিয়া হয়। ৰৰপুত্ৰ বা বলীয়াবাবাক "পিচাদেমা" (PISHADEMA) বোলে। বলীয়াবাবাৰ মন্দিৰো গিৰিচা-গিৰিৰ মন্দিৰ থকা অঞ্চলত আছিল। টেঙাপনীয়া খেলে পিচাদেমা পূজা কৰে। জীৱা তামাৰ মাই বা কেচাইখাতীক "পেচাচি" (PESHASI) বোলে। কেচাইখাতী বা তাম্ৰেশ্বৰী মন্দিৰৰ কথা ওপৰত কোৱা হৈছে। গাওঁবিলাকত সদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ আকাৰত কাঠ আৰু খেৰেৰে দীঘে ৮ ফুট আৰু পথালিয়ে ৮ ফুটকৈ তামাৰ মাইৰ মন্দিৰ সাজি তামাৰ মাইক পূজা কৰে। মাজুলীৰ এনে মন্দিৰত তামৰ চাল আছে। আহোম স্বৰ্গদেৱসকলে তাম্ৰেশ্বৰী মন্দিৰৰ পূজাৰীসকলক ঠিয় হৈ সন্মান জনাইছিল। এই পূজাবিলাক মাঘৰবিহু, বহাগবিহু আৰু শাওন মাহত পাতে, আৰু কাতি মাহৰ পূজা আকালত পৰাৰ কাৰণে আগ পিচ কৰি পাতে। "অম্বুবাচীৰ"ৰ তিনি চাৰিদিনৰ পাচত ৰবিবাৰ বা বুধবাৰ পৰিলে, সেইবাৰত অম্বুবাচীৰ পূজা ভাঙ্গে। চাৰি দেউৰী নহলে প্ৰায়শ্চিত্ত নহয়। পাঁচ দেৱতাক পূজা দিয়া ঠাইত তামৰ কলহত পানী ভৰাই মাজত ৰাখি পূজাৰ শেষত যাক পৰাচিত কৰিব লাগে তেওঁক গাধুৱাই পানী খুৱাই শুচি কৰে। দোষীবিলাকৰ দণ্ড ৰাইজে লয় আৰু পূজাৰীয়ে মাত্ৰ এটকা ৰূপ পায়। প্ৰত্যেক মন্দিৰত বৰদেউৰী, সৰুদেউৰী, বৰভৰালী আৰু সৰুভৰালী নামে চাৰিজনকৈ কৰ্ম্মকাৰক থাকে। পূজাৰীসকলক বৰদেউৰী আৰু সৰুদেউৰী বোলে। ভৰালীবিলাক মন্দিৰলৈ সোমাব নোৱাৰে; তেওঁবিলাক মন্দিৰৰ বস্তু ৰাখোতা মাথোন। ৰবা আৰু ৰাৰিকে পূজাৰ কাৰণে পা-পইচা তোলে আৰু পৰীয়াই মন্দিৰত পৰ দিয়ে।

দেউৰীবিলাকৰ মাজত চুটিয়া ভাষা আজিও প্ৰচলিত। কিন্তু তেওঁবিলাকে সম্পূৰ্ণৰূপে অসমীয়া জানে। কৰ্ণেল শেক্সপীয়েৰে কয় যে আহোমসকলে চুটিয়াসকলৰ লিখিত ভাষা পাইছিল। দেউৰী-সকলৰ বহুত আজিকালি হিন্দু হৈছে। কিন্তু তেওঁলোকে তেওঁলোকৰ পূৰ্ব্বৰ খাদ্য, নীতি-নিয়ম, ধৰণ-কৰণ, পূজা-পাতল, গৃহ-নিৰ্ম্মাণ আদি ত্যাগ কৰা নাই। তেওঁলোকৰ যদিও কিছুমান নিজস্ব সংস্কৃতি আছে, তত্ৰাচ তেওঁলোক সম্পূৰ্ণ অসমীয়া।

বৰাহী চুটিয়াৰ কথা বিশেষকৈ জনা নাযায়। ১২২৮ খ্ৰীঃত স্বৰ্গদেৱ চুকাফাই সৌমাৰৰ মৰাণ ৰজা বদৌছা আৰু বৰাহী ৰজা থাকুম থাক জয় কৰি আহোম সাম্ৰাজ্যৰ ভেটি স্থাপন কৰিছিল। এই বৰাহীসকল বড়ো জাতীয় আছিল। আহোমসকলে বৰাহীসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি, বৰাহীসকলক আহোম কৰি, আহোম জাতিৰ ভিতৰত ভুক্ত কৰি ললে। স্বৰ্গদেৱ চুকাফাই (১) গাম, (২) লখাই, (৩) মুপুং বা মুঙ্‌পেঙ্‌ (৪) ৰভি বা বৰ্ৰি, (৫) হাটাই বা ইটাই ঠাকুৰ, (৬) ৰাথাম বা ৰাগাম আৰু (৭) বৰকুমাৰ নামে চিলনীমৰীয়া গাওঁত বাস কৰা সাতঘৰ বৰাহীৰ পৰা কাঠকটীয়া, পানী-যোগনীয়াৰ, চাংমাই, বেজ, ভড়ালী, কুমাৰ, কুকুৰা-চোৱা, জৰাধৰা, বাটিৰখীয়া (Fowl keeper) আদি পাতি ললে (হঃ বঃ সঃ—আঃ বুঃ—১২পৃঃ, পুঃ অঃ বুঃ—১৭ পৃঃ আৰু Ahom Buranji)। চাংমাই, বেজ, ভড়ালী কুকুৰাচোৱা, জৰাধৰা আদি আহোমৰ খেল এতিয়াও আছে। সেই বৰাহী



সকলেই বৰাহী চুটিয়া হয়নে নহয় সঠিক জনা নাযায়। সোমেশ্বৰ দেউৰী, বি-এদেৱে 'আৱাহন'ৰ ৭ম বছৰৰ ২য় সংখ্যাত লিখা "দেউৰী সম্প্ৰদায়" নামেৰে প্ৰবন্ধত আছে যে বৰাহী চুটিয়াক বোৰোক চুটিয়াও বোলে আৰু বৰাহী চুটিয়াই সাত জাপ আৰু অন্য চুটিয়াই ছয় জাপ খৰি দি শ দাহন কৰে। স্বৰ্গদেও গৌৰীনাথসিংহৰ দিনত (১৭৮০-৯৪-৯৫ খ্ৰীঃ) মায়ামৰীয়া আৰু মৰাণবিলাকে বিদ্ৰোহ কৰি আহোম ৰাজ্যত ঠায়ে ঠায়ে নপতা ফুকন বা স্বয়ম্ভূ ৰজা পাতে। স্বৰ্গদেৱ পলাই ভটিয়াই গ'ল। মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বিবুদ্ধি গড় মাৰি উজনি খণ্ড লাদৈ গড়কে (এই গড় ডিব্ৰুগড় মহকুমাৰ জয়পুৰৰ ওচৰৰ পৰা আৰম্ভ হৈছে) সীমা কৰি সাত বছৰ কাল ৰক্ষা কৰি আছিল। স্বৰ্গদেৱে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহায়ত ১৭৯৪ খ্ৰীঃৰ ২১ মাৰ্চ্চত ৰাজধানীত প্ৰৱেশ কৰিলে। কিন্তু গৱৰ্ণৰ জেনেৰেল চাৰ জ'ন ছোৰৰ আদেশত বৃটিছ সৈন্য ১৭৯৪ খ্ৰীঃৰ ২৫ মে তাৰিখে ৰংপুৰ এৰি গুচি গল। তেওঁবিলাকে উজনি অসম উদ্ধাৰ কৰিবলৈ সময় নাপালে। সেই স্বয়ম্ভূ ৰজা-সকলৰ ভিতৰৰ এজন হৈছে বেঙ্‌মৰাত (তিনিচুকিয়া) মটক ৰাজ্য স্থাপন কৰোঁতা মটকৰ সৰ্ব্বানন্দসিংহ। তেওঁ ১৭৯৪—৯৫ খ্ৰীঃত আহোম মুদ্ৰাৰ অনুৰূপত মৰোৱা আঁঠচুকীয়া মোহৰ পোৱা যায়। এই সৰ্ব্বানন্দ সিংহক বুৰঞ্জীত মৰাণ বুলি উল্লেখ কৰিছে। বৰ্ত্তমান ডিব্ৰুগড় মহকুমাৰ চাবুৱা পোলোঙা (চাবুৱা = য'ত ইংৰাজবিলাকে প্ৰথমে চাহ বৈছিল) মৌজাৰ পোলোঙা গাৱঁত বাস কৰা সৰ্ব্বানন্দসিংহৰ বংশধৰ লক্ষেশ্বৰ গোহাঁয়ে আমাক জনাইছে যে সৰ্ব্বানন্দসিংহ মৰাণ নহয় বুৰুক (বোৰোক) চুটিয়াহে। আমি জনাত ডিব্ৰুগড় মহকুমাত বাস কৰা সৰ্ব্বানন্দসিংহৰ বংশধৰ-সকলৰ মৰাণসকলৰ লগত কোনো সামাজিক সম্বন্ধ নাই। অৱশ্যে মৰাণসকল আৰু এওঁলোক মায়ামৰীয়া বা মটক (মতেক) ধৰ্ম্মাৱলম্বী। এই বুৰুক চুটিয়াৰ সংখ্যা কিমান জনা নাযায়। এওঁবিলাক বোধহয় মায়ামৰীয়া হোৱাৰ কাৰণেই অন্য মায়ামৰীয়াই অমায়ামৰীয়াৰ লগত কোনো সামাজিক সম্বন্ধ নৰখাৰ দৰে হিন্দু চুটিয়াৰ লগত কোনো সম্বন্ধ ৰখা নাই।

সৰ্ব্বানন্দসিংহই স্থাপন কৰা মটক ৰাজ্য ডিব্ৰুগড় মহকুমাৰ ভিতৰত দিহিং নদী আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ তিনিচুকীয়া অংশত পৰিছিল। তেওঁ বেঙ্‌মৰাত ৰাজধানী স্থাপন কৰিছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে সন্দিকৈৰ কলীয়া ভোমোৰা ওৰফে প্ৰতাপ বল্লভ বৰফুকনৰ সৈতে লগলাগি স্বয়ম্ভূ ৰজাসকলক বশ কৰি স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ (১৭৯৫—১৮১০ খ্ৰীঃ) দিনত ৰাজ্যত শান্তি বিস্তাৰ কৰিলে। কিন্তু মটক ৰাজ্য নিজৰ দখললৈ আনিব নোৱাৰি মটকৰ ৰজাক "বৰসেনাপতি" উপাধি দিলে আৰু বৰসেনাপতিয়ে মটক ৰাজ্যৰ খাজনা আদায় কৰি স্বৰ্গদেওক সোধাবলৈ গাত ললে। এতিয়া এই বৰসেনাপতি সৰ্ব্বানন্দসিংহ নে নাই তেওঁৰ বৰপুতেক মাটিবৰ আছিল সঠিক জনা নাযায়। কোনো কোনোৱে কয় যে সৰ্ব্বানন্দসিংহই পুতেক মাটিবৰক বৰসেনাপতি পাতিছিল। মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে দেশত শান্তি স্থাপন কৰিবৰ উদ্দেশ্যে হয়তো মাটিবৰৰ বৰসেনাপতি উপাধি স্বীকাৰ কৰি তেওঁবিলাকক সন্তুষ্ট কৰি ৰাখিছিল। ১৮৮১ খ্ৰীঃত বৃটিচ বিষয়াসকলে ভাৰত গৱৰ্ণমেণ্টলৈ দিয়া ৰিপৰ্টত সৰ্ব্বানন্দসিংহক বৰসেনাপতি বুলি উল্লেখ কৰিছিল। এই কথাত ভিত্তি কৰিলে বুঢ়াগোহাঁয়ে বৰসেনাপতি উপাধি সৰ্ব্বানন্দসিংহকহে দিছিল। অৰাজক অৱস্থাৰ সুবিধা লৈ খামটিসকলৰ লগত ভৈয়ামলৈ অহা চিংফৌসকলে মটক ৰাজ্যৰ উজনি খণ্ডৰ পৰা মানুহ ধৰি নি বেটী-বন্দীকৈ ৰাখিছিল আৰু বৰ্ম্মাদেশত বিক্ৰী কৰিছিল। যি অংশৰ পৰা মানুহ ধৰি নিছিল, সেই অঞ্চলক "মুলুং" অৰ্থাৎ দুৰ্ব্বল

বুলিছিল আৰু সৰ্ব্বানন্দসিংহৰ ৰাজ্যৰ পৰা মানুহ ধৰি নিব পৰা নাছিল কাৰণে তেওঁৰ ৰাজ্যক "মটক" অৰ্থাৎ "বলী" বুলিছিল। সেই কাৰণেই সৰ্ব্বানন্দ সিংহৰ ৰাজ্য "মটক" ৰাজ্য আৰু তাত থকা বাসিন্দাবিলাক "মটক" নামে জনাজাত হয়।

বৰসেনাপতিয়ে নপুখুৰী আৰু তেওঁৰ ববৰুৱা গোধা গোপীনাথে আহোমৰ আহি অনুকৰণ নকৰি এটি তিনিচুকীয়া পুখুৰী খনালে। এই তিনিচুকীয়া পুখুৰীৰ পৰাই সেই অঞ্চলৰ নাম বেঙমৰাৰ পৰিবৰ্ত্তে তিনিচুকীয়া হ'ল।

সৰ্ব্বানন্দসিংহই আহোম ৰজাক অনুকৰণ কৰি "স্বৰ্গদেৱ" উপাধি লৈছিল আৰু তেওঁৰ বংশধৰসকলে "গোহাঁই" উপাধি ললে। সৰ্ব্বানন্দসিংহৰ বংশধৰ-সকলে 'গোহাঁই" উপাধি ললে। সৰ্ব্বানন্দসিংহৰ বংশধৰসকলে বৰ সেনাপতিৰ বংশধৰ হিচাবে "সেনাপতি" উপাধিও লিখে। বৰ্ত্তমান সৰ্ব্বানন্দ সিংহৰ বংশধৰসকলৰ কিছুমানে "গোঁহাই সেনাপতি", কিছুমানে কেৱল "গোহাঁই" আৰু কিছুমানে কেৱল "সেনাপতি" লিখে।

আহোম চুটিয়া ঃ—স্বৰ্গদেও চুকাফা অসমলৈ অহাৰ পৰাই আহোম আৰু চুটিয়াৰ মাজত সংমিশ্ৰণ হয়। এই সংমিশ্ৰণ হয়তো আজিও শেষ হোৱা নাই। স্বৰ্গদেও চুকা-ফাই এজন চুটিয়া মানুহ চোমদেওৰ তাত কাম কৰিবলৈ দি তেওঁক চোমচিৰিং পাতিলে। তেওঁৰ খাতমুং, খ্ৰামং, টেফাইমুং, লুচিং, লুংঠকি, নাজিও আৰু চাইমুং নামে আঠপুত্ৰ হ'ল। নজিউৰ ভনীয়েকৰ সৈতে বদনাম হোৱাত বাকী সাত ভায়ে তেওঁক হত্যা কৰিব খোজাত, তেওঁ বাণ্ডুক বৰগোহাঁইৰ হাঁহৰখীয়া হৈ থাকিল। সেইকাৰণে তেওঁৰ নাম "পিতহান" অৰ্থাৎ হাঁহৰখীয়া ( আহোম ভাষাত পিত্ মানে হাঁহ আৰু হান্ মানে ৰখীয়া ) হ'ল। নাজিউৰ নাতিনীয়েকক "লাহন" ( আহোম ভাষাত লা মানে নাতি ) বোলা হ'ল আৰু পাচত তেওঁৰ বংশই আহোমৰ লাহন খেল হয়। নাজিউৰ সাত ভাইক খাটোৱাল চেটিয়া পতা হ'ল ( পুৰাণ অসম বুৰঞ্জী )। এই কথা আহোম বুৰঞ্জীত তলত লিখাৰ দৰে পোৱা যায়। "স্বৰ্গদেও চুকাফাই চুটিয়া ৰাজ্যৰ এখন প্ৰদেশ জয় কৰি, তাৰ পৰা এজন কছাৰী আনি চোমদেওৰ ঘৰ ৰাখিবলৈ দি তেওঁক চোমচিৰি (Somchiri) পাতিলে। তেওঁৰ খাট্মুঙ, পাওমুঙ, চাইমুঙ, তাফাইমুঙ, নগিও (Nagio), লুক্চাই, লুকবাক আৰু এজন পুত্ৰ হ'ল। সৰু পুতেকৰ ভনীয়েকৰ লগত বদনাম হোৱাত বাকী সাতজনে তেওঁক মাৰি বানৰুগীয়া গোহাঁইৰ তাত আশ্ৰয় ললে। তেওঁলোকক পাচত বাই-লাহন (Bai-Lahan) আৰু ইচিৰি (Ishiri) বোলা হয়। তেওঁলোকক খাটোৱাল পাতি "চেটিয়া" বোলা হ'ল। যাহওক, 'লাহন' আৰু "চেটিয়া" উত্তম আহোম বুলি পৰিগণিত। এই দুই খেলে আহোম ৰাজত্বত বহুত উচ্চ বিষয় ভোগ কৰিছিল। স্বৰ্গদেৱ চুকাফাই চুটিয়া গাওঁ দখল কৰি ঝলম বাটিৰ পৰা মানুহ এটি পাই তেওঁক চাঙ্গচাই নাম দি আহোম পাতিলে" ( পুঃ অঃ বুঃ —৩২ পৃঃ )। ফ্ৰাচেঙ্গমুন্ বৰগোহাঁয়ে সদিয়া দখল কৰোঁতে ( ১৫২৩ খ্ৰীঃ ) চুটিয়া ৰজাৰ ভৰালীয়ে এখন দা আৰু এখন বাৰু দি গোহাঁইক বৰিছিল। গোহাঁয়ে সেই ভৰালীক নিজৰ খেলুৱাকৈ খোকোৰাত পাতিলে। ভৰালীৰ লাঙ্গিমুই আৰু লাঙ্গিথপক বুলি দুজন ল'ৰা আছিল। তন্খাম্ বৰগোহাঁয়ে জীয়েক নাংচাং গাভৰুক খোৰা ৰজালৈ ( ১৫৫২—১৬০৩ খ্ৰীঃ ) বিয়া দিওঁতে লাঙ্গিমুই চুটিয়াক যৌতুকত দিলে। স্বৰ্গদেৱে লাঙ্গি-মুইক ভণ্ডাৰী গোহাঁই ভণ্ডাৰী চেটিয়া পাতিলে। লাঙ্গিথপক বৰগোহাঁইৰ ধোঁৱাছোৱা হৈ থাকিল [ পুঃ অঃ বুঃ—৩৮ পৃঃ ] স্বৰ্গদেও চুহুম্মুঙ্গৰ দিনত তুৰ্ব্বকৰ সৈতে হোৱা যুদ্ধত [ ১৫৩২—৩৩ খ্ৰীঃ ] এটি বৰ ধুনীয়া মানুহ বন্দী হ'ল। স্বৰ্গদেৱে তেওঁৰ নাম



নুক্টাৰ দাঙ্ (Nuktur dang) দিলে। স্বৰ্গদেও চুখামফাই ( ১৫৫২—১৬০৩ খ্ৰীঃ ) এই ঘৰ মানুহক কাটিদাঙ্ ছুৰৱা পাতিলে ( আঃ বুঃ—১৩৭ পৃঃ )। স্বৰ্গদেও চুচেংফাই [ ১৬০৩—৪১ খ্ৰীঃ ] কাটিদাঙ্ ছুৰৱাৰ নাতিনীয়েকক তামূলী ছুৰৱী আৰু পাচত তামূলী পাতিলে। তেওঁৰ পুতেকক হিলৈদাৰী বৰুৱা পাতি কলিয়াবৰত থাকিবলৈ দিলে। এই কথা পুৰণি অসম বুৰঞ্জীত ( ৩১ পৃঃ ) এই দৰে পোৱা যায়—স্বৰ্গদেও চুহান্ফাৰ দিনত [ ১৪৮৮—৯৩ পৃঃ ] চাওকং বাণ্ডুক বৰ গোহাঁয়ে চুটিয়াৰ গাওঁ দখল কৰি তাৰ পৰা অনা এটি চুটিয়াৰ কাম ভাল পাই স্বৰ্গদেৱে তেওঁক "হন হন পাতৰ" পাতিলে। স্বৰ্গদেও চুহুম্মুঙ্গৰ দিনত তুৰ্ব্বকৰ সৈতে হোৱা যুদ্ধত পাতৰৰ পৰিণাতিয়ে বিশ্বাসযোগ্য কাম কৰাত স্বৰ্গদেৱে তেওঁক "হাৰিধং ছুৰৱা" নাম দিলে। স্বৰ্গদেও চুচেংফাই (১৬০০—৪১ খ্ৰীঃ) এই বংশৰ এজনক (গেইটৰ মতে "লাঙ্গি") কলিয়াবৰত পানীসিয়া পাতিছিল। ১৬১৭ খ্ৰীঃত আহোম মুছলমানৰ ভিতৰত হাজোত হোৱা যুদ্ধৰ পাচত স্বৰ্গদেৱে পানীসিয়াক লাঙ্গি নাম দি বৰফুকন পাতিলে। আহোম বুৰঞ্জীত (৫৭ খ্ৰীঃ) পোৱা যায় যে লাঙ্গি এজন কছাৰী বন্দীৰ বংশধৰ।

আহোম ৰাজত্বত ওপৰত উল্লেখ কৰাৰ দৰে অনেক চুটিয়াক আহোম কৰি আহোমৰ কোনো এক খেলত ভুক্ত কৰা হৈছিল। সেইসকলক এতিয়া বাছি উলিয়াব নোৱাৰি। তেওঁবিলাক এতিয়া শিৰফুটা আহোম। এইসকলত বাজেও আহোম আৰু চুটিয়াৰ ভিতৰত বৈবাহিক সম্বন্ধ স্থাপন হৈ আহোম-চুটিয়া নামে এটি বিশেষ খেল হল। তেওঁবিলাক সানমিহলি হোৱাত আহোমেও তেওঁলোকক সমাজ নিদিয়াত আৰু চুটিয়ায়ো তেওঁলোকক সমাজ নিদিয়াত তেওঁলোক মাজতে আহোম-চুটিয়া নামে পৰিগণিত হল। বৰ্ত্তমান আহোম চুটিয়া বোধহয় নাই।

মিৰি চুটিয়া ঃ—মিৰি আৰু চুটিয়া দুয়ো আদিতে পৰ্ব্বতত ওচৰা-ওচৰিকৈ বাস কৰিছিল। চুটিয়াসকলে ভৈয়ামত ৰাজ্য বিস্তাৰ কৰাত ভৈয়ামলৈ নামি আহিল। আবৰৰ উপদ্ৰৱৰ পৰা হাত সাৰিবলৈ মিৰিবিলাকে ভৈয়ামলৈ নামি আহি আহোম ৰজাৰ আদেশ লৈ আহোম ৰাজ্যত বাস কৰিবলৈ ললে। চুটিয়া আৰু মিৰিসকলৰ মাজত যিবিলাকৰ সংমিশ্ৰণ হৈছিল, সেইবিলাক "মিৰিচুটিয়া" বা "চুটিয়া মিৰি" বুলি জনাজাত হ'ল।

শ্ৰীসোনাৰাম পাঞ্চাঁ কটকীয়ে তেখেতৰ "মিৰি জাতিৰ বুৰঞ্জী"ত লিখিছে—"আহোম ৰজাই চুটিয়া ৰাজ্য আক্ৰমণ কৰাত কিছুমান চুটিয়া পলাই গৈ মিৰিবিলাকৰ মাজত বসতি কৰি মিৰিৰি সৈতে বৈবাহিক সূত্ৰত আৱদ্ধ হ'ল। এইদৰে সানমিহলি হৈ হোৱা খেলকে "চুটিয়া মিৰি" বা "পাগৰ" অৰ্থাৎ জাত যোৱা বোলে। চুটিয়াসকলে এই কথা অস্বীকাৰ কৰি কয় যে চুটিয়াৰ সৈতে ৰণত হাৰি চুটিয়াৰ ঘৰত থকা মিৰিবিলাকক হে চুটিয়া মিৰি বোলে। আহোম বুৰঞ্জীমতে আহোম ৰজাই চুটিয়া ৰাজ্য জয় কৰোঁতে [ ১৫২৩ খ্ৰীঃত ] কিছুমান মিৰিয়ে আহোম ৰজাৰ বশ্যতা স্বীকাৰ কৰি কৰ দিবলৈ গাত লোৱাত তেওঁ-লোকক চুটিয়া ৰাজ্যত স্থাপন কৰিছিল। বোধহয় এইবিলাক মিৰি চুটিয়াৰ সংশ্ৰৱত অহাত "চুটিয়া মিৰি" নামে জনাজাত হ'ল। চুটিয়া ৰাজ্যৰ সীমাতে মিৰি বিলাকৰ বসতি হোৱাত সীমান্তত থকা মিৰি আৰু চুটিয়াৰ মাজত সংমিশ্ৰণ হোৱা স্বাভাৱিক। এই স্বাভাৱিক সংমিশ্ৰণৰ ফলত চুটিয়া মিৰিৰ উদ্ভৱ হ'ব পাৰে। মুঠতে যি কোনো কাৰণতে নহওক চুটিয়া আৰু মিৰিসকলৰ সংমিশ্ৰণত উৎপত্তি হোৱা সকলেই চুটিয়া মিৰি বা মিৰি চুটিয়া। মিৰিৰ ভিতৰত প্ৰথমে হয়তো "চুটিয়া-মিৰি", নহয় "চামগুৰীয়া মিৰিয়েই" ভৈয়ামত বসতি কৰিবলৈ লৈছিল। বৰ্ত্তমান যি-সকল চুটিয়া নামে জনাজাত, সেইসকলৰ চুটিয়া মিৰিৰ লগত কোনো সম্বন্ধ নাই।"

( ক্ৰমশঃ )

# কটকী

**শ্ৰীনকুল চন্দ্ৰ ভূঞা**

অসম আইৰ সুসন্তান স্বৰ্গীয় ডক্টৰ ময়িহুল ইছলাম ববাদেৱে ইংৰাজীলৈ অনুবাদ কৰা ফাৰ্চী ভাষাত লিখা “বাহাৰিষ্টান-ই-গাইবী” বুৰঞ্জীত অসমৰ “কটকী” বিষয়খনৰ কথা এনেদৰে উল্লেখ কৰা আছে,—

“Katky Brahmins were the Brahmins imported by Pratapaditya (Bengal) from cuttak to perform the religious rites in the temple of Gopalpur ……… .. …… The Ahom kings of Assam also brought Katky Brahmins to their court and mantained them at the state's expense.

Their descendents still bear the surname of Katky.” ( Vol II, Page 822 ).

অৰ্থাৎ বঙ্গদেশৰ প্ৰতাপাদিত্য ৰজাই উৰিষ্যাৰ কটকৰ পৰা গোপালপুৰৰ মন্দিৰত পূজা-সেৱা কৰিবলৈ কটকী ব্ৰাহ্মণসকলক আছিল। ……… …… আহোম ৰজাসকলেও ‘কটকী’ ব্ৰাহ্মণসকলক আহোম ৰাজ্যলৈ আনি, ৰজাঘৰীয়া খৰচ দি ৰাখিছিল। তেওঁবিলাকৰ সতি-সন্ততিয়ে এতিয়াও “কটকী” উপাধি লিখে।

‘বাহাৰিষ্টান’ত লিখা কটকীৰ কথা পঢ়িলে এনে অনুমান হয় যে কটকৰ পৰা অনা ব্ৰাহ্মণসকলকে কটকী বুলিছিল।

অসমত কিন্তু কটকীৰ অৰ্থ তেনে নহয়। কটকী শব্দটোৰ মূল সংস্কৃত “কটক”। “কটক” মানে সেনা। আন দেশলৈ সেনাৰ লগত বাৰ্ত্তা আদি নিয়াজনক অসমত কটকী বুলিছিল।

‘হেমকোষ’ত “কটকী” শব্দৰ অৰ্থ এইদৰে আছে,—“( সং কটক—সেনা ) ৰাজদূত; এক ৰজাই নিৰ্ব্বন্ধ আদি কৰিবৰ নিমিত্তে আন ৰজাৰ গুৰিলৈ পঠোৱা দূত; কটকীবিলাকৰ প্ৰধানজনক বৰকটকী বোলে; অসম ৰজাৰ দিনত ই এটা বিষয় আছিল। ( আগৰ কালত বিপক্ষৰ ফাললৈ আৱশ্যকীয় বাৰ্ত্তা আদি নিবৰ কাৰণে কটক অৰ্থাৎ সেনাৰ লগত ৰাজদূতৰ যাবৰ নিয়ম আছিল, এতেকে সেই নাম ) an ambassador, a royal messenger.”

বুৰঞ্জীৰ পৰা বুজা যায় যে আগৰ কালত অসমত সকলো জাতৰ মানুহেই ‘কটকী’ কামত ইখন দেশৰ পৰা সিখন দেশলৈ অহা-যোৱা কৰিছিল।

আনকি স্বৰ্গদেৱসকলৰ দিনতো আহোমসকলে কটকীৰ কাম কৰিছিল। স্বৰ্গদেও প্ৰতাপসিংহৰ ( চুচেংফা ) দিনত ব্ৰাহ্মণসকলক ‘কটকী’ বিষয়খন দিয়াৰ কথা এইদৰে পোৱা যায়—“ব্ৰাহ্মণ কটকীৰ সৃষ্টি। পাচে পালতগৈ নৰনাৰাণ ৰাজা সিহঁতক তুলি মহাৰাজাৰ কুশল বাৰ্ত্তা সুধি কতদিন থাকি আমাৰ কটকীৰ লগত গজসিংহ কটকী, পাতালসিংহ কাজ্জি দি বিদায় দিলে। সিহঁত আহি গড়গাওঁ পালতহি আমাৰ কটকীক নি কথাবাৰ্ত্তা—মহাৰাজা সুধিলে বোলে, “তইঁতৰ লগত বেহেকৱা কোন কটকী আহিছে?” নাও পাহৰি বোলে,—‘গৰুৰ যে শিং



এটা তললৈ যায় এটা ওপৰলৈ যায়—তাক কি গৰু বোলে?’ পাচে প্ৰজাৰ লোকে ক’লে বোলে,—‘তাকে পাতালশিঙ্গীয়া গৰু বোলে’। পাতালশিঙ্গীয়া কটকী আহিছে বুলি ক’লত ৺দেৱে অসন্তোষ কৰি বোলে,—“আন দিনলৈ আহোম কটকী পঠাবলৈ ভাল নহয়, এইমান কথাকে মোৰ আগত কব নোৱাৰিলে পৰদেশতনো কেনেকৈ কথা-বাৰ্ত্তা ক’ব?” এই বুলি পণ্ডিত ব্ৰাহ্মণ কটকী লবলৈ আজ্ঞা কৰিলে। পূজাৰী পূজাঘৰৰ কলীয়া-কটকী-১ ঘৰ, চতুৰ্ভুজ-১ ঘৰ, গদাধৰ-১ ঘৰ, চণ্ডিবৰ-১ ঘৰ, মহাদেৱ বৰীয়া আকাদহ-১ ঘৰ, বৰ গোহাঁইৰ বিলাইতৰ নাৰাণপুৰৰ থান কুৰিৰ-১ ঘৰ, বৰপাত্ৰ বাণফঙ্গীয়া ৰত্ন কন্দলী-১ ঘৰ। আত বাজে বৰ গুৰু-১ ঘৰ, সাগৰ কন্দলী-১ ঘৰ, বৰ কন্দলী-১ ঘৰ, ছোট কন্দলী-১ ঘৰ, শীতলিয়াল-১ ঘৰ, বিৰিণা-১ ঘৰ, মাধকন্দলী-১ ঘৰ, এই ১৪ ঘৰ বিচাৰ কৰি কটকী ল’লে। তাৰে পৰাহে ব্ৰাহ্মণ কটকী হ’ল।”

বুৰঞ্জীত থকা এই কাহিনীৰ পৰা বে’চ বুজা যায় যে স্বৰ্গদেও প্ৰতাপসিংহৰ দিনৰ পৰা আমাৰ দেশত থকা ব্ৰাহ্মণসকলকে কটকীৰ বিষয় জয়ে জয়ে দিছিল।

গতিকে কটকৰ পৰা অহা ব্ৰাহ্মণক ‘কটকী’ বুলি ‘কটকী’ৰ বিষয়খন স্বৰ্গদেৱসকলে দিয়া নাছিল। বঙ্গদেশত হয়তো তেনে কটকী আছিল; আমাৰ দেশত কিন্তু কটকৰ পৰা ব্ৰাহ্মণ আনি, সেই ব্ৰাহ্মণক কটকী বোলা নাছিল। অসমত শাসন কৰা সকলো ৰাজ-চ’ৰাতে সকলো জাতৰ লোকে কটকী বিষয়খন পাইছিল।

---

# অষ্টাদশ-উনবিংশ শতাব্দীত প্ৰাগ্‌জ্যোতিষপুৰ

**শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী**

পুৰাণ আৰু বুৰঞ্জী প্ৰসিদ্ধ প্ৰাগ্‌জ্যোতিষপুৰ মহানগৰী কালৰ সোঁতত পৰৱৰ্ত্তীকালত কি নামেৰে কি অৱস্থালৈ পৰিবৰ্ত্তিত হৈছিল তাৰ এটি পট দাঙি ধৰাই এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য।

বুৰঞ্জীয়ে ঢুকি পোৱা কালৰে পৰাই এই ঠাইৰ প্ৰসিদ্ধতাৰ বিষয়ে, এই মহানগৰৰ জয়জয়-ময়ময় অৱস্থাৰ বিষয়ে সভ্য জগতত সকলোৱে জানে। চিৰন্তন কোনো এখন ঠায়ে সমানে গৌৰৱ অৰ্জ্জন কৰি স্থায়ী হৈ থাকিব নোৱাৰে, বুৰঞ্জীয়ে তাক দেখুৱাই আছে। তেনেকৈ গৌৰৱোজ্জ্বল মহানগৰী প্ৰাগ্‌জ্যোতিষপুৰে সময়ৰ সোঁতত দুৰ্জ্জয় নগৰ, কামৰূপ নগৰ আৰু বৰ্ত্তমান গুৱাহাটী নাম লৈ প্ৰসিদ্ধতা লাভ কৰিয়েই আছে।

কিৰাত, অসুৰ, দানৱ আদি ৰজাসকলে পুৰণি কামৰূপ ৰাজ্যত আধিপত্য কৰাৰ সময়ত আৰু পিচৰ কালতো মহাৰাজা কুমাৰ ভাস্কৰবৰ্ম্মাৰ যুগলৈকে প্ৰাগ্‌জ্যোতিষপুৰৰ নাম সোণৰ আখৰেৰে জিলিকি আছিল। সেই দিনৰ চীন পৰিব্ৰাজক হিউৱেন-চাঙৰ প্ৰাগজ্যোতিষপুৰৰ বৰ্ণনা পঢ়ি মন পুলকিত নহৈ নোৱাৰে। যেতিয়া এই স্থান আহোমসকলৰ

হাতলৈ আহে তেতিয়াৰ পৰাহে পুৰাণ প্ৰাগজ্যোতিষ-পুৰে গুৱাহাটী নাম লয়। আহোমসকলৰ ৰাজত্ব কালত গুৱাহাটী নাম লৈয়েই এই নগৰীয়ে অষ্টাদশ শতাব্দী আৰু উনবিংশ শতাব্দীৰ আগছোৱালৈকে বুৰঞ্জীত প্ৰসিদ্ধতা লাভ কৰি আহিছে। তেওঁলোকৰ শাসনাধীনত গুৱাহাটী নগৰখনত ৰাজপ্ৰতিনিধি বৰফুকন আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উত্তৰ গুৱাহাটী নৌ-সেনাপতি পানীফুকনৰ তত্বাৱধানত আছিল। তেওঁলোকে আন আন ফুকন, ৰাজখোৱা, বৰুৱা, বৰকাকতী আদিৰ সাহায্য লৈ এই অঞ্চলটো চলাই আছিল। বিশেষকৈ বিদেশীয়ে যেতিয়া ঘনাই এই দেশখন আক্ৰমণ কৰিবলৈ ধৰিলে সেই সময়ত শত্ৰুক ভেটা দিবলৈ উত্তৰ গুৱাহাটী অঞ্চলত বহুত গড়, গড়খাৱৈ আৰু কোঠ নিৰ্ম্মাণ কৰি অসংখ্য সেনাৰ চাউনী পাতি এই গোটেই অঞ্চলটোকে "উত্তৰ গুৱাহাটী ৰাজ্য" নামেৰে অভিহিত কৰিছিল। সেই সময়ত এই ৰাজ্যত কোনো স্থায়ীভাবে বাস কৰা লোক নাছিল। কেৱল নৌ-সেনাপতি পানীফুকনৰ তলত পানী ডিহিঙিয়া ফুকন, পানী ডিহিঙিয়া ৰাজখোৱা, নাওবৈচাফুকন, ডেকাফুকন, নেওগফুকন আদি ফুকন ৰাজখোৱাসকল। আৰু আন আন বিষয়াসকলৰ সৈতে হিলৈদাৰী, কাঁড়ী, গোলন্দাজ, পদাতিক, যাঠিয়াল আৰু অশ্বাৰোহী সেনাক সজাই সতৰ্ক কৰি ৰখা হৈছিল।

সেই সময়ত বিনা অনুমতিত কোনো মানুহ এই ৰাজ্যত সোমাব নোৱাৰিছিল। আন দেশীয় মানুহক ইয়াত সোমাবলৈ যে নিদিছিলেই অইন কি একে ৰাজ্যৰে প্ৰজা কামৰূপৰ লোকসকলকো ৰাজ্যত সোমাবলৈ নিদি চকীবিলাকত আটক কৰি ৰখা হৈছিল। উত্তৰ পাৰে তেনে চকী দুটা আছিল— এটা চকীক চিলাচকী আৰু আনটো চকীক মান্দাকাটা চকী বুলিছিল। সৈন্যৰ কোঠ হিচাবে শ্ৰীঘাটৰ কোঠ, চিলাকোঠ, কানাইবৰশী কোঠ আৰু বৰনদী কোঠ আছিল। দক্ষিণ পাৰেও তেনেকৈ পাণ্ডু-কোঠ, ইটাখুলি কোঠ, লতাশীল কোঠআদি আছিল।

গুৱাহাটী নগৰত বৰফুকনৰ তলত যেনেকৈ দুপ্‌দুৱাৰ (দৰবাৰগৃহ) আছিল ঠিক তেনেকৈয়ে উত্তৰ গুৱাহাটী ৰাজ্যতো পানীফুকনৰ তলত দুপ্‌দুৱাৰ আছিল। পানীফুকনৰ তলত এজন বিষয়া আছিল; তেওঁক টেকেলা বৰা মজিন্দাৰ বুলিছিল। এওঁ সকলো হিচাব-পত্ৰ ৰখাৰ উপৰিও পানীফুকনৰ চিঠিপত্ৰ লিখা-লিখি কৰিছিল।

কেপ্তেইন ৱেলচৰ অসম বিৱৰণমতে অষ্টাদশ শতিকাৰ শেষ ভাগত গুৱাহাটী নগৰখন জনবহুল আছিল। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে একাংশত দুয়োপাৰে একোটাকৈ ডাঙৰ গড় আছিল। তাত এশ তেৰটা ডাঙৰ বৰটোপ পোতা হৈছিল; তাৰে তিনিটা ইউৰোপত তৈয়াৰী। ব্ৰহ্মপুত্ৰৰ পৰা প্ৰায় এশ গজ আঁতৰত নগৰৰ ভিতৰত এটা ডাঙৰ দুৰ্গ ছয়ফুট ওখ ইটাৰ বেৰেৰে ঘেৰা আছিল। বেৰৰ কাষে কাষে বাহিৰ আৰু ভিতৰে পানীৰে ভৰা ডাঙৰ গড়খাৱৈ আছিল। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ নগৰখনক শত্ৰুৰ পৰা ৰক্ষা পাবৰ কাৰণে সকলো প্ৰকাৰৰ যোগাৰ ৰখা হৈছিল।

কেপ্তেইন ৱেলচে তেওঁৰ বিৱৰণীত উল্লেখ কৰিছে যে বঙ্গদেশৰ সৈতে সেইসময়ত বেহা-বেপাৰ ভালকৈ চলিছিল। বৰফুকনে বাণিজ্যকৰত কৰ্ম্মচাৰীবিলাকৰ পৰা বছৰি প্ৰায় ৯০,০০০৲ হেজাৰ টকা পাইছিল। তাৰ প্ৰায় ২৬,০০০৲ হেজাৰ টকা ৰাজভঁৰাললৈ গৈছিল। দেশত বিদ্ৰোহ আদি হৈ অশান্তি হোৱাৰ আগতে প্ৰায় ১২০,০০০ (একলাখ বিশ হেজাৰ মোণ) লোণ বঙ্গদেশৰ পৰা আহিছিল। সেই সময়ত গুৱাহাটী অঞ্চলত বয়-বস্তুবিলাকই দাম কম আছিল; চাউলৰ মোণে ১।০ সিকিলৈকে, গুৰ



সেৰে ৵৩ পইচা, গাখীৰ সেৰে ৵৬ পইচা, পান ৵০ অনাত ৪০টা আৰু তামোল এটকাত ৫১২০ টাকৈ আছিল; ঘিউৰ সেৰে ।৵০ অনা, পঠা ছাগলিৰ দাম ১৲ টকা, হাঁহৰ দাম ৵০ অনা আৰু পাৰৰ দাম যোৰে ৩ পইচাকৈ আছিল। বস্তুৰ দাম মাজে সময়ে উঠা নমা কৰিও আছিল।

অষ্টাদশ শতাব্দীৰ আগভাগত আহোম স্বৰ্গদেৱ-সকলৰ আমোলত মন্ত্ৰীসকলৰ সঙ্গ পৰামৰ্শত ৰাজ্য সুচাৰুৰূপেই চলি আছিল। স্বৰ্গদেও ৰাজেশ্বৰ-সিংহই গুৱাহাটী অঞ্চলত বহুত দেৱালয় সজাই দিয়ে; তেওঁ ৰাজপাটত উঠাৰ পিচতেই গুৱাহাটীলৈ যায় আৰু উত্তৰ গুৱাহাটীৰ মনিকৰ্ণেশ্বৰ পাহাৰৰ নামনিৰ টিলা এটাৰ ওপৰত বাহৰ পাতি থাকে। তেওঁ থকা কালছোৱাত গুৱাহাটী অঞ্চলৰ দেৱ দেৱালয় দৰ্শন কৰি অশেষ ধন সোণ দান কৰে। সেই সময়তে ফাগুণ মাহ পৰাত বাহৰৰ ওচৰতেই ১১ খলপীয়া পকী দৌল ঘৰ সজাই মহাসমাৰোহেৰে ফল্গুৎসৱ পাতিছিল। ৰাজেশ্বৰ সিংহদেৱৰ সময়ত গুৱাহাটী মহানগৰ বৰ চকুত লগা আছিল; জনসংখ্যাও বৰ বেচি আছিল।

স্বৰ্গদেও লক্ষ্মীসিংহ ৰজাৰ দিনৰে পৰাই ৰাজ্য পৰি আহিবলৈ ধৰে। এওঁৰ শাসন দুৰ্ব্বল আছিল। এওঁৰ দিনতেই মোৱামৰীয়া বিদ্ৰোহ আৰম্ভ হয়, আৰু প্ৰজাৰ বিলৈ-বিপত্তি হবলৈ ধৰে। তাৰ ঢৌ গুৱাহাটী অঞ্চললৈকে বিয়পিছিল; তথাপি গুৱাহাটী অঞ্চল প্ৰায় শান্তভাবেই আছিল।

ইং ১৭৮০ চনৰ পৰা ইং ১৭৯৫ চনৰ ভিতৰতে আহোম ৰজা গৌৰীনাথসিংহৰ শাসনকালত অসম ৰাজ্য ধ্বংসৰ মুখত পৰে। এওঁ বৰ এলেহুৱা আৰু দুৰ্ব্বল ৰজা আছিল। যেতিয়া মোৱামৰীয়া বিদ্ৰোহ উজনী অসমত প্ৰবল হৈ উঠে তেতিয়া এওঁ ভয় খাই পাত্ৰ মন্ত্ৰীৰ সৈতে গুৱাহাটীলৈ পলাই আহে। গুৱাহাটীৰ পৰা বৰফুকনৰ সাহায্যত তেৰ হেজাৰ সৈন্য গোটাই পানীফুকনৰ তলত পঠিয়াই দিয়ে; কিন্তু কোনোমতে মোৱামৰীয়াক দমাব নোৱাৰি স্বৰ্গদেও গৌৰীনাথসিংহই বিকাৰাম মজিন্দাৰ বৰুৱা আদিক লগত লৈ বৃটিচৰ সাহায্য বিচাৰিলেগৈ। সেইসময়তে কেপ্তেইন ৱেলচৰ তলত লেফ্‌টেনেণ্ট মেক্ৰিগৰৰ সৈতে এটি সৰু সৈন্যবাহিনী অসমৰ সাহায্যাৰ্থে পঠিয়ালে। এই সৈন্য বাহিনীটি আহি মোৱামৰীয়া বিদ্ৰোহ দমন কৰিলে। ৰজাই তেতিয়া বিদ্ৰোহত লিপ্ত কৰ্ম্মচাৰীবিলাকক ক্ষমা কৰি গুৱাহাটীত পাত্ৰ-মন্ত্ৰী, তলতীয়া ৰজা, ঘাই কৰ্ম্মচাৰীসকলৰ সৈতে ৰাজ্যৰ শৃঙ্খলা আনিবলৈ এখন দৰবাৰ পাতিলে। পূৰ্ব্বৰ আনদেশীয় বেতন-ভোগী কৰ্ম্মচাৰীবিলাকক বিদায় দিলে। কেপ্তেইন ৱেলচৰ দিহা পৰামৰ্শমতেই ৰাজ্যলৈ শান্তি ঘূৰাই আনিবলৈ চেষ্টা কৰিলে।

স্বৰ্গদেও কমলেশ্বৰসিংহৰ দিনত ইং ১৭৯৬ চনত কামৰূপত হৰদত্ত, বীৰদত্ত চৌধাৰীৰ তলত দুন্দুমীয়া বিদ্ৰোহ আৰম্ভ হয়। এওঁলোকে তলেতলে কোচ-বেহাৰ আৰু বিজনী ৰজাৰ পৰা উদগনি পাই বহুত কছাৰী, পঞ্জাবী আৰু হিন্দুস্থানী সৈন্য যোগাৰ কৰি উত্তৰ কামৰূপ ৰাজ্যৰ স্বাধীনতা ঘোষণা কৰিছিল। সেই সময়ত কলিয়া ভোমোৰা বৰফুকন, বাপুকন পানীফুকন, বিকাৰাম মজিন্দাৰ বৰুৱা আৰু ভোলানাথ বৰকাকতী গুৱাহাটীত আছিল। কলিয়া ভোমোৰা বৰফুকনে বেলতলা আৰু ডিমুৰীয়া ৰজাৰ পৰা কিছু সেনাৰ সাহায্য পাই আৰু কিছুমান হিন্দুস্থানী সেনাক শিক্ষা দি দুন্দুমীয়া বিদ্ৰোহ দমন কৰি উত্তৰ গুৱাহাটীৰ জুৰিয়া পাহাৰৰ ওচৰত নৌ যুদ্ধত নিয়ামৎউল্লা চুবাদাৰ, বাপুচিং আৰু আলোচিং জামাদাৰক ঘটুৱাই যুদ্ধত জয়ী হৈ ৰজাৰ পৰা "প্ৰতাপবল্লভ" নাম পায়। এই সময়তে

এটা বেপেকুৱা বঙালৰ দলে গুৱাহাটী অঞ্চলত বৰ প্ৰতিপত্তি বিস্তাৰ কৰিছিল। সিহঁতক “নঙঠা বঙাল” বুলিছিল; বৰফুকনে সিহঁতক ধৰাই আনি ৰাজ্যৰ বাহিৰ কৰি দিছিল। মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সজ পৰামৰ্শত ৰাজ্যত মোৱামৰীয়া বিদ্ৰোহ আদি দমন হৈ ৰাজ্যলৈ শান্তি ঘূৰি আহিল। গুৱাহাটী অঞ্চলতো তেনেকৈ কলিয়া ভোমোৰা বৰফুকনৰ প্ৰতাপত সকলো বিদ্ৰোহ দমন হৈ ৰাজ্যত শান্তি ঘূৰি আহিল। যেতিয়া ইং ১৮১০ চনত চন্দ্ৰকান্ত সিংহ নাবালক-অৱস্থাত সিংহাসনত উঠিলে আৰু তেওঁ ৰাজ্য শাসন কৰিবলৈ অপাৰগ হ’ল, ৰাজ্য বিশৃঙ্খললৈ অহাৰ আশঙ্কা কৰি গুৱাহাটীৰ বৰফুকনে ৰাজ্যখন ইংৰাজৰ তলতীয়া কৰি চলাবলৈ পৰামৰ্শ আগবঢ়ালে; কিন্তু বুঢ়াগোহাঁই আদি পাত্ৰ-মন্ত্ৰী এই কথাত অমান্তি হ’ল। এনে সময়তে নতুনকৈ বদনচন্দ্ৰ বৰফুকন হ’ল। এওঁ আৰু এওঁৰ পুত্ৰ-বিলাকে প্ৰজাক অত্যাচাৰ কৰিবলৈ ধৰিলে। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে এওঁক বন্দী কৰিবলৈ মানুহ পঠিওৱাত এওঁ কলিকতালৈ পলাই গ’ল। কলিকতাত কোম্পানীৰ গৱৰ্ণৰ জেনেৰেলৰ কাষ চাপি অসম লবলৈ উদগালে, কিন্তু গৱৰ্ণৰ জেনেৰেল মান্তি নোহোৱাত কলিকতাত থকা ব্ৰহ্মদেশৰ এজেণ্টৰ লগত মান দেশ পালেগৈ। মান ৰজাই অসমৰ অৱস্থা শুনি ইং ১৮১৬ চনত আঠ হেজাৰ সেনাৰ এটা ফৌজ পঠিয়ালে। এওঁলোকে ৰাজধানী দখল কৰিলেহি। এনেতে ৰুচিনাথ বুঢ়াগোহাঁই হ’ল; কিন্তু এওঁ মানক খেদিব নোৱাৰিলে। বদন পুনৰ বৰফুকন হৈ ৰাজ্যত অত্যাচাৰ কৰাত ৰাজমাৱে ৰূপসিঙৰ হতুৱাই গুৱাহাটীতে গুপ্তভাবে বধ কৰায়। তাৰ পিচত ১৮১৯ চনত আলামিঙ্গিৰ তলত এটা ডাঙৰ মানৰ ফৌজ আহি ২য় বাৰ অসম আক্ৰমণ কৰে। মানৰ হাতত হাৰি পাত্ৰ-মন্ত্ৰীসকল গুৱাহাটী পায়হি। গুৱাহাটীলৈকে মানসেনা আগবাঢ়ি আহি গুৱাহাটী দখল কৰাত ৰজা পুৰন্দৰ সিংহ আদি ইংৰাজৰ ৰাজ্য সোমালগৈ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা সাহায্য নাপাই অতি চেষ্টা কৰি কিছুমান সৈন্য গোটাই গুৱাহাটী উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিলে। মান সেনাপতি দেশলৈ গই ৰজাক অসমৰ অৱস্থা কোৱাত তৃতীয়বাৰ অসংখ্য মান সেনাৰ সৈতে সেনাপতি মিঙ্গিমাহা তিলোৱাক অসম জয় কৰিবলৈ পঠিয়ালে। চন্দ্ৰকান্তসিংহ গুৱাহাটীলৈ পলাল। গুৱাহাটীত সেই সময়ত লান মাথৰুৰ লম্বোদৰ বৰফুকন আছিল। মিঙ্গি-মাহা তিলোৱাৰ লগত বন্দুলা লগ লাগি সেনা-বিলাকক তিনিভাগ কৰি পানীয়ে মাটিয়ে পঠিয়াই দিলে। সিহঁতে লুটপাত কৰি ঘৰ জ্বলাই, মানুহ মাৰি প্ৰজাৰ পানীত হাঁহ নচৰা অৱস্থা কৰিলে। গুৱাহাটী অঞ্চলতো মানুহৰ বিলৈ-বিপত্তি নোহোৱা হৈ যেয়ে যিফালে পাৰে পৰ্ব্বতে-কন্দৰে পলাই যাব ধৰিলে। মান সেনা গই ইংৰাজৰ ৰাজ্যত সোমোৱাত ডেভিদ স্কট চাহাবে ইহঁতক ঘটুৱাই খেদি নি গুৱাহাটী পাৰ কৰি কলিয়াবৰ ললেগৈ।

শেষৰবাৰ মানৰ আক্ৰমণতেই গুৱাহাটী উত্তৰ গুৱাহাটীত বাস কৰা লোকসকল পলাই কোন ক’লৈ গ’ল ঠিক নোহোৱা হ’ল; কিছুমানৰ অপমৃত্যু হল আৰু কিছুমানক মানে মাৰিলে। দুয়োখন ঠায়েই জনশূন্য হৈ পৰিল। ইংৰাজ অহাৰ লগে লগেহে ওচৰ পাজৰত থকা লোকসকল ঘূৰি আহিল। মানে কাঠৰ গড়াল সাজি লৰা তিৰোতা সকলোকে সুমুৱাই জুই লগায়ো মাৰিছিল। এনে অমানুষিক অত্যাচাৰ বোধকৰো পৃথিবীত বৰ কমহে হৈছে।

আগৰ জনবহুল গুৱাহাটীত মানুহ নিচেই কম হৈছিলগৈ। ইংৰাজ বিষয়া গুৱাহাটীত থিতাপি লগাৰ লগে লগেহে বিষয়া, বনুৱা আদি আহি



ক্ৰমান্বয়ে জন্ম সংখ্যা বাঢ়িব ধৰিলে। পুৰণি ভদ্ৰবংশীয় লোক যি কেইঘৰ সেই সময়ত গুৱাহাটীত বস-বাস কৰি আছিল তেওঁলোকৰ কেঘৰমানো গোৰা চিপাহীৰ ভয়ত উত্তৰ গুৱাহাটী আদি ঠাইলৈ আঁতৰি গৈছিলগৈ। অৱশ্যে উজান বজাৰত ২।৩ ঘৰ মান, ভৰলুমুখত ২।৩ ঘৰ মান ভদ্ৰলোক আৰু মাছখোৱাত ২।৩ ঘৰ ভদ্ৰবংশীয় মুচলমানলোক গুৱাহাটীৰ পৰা আঁতৰা নাছিল। ইংৰাজে গুৱাহাটী অঞ্চলত বেচি গোৰা চিপাহীহে ৰাখিছিল, দেশীয় চিপাহী অলপহে ৰাখিছিল। পিচত বেপাৰ-বাণিজ্য, চাকৰি বাকৰি আদিৰ গইনা লৈ দেশী-বিদেশী বহুলোক আহি গুৱাহাটী ভৰি পৰিলহি

তেনেকৈয়ে উত্তৰ গুৱাহাটী অঞ্চলতো আগৰ বস-বাসকৰা লোকসকল, মান ভগনত পলাই অহা লোকসকল আৰু গুৱাহাটীৰ পৰা আহি বাস কৰা লোকসকলেৰে ক্ৰমান্বয়ে লোক সংখ্যা বাঢ়িবলৈ ধৰিলে। মান ভগনৰ পিচত ন-গোঁসাই আদি কেবাঘৰো লোক যেতিয়া নৈৰ কাষত বহিলহি, সেই সময়তে পুৰণি নৈৰ কাণত গড় কাটি, খাৱৈ পুতি ঘৰ-বাৰী পাতি ল’লে। কানাই বৰশী বোৱা কোঠৰ ওচৰত গুৱাহাটীৰ পৰা আহি জীৱধৰ বৰকাকতী, গঙ্গাধৰ বৰকাকতী, মজিন্দাৰৰ অধৰ বৰকাকতী, মিহিৰাম ভৰালী-বৰুৱা আদিয়ে খাল-বাম সমান কৰি ঘৰ-বাৰী কৰিলে। ক্ৰমান্বয়ে মানুহ বহি মহাৰাজ কুমাৰ ভাস্কৰবৰ্ম্মাৰ ৰাজতোলৰ গড়খাৱৈ কাটি প্ৰায় নোহোৱা কৰিলে। ভাটী অঞ্চলত দিহিং সত্ৰাধিকাৰ ৺শ্ৰীশ্ৰীবল্লভচন্দ্ৰদেৱ থিতাপি লাগিলহি। শিলশাকো অভয়পুৰ অঞ্চলতো পৰীক্ষিত নাৰায়ণ ৰজাৰ গড় কাটি খাৱৈ পুতি দুৰ্গাভৰণ মজিন্দাৰৰ ঘৰ, বেজদলৈ ভণ্ডাৰি বৰুৱাৰ ঘৰৰ মনুৰাম, তামূলীৰ ঘৰ, ভৰালীৰ ঘৰ আদি বহিলহি। মাজ উত্তৰ গুৱাহাটীত মহাৰাজ ৰুদ্ৰসিংহদেৱৰ বাহৰৰ কাষত সোনামুৱা মজিন্দাৰৰ ঘৰ, নিতাই চাংকাকতীৰ ঘৰ, ৰুদ্ৰখৰি বৰদলৈৰ ঘৰ, উজিৰ বৰদলৈৰ ঘৰে ঘৰ-বাৰী পাতিলেহি। তেনেকৈ মাজগাওঁ অঞ্চলত পানীফুকন, কৈৱৰ্ত্তৰ হাজৰীকা, বৰা আদিয়ে ঘৰ সাজি ৰ’ল। পিচত বহুত মানুহ আহিবলৈ ধৰিলে।

ইং ১৮২৪ চনৰ পৰা ক্ৰমান্বয়ে মানুহ উভতি আহিবলৈ ধৰিলে। ইংৰাজে মানক খেদি ১৯২২ চনতে গুৱাহাটীত ডেভিদ স্কট চাহাবক প্ৰথম কমিচনাৰ নিযুক্ত কৰে। ১ ২৪ চনত মিঃ হোৱাইটক কলেক্টৰ নিয়োগ কৰে; তাৰ পিচত আৰ্চিবল্ড বগল চাহাবক কলেক্টৰ নিয়োগ কৰে। ১৮৩৭ চনত লেঃ কৰ্ণেল মেথি চাহাবক কলেক্টৰ কৰে। সেই সময়তে লেঃ কৰ্ণেল ফ্ৰেন্‌চিচ্‌ জেনকিন্স্‌ কমিচনাৰ আছিল। সেই সময়তে গুৱাহাটীত মিউনিচিপেলিটি হয়। মিউনিচিপেলিটি হোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰৰ অলপ আঁতৰত থকা গড় কাটি দীঘলী পুখুৰীতে লগা বৰ্ত্তমান উজান বজাৰৰ খেলপথাৰ, হাইকৰ্ট বহা ঠাইত পথালিকৈ যি পুখুৰী আছিল পুতি পেলায়। সেই সময়তেই গুৱাহাটীৰ “ষ্ট্ৰেণ্ড ৰ’দ”টো বান্ধে। ১৮৪২ চনত লেঃ এইচ্‌ বিগি চাহাব কলেক্টৰ হয়। ১৮৩২ চনত পুৰন্দৰসিংহ ৰজাই উজনী অসমখণ্ড লালবন্দী হিচাবে ইংৰাজৰ পৰা গ্ৰহণ কৰে। সেই সময়ত গুৱাহাটীত বৰফুকনৰ বংশৰ বাপুৰাম বৰফুকন আছিল। সেই সময়তে উত্তৰ গুৱাহাটীত পানীফুকনৰ বংশৰ সত্যবাদী পানীফুকন বাস কৰিছিল। দেৱদত্ত বৰদলৈ আৰু দেওবৰ বৰদলৈক গুৱাহাটীত সদৰামিন পদ দিয়ে। ভৰলুৰ পাৰৰ সত্ৰত আউনী-আটী সত্ৰাধিকাৰ ৺শ্ৰীকুশদেৱ গোস্বামী আছিল। ১৮৩৮ চনত পোন প্ৰথমে গুৱাহাটীলৈ জাহাজ চলাচল

কৰে। ১৮৪৫ চনত অসমত এটা বৰ ভূঁইকঁপ হৈ গুৱাহাটীৰ উমানন্দ, কামাখ্যা, ৰুদ্ৰেশ্বৰ, শুক্ৰেশ্বৰ দেৱালয়ৰ মঠ ভাঙ্গে। ১৮৪৪ চনত গুৱাহাটী অঞ্চলত ভদ্ৰলোকৰ ঘৰে ঘৰে থকা গোলাম-বান্দী খালাচ পায়। এই সময়তেই গুৱাহাটীত পকীকৈ খ্ৰীষ্টানসকলৰ গীৰ্জ্জা-সাজে। ১৮৫৩ চনত মিঃ মিল্‌ছ জজ চাহাব, মহেশচন্দ্ৰ বৰুৱা ডেপুটী কলেক্টৰ, দেৱৰৰ বৰদলৈ প্ৰধান সদৰামিন আৰু মৌঃ কৈফয়ৎউল্লা সদৰামিন ( এওঁক আলা সদৰামিনো বুলিছিল ) হয়। ১৮৫৬ চনত উত্তৰ গুৱাহাটীক গুৱাহাটী পৌৰ সভাৰ ( মিউনিচিপেলিটি ) অন্তৰ্ভুক্ত কৰে। ১৮৫৩ চনত মিঃ মিল আৰু বৌলত চাহাবৰ দিনতে মাটিৰ খাজনাৰ এটা নিৰ্দ্ধাৰণ কৰি দিয়ে। সেই সময়ত হৰকান্ত বৰুৱা চিৰস্তাদাৰ আছিল। ১৮৫৪ চনত উজনীৰ মনিৰাম দেৱানে কন্দৰ্পেশ্বৰ ৰজাক "মলুক" লালবন্দী কৰাই দিম বুলি ঘনকান্ত যুৱৰাজৰ ঘৰত আছিলহি। ১৮৫১ চনত মিথি চাহাব জুডীচিয়েল কমিচনাৰ হয়। এওঁৰ দিনতে মিঃ বৌলত ডেপুটী কমিচনাৰে দেৱোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্ম্মোত্তৰ মাটিৰ বন্দৱস্ত বেলেগ কৰিলে। ১৮৫৬ চনত মনিৰাম দেৱান গুৱাহাটীত থাকি কলিকতালৈ যায়। ১৮৫৭ চনত চিপাহী বিদ্ৰোহ হয়। সেই সময়ত গুৱাহাটীত প্ৰত্যেক চাহাবে বন্দুক লৈ পহৰা দিছিল আৰু তেওঁলোকৰ লগে লগে মৌঃ কৈফায়ৎউল্লা সদৰামীন আৰু লাল-মুন্সীয়েও বন্দুক লৈ পহৰা দিব লগাত পৰিছিল। মঃ এলাহী বক্সেই সেই সময়ত গুৱাহাটীত ডাক্তৰ হিচাবে আছিল। আহোম ৰজা ঘনকান্তদেৱৰ পুতেক কেশৱকান্তক সেই সময়তে যুৱৰাজ পাতিছিল; আৰু ৰাণী পদ্মৰেখাক পেন্সন দিছিল। তেওঁলোকে গুৱাহাটীতে বসবাস কৰিছিল। গৰ্গৰাম বৰুৱা সদৰামীন সেই সময়তেই গুৱাহাটীৰ কাছাৰীত কাম কৰিছিল। ১৮৬০ চনত মিঃ লয়দ চাহাবে গুৱাহাটীত ডেপুটী কমিচনাৰৰ ভাৰ লয়। ১৮৬১ চনত উত্তৰ গুৱাহাটীত থকা বুৰঞ্জীবিদ হৰকান্ত বৰুৱা ডেপুটী কলেক্টৰ হয়। ১৮৬২ চনৰ ২২ জুলাইত বঙ্গদেশৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰ অসমলৈ আহি জাহাজৰ ওপৰতে দৰবাৰ পাতে। সেই দৰবাৰত কেশৱকান্ত যুৱৰাজ, খগেশ্বৰ চাৰিংৰজা, যোগেশ্বৰ ন-গোসাঁই, কালীচৰণ ন্যায়ৰত্ন পৰ্ব্বতীয়া গোসাঁই, ডিহিঙৰ নিত্যশোভন চন্দ্ৰ গোসাঁই, বলোৰাম ফুকন আদিয়ে যোগদান কৰে। ইং ১৮৬৫ চনত মিঃ লয়দ ডেপুটী কমিচনাৰৰ দিনত ভোটৰ যুদ্ধ আৰম্ভ হয়। উত্তৰ গুৱাহাটীত এটা চাউনী পাতি গোৰা সৈন্যবিলাক ৰাখে। সেই ঠাইডোখৰক "গেৰাজ" বোলে। ১৮৭০ চনত মিঃ লেম্‌চাহাব ডেপুটী কমিচনাৰ হয়। ১৮৭৪ চনৰ ১৩ ফেব্ৰুৱাৰীত লৰ্ড নৰ্থব্ৰুক গৱৰ্ণৰ জেনেৰেল গুৱাহাটীলৈ আহে আৰু তেওঁক সম্বৰ্দ্ধনা জনাবলৈ শুক্ৰেশ্বৰত নৰ্থব্ৰুক গেট সজায়। ইং ১৮৭৫ চনত গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটীলৈ অহাযোৱা কৰিবলৈ এখন সৰু জাহাজ ব্ৰহ্মপুত্ৰ নদৰ ওপৰেদি চলে। ইং ১৮৭৬ চনত জুডিছিয়েল কমিচনাৰৰ পদ উঠি কমিচনাৰ আৰু জজৰ দুটা পদ হয়। প্ৰথম জজ মিঃ ওৱাইট চাহাবক নিযুক্ত কৰে।

ইং ১৮৮১ চনৰ চাৰ্কুলাৰ মতে টকাত এক অনা হিচাবে কামৰূপ জিলাত 'লোকেল ৰেট' বহুৱায়। ১৮৮২ চনত মিঃ কেম্বল চাহাব ডেপুটী কমিচনাৰ হৈ গুৱাহাটীতে থাকে। সেই সময়তে গুৱাহাটীৰ কাছাৰী ঘৰ ভঙাই কোঠা কোঠা কৰে। তেতিয়া ৺জীৱনৰাম ফুকন ভৰলুমুখত আৰু ৺ভুবনেশ্বৰ নাও-বৈচাফুকন সেই অঞ্চলতে আছিল। ১৮৮৩ চনত উত্তৰ গুৱাহাটী অঞ্চলত তহচীলদাৰ ৺ডম্বৰুধৰ বৰকাকতী গুৱাহাটী মিউনিচিপেলিটিৰ মেম্বৰ হয়; আৰু ডেপুটী কমিচনাৰ কেম্বল চাহাবে উত্তৰ গুৱাহাটীত পাহাৰৰ ওপৰত ব্ৰহ্মপুত্ৰৰ দাঁতিত এটা ডাঙৰ "ইন্সপেক্‌চন্ বঙলা" সজায়। সেই দিনত গুৱাহাটীত ডাঃ কৰিমবক্সেই নামজ্বলা ডাক্তৰ আছিল। ১৮৮৬ চনত হৰকান্ত বৰুৱা সদৰামিন উত্তৰ গুৱাহাটী অঞ্চলৰ নিমিত্তে গুৱাহাটী "মিউনিচি-পেলিটিৰ" মেম্বৰ হয়। ইং ১৮৮৭ চনত মিঃ ৱাৰ্ড চাহাবক জজ আৰু মিঃ ডন্‌চন্ চাহাবক ডেপুটী কমিচনাৰ পাতে। সেই সময়ত কন্দৰ্পেশ্বৰ ৰজা গুৱাহাটীত আছিল। উত্তৰ গুৱাহাটীত তেতিয়া ৺শ্ৰীজগৎচন্দ্ৰ গোঁসাই, দিহিঙৰ গোসাঁয়ে সত্ৰ পাতি মাজগাওঁ অঞ্চলত বৈছিলহি। এই চনতে মহাৰাণী ভিক্টোৰীয়াৰ জুবিলী পাতি বৰ ধুম-ধাম কৰে। গুৱাহাটীৰ পানীকল বহুৱাই সেই চনৰ পৰাই মানুহক পানী যোগান ধৰে। ইং ১৮৯০ চনত মিঃ এড্‌ৱাৰ্ড গেইট চাহাব ডেপুটী কমিচনাৰ হয়; আৰু গেইটে বুৰঞ্জীৰ আহিলা যোগাৰ কৰি লয়। ১৮৯৭ চনৰ ১২ জুনত অসমত এটা ডাঙৰ ভূঁইকঁপ হৈ অশ্বক্লান্ত মণিকৰ্ণেশ্বৰ আদি দেৱালয় ধ্বংস কৰে। ১৮৯৯ চনত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্জ্জন অসম পৰ্য্যটনলৈ আহি গুৱাহাটীত বৈছিলহি। ১৯০০ চনত ভাৰত-সম্ৰাজ্ঞী মহাৰাণী ভিক্টোৰীয়াই ৬০ বছৰ ৰাজপাট ভোগ কৰি স্বৰ্গী হয়; আৰু সেই চনতেই ইংলণ্ডত সপ্তম এড্‌ৱাৰ্ড ভাৰত-সম্ৰাট হয়। সম্ৰাটৰ সিংহাসনত আৰোহণৰ নিমিত্তে গুৱাহাটীত ডাঙৰ উৎসৱ পাতে।*

* অসম সাহিত্য সভাৰ উনবিংশ অধিবেশনৰ বুৰঞ্জী শাখাত পঠিত।—লেখক।



# অসমীয়া ভাষাৰ বোৰঁতী সুঁতি

পূৰ্ব্বানুবৃত্তি

শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

## অসমীয়া ভাষাৰ বৈশিষ্ট্য

সৰ্ব্বভাৰতীয় দৃষ্টি কোণেৰে অসমীয়া ভাষাৰ কথিত ৰূপ আৰু কিছু পৰিমাণে লিখিত নিদৰ্শনত পৰিলক্ষিত তলত দিয়া বৈশিষ্ট্যকেইটা আমি সম্প্ৰতিকৈ থুপাই দাঙি ধৰিলোঁ:—

ধ্বনিগত-বিশেষত্ব (Phonetic Peculiarities)—

(১) অসমীয়া ভাষাৰ গুৱাহাটী নগৰৰ বা উপ-কণ্ঠৰ থলুৱা মাত কথাকে আলোচ্য নিদৰ্শনৰূপে ধৰিলে দেখা যাব যে সংস্কৃত আৰু হিন্দী ভাষাগত উচ্চাৰণৰ তুলনাত অসমীয়া উচ্চাৰণৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত ভালেখিনি তাৰতম্য ঘটিছে। অসমীয়া ভাষাত হ্ৰস্ব আৰু দীৰ্ঘ-ধ্বনিৰ পাৰ্থক্য ক্ৰমে কমি আহিছে আৰু ই শ্বাসাঘাতৰ (Stress) অধীন হৈ পৰিছে। সংস্কৃতৰ আহিৰে নদী, বাহিনী, স্বয়ম্ভূ, উষা দীঘ-স্বৰ দি লিখিলেও অসমীয়া কথিত ৰূপত দীৰ্ঘত্ব আঁতৰি হ্ৰস্ব-ধ্বনিৰ ব্যৱহাৰ হৈছে। সেই বুলি অসমীয়া কাথত ভাষাত হ্ৰস্ব আৰু দীৰ্ঘ ধ্বনিৰ পাৰ্থক্য

কোনো কোনো ক্ষেত্ৰত বেছ স্পষ্ট :—গভীৰতা বুজাবলৈ ব্যৱহৃত দ শব্দটোত যি অ-ধ্বনি আছে, ই হ্ৰস্ব নহয় দীৰ্ঘ হে। আকৌ 'তই গছৰ পৰা ফল পাৰ', 'তই এতিয়া যাব পাৰ'—এই বাক্য দুটাৰ পাৰ শব্দটো (ক্ৰিয়া) :- প্ৰথম বাক্যত অ-হ্ৰস্বধ্বনিৰে, কিন্তু দ্বিতীয় বাক্যত অ—দীৰ্ঘ-ধ্বনিৰে উচ্চাৰিত হয়। শব্দ দুটাৰ অৰ্থৰো বিভেদ আছে। এই স্বৰধ্বনি অসমীয়াৰ এটি বিশেষত্ব।

(২) স্বৰধ্বনিৰ সম্পৰ্কত কিছুমান ভাষাতাত্ত্বিক বৈচিত্ৰ্য ঘটিছে। এইবোৰৰ সংজ্ঞা উনুকিওৱাৰ বাহিৰে উদাহৰণ দিয়া চুটি পৰিসৰত অসম্ভৱ :—স্বৰসঙ্গতি, স্বৰাগম, অপিনিহিতি, অভিশ্ৰুতি আদি তাত্ত্বিক-ধ্বনি-বিচিত্ৰতাৰ মূলতে হৈছে অসমীয়া মানুহৰ জিভাৰ অলসতা, ভৌগোলিক আৰু নৃতাত্ত্বিক কাৰণৰ কিবা এক আনুপাতিক সমাহাৰ। ডঃ বাণীকান্ত কাকতিয়ে কিছুমান নামনিৰ উপভাষাগত নিদৰ্শন দি আৰ্য্য ভিন্ন জাতি-উপজাতিৰ সম্ভাৱিত প্ৰভাৱ তেওঁৰ মৌলিক গ্ৰন্থৰ শেষ আধ্যাত সন্নিবেশ কৰিছে। ঐ, ঔ-ধ্বনি নামনি অসমৰ উপভাষাত এ, ও-ধ্বনিত পৰিণত হৈছে। তদুপৰি আপনিহিতিয়ে গুৱাহাটী অঞ্চলৰ কথিত ৰূপত ক্ৰমশঃ সংস্কৃত-হিন্দীৰ তুলনাত অভিনৱত্বৰ সৃষ্টি কৰিছে।

(সংস্কৃত) **হালবাহক** >(লিখিত অসমীয়া) **হালুৱৈ** > কথিত অসমীয়া (নামনিত) **হালুৱে** > (কথিত কামৰূপী উপভাষা) **হাউলে**।

এনেদৰে মাছুৱৈ, ঘাটুৱৈ, টকৌপাত, হলৌবান্দৰ আদি শব্দৰ ক্ষেত্ৰত ধ্বনি-পৰিবৰ্ত্তনৰ বিচিত্ৰতা লক্ষ্য কৰিব পাৰি। সংস্কৃত পৰিবেশী হিন্দীভাষীয়ে ওপৰত উনুকিওৱা শব্দবোৰৰ মূলতঃ সংস্কৃতগন্ধী যেন পালেও কোনোপধ্যে উপলব্ধি কৰিবলৈ টান পাব। আনবোৰ ধ্বনি প্ৰক্ৰিয়াৰ উদাহৰণ ভাষাতত্ত্বৰ পুথিত বহলাই দিয়া আছে।

(৩) নামনিৰ অসমীয়া ভাষাত শ্বাসাঘাত (Stress) প্ৰথম অক্ষৰতে পৰে; বঙলা ভাষাৰ লগত অৱশ্যে এই বিষয়ত সামান্য প্ৰভেদ কাকতিদেৱে দেখুৱাইছে। কোচবিহাৰ, জলপাইগুৰি, ভাটী ৰংপুৰ, গোৱালপাৰা, কামৰূপ আৰু দৰং জিলাৰ পশ্চিমফাল কমতামণ্ডল কোচৰাজ্যৰূপে বহুকাল একে ৰাজনৈতিক, অৰ্থ নৈতিক, সামাজিক-সাংস্কৃতিক পৰিবেশত থকা কাৰণেও এনে আদি-আক্ষৰিক শ্বাসাঘাত সম্ভৱপৰ। তদুপৰি বড়ো-কছাৰী ৰাজন্যবৰ্গ আৰু ৰাইজৰ গভীৰ-ভাৱে প্ৰভাৱ তথা বসবাস এনে শ্বাসাঘাতৰ হেতু হ'ব পাৰে। উজনি অসমৰ কথিত ভাষা আৰু অসমীয়া লিখিত ভাষাত সংস্কৃত অনুকূলে শেষৰ আগৰ অক্ষৰত (Penultimate) শ্বাসাঘাত পৰে। শ্বাসাঘাত আৰু স্বৰধ্বনিৰ বৈশিষ্ট্যই বহুতো অসমীয়া শব্দ, প্ৰকাশভঙ্গী সংস্কৃতজ্ঞ আৰু হিন্দী-ভাষীৰ দুৰ্ব্বোধ্য কৰি তোলে।

(৪) ব্যঞ্জন-ধ্বনিৰ ক্ষেত্ৰত লক্ষ্য কৰিবলগীয়া যে অসমীয়া উচ্চাৰণত তালব্য ধ্বনি নাই, মূৰ্দ্ধণ্য ধ্বনিও নাই; দন্ত্যস্পৰ্শী আৰু দন্তীমূলীয় পৰিধিতে বেছি ভাগ ধ্বনি উচ্চাৰিত হয়। বৰ্ণমালাও সংস্কৃত আহিৰে লিখা হয় যদিও তালব্য চবৰ্গ, মূৰ্দ্ধণ্য ট-বৰ্গ, শ,ষ প্ৰমুখ্যে বৰ্ণব্যঞ্জিত ধ্বনি অসমীয়াত নাই। দন্ত্য-ধ্বনিবোৰ সংস্কৃত হিন্দীৰ সমপৰ্য্যায়ৰ নহৈ উৰ্দ্ধদন্ত্য তথা দন্ত্যমূলীয় হৈ পৰে। চ (ছ), জ বৰ্ণচিহ্নিত ধ্বনি অসমীয়া ঘৰ্ষিত দন্ত্যমূলীয় আৰু স, ষ, শ চিহ্নিত ধ্বনি কণ্ঠ্যমূলীয় ঘৰ্ষিত ধ্বনিৰূপে প্ৰকাশিত হয়। চীন-তিব্বতীয় ভাষাৰ প্ৰভাৱৰ কাৰণে স, ষ, শ-ৰ বিশিষ্ট ধ্বনি অসমীয়াত বিকাশত হৈ আছে বুলি ভবাৰ কাৰণ ক্ৰমে গাঢ় হৈছে (চীনৰ চিঠিঃ ভাষা-বিভ্ৰাট,—হেমাঙ্গ বিশ্বাস)। যুক্ত ব্যঞ্জনধ্বনি পৰাপক্ষত অসমীয়া কথিত ভাষাত বিযুক্তৰূপে উচ্চাৰিত হয়; মাজতে স্বৰভক্তিয়ে যুক্তধ্বনি নাইকিয়া কৰে। চমুকৈ এইখিনি ব্যঞ্জন ধ্বনিৰ বৈশিষ্ট্যহে উনুকিওৱা হ'ল।



**ৰূপগত বিশেষত্ব (Morphological peculiarties):**

(৫) অসমীয়া ভাষাৰ ৰূপগত তথা গঠনমূলক বিষয়ত অসমৰ আৰ্য্য ভিন্ন ভাষা-উপভাষাই প্ৰভাৱ বিস্তাৰ কৰিছে। নিৰ্দ্দেশাত্মক অনুসৰ্গ (-টা,-জনা, -জনী,-খন,-ডাল ইত্যাদি) সংস্কৃত, হিন্দী ৰূপতত্ত্বৰ (morphology.) অনুকূল নহয় বুলিবই পাৰি। তদুপৰি সম্বন্ধবাচক বিশেষ্যৰ পিচত ব্যক্তিবোধক অনুসৰ্গৰ ব্যৱহাৰো জনজাতীয় বা উপজাতীয় প্ৰভাৱ (মোৰ **বোপাই**, তোৰ **বাপেৰ**, তেওঁৰ **বাপেক**) বুলি ডাঃ কাকতিয়ে ঠাৱৰইছে। ডাঙৰ, সৰু বুজোৱা বড়ো ভাষাৰ—মা, চা (—বিমা,-ফিচা) প্ৰত্যয় অসমীয়াত ব্যৱহাৰ কৰা হৈছে। যেনে, **লুধুমা**, **লেধেমা**, **ধেপচা**, **কালচা** ইত্যাদি। কৃৎ, তদ্ধিত প্ৰত্যয়ৰ বিচাৰ বিশ্লেষণ কৰিলেও দুই-চাৰিটা কিয় একুৰিৰ ওচৰা-উচৰি সংস্কৃত-হিন্দীৰ পৰা একেবাৰে পৃথক থলুৱা দৃষ্টান্ত ওলাব।

## বাক্যৰীতিৰ বিশেষত্ব

(৬) অসমীয়া বাক্যৰীতি চৌপাশে আৱৰি থকা গাৰো, বড়ো, মিৰি (মিছিং) আদি বহুতো জনজাতীয় ভাষাৰ বাক্যৰীতিৰ লগত শব্দসঙ্গতি অনুসাৰে মিলি যায়। এণ্ডাৰছন চাহাবে "কছাৰী ফকটেল্‌ছ এণ্ড ৰাইম্‌ছ" নামৰ পুস্তিকা এখনৰ পাতনিত অভিমত দিছে যে বড়ো আৰু অসমীয়া বাক্যৰীতিৰ মিল দেখি তেওঁ তবধ মানিছে। অৱশ্যে সংস্কৃত আৰু হিন্দী বাক্যৰীতিৰ লগতো অসমীয়া বাক্যৰীতিৰ মোটা-মুটি মিল আছে। কিন্তু অসমীয়া সাৰ্থিক প্ৰত্যয়ৰ (-দে,-হবলা,-চোন,-না) ব্যৱহাৰে বাক্য-ৰীতিত জনজাতীয় ৰহণহে বেছি সানি দিছে।

(৭) বাক্যৰ ক্ষেত্ৰত একোটা বিশিষ্ট ঠাঁচ লক্ষ্য কৰা যায়। অ'মোৰ সুৰীয়া মাত, অসমৰ সুৱদী মাত বোলা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ বাণী সুঁৱৰি আমি মাথোন কওঁ যে অসমৰ বেছিভাগ তিব্বত-বৰ্ম্মী ভাষাই স্বৰাঘাত (pitch) প্ৰধান বা সুৰধৰ্ম্মী (tonal) হোৱা গতিকে অসমীয়া মাত-কথা, বিশেষকৈ বাক্যাৱলীত সুৰধৰ্ম্মিতাৰ বেশ বৈ যাব পাৰে।

## শব্দসম্ভাৰৰ বৈশিষ্ট্য :—

(৮) অসমীয়া শব্দসম্ভাৰত তৎসম শব্দৰ প্ৰয়োগ আছে, সাধাৰণ কথাবতৰাত তৎসমৰ প্ৰাচুৰ্য্য নাই। লিখিত অসমীয়াত নাইবা সংস্কৃতজ্ঞ পণ্ডিতৰ বচনত তৎসম শব্দই বৰপীৰা পাৰি বহিলেও তদ্ভৱ শব্দৰ প্ৰাধান্য সৰ্ব্বজন স্বীকৃত। দেশী শব্দমালাৰ বৰঙণিয়ে শব্দ সম্ভাৰত বৈশিষ্ট্য আনিছে। অসমীয়া সাধাৰণ শব্দ-ভাণ্ডাৰ, ঠাইৰ নাম, নদীৰ নাম, আনকি ব্যক্তিৰ নামত অষ্ট্ৰিক (খাছিয়া, কোল-মুণ্ডা, মালয়ী), চীন-তিব্বতীয় (বড়ো, গাৰো, নগা, মিকিৰ প্ৰমুখ্যে), থাই-শ্যামী (আহোম, টাই) প্ৰভাৱ পৰিছে। ডঃ বাণীকান্ত কাকতি আৰু ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ ইংৰাজী গ্ৰন্থ, প্ৰবন্ধ আৰু অসমীয়া ভাষা, সংস্কৃতি, ধৰ্ম্ম বিষয়ক কেবাখনো পুথিত শব্দসম্ভাৰৰ বহল আলোচনা আছে।

## অসমীয়া ভাষাৰ গ্ৰহণশীলতা

অসমীয়া ভাষাই নিত্য নতুন বসন-ভূষণ পিন্ধি যুগে যুগে শ্ৰীবৃদ্ধি সাধন কৰিছে। অসমখন ঘাইকৈ কিৰাতৰাজ্য বুলি কিৰাত জন-কৃতি, বাণীকান্ত স্মাৰক বক্তৃতা (১৯৫৪) আদি গ্ৰন্থত ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে অভিমত দিছে। অসমত ভাৰতীয় জন প্ৰৱাহৰ এটি জিলিঙনি পোৱা যায়। অষ্ট্ৰিক, তিব্বত-বৰ্ম্মী, দ্ৰাবিড়ী, শ্যাম-থাই ভাষীলোক অসমত আছে; ইতিহাসৰ বিভিন্ন জনা-নজনা যুগত এওঁলোকে নিজস্ব বৰঙণি ঢালি দি অসমৰ মাটিত তেজ-মঙহৰ

দেহ বিলীন কৰিছে ; ভাৰতীয় আৰ্য্য সংস্কৃতমূলজ অসমীয়া ভাষা পছিমৰ পৰা আহিল যদিও থলুৱা আদিমভাষী লোকসকলৰ মুখত পৰি, ইয়াৰ সৰ্ব্ব ভাৰতীয় বিচাৰ-বিশ্লেষণেৰে চালে, ভালেমান চমকপ্ৰদ বৈশিষ্ট্য গঢ়ি উঠিল। আৰবী-পাৰ্চী, ইংৰাজী, হিন্দী ভাষাই পৰৱৰ্ত্তী যুগত শব্দ সম্ভাৰ দান কৰিলেও ভাষাৰ ঠাঁচ, জতুৱা ভঙ্গী, উচ্চাৰণ আৰু বাক্যৰীতিত আদিম আৰু থলুৱা ভাষা-ভাষীৰ হাড়ে হিমজুৱে লাগি থকা লেও মচিব নোৱাৰি।

অসম ৰাজ্যৰ ভাষা কাৰণে ইয়াৰ নাম অসমীয়া। ইয়াত মূলতে ভাৰতীয় আৰ্য্য অসমীয়া, কিছু পৰিমাণে বঙলা, হিন্দী, গুজৰাটী, মাৰাঠী, তদুপৰি থলুৱা ভাৱে অষ্ট্ৰিক (খাছিয়া-জয়ন্তীয়া, কোল-মুণ্ডা, মালয়ী আদি), চীন-বিব্বতীয় (তিব্বত-বৰ্ম্মী বড়ো, গাৰো, মিকিৰ, মিছিং, নগা আদি), শ্যাম-থাই (আহোম, টাই, খামতি আদি) দ্ৰাবিড়ী (তামিল, তেলেগু, মালায়লম আদি) প্ৰভাৱ বিভিন্ন সময়ত পৰিছে। আজিৰ এই সৰ্দো অসমৰ উমেহতীয়া ভাষাক 'অসমীয়া' (Assamese) নাম দিয়া হৈছে বিশেষ অৰ্থতহে। অসমীয়া ভাষা লুইতৰ দৰে অফুৰন্ত গতিধাৰাৰে বৈ থাকিব ; বড়ো, গাৰো, মিছিং, মিকিৰ নগা আদি নৈ-উপনৈয়ে এই লুইতত বোৱঁতী ধাৰা যোগাই থাকিব ; কোনো নৈ-উপনৈ নিজৰা, শাখানদী শুকাই গলেও লুইতৰ সাগৰ উদ্দেশি গতি ৰুদ্ধ নহয়। প্ৰাগজ্যোতিষী ভাষাৰ গিৰি-উৎসৰ পৰা ওলাই বৈ অহা কামৰূপী ভাষাৰ বোৱঁতী লুইতক অসমীয়া ভাষাৰ নৈ-উপনৈৰ বাঢ়নী পানীৰে ওপচাই ৰাখিব লাগিব।

---

# হিন্দী সাহিত্যৰ সঁফুৰা মেলি

**শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা**

সকলো পদাৰ্থ বা বস্তুৰেই এটা কেন্দ্ৰ বিন্দু আছে। সেই কেন্দ্ৰ-বিন্দুত থিয় হৈ বস্তুটো নাচালে তাৰ স্বৰূপ নিৰ্ণয় অসম্ভৱ। সাহিত্যৰ ক্ষেত্ৰতো একে কথা। সাহিত্যৰো এটা কেন্দ্ৰ-বিন্দু আছে। সেই কেন্দ্ৰ-বিন্দুত থিয় হৈ অনুধাৱন কৰিলেহে সাহিত্যৰ বিশালতা আৰু ব্যাপকতা উপলব্ধি কৰিব পাৰি। ইয়াৰ কাৰণে লাগে দৃষ্টিৰ ব্যাপকতা, সমগ্ৰতা ; আংশিক অথবা খণ্ড-দৃষ্টি লৈ সাহিত্যৰ স্বৰূপ উদ্ঘাটন কৰিবলৈ যোৱাটো অৰণ্য-ৰোদনৰ দৰেই নিষ্ফল। হিন্দী সাহিত্যৰ পৰম্পৰাত বিভিন্ন কলাকাৰে কেনেভাৱে বিভিন্ন অৱদানেৰে সাহিত্য-মাতৃৰ পূজাত পুষ্পাঞ্জলি প্ৰদান কৰি আহিছে আৰু কেনেভাৱে ভাৰত-সংস্কৃতিৰ মুখোজ্জ্বল কৰাৰ লগতে বিশ্ব-সাহিত্য-মন্দিৰৰো একাংশ আলোকপাত কৰিছে তাকে এই প্ৰবন্ধত আলোচনা কৰা হ'ব।

হিন্দী সাহিত্যৰ সৰ্ব্বশ্ৰেষ্ঠ মহাকৱি তুলসীদাসৰ 'ৰামচৰিতমানস', অপৰাজেয় কথা-শিল্পী প্ৰেমচন্দৰ উপন্যাসসমূহ আৰু মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নৰ জ্ঞানগৰ্ভ, তত্ত্বগধুৰ গ্ৰন্থাৱলীতেই উক্ত সাহিত্যৰ সীমা-ৰেখা শেষ হৈছে বুলি যিসকলৰ ধাৰণা, তেওঁ-লোকক আমি কওঁ যে তুলসীদাস, প্ৰেমচন্দ অথবা ৰাহুল সাংকৃত্যায়নতেই 'হিন্দী সাহিত্যৰ সীমা-ৰেখা শেষ হোৱা



নাই। এই যুগদ্ৰষ্টা কলাকাৰকেইজনৰ প্ৰত্যেকেই স্ব স্ব মহিমাৰে উজ্জ্বল, স্ব স্ব দীপ্তিৰে উদ্ভাসিত। হিন্দী সাহিত্যৰ পৰম্পৰাত তেওঁলোকৰ অৱদান স্থায়ী আৰু মৌলিকতাপূৰ্ণ। সাহিত্যৰ জয়-যাত্ৰাত এওঁলোকে অফুৰন্ত পাথেয় দি থৈ গৈছে। এই পাথেয় অফুৰন্তই নহয়, অম্লানো। কিন্তু এওঁলোকৰ বাহিৰেও হিন্দী সাহিত্যত এনে অনেক কলাকাৰ আছে যিসকলৰ নাম আমি বহুতেই শুনা নাই ; যিসকলৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ সন্মুখত আমাৰ মূৰ দোঁ খাই আহে ; যি-সকলৰ সৃজনী-শক্তিয়ে বিশ্ব-সাহিত্যৰ পৰিপুষ্টিতো ৰবঙণি যোগাইছে ; যিসকলৰ অৱদান অবিস্মৰণীয়েই নহয়, অনুকৰণীয়ও।

প্ৰথমেই আমি হিন্দী সমালোচনা সাহিত্যৰ সঁফুৰা মুকলি কৰোঁ। সমালোচনা সাহিত্যৰ এটি অপৰিহাৰ্য্য অঙ্গ। সমালোচনাই সাহিত্যৰ সঠিক মূল্যাঙ্কণ কৰে। সাহিত্যৰ দোষ-ত্ৰুটীবোৰ বিশ্লেষণ কৰি দেখুৱায় ; ভৱিষ্যতৰ সাহিত্য-দ্ৰষ্টাসকলৰ সাহিত্য-চৰ্চ্চাৰ পথ উন্মুক্ত কৰি থৈ যায়। ইয়াতেই সমালোচনাৰ গৌৰৱ, ইয়াতেই সমালোচনাৰ মহত্ত্ব। হিন্দী সমালোচনা সাহিত্যই এনে গৌৰৱ আৰু মহত্ত্বৰ অধিকাৰ বহু পৰিমাণে লাভ কৰিছে। হিন্দী সমালোচনা-সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ গলেই প্ৰথমেই আমাৰ আচাৰ্য্য ৰামচন্দ্ৰ শুক্ললৈ মনত পৰে। শুক্লৰ দৰে গম্ভীৰ সাহিত্য-সমালোচক আৰু প্ৰখৰ দৃষ্টিসম্পন্ন আলোচকৰ আদৰ্শ যি কোনো সাহিত্যৰেই অনুকৰণীয়। সাহিত্যৰ তুলনাত্মক বিখ্যাত গ্ৰন্থ "সাহিত্য-দৰ্শন"ত শচীৰাণী গুৰ্টুৱে মেথিউ আৰ্ণল্ডৰ লগত তুলনা কৰা এই গৰাকী সমালোচকৰ 'চিন্তামণি', 'ৰস মীমাংসা' আদি গ্ৰন্থই আজিও পথ-প্ৰদৰ্শকৰ কাম কৰি আছে। শুক্লৰ পিছতেই আমি শ্যামসুন্দৰ দাসৰ নাম উল্লেখ কৰিব পাৰোঁ। দাসৰ 'ভাষা-বিজ্ঞান', 'ৰূপক-ৰহস্য', 'সাহিত্যালোচন' প্ৰভৃতি গ্ৰন্থত সমালোচকৰ বিশ্লেষণী শক্তি, তীক্ষ্ণ প্ৰতিভা আৰু মৌলিক সংযোজনাৰ অপূৰ্ব্ব সমন্বয় দেখিবলৈ পাওঁ। বিশেষকৈ, 'সাহিত্যালোচন' নামৰ গ্ৰন্থখনত গ্ৰন্থকাৰৰ সাহিত্যতত্ত্ব মৰ্ম্মোদ্ঘাটনৰ ক্ষমতা দেখি বিস্ময় মানিব লাগে। সাহিত্যৰ আলোচনা সম্বন্ধীয় কিতাপ ভাৰতীয় ভাষাত অসংখ্য ওলাইছে ; কিন্তু সাহিত্যৰ সাধাৰণ সংজ্ঞা, উপাদানাদিৰ বিশদ ব্যাখ্যা সম্বলিত গ্ৰন্থ আঙুলিৰ মূৰত লেখিব পাৰি। এই ক্ষেত্ৰত দাসৰ সাহিত্যালোচনে হিন্দী সাহিত্যৰে তথা ভাৰতীয় সাহিত্যৰ এটি ডাঙৰ অভাৱ পূৰণ কৰিছে। হিন্দী সাহিত্যৰ পৰলোকপ্ৰাপ্ত আৰু জীৱিত আন সমালোচকসকলৰ ভিতৰত আমি প্ৰধানতঃ আচাৰ্য্য হজাৰী প্ৰসাদ দ্বিৱেদী, আচাৰ্য্য নন্দদুলাৰে বাজপেয়ী, ডাঃ বাসুদেৱশৰণ অগ্ৰৱাল, ডাঃ নগেন্দ্ৰ, ডাঃ জগন্নাথ প্ৰসাদ শৰ্ম্মা, আচাৰ্য্য সীতাৰাম চতুৰ্ব্বেদী, মহামহোপাধ্যায় উমেশ মিশ্ৰ, মহামহোপাধ্যায় বিষ্ণু মিৰাশী, ডাঃ বিশ্বনাথ প্ৰসাদ শৰ্ম্মা ডাঃ পৰমানন্দ শাস্ত্ৰী, ডাঃ ভৰত সিংহ উপাধ্যায়, ডাঃ ধীৰেন্দ্ৰ বৰ্ম্মা, ডাঃ ভোলা শঙ্কৰ ব্যাস, ডাঃ পীতাম্বৰ দত্ত বড়থাল, ডাঃ পৰশুৰাম চতুৰ্ব্বেদী, আচাৰ্য্য জানকীবল্লভ শাস্ত্ৰী, ডাঃ নলিনী বিলোচন শৰ্ম্মা আদিৰ নাম উল্লেখ কৰিব পাৰোঁ। বিশেষকৈ আচাৰ্য্য দ্বিৱেদী, আচাৰ্য্য চতুৰ্ব্বেদী, ডাঃ অগ্ৰৱাল আদি বিদগ্ধ সমালোচকসকলৰ সমালোচনাৰ গভীৰতা আৰু তীক্ষ্ণতাত কোনো লোকেই বিস্ময় আৰু বিমুগ্ধ নহৈ নোৱাৰে। ডাঃ অগ্ৰৱালৰ 'হৰ্ষচৰিত : এক সাংস্কৃতিক অধ্যয়ন' নামৰ সমালোচনা গ্ৰন্থখন পঢ়ি এজন বিখ্যাত আলোচকে কৈছিল, "হৰ্ষচৰিত : এক সাংস্কৃতিক অধ্যয়ন" পঢ়ি থাকোতে মনৰ মাজত সন্দেহ আৰু কৌতূহল জাগি উঠিছিল, বাণভট্ট ডাঙৰ নে বাসুদেৱশৰণ ?" এই গ্ৰন্থখনৰ বিষয়ে আন এজন আলোচকে অভিমত দিছে, 'এই

গ্ৰন্থখন কিনি, আনৰ পৰা খুজি আনি, নহলে চুৰ কৰি আনিও পঢ়া উচিত।” ‘সাহিত্য-মীমাংসা’, ‘সাহিত্য-চিন্তা’ ‘আলোচনা ইতিহাস’ তথা ‘সিদ্ধান্ত’, ‘সমীক্ষা-শাস্ত্ৰ’ প্ৰভৃতি আলোচনাত্মক গ্ৰন্থসমূহ এবাৰ লালেই হিন্দী সমালোচনা সাহিত্যৰ ব্যাপকতা আৰু গভীৰতাৰ বিষয়ে হৃদয়ঙ্গম কৰিব পৰা যায়।

এইয়া হ’ল হিন্দী সমালোচনা সাহিত্যৰ কথা। এতিয়া আমি হিন্দী উপন্যাস সাহিত্যৰ চ’ৰা ঘৰত ভুমুকি মাৰোঁ। ভাৰতীয় উপন্যাস–সাহিত্য জগতত মৃত জীৱিত অসংখ্য ঔপন্যাসিকৰ লগত আমাৰ মানসিক সাক্ষাৎ ঘটিছে। কিন্তু ভাৰতীয় কেইজন ঔপন্যাসিকে অম্লান প্ৰতিভাৰ সাক্ষৰ ৰাখি বিশ্ব-সাহিত্যত স্থায়ী আসন প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে? আমাৰ বোধেৰে ভাৰতীয় দুজন ঔপন্যাসিকে মাথো আন্তৰ্জ্জাতিক খ্যাতি লাভ কৰিব পাৰিছে। এজন বঙ্গ সাহিত্যৰ অপৰাজেয় কথা-শিল্পী শৰৎচন্দ্ৰ আৰু আন জন হিন্দী সাহিত্যৰ সৰ্ব্বশ্ৰেষ্ঠ ঔপন্যাসিক প্ৰেমচন্দ। প্ৰেমচন্দ আছিল অতীতৰ পূজাৰী, বৰ্ত্তমানৰ যোদ্ধা আৰু ভবিষ্যতৰ স্বপ্নদ্ৰষ্টা। প্ৰেমচন্দৰ উপন্যাস জীৱন-জগতৰ যথাৰ্থ চিত্ৰ। দেশী-বিদেশী বিভিন্ন ভাষালৈ তেওঁৰ উপন্যাসসমূহ অনুদিত হৈছে। বিশেষকৈ, তেওঁৰ সাহিত্য-সাধনাৰ সৰ্ব্বশ্ৰেষ্ঠ অৱদান ‘গোদান’ৰ কথা কোনে পাহৰিব পাৰে? ভাৰতীয় কৃষক-জীৱনক কেন্দ্ৰ কৰি গঢ়ি উঠা এই উপাদেয় উপন্যাসখনিক সমালোচকসকলে “ভাৰতীয় আত্মাৰ করুণ ক্ৰন্দন”, “ভাৰতীয় গ্ৰাম্যজীৱনৰ নব্যগীতা”, “ভাৰতীয় কৃষক সমাজৰ প্ৰাণভাষ্য” প্ৰভৃতি আখ্যাৰে মহত্বৰ জয়মাল্য প্ৰদান কৰিছে। সি যিকি নহওক, এইটো সত্য যে ‘গোদান’ৰ প্ৰেমচন্দৰ দৰে পূৰ্ব্বৰ বা পিছৰ কোনো ঔপন্যাসিকেই ইমান নিবিড়তাৰে, ইমান আন্তৰিকতাৰে ভাৰতীয় গ্ৰাম্যজীৱনৰ মূলমন্ত্ৰ উপলব্ধি কৰিবলৈ চেষ্টা কৰা নাই। এই ক্ষেত্ৰত হিন্দীৰ প্ৰেমচন্দ ভাৰতীয় সাহিত্য জগতত একক আৰু অপ্ৰতিদ্বন্দ্বী। গৰ্কী, টলষ্টয়, শৰৎচন্দ্ৰ, ৰবীন্দ্ৰনাথ আদিৰ লগত একাধিকবাৰ তুলনা কৰা প্ৰেমচন্দৰ প্ৰতিভাই শৰৎচন্দ্ৰৰ প্ৰতিভাৰ দৰেই কালৰ বুকুত অক্ষয় চিহ্ন ৰাখি ভাৰতীয় উপন্যাস-সাহিত্যক যে বিশ্ব-সাহিত্যৰ সভাত প্ৰতিষ্ঠা কৰি থৈ গৈছে, এই কথা যি কোনো নিৰপেক্ষ সমালোচকেই স্বীকাৰ কৰিবলৈ বাধ্য।

প্ৰেমচন্দৰ বাহিৰেও যিসকল ঔপন্যাসিকে হিন্দী সাহিত্য সমৃদ্ধিশালী কৰি তোলাৰ লগতে ভাৰতীয় সাহিত্যৰ পৰিপুষ্টিতো বিশেষ বৰঙণি যোগাইছে সেইসকলৰ ভিতৰত মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন, জৈনেন্দ্ৰকুমাৰ, যশপাল, অজ্ঞেয়, ফণীশ্বৰ নাথ ৰেণু, বৃন্দাবন লাল বৰ্ম্মা আদিলৈ প্ৰথমতে অঙুলিয়াব পাৰি। বৰ্ম্মাৰ ‘মৃগ নৈনী’, অজ্ঞেয়ৰ ‘নদী কে দ্বীপ’, ৰেণুৰ ‘মৈলা অঞ্চল’ প্ৰভৃতি উপন্যাস যি এবাৰ পঢ়িছে, সহজে পাহৰিব পৰা নাই। সমাজৰ অনাদৃত, অৱহেলিত, ঘৃণা দিক্ এটাৰ জীৱন্ত, জ্বলন্ত ছবি যেনে সুন্দৰ ভাৱে ‘মৈলা অঞ্চল’ত ফুটি উঠিছে, তাৰ তুলনা ভাৰতীয় উপন্যাস-সাহিত্যত বিৰল।

উপন্যাসৰ দৰে চুটি গল্পৰ ক্ষেত্ৰতো হিন্দী সাহিত্যৰ অৱদান উলাই কৰিব লগীয়া নহয়। হিন্দী সাহিত্যত প্ৰেমচন্দই আধুনিক চুটি গল্পৰ পথ-প্ৰদৰ্শক। সমাজৰ অতি ক্ষুদ্ৰ, অতি নগণ্য কথা, দৃশ্য বা ঘটনাক কেন্দ্ৰ কৰি মহত্বৰ জীৱনৰ মানবীয় আৱেদনৰ অভিব্যক্তি সাধন কৰিব পৰাটো প্ৰেমচন্দৰ গল্পৰ প্ৰধান বৈশিষ্ট্য। ‘কফন’ ইয়াৰ জ্বলন্ত উদাহৰণ। বিভিন্ন ভাষাত প্ৰেমচন্দৰ গল্প অনূদিত হৈছে। প্ৰেমচন্দৰ বাহিৰেও যিসকলক আমি হিন্দী সাহিত্যৰ সাৰ্থক গল্প-শিল্পী বুলি কব পাৰোঁ, সেইসকলৰ ভিতৰত সুদৰ্শন, যশপাল, জৈনেন্দ্ৰকুমাৰ, ভগৱতীচৰণ বৰ্ম্মা, মূলকৰাজ আনন্দ, চক্ৰধৰ গুলেৰী, বলদেৱ প্ৰসাদ মিশ্ৰ,



মোহনসিংহ সেঙ্গৰ, মন্মথ নাথ গুপ্ত, বলৱন্ত গাৰ্গী, উষাদেৱী মিত্ৰা, আনন্দ প্ৰসাদ ‘নিগম’ আদিৰ নাম উল্লেখ কৰিব পাৰি। যশপালৰ গল্পত নাৰী মনস্তত্বৰ সুন্দৰ ছবি, জৈনেন্দ্ৰ কুমাৰৰ গল্পত মানৱ মনৰ অন্তৰ্দ্বন্দ্বৰ যথাৰ্থ চিত্ৰ আৰু ভগৱতীচৰণ বৰ্ম্মাৰ গল্পত গাৰ্হস্থ্য জীৱনৰ সমস্যাৱলীৰ বৰ্ণনা জীৱন্ত হৈ উঠিছে।

কাব্যক্ষেত্ৰতো হিন্দী সাহিত্য দুখীয়া নহয়। হিন্দী সাহিত্যৰ কাব্য-ভাণ্ডাৰতো বহুমূলীয়া মুকুতা-মণি সঞ্চিত হৈ আছে। মহাকৱি তুলসীদাসৰ ৰামচৰিত-মানসে হিন্দী সাহিত্যক অমৰ কৰিলে। আধুনিক যুগৰ অন্যতম কৱি জয়শঙ্কৰ প্ৰসাদৰ ‘কামায়নী’য়ে সেই অমৰত্বত আৰু অধিক গৌৰৱ প্ৰদান কৰি থৈ গ’ল। সত্যদ্ৰষ্টা কৱিৰ কাব্যৰ প্ৰাণ-প্ৰাচুৰ্য্যৰ আৰু ভাৱৰ গাম্ভীৰ্য্যত মুগ্ধ নহৈ নোৱাৰি। ‘কামায়নী’ বিশ্ব-সাহিত্যৰ আগ শাৰীৰ কাব্যগ্ৰন্থসমূহৰো এখন বুলিব পাৰি। প্ৰসাদৰ বাহিৰেও ৰাষ্ট্ৰকবি মৈথিলীচৰণ গুপ্ত, সূৰ্য্যকান্ত ত্ৰিপাঠী ‘নিৰালা’, সুমিত্ৰানন্দন পন্ত, মহাদেৱী বৰ্ম্মা, সুভদ্ৰা কুমাৰী চৌহান, ৰাম কুমাৰ বৰ্ম্মা, ৰামধাৰী সিংহ দিনকৰ, সচ্চিদানন্দ হীৰানন্দ বাৎসায়ন, নৰেন্দ্ৰ শৰ্ম্মা, বচ্চন, নাগাৰ্জ্জুন, কেদাৰ নাথ অগ্ৰৱাল, ধৰ্ম্মবীৰ ভাৰতী, জানকীবল্লভ শাস্ত্ৰী, গজানন মাধৱ ‘মুক্তিবোধ’ আদি কৱিয়ে হিন্দী কাব্য-সাহিত্য সমৃদ্ধিশালী কৰি তোলাত বৰঙণি যোগাইছে।

সাহিত্যৰ অন্যান্যক্ষেত্ৰ—নাট্য-সাহিত্য, ভ্ৰমণ-সাহিত্য, লোক-সাহিত্য আদি কোনো ক্ষেত্ৰতেই হিন্দী সাহিত্য আজি পিছ পৰি থকা নাই। লোক-সাহিত্যৰ অফুৰন্ত ভঁড়াল দেৱেন্দ্ৰ সত্যাৰ্থীৰ ‘বেলা ফুলে আধীৰাত’, ‘বাজতে আঁৱে ঢোল’ প্ৰভৃতি লোক-সাহিত্য বিষয়ক গ্ৰন্থসমূহ লোক-সাহিত্য চৰ্চ্চাকাৰীসকলৰ কাৰণে অনুপ্ৰেৰণাৰ উৎস। অজ্ঞেয়ৰ ‘অৰে যাযাবৰ ৰহেগা য়াদ’ ভ্ৰমণ সাহিত্যৰ সাৰ্থক দৃষ্টান্ত। আচাৰ্য্য হজাৰীপ্ৰসাদ দ্বিৱেদীৰ ‘প্ৰাচীন ভাৰত কী কলাত্মক বিনোদ’, ডাঃ বাসুদেৱশৰণ অগ্ৰৱালৰ ‘ভাৰত-সাৱিত্ৰী’, ডাঃ মোতীচন্দ্ৰৰ ‘স্বাৰ্থবাহ’, ডাঃ পৰশুৰাম চতুৰ্ব্বেদীৰ ‘উত্তৰ ভাৰতকী সন্ত পৰম্পৰা’, ডাঃ পীতাম্বৰ দত্ত বড়থ্বালৰ ‘হিন্দী কাব্য মে নিৰ্গুণ সম্প্ৰদায়’, ৰামধাৰী সিংহ দিনকৰৰ ‘সংস্কৃতিকী চাৰ অধ্যায়’, ৰাম গোবিন্দ দ্বিবেদীৰ ‘বৈদিক সাহিত্য’, ডাঃ প্ৰতিপাল সিংহৰ ‘বিংশ শতাব্দীকী মহাকাব্য’, ডাঃ ভগৱৎশৰণ উপাধ্যায়ৰ ‘কালিদাসকা ভাৰত’, বিহাৰীলাল সাৰৱিয়াৰ ‘বিশ্ব ধৰ্ম্মদৰ্শন’, ডাঃ সত্যনাৰায়ণ শৰ্ম্মাৰ ‘দুনিয়া মেৰী দৃষ্টিমে’, ডাঃ ভগৱান দাসৰ ‘সমন্বয়’, জয়চন্দ্ৰ বিদ্যা-লঙ্কাৰৰ ‘ইতিহাস প্ৰবেশ’, ডাঃ ভোলাশঙ্কৰ ব্যাসৰ ‘সংস্কৃত কৱিদৰ্শন’ প্ৰভৃতি গ্ৰন্থসমূহ পুথিভঁড়ালৰ শোভা, চিন্তাৰ উপাদেয় আহাৰ, মননশীল সুধীবৃন্দৰ আলোচনাৰ অপৰিহাৰ্য্য সামগ্ৰী। ডাঃ মোতীচন্দ্ৰৰ ‘স্বাৰ্থবাহৰ’ বিষয়ে এজন বিখ্যাত সমালোচকে মন্তব্য দিছে, “প্ৰাচীন ভাৰতৰ বেহা-বেপাৰৰ আদান-প্ৰদানৰ যাত্ৰা-পথৰ বিষয়ে সাঙ্গোপাঙ্গ বৰ্ণনামূলক গ্ৰন্থ ভাৰতীয় ভাষাত কিয় ইংৰাজীতো নাছিল; হিন্দী সাহিত্যত এনে এখন অপূৰ্ব্ব গ্ৰন্থ ৰচনা কৰি প্ৰসিদ্ধ পুৰাতত্ববিদ ডাঃ মোতীচন্দে প্ৰমাণ কৰি দেখুৱালে যে হিন্দী সাহিত্যয়ো কোনো ক্ষেত্ৰত জ্ঞানৰ প্ৰথম পথ উন্মুক্ত কৰি দিব পাৰে।” জয়চন্দ্ৰ বিদ্যালঙ্কাৰৰ ইতিহাস প্ৰৱেশৰ বিষয়ে স্বনামধন্য ভাষাতত্ববিদ ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছে, “ভাৰতৰ ইতিহাস সম্পৰ্কীয় যিমানবোৰ গ্ৰন্থৰ সংস্পৰ্শলৈ আহিছোঁ, তাৰ ভিতৰত বিদ্যালঙ্কাৰৰ ইতিহাস প্ৰৱেশ সৰ্ব্বশ্ৰেষ্ঠ।”

সাহিত্যৰ পৰিক্ৰমাত আলোচনী, বাতৰি কাকতৰো বৰঙণি নিচেই কম নহয়। বিভিন্ন লিখকৰ বিভিন্ন চিন্তাধাৰাৰ সাময়িক প্ৰৱাহৰ লগতো পৰিচয় লাভৰ উপযুক্ত মাধ্যম আলোচনী আৰু বাতৰি কাকত। এইক্ষেত্ৰত হিন্দী সাহিত্যৰ অৱদান অতুলনীয়।

সাহিত্য, সংস্কৃতি, কলা, কাব্য, দৰ্শন, ধৰ্ম্মতত্ত্ব, জ্যোতিষ, আয়ুৰ্ব্বেদ, যৌনতত্ত্ব এনে এটা বিষয় নাই যিটো বিষয়ত আজি হিন্দী আলোচনীৰ অভাৱ। 'কল্পনা', 'অজন্তা', 'অৱন্তিকা', 'বসুধা', 'যুগচেতনা', 'মানৱতা', 'আলোচনা' আদি আলোচনী আৰু 'আজ', 'সঙ্গম' আদি বাতৰিকাকতৰ পাত লুটিয়াই চালেই পূৰ্ণাঙ্গ আলোচনী-বাতৰিকাকতৰ সোৱাদ উপলব্ধি কৰিব পৰা যায়। বিশেষকৈ দিল্লীৰ ৰাজকমল প্ৰকাশনৰ প্ৰচাৰিত 'আলোচনা'ৰ দৰে গভীৰ সাহিত্য সমালোচনা পত্ৰিকা ভাৰতীয় ভাষাত বৰ কম।

সকলো সাহিত্যৰেই সকলোবোৰ সম্পদ স্থায়ী আৰু উজ্জ্বল নহয়। হিন্দী সাহিত্যতো অনেক অস্থায়ী আৰু অনুজ্জ্বল সম্পদ আছে। সেইবোৰত আমি কোনো মহত্ত্বই আৰোপ নকৰোঁ; কিন্তু যিবোৰ সম্পদে সঁচাকৈয়ে ভাৰত-সাহিত্য-মাতৃৰ মুখ উজ্জ্বলাইছে, সেই সম্পদৰাজিক আমি প্ৰাপ্য মূল্য দিব লাগে।

---

# সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা

শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য

চন্দ্ৰ কিৰণ শীতল, কাৰ্য্য নৰম। চন্দ্ৰৰ কিৰণত মন-প্ৰাণ জুৰ পৰি যায়, প্ৰাণে শান্তি পায়। ৰাজনীতি ক্ষেত্ৰত চন্দ্ৰধৰ 'নৰম পন্থী' ৰূপে জনাজাত। সাহিত্য-ক্ষেত্ৰতো নৰমপন্থাকে অৱলম্বন কৰিছিল বুলি জনা যায়। তথাপি দুই এটা দিশত চৰম উৎকৰ্ষ সাধন কৰি থৈ গৈছে। অসম সাহিত্য গগণত এতিয়ালৈকে আমি দুটি চন্দ্ৰৰ প্ৰধান লেখ পাওঁ। প্ৰথম চন্দ্ৰৰ কিৰণত 'জোনাকী'য়ে দেখা দিছিল, 'প্ৰতিমা' উদ্ভাসিত হৈছিল। দ্বিতীয় চন্দ্ৰৰ কিৰণত 'মেঘনাদে' অসমৰ ৰঙ্গমঞ্চবোৰত প্ৰৱেশ কৰিবলৈ বাট দেখা পাইছিল, 'তিলোত্তমাৰ' দেহত অপৰূপ সৌন্দৰ্য্যৰ জিকমিকনি উঠিছিল। তাতে আকৌ 'ৰঞ্জন' ৰশ্মিয়ে সোণত সুৱগা চৰাই দশোদিশ পোহৰ কৰি তুলিছিল।

কামৰূপ সঞ্জীৱনী সভাই কাহানিবাই চন্দ্ৰধৰক 'সাহিত্যৰত্ন' উপাধিৰে বিভূষিত কৰি থৈ গৈছে। সাহিত্য সাধনাৰ বস্তু, সাহিত্যানুৰাগীৰ আতোলতোল সম্পদ। গতিকে ইয়াৰ মূল্য নিৰাকৰণো সাধক সাহিত্যানুৰাগীৰ মাজতহে সম্ভৱ। চন্দ্ৰধৰে এবাৰ নিজ মুখে কৈ গৈছে—"সাহিত্যানুৰাগীৰ সংখ্যা নেবাঢ়িলে, দেশত ওখ খ'পৰ গ্ৰন্থৰ সংখ্যাও নেবাঢ়ে। কাৰণ, কেতিয়াবা কোনো ৰূপে এনে ওখ খাপৰ দুখন-এখন গ্ৰন্থ ওলালেও মোল বুজা মানুহৰ অভাৱত কোনো মতেই বিস্তাৰ লাভ কৰিব নোৱাৰি চুকত পৰি ভেকুৰি অকল গ্ৰন্থকাৰক সপিণ্ডন কৰি থয়" (অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ, ১৯১৮ চন)।

অসম সাহিত্য সভাই দ্বিতীয় বাৰ্ষিক অধিবেশনতেই তেওঁক সভাপতিৰ আসনত বহুৱাই গুণীজনৰ গুণৰ আদৰ কৰি থৈ গৈছে। অসম সাহিত্য সভা পত্ৰিকাৰ তেওঁ প্ৰথম সম্পাদক ৰূপে সৰ্ব্বপ্ৰথম গঢ় দিওঁতা বুলি কলেও অত্যুক্তি নহব। ১৯৩৪-৩৬ চনত মঙ্গলদৈত তেওঁক এই সভাৰ প্ৰধান সম্পাদকো নিৰ্ব্বাচিত কৰা হৈছিল। ১৯২৫ চনত সাহিত্য সভাৰ নগাওঁ অধিবেশনত সঙ্গীত-শাখাৰ সভাপতিত্ব কৰিছিল। সাহিত্য সম্পৰ্কীয় এনেবোৰ অনুষ্ঠানৰ সৈতে একাধিকবাৰ সংযোগেই বৰুৱাদেৱৰ সাহিত্য অভিৰুচিৰ পৰিচয় এটা এনেয়ে দাঙি ধৰি আহিছে। তেওঁৰ সম্পাদনাত ওলোৱা পত্ৰিকাবোৰলৈ মন কৰিলেই আমি তেওঁৰ সাহিত্যিক আদৰ্শটোৰো দুই এটা দিশৰ আভাস পাওঁ। প্ৰায় প্ৰতিটো সংখ্যাতেই প্ৰবন্ধৰ বিষয়ে তেওঁ বেজাৰ মনে ক'ব লগীয়া হৈছিল যে আমাৰ মৌলিক প্ৰবন্ধ-লিখোঁতা নাই, মাৰ্জ্জিত ভাষা লিখোঁতা নাই, বানান বিষয়ত শৃঙ্খলা নাই। ডাঙৰ ডাঙৰ সাহিত্যিকসৱেও যি ইচ্ছা তাকে লিখি থবলৈ ইচ্ছা কৰে। 'হেমকোষ' মতে বানান ঠিক কৰি লিখিবলৈ তেওঁ কেবাবাৰো লিখকসকললৈ নিৱেদন জনাই নিজ মত পোষণ কৰিছিল। সংস্কৃতজ্ঞ পণ্ডিতসকলে বিশেষকৈ 'চকু'ৰ ঠাইত 'চক্ষু' 'পাত'ৰ ঠাইত 'পত্ৰ', 'কাণ'ৰ ঠাইত 'কৰ্ণ' লিখিবলৈ যোৱাটো কেনে আপচু দেখি তাৰ হুবহু চিত্ৰ এটি বৰুৱাদেৱে 'কা-কা-কাব্যবিশাৰদোঽহং' নামৰ পদ্যত ব্যঙ্গভাবেৰে অঙ্কণ কৰি থৈ গৈছে। সেইজন লিখক তেওঁৰ মানত "জধল্ গোবৰ বিদ্যা-বলধ" ('ৰঞ্জন')।

ইং ১৮৯২ চন। চন্দ্ৰধৰ তেতিয়া কলিকতা মহা নগৰীলৈ গৈছে। বয়স মুঠেই ওঠৰ বছৰ। অসমত এণ্ট্ৰেঞ্চ্ পাছ কৰি তেওঁ কলেজীয়া শিক্ষা লাভ কৰিবলৈ বুলি তালৈ গৈছে। তেতিয়া 'বিজুলী' আৰু 'জোনাকী'ৰ চকামকা পোহৰ। এই কাকত দুখন সম্বন্ধে এজন "অসমীয়া ভদ্ৰলোকে" হেনো কলিকতাত তেওঁৰ আগত মন্তব্য কৰিলে—"আমাৰ ঘৰলৈকো জানকীয়েই নে বিজুলীয়েই কিবা কেতবোৰ গৈ থাকে। মই আহোঁতে তাৰে এসোপা ফালিছিৰি কিবাকিবি লোণ-বাণ বান্ধিও আনিছোঁ।" ভদ্ৰলোকজনে হেনো ইয়াকো ক'লে যে 'বিজুলী'খন বঙলা ভাষাত চলালেহে ভাল হ'ব; তেতিয়াহলে সৰহকৈ ধন পোৱাৰ সম্ভৱ। সেই দিন অসমীয়াৰ হেঁদালিত বঙালীৰ 'চিম্' বগোৱাৰ দিন। অইন কি সাহিত্যৰত্নদেৱে নিজেও হেনো এসময়ত বঙালী কবিতা লিখিবলৈ চেষ্টা কৰি "ল'ৰাধেমালি" কৰিছিল। সাহিত্যৰথী বেজবৰুৱাদেৱেও এদিন এই পংক্তিতে ক্ষন্তেকলৈ হলেও বহিব লগীয়া হৈছিল। বৰ নৈৰ কোৱাল সোঁতৰ মুখত পৰিলে কেইজন নৰমনিচ থিৰেৰে ৰ'ব পাৰে! কিন্তু, মুঠিত যাৰ গড়গঞা কটাৰী, অন্তৰত যাৰ লুইতৰ দোকোল-টঁকা বাণ, হৃদয়ত যাৰ হেজাৰ হাতীৰ বল, সেইসকলক লৰচৰ কৰে এনে সাধ্য কাৰ! শৰাইঘটীয়া বীৰ তেওঁলোক। সোঁতৰ মুখত লোৰ খুটি পুতি মাৰনাৱত উঠিল। তাক ভাটীৰ ৰংপুৰৰ পৰা বাই আনি উজনিৰ ৰংপুৰ পোৱালেহি। একাণপতীয়া এই কাণ্ডাৰীসকল আমাৰ চিৰ আদৰ্শ, চিৰ নমস্য। অসমীয়া সাহিত্যিকৰ গণনা-পুথিত যিসকলৰ নাম আছে, তাৰ ভিতৰত চন্দ্ৰধৰো এজন। এই চামৰ কাণ্ডাৰীসকলৰ ভিতৰত এওঁ একৰকম শেষ চামৰ।

উত্তৰ জোনাকীযুগৰ শিল্পী চন্দ্ৰধৰে 'মেঘনাদ' আৰু 'তিলোত্তমা'ক লৈ 'ভাগ্যপৰীক্ষা' কৰিলে। পৰীক্ষাত জয় হল। কৃতী পৰীক্ষাৰ্থীৰ মনত 'ৰঞ্জন', পৰীক্ষাকৰোঁতাসকলৰ মনত ৰঞ্জন। যেয়ে দেখিলে তেওঁৰো মন ৰঞ্জিত; যেয়ে শুনিলে তেওঁৰো। 'মেঘনাদ বধ', 'তিলোত্তমা-সম্ভৱ' একেজুপি গছৰে দুপাহি ফুল। ইং ১৯০৪ চন। অসমৰ ৰঙ্গমঞ্চবোৰত মেঘনাদৰ নিনাদ ঘনাই ঘনাই শুনা যায়। এবাৰ নহয়, দুবাৰ নহয়, কতবাৰ, কতৰকমে, কত ৰূপত, কত ভঙ্গিমাত। তাৰ পাছত 'ভাগ্য-পৰীক্ষা' (১৯১৬), 'ৰঞ্জন' (১৯২৭); তাৰ পাছত 'ৰাজৰ্ষি' (১৯৩৭), 'কামৰূপ-জীয়াৰী' ('আৱাহন'ত প্ৰকাশিত), 'ৰত্নকোষ', ১ম খণ্ড-খণ্ডবাক্য (যন্ত্ৰস্থ), 'ৰত্নকোষ'—২য় খণ্ড, যোজনা-ফকৰা (অপ্ৰকাশিত) ইত্যাদি।

খনিকৰে চানেকি আগত ৰাখি প্ৰতিমাৰ গঢ় দিয়ে। শিল্পী, সাহিত্যিক সকলো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁৰ তিনিওখন নাটৰ জুমুঠিৰ দুই-চাৰি ডাল খেৰ-খুৰ অইনৰ পৰা ধাৰ কৰা। 'মেঘনাদ-বধ' আৰু 'তিলোত্তমাসম্ভৱ' মাইকেল মধুসূদনৰ সেই নামৰ কাব্যৰ অঙ্গবিশেষৰ ওপৰত প্ৰতিষ্ঠিত সঁচা। কিন্তু দৰাচলতে, কাব্য আৰু নাটক একে বস্তু নহয়। ওপৰে ওপৰে চালেই বুজা যায় দুয়োটাৰে মাজত মিলতকৈ অমিলৰ ভাগেই অধিক। মধুসূদনৰ পুথি মানুহে শুনিছিলহে, চন্দ্ৰধৰৰ খন চাইছিলো, শুনি-ছিলো. ধূপ-ধূনা লগাই আদৰ-সাদৰ কৈ নি বুকুত সাৱটি লৈছিল। 'ভাগ্য-পৰীক্ষা'ৰ আলম আৰব্য উপন্যাস। কথাই কথাই অসমীয়াই ভাগ্যক ধিয়ায়। 'ভাগ্যৰ লেখন হায় নাযায় খণ্ডন'—অসমীয়াৰ যাউতিযুগীয়া প্ৰবচন। সেয়েহে, পানীৰামক কেন্দ্ৰ কৰি নাট্যকাৰে প্ৰমাণ কৰি দেখুৱালে—

"ভাগ্য যাৰ উদয় হব
মাটি ফুটি ধন ওলাব।"

ভাগ্যৰ মেৰপাকত পৰা পানীৰামৰ আলৈ-বিলৈ খন দেখি দৰ্শকে হা-হুমুনিয়াহ চাৰে। আকৌ-থিতাতে উন্নতি দেখি স্বস্তি বোধ কৰে। 'ভাগ্যকন্যা' 'ধনকন্যা' কৰিৰ অপূৰ্ব্ব সৃষ্টি। নাট্যমঞ্চৰ ই যেন দুটা মহ্‌তা, চিকমিকনিত ৰঙ্গমঞ্চ জিলিকি উঠে। দৰ্শক আপোন পাহৰা হয়। নাট কেইখনত চন্দ্ৰধৰক ভাগ্যধৰ বুলিবৰো থল আছে; 'অসাৰ সংসাৰ ভাই ইয়াত সকাম নাই' লেখকৰ এই দৰ্শনো নিহিত আছে। সুন্দ উপসুন্দই পৰস্পৰ যুজ-বাগৰ কৰি যেতিয়া প্ৰাণ-ত্যাগ কৰিলে কৰিয়ে গাইছে—

"অসাৰ অসাৰ ই দেহ
বিষৱৎ বিষয় বৰ্জ্জিলো;
আছেনে সকাম কিবা জীৱনত বাৰু?"
(তিলোত্তমা-সম্ভৱ)।

সেইদৰে, হৰিশ্চন্দ্ৰৰ ত্যাগৰ অদ্ভুত মহিমা দেখি ব'ৰাগীয়ে গায়—

"দুদিনীয়া দেহা কোনোবা এদিন
থাকিব ইয়াতে পৰি
কণ্ঠতা নহব আতমা কেতিয়া
গুচি যাব কেনি উৰি।" (ৰাজৰ্ষি)।

এই নাটকতে 'নিয়তি'য়ে আকৌ বিনায়—

"ইয়ালৈকে অত অতপালি ...
পৰিলেই যায় পাৰলৈ নাই
যেনে কচুপাতৰ পানীটুপি।"

নিঠৰুৱা ধৰুৱাৰহে পদে পদে বিপদ। কিন্তু আঢ্যৱন্ত ধৰৱাই ধাৰ কৰিও দোপতদোপে উঠিহে যায় লোকৰ এফেৰি সম্বলত চিকুট মাৰি ধৰিয়েই নিজ প্ৰতিভা বিস্তাৰ কৰে। চন্দ্ৰধৰেও তাকে কৰিছে। এইজনা কবি-নাট্যকাৰৰ স্বাঙ্গীকৰণ ক্ষমতা আছিল। তেওঁ সময়ৰ শৰ মাৰিব জনা মানুহ। সেই বাবেই, তেওঁৰ কাব্যই, তেওঁৰ নাটকে এসময়ত অসমত ৰসৰ নৈ বোৱাব পাৰিছিল।

'ৰঞ্জন' আৰু 'কামৰূপ জীয়াৰী' কৱিৰ অসামান্য প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন। 'ৰঞ্জন' এই নামটোৰ প্ৰতিয়েই কৱিৰ মোহ। 'ৰঞ্জন' তেওঁৰ বিবিধ কৱিতাৰ সমষ্টি। ৰঞ্জন', নিৰঞ্জন' তেওঁৰ 'তিলোত্তমা-সম্ভৱ' নাটকৰ দুটি চকুত লগা চৰিত্ৰ। একেখনি 'ৰঞ্জন' পুথিয়েই কৱি-প্ৰতিভাৰ সুন্দৰ পৰিচায়ক বুলি কলেও মিছা কোৱা নহয়। "কাব্যস্য আত্মা ধ্বনিঃ" আলঙ্কাৰিকসকলৰ এই মত যদি মানি লোৱা হয় 'ৰঞ্জন'ৰ কৱিক আমি অনায়াসে ধ্বনি-কৱি আখ্যা দিব পাৰোঁ। ৰচনাৰ প্ৰণালী চাই ইয়াৰ কৱিতাবোৰক আমি দুভাগত ভাগ কৰিব পাৰোঁ— ধেমেলীয়া আৰু গহীন। কিন্তু দুয়োবিধতে ধ্বনিপ্ৰধান কৱিতা আছে। সেইবোৰৰ বাচ্যাৰ্থতকৈ ব্যঙ্গাৰ্থ ইহে ৰসগ্ৰাহীৰ মন বেছি আকৰ্ষণ কৰিব পাৰে।



কৱিয়ে তেওঁৰ গহীন কৱিতাবোৰৰ কেবাটাতো কাব্যকুৰ্য্যীক আৰাধনা কৰি কাব্য আৰম্ভ কৰিছে। ইয়াত প্ৰাচীন ভাৰতীয় কৱিৰ আৰু পাশ্চাত্য কৱিৰ ৰীতিও প্ৰতিফলিত হোৱা দেখা যায়। খণ্ডকৱিতা হলেও প্ৰথম কৱিতাটোৱেই 'বন্দনা' কৱিতা; আৰম্ভণি ঃ—"দিয়া দেৱি, পোহৰ সুন্দৰ"। এই পুথিৰ অন্তৰ্গত 'জোনাকী', 'বিজুলী', 'বাঁহী'ক কৱিয়ে দেৱীৰূপেহে কল্পনা কৰিছে। এই নামৰ আলোচনী কেইখনৰ প্ৰতি নিহিত কাৱ্যিক শ্ৰদ্ধা ধ্বনি-গত ইঙ্গিত মাথোন। তেওঁৰ 'জোনাকী' "জোনাকৰ অধিষ্ঠাত্ৰী জোনাকী গোসানী"। 'বিজুলী'ক সম্বোধন কৰি কৱিয়ে কৈছে—"ওলোৱাঁ বিজুলী দেৱি, এবাৰ ওলোৱা"। 'বাঁহী'ৰ প্ৰতিও সেই একে সুৰ—

"ন'ৰবাঁ ন'ৰবাঁ দেৱি, আকৌ বজোৱাঁ,
বাঁহীৰ শুৱলা মাত আকৌ শুনোৱা।"

ধেমেলীয়া কৱিতাবোৰত ৰসৰাজ বেজবৰুৱাৰ প্ৰভাৱ দেখা যায়। বেজবৰুৱাই গদ্য, পদ্য, কথোপ-কথনৰ যোগেদি ব্যঙ্গ কৰিছিল। বৰুৱাই কৰিছে কেৱল পদ্যৰ যোগেদি। ঠায়ে ঠায়ে ভাষান্তৰ অৱলম্বন দুয়োজনৰে হাস্যৰস সৃষ্টিৰ উদ্দেশ্যে মাথোন। 'হৰনাথৰ হৰ্‌দম্ প্ৰাৰ্থনা', 'কা-কা-কাব্যবিশাৰদোঽহং', 'হঠাৎ পেট্ৰিয়ট্' নামটিয়েই হাস্যৰসাত্মক।

অসহযোগ আন্দোলন অসমত ভাৰতত। কেউপিনে কেৱল হৈ-চৈ, সভাসমিতি, হাঁহাকাৰ। কোনোৱে দেহক মাটি কৰি তেজক পানী কৰি দেশ-সেৱাত মনপ্ৰাণ ঢালি দিছে। কোনোৱে আকৌ কাৰবাৰ গাত ভেজা দি 'হেকাই টিলিকি বায়, টেকেলিয়ে টেকেলিয়ে মদ খায়।' কোনোৱে আকৌ গান্ধীটুপী আৰু খদ্দৰ কাপোৰ এডোখৰক আশ্ৰয় কৰিয়েই থিতাতে চেঙা-লুটি দি জীৱিকা নিৰ্ব্বাহৰ পথ সুগম কৰি ললে, 'স্বৰাজ কুটীৰ' খুলি গাদীত মেৰপাক দি বহি গ'ল। চন্দ্ৰধৰৰ কমলেও স্বদেশ-সেৱাৰ মুখা পিন্ধি কেইদিন-মান ভলণ্টিয়াৰগিৰি কৰিছিল আৰু বক্তৃতাৰ আখৈ ফুটাইছিল। কিন্তু শেষত? বাগিচাৰ চাহাবক খাটি-লুটি পুনৰ্মূষিক; প্ৰতিশ্ৰুতি-কাকত এডুখৰিও হেনো চাহাবক লিখি দিলে, নহলে চাকৰি নিদিয়ে যে ('স্বদেশসেৱা')। আমাৰ এই ব্যঙ্গ কৱিৰ চকুত টোপনি নহা হল যেতিয়া তেওঁ দেখিলে—

"(আমি) ঘনাই সলাওঁ ৰীতি
(আমাৰ) হঠাৎ বদলে নীতি
(আমি) যেনে মাছ দেখোঁ তেনে জাল গোথোঁ।
ইটি এৰি ধৰোঁ সিটি।"
('হঠাৎ পেট্ৰিয়ট্')।

চন্দ্ৰধৰ কাৰ্য্যক্ষেত্ৰত হয়তো নিজে ধীৰপন্থী আছিল। কিন্তু 'ধীৰপন্থী ধীৰেণ' বোপালৈকো তেওঁ সৌকা দাঙিছিল। ধীৰেণে ভাবে চাহাব গলে ভাৰতক ৰক্ষা-কৰোঁতা কেও নোহোৱা হ'ব। সেয়েহে তেওঁ "বঙ্গপ্লাৱন"ত চাঁদা নিদিয়ে। কিন্তু পঞ্জাবৰ জালিন-ৱালাবাগত গুলি মৰোৱা ডায়াৰ চাহাবৰ সাহায্য পুঁজিত হলে চাঁদা দিয়ে। বিড়াল-তপস্বীয়ে স্বৰাজক 'নাৰাজ' কৰে—

"ধীৰেণে ধীৰেৰে চলি চলি এই দৰে
দুটি নাম দুফালে ঘটিলে,
বুলিলে দুৰ্ঘোৰ ভণ্ড স্তাবক এদলে
দেশদ্ৰোহী ইদলে বুলিলে।"

নিন্দাৰ ছলেৰে প্ৰশংসা ব্যঙ্গ ৰচনাৰ এক প্ৰধান গুণ। বেজবৰুৱাকে আদি কৰি কেবাজনেও এই ৰীতি অৱলম্বন কৰিছিল; চন্দ্ৰধৰেও কৰিছিল। এই ৰীতিৰ আলমতে তেওঁ ৰচনা কৰা তেওঁৰ 'অসমীয়া ভাষা', 'বামুণ নেৰিবা পালে, 'অসমীয়া সঙ্কীৰ্ণ মনৰ', 'ডাঙৰ হোৱাটো ভুল' আদি কৱিতাই বৰুৱা-দেৱক চিৰদিন অসমীয়া কাব্যকাননত ব্যঙ্গ-কৱিৰূপে জিলিকাই ৰাখিব ঃ—

"Damn অসমীয়া নোৱাৰি লেখিব
Go to d vil হক
ইংৰাজী idea expres· নহয়
নাই wordৰ stock"
( 'ৰঞ্জন' )।

"বামুণ বোৰেই ভাৰতবৰ্ষৰ
যত আপদৰ মূল ;
বামুণেই দেশ নিগমে মাৰিলে
নাই তাত কোনো ভুল।
বামুণেই দেশ খালে
বামুণ নেৰিবা পালে।"
( 'ৰঞ্জন' )।

এসময়ত আমাৰ সভা-সমিতিবোৰত দেখুৱাবলৈ যেতিয়া এক-অঙ্কীয়া-নাটৰ অভাৱ আছিল, তেতিয়া বৰুৱাদেৱৰ 'ৰঞ্জন'ৰ এনেবোৰ কৱিতাই সেই ঠাই ভালেখিনি পূৰণ কৰিব পাৰিছিল। এনেবোৰ কৱিতা যে বেজবৰুৱাৰ ৰচনাৰ আদৰ্শত ৰচিত এই কথা বৰুৱাদেৱে নিজেই লিখি থৈ গৈছে। কলিকতাত প্ৰথমবাৰ দেখা হবৰ দিনাৰে পৰা বেজবৰুৱাদেৱক তেওঁ "পথপ্ৰদৰ্শক" আৰু "গুৰুস্থানীয়" ৰূপে শ্ৰদ্ধা কৰি আহিছিল।

'ৰঞ্জন'ৰ গহীন কৱিতাবোৰৰ উপৰিও 'কামৰূপ জীয়াৰী' বৰুৱাদেৱৰ কৱিত্বশক্তিৰ অসামান্য পৰিচায়ক। অসমীয়া প্ৰাচীন কৱিসকলৰ হাতত আমাৰ মনসা কাব্য কেইখনে যি লৌকিকতাৰ পৰশ পাইছিল, বৰুৱাদেৱৰ কাপ-মৈলামৰ পৰশত সি গুৰু-গম্ভীৰ আকাৰ ধাৰণ কৰিলে। তেওঁৰ কামৰূপ সৰ্বাঙ্গসুন্দৰ সৃষ্টি মনোহৰ, তেওঁৰ চাঁদ সদাগৰ সুলক্ষণ-সম্পন্ন। কামৰূপৰ বৰ্ণনা দি কৱিয়ে কৈছে—

"সুন্দৰী ইয়াৰ নাৰী সুন্দৰ পুৰুষ
সুন্দৰ ললিত ভাষা অতি মনোৰম
ৰীতি-নীতি আচৰণ সুন্দৰ সকলো।
নিষ্ঠাৱান ধৰ্ম্মশীল সদাচাৰী
সৰল অন্তৰ যত কামৰূপবাসী
কপট নাজানে কদাচিতো।
সুস্থ আৰু সৱল দেহেৰে
সুখ শান্তি ভুঞ্জি নিৰবধি
আনন্দেৰে বঞ্চিছিল সকলো প্ৰজাই।"

তেওঁৰ চাঁদ সদাগৰো অদ্বিতীয়—

"ৰূপে গুণে ধনে মানে
চৰিত্ৰই বিদ্যাই বুদ্ধিয়ে—
তেওঁৰ যোৰৰ লোক নাছিল কোনও
বহু দূৰ জুৰি সেই বহল দেশৰ।
যোগ্যজন অনুভৱি সুগুণসমূহে
একাধাৰে কৰিলেহি তেওঁক বৰণ ;
গুণত বিমুগ্ধ হই
লক্ষ্মীসৰস্বতী দুয়ো বিৰোধ পাহৰি
লগেৰে বসতি আহি ললে আলয়ত।"
( কামৰূপ জীয়াৰী' )।

আমাৰ সাহিত্যৰত্ন চন্দ্ৰধৰৰ আলয়তো লক্ষ্মী-সৰস্বতীয়ে বিৰোধ পাহৰি বসতি লৈছিল বুলি কলে ভুল নহব যেন লাগে। চন্দ্ৰধৰে হাতেৰে ৰূপৰ ব'ঠা ধৰি, সোণৰ নাৱত উঠি, সাহিত্য-ৰত্নৰ মুকুট পিন্ধি ইহধাম পৰিত্যাগ কৰিলে। আমি চন্দ্ৰৰ কলেৱৰ হেৰুৱালোঁ। কিন্তু তাৰ শীতল কিৰণৰ পৰশ কেতিয়াও নেহেৰুৱাওঁ।

---

# ৰজনী বৰদলৈৰ মনোমতী

শ্ৰী অতুলচন্দ্ৰ হাজৰিকা

জোনাকী যুগৰ যি কেইজনা খ্যাতনামা সাহিত্যিক বিৰাট পুৰুষে পশ্চিমীয়া সাহিত্যিৰ পৰা নানা তৰহৰ সমল গোটাই আনি আমাৰ সাহিত্যৰ বৰ্ত্তমান যুগ ভাৱভেটীৰে সমৃদ্ধ কৰি তুলিছিল সেই সকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াও অন্যতম। বেজবৰুৱা, গোহাঞিবৰুৱা, হেম গোসাঁই, চন্দ্ৰকুমাৰ আদি সেই যুগৰ মনীষীসকলে যিদৰে মনত দৃঢ় সঙ্কল্প লৈ সাহিত্য-সৰস্বতীক সজাই পৰাই তুলিবলৈ হাতত সোণ বৰষা কাপ তুলি লৈছিল, সেইদৰে ৰজনীকান্তয়ো উপন্যাস বিভাগত ভাষা জননীকে সালঙ্কৃতা কৰিম বুলি দৃঢ় প্ৰতিজ্ঞা কৰিছিল আৰু আশাশুধীয়াভাৱে সেই কামত লাগি থাকি আমাৰ সাহিত্য ভড়ালত কেইবাখনো উপন্যাস তেখেতে এৰি থৈ গৈছে। আমাৰ দেশৰ দাঁতি কাষৰে আৰু ওচৰে-পাজৰে থকা জনজাতিসকলক আজি আমি আপোন বুলি সাৱটি লবলৈ শিকিছোঁ হেকুৱা স্বাধীনতাৰ নতুন ৰ'দ কাঁচলি পাই। কিন্তু আজি বহু বছৰ পূৰ্ব্বেই ৰজনীকান্তই 'মিৰি জীয়ৰী' লিখি আৰু বেজবৰুৱা গোহাঞিবৰুৱাই ডালিমী, জিন্নু আদি নাগবালাসকলক সৃষ্টি কৰি এই উপেক্ষিত হৈ পৰি থকা নৰনাৰীসকলৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল সাহিত্যৰ যোগেদি। ইয়াৰ পৰাই তেখেতসকলৰ কিমান দীঘল দৃষ্টি আছিল সহজে বুজিব পাৰি। সি যি নহওক ৰজনীকান্তৰ কাপৰ পৰা ওলোৱা জনজাতীয় উপন্যাস 'মিৰিজীয়ৰী'ৰ বাহিৰে আটাই কেউখনেই হৈছে বুৰঞ্জীমূলক উপন্যাস আৰু তাম্ৰেশ্বৰী মন্দিৰ, ৰাধা-ৰুক্মিণীৰ ৰণ আৰু দন্দুৱা দ্ৰোহৰ বাহিৰে আন আটাইকেইখন উপন্যাসেই হৈছে মানৱ দিনৰ ঘটনাৰ আলম লৈ লিখা। মানৱ দিনৰ ঘটনাৰ প্ৰতি আকৃষ্ট হোৱাৰ কাৰণ বৰদলৈদেৱে তেখেতৰ ৰঙিলী উপন্যাসৰ পাতনিত বিবৰি কৈছে।

আমাৰ আলোচ্য 'মনোমতী' বৰদলৈদেৱৰ দ্বিতীয় উপন্যাস। সুখৰ বিষয় গ্ৰন্থকাৰে কোৱামতে তেখেতক বাসনা সূত্ৰই এৰি নিদিয়াৰ কাৰণেই আমি বৰদলৈৰ জীয়াৰী ৰূপহী মনোমতাক লাভ কৰিলো। বৰদলৈৰ উপন্যাসসমূহৰ ভিতৰত 'মনোমতী'ক শ্ৰেষ্ঠ স্থান দিলেও বোধকৰো বৰ ভুল কৰা নহব।

ভাৰতীয় সাহিত্যবোৰত উপন্যাস সৃষ্টি হবৰ বৰ বেছি দিন হোৱা নাই—অসমীয়া সাহিত্যত এতিয়া এই বিভাগৰ চালুকীয়া অৱস্থা পাৰ হৈছে মাথোন। লিখকৰ ব্যক্তিগত জীৱন-দৰ্শন আৰু জীৱনানুভূতি কোনো এটি বাস্তৱ কাহিনীৰ আলম লৈ বৰ্ণনামূলক শিল্পকাৰ্য্যত ৰূপায়িত কৰিলে তাকে উপন্যাস বুলি কোৱা হয়। উপন্যাস-লিখকে উপন্যাসৰ আখ্যান ভাগ সুন্দৰ আৰু সুৰসাল কৰি বৰ্ণনা কৰে। ৰজনীকান্ত বৰদলৈদেৱৰ উপন্যাস ৰচনা ইংৰাজী আৰু বঙলা সাহিত্যৰ অধ্যয়নৰ ফল। সেই সময়ত তেখেতৰ পথপ্ৰদৰ্শক হব পৰা কোনো অসমীয়া উপন্যাস লিখক নাছিল। কিয়নো ইতিপূৰ্ব্বে কামিনীকান্ত আৰু সুধৰ্ম্মাৰ উপাখ্যান প্ৰকাশ হৈছিল যদিও এই দুখন পুথিক প্ৰকৃত উপন্যাস বুলি কব নোৱাৰি। সেই কাৰণে নিজেই নিজৰ পথপ্ৰদৰ্শক হৈ তেখেতে আমাৰ উপন্যাস বিভাগত যি কীৰ্ত্তি আৰ্জ্জি থৈ গৈছে সি সঁচাকৈয়ে বিশেষ কৃতিত্বৰ কথা।

বহু শ্ৰেণীৰ উপন্যাসৰ ভিতৰতো বৰদলৈদেৱে বুৰঞ্জীমূলক উপন্যাসতহে বিশেষভাবে হাত দিছিল। এই শ্ৰেণীৰ উপন্যাসত লিখকে সমসাময়িক জীৱনৰ বিষয়বস্তু লৈ উপন্যাস ৰচনা নকৰে। তেওঁ অতীত মুখী—অতীতৰ ঘটনাৱলীকে তেওঁ ৰূপে-ৰসে সমৃদ্ধ কৰি প্ৰাণময় আৰু জীৱন্ত কৰি তোলে। পূৰ্ণানন্দ বুঢ়াগোহাঁই, চন্দ্ৰকান্ত সিংহ, সতৰাম, ৰাজমাও আদি বুৰঞ্জী-প্ৰসিদ্ধ চৰিত্ৰবোৰৰ উপৰিও সেই যুগৰ ভালেমান প্ৰখ্যাতনামা নৰনাৰীক বৰদলৈদেৱে নতুনকৈ প্ৰাণদান কৰি আমাৰ আগত এনে ভাবে সজাই পৰাই উলিয়াইছে যে সেইবোৰ বুৰঞ্জীৰ হুবহু প্ৰতিকৃতি বুলি আমাৰ ভুল হব খোজে। বুৰঞ্জীৰ নিৰস কথাবোৰ তেখেতে এনেভাবে ৰসাল কৰি তুলিছে যে সেই ঘটনাৱলী বুৰঞ্জীৰ ঘটনা হলেও বোলছবিৰ কাহিনী যেনহে লাগে। 'মনোমতী'ৰ মূল কাহিনীটো ঠোৰতে এনেকুৱা :—

মনোমতী কামৰূপৰ বুৰঞ্জীপ্ৰসিদ্ধ চণ্ডী বৰুৱাৰ ধৰ্ম্মীয়া জীয়েক। পমীলা তেওঁৰ সখীয়েক। বৰপেটা কীৰ্ত্তন-ঘৰত ফাকুৱা উৎসৱ চাবলৈ যাওঁতে তেওঁৰ লগত হলকান্ত বৰুৱাৰ পুতেক লক্ষ্মীকান্তৰ দেখাদেখি হয়। চাৰি চকুৰ মিলনতে দুয়ো দুয়োৰো প্ৰতি আকৃষ্ট হয়। কিন্তু এই মিলনৰ প্ৰথম অন্তৰায় হল চণ্ডী বৰুৱা আৰু হলকান্ত বৰুৱা এই দুঘৰ পৰিয়ালৰ ভিতৰত পুৰণিকলীয়া বিৰোধ। এনে সময়ত কামৰূপ মানৰ দ্বাৰা আক্ৰমিত হয়। হলকান্ত বৰুৱাই পুৰ্ব্ব-শত্ৰু মনে জানি শৰেৰে বুকুত হানি ঘাইকৈ চণ্ডী বৰুৱাৰ ওপৰত পোতক তুলিবলৈ মানক বৰিবলৈ যায়। মনোমতীৰ পেটৰ ভাব বুজিব পাৰি চতুৰা সখীয়েক পমীলাই তেওঁলোকৰ টোলতে আশ্ৰিত হৈ থকা শান্তিৰাম আতৈৰ সহায় লৈ দূতালি কৰি মনোমতী লক্ষ্মীকান্তৰ ভিতৰত মিলন ঘটায়। সেই ৰাতিয়ে মানে চণ্ডী বৰুৱাৰ হাউলি আক্ৰমণ কৰি চণ্ডী বৰুৱা, মনোমতী, পমীলা, শান্তিৰাম আদি সকলোকে বন্দী কৰে। এওঁলোকৰ ওপৰত নানান নিৰ্য্যাতন আৰম্ভ হয় আৰু অৱশেষত মান সেনাপতিৰ ভাৰ্য্যাৰ ভাও দি থকা অসমীয়া গাভৰু পদুমীৰ সহায়ত শান্তিৰামে মুক্তি লাভ কৰি লক্ষ্মীকান্ত, মনোমতী, পমীলা আৰু হলকান্ত বৰুৱাকো সিদ্ধি খান্দি পলুৱাই নিয়ে। ইয়াৰ ভিতৰতে স্বদেশদ্ৰোহিতা পাপৰ ফলত হলকান্ত বৰুৱায়ো মানৰ বিৰাগভাজন হৈ পোতাশালত ঠাই পাইছিল। দুখৰ বিষয় চণ্ডী বৰুৱাক পলুৱাই নিব পৰা নহল। তেওঁক মানে কাটিলে। পলুৱাই নিয়াৰ পিছত বৰপেটাৰ অনাথ চৌধাৰী নামেৰে আন এজন সদাশয় ডাঙৰীয়াৰ ঘৰত আচৰিত ৰকমে আটাইবিলাক লগ লাগে। সেই সময়তে বুটিছৰ কোপ দৃষ্টিত পৰি মানৰ প্ৰতি বিধি বাম হয়। কিন্তু অসম এৰি যাবৰ সময়তো নেগুৰত গছকা সাপৰ দৰে পাষণ্ডহঁতে যি বাটেদি উলটি যায় সেই খণ্ডৰ সৰ্ব্বনাশ কৰি যায়। বৰপেটাৰ কীৰ্ত্তন ঘৰকো পাষণ্ডহঁতে উজাৰ কৰি যায়। এই সময়ত লগা যুজত মানৰ লগত ৰণ কৰি লক্ষ্মীকান্ত আদি আহত হয়। সি যি নহওক দুখৰ পিছত সুখ, আঁউসীৰ পিছত পূৰ্ণিমা হোৱাৰ নিচিনাকৈ অনাথ চৌধাৰীৰ ঘৰতে হলকান্তৰ আৰু চণ্ডী বৰুৱাৰ বিধৱা ভাৰ্য্যাৰ অনুমোদনত লক্ষ্মীকান্ত মনোমতীৰ শুভ পৰিণয় সমাধা হয়। হলকান্ত সন্ন্যাসী হয়। মান সেনাপতিৰ ৰক্ষিতা পদুমীৰ আত্মকৃতান্ত বা আত্মত্যাগৰ কথা জনাজাত হয়। শান্তিৰাম আৰু পমীলাৰ মিলনত উপন্যাসৰ মধুৰেণ সমাপয়েৎ হয়।

এইদৰে মনোমতী লক্ষ্মীকান্তৰ মিলনৰ ঘটনাকে মূল কেন্দ্ৰ কৰি লৈ লিখকে উপন্যাসখনিত কেইবাটাও উপকাহিনী শিল্প সঙ্গতভাৱে সৃষ্টি কৰি খাপ খুৱাই গাঁথি দিছে। উপন্যাসখন পঢ়িবৰ সময়ত পাঠকৰ মনত এনে ধাৰণা ওপজে যেন এটাইবোৰেই মানৰ



দিনত ঘটা সঁচা ঘটনা আৰু চৰিত্ৰবোৰো যেন লিখকে মনে গঢ়া নহয়, বুৰঞ্জী পাতৰ পৰা বুটলি লোৱাহে। এই খিনিতে লিখকৰ বিশেষ কৃতিত্ব বুলি কব পাৰি। ঘটনাৰ মূলভেটি আৰু কোনো চৰিত্ৰৰ জুমুধিটো বুৰঞ্জীৰ হলেও বৰদলৈদেৱে সেইবোৰকে নকৈ গঢ়ি পিটি নিজৰ ঠাচত ঢালি লৈছে।

এই উপন্যাসৰ নায়িকা মনোমতীৰ পিতৃ চণ্ডী বৰুৱা বৰনগৰীয়া দুৱৰীয়া বৰুৱা আছিল। এওঁক মানে কাটে দেখি মানে কটা বৰুৱাও বোলে। এওঁৰ জীৱনবৃত্তান্ত আৰু আন আন আনুসঙ্গিক বহুত কথা মানুহৰ মুখে মুখে প্ৰবাদৰ নিচিনাকৈ চলি আহিছে। বৰদলৈদেৱে চবডেপুটী কলেক্টৰী কৰি গাঁৱে-ভূঞে ঘুৰি ফুৰিবলগীয়া কালত মৌ-মাখিয়ে ফুলৰ মৌ গোটোৱাৰ নিচিনাকৈ সেইবোৰ কাহিনী আহৰণ কৰি অতীতৰ প্ৰতি তেখেতৰ শ্ৰদ্ধা ভক্তি, বিস্ময় আৰু প্ৰেম বিমুগ্ধ চিত্তৰ সহায়ত এই উপন্যাসখনি ৰচনা কৰে। সেই কালৰ মানুহৰ ঘাইকৈ আমাৰ অসমীয়া ডা-ডাঙৰীয়া, বোৱাৰী-জীয়াৰীসকলৰ জীৱন-যাত্ৰাৰ প্ৰণালী, ৰীতি-নীতি, সংস্কাৰ, আচাৰ-ব্যৱহাৰ, সাজপাৰ, গাৰ্হস্থ্য আৰু সামাজিক জীৱনৰ অৱস্থাৰ প্ৰতি বৰদলৈদেৱ যে বিশেষভাবে সচেতন আছিল সেই কথাৰ চিনাকি তেখেতৰ মনোমতী উপন্যাসৰ পাতে পাতে পোৱা যায়। উপন্যাসৰ আৰম্ভণিতে দিয়া বৰপেটা কীৰ্ত্তন ঘৰ আৰু ফাকুৱা উৎসৱৰ বৰ্ণনা ফটোগ্ৰাফৰ ছবিৰ নিচিনাকৈ ফটফটীয়া হৈ জিলিকি উঠিছে, হাদিৰাচকিৰ ৰণৰ বৃত্তান্তই বুৰঞ্জীৰ করুণ কাহিনী নকৈ ফঁহিয়াই দেখুৱাইছে। ঠায়ে ঠায়ে মূল কথাতকৈ পাতনি বেছি হলেও আৰু বুৰঞ্জীৰ বৰ্ণনাৰ আধিক্য দেখা গলেও মনোমতী সঁচাকৈয়ে মনোমতী হৈছে। লিখকৰ আন আন উপন্যাসত চৰিত্ৰৰ বাহুল্য, ধৰ্ম্মকথাৰ প্ৰাধান্য আদি যিবোৰ দোষ দেখা যায় এই উপন্যাসত তেনে দোষ থাকিলেও সামান্য বুলি কব পাৰি।

উপন্যাসৰ আন এটি লক্ষ্য কৰিবলগীয়া বিষয় কথোপকথন আৰু প্ৰকাশভঙ্গী। বেজবৰুৱা, বৰা আদি আন আন ওজা লিখকৰ দৰে বৰদলৈৰ ভাষা আৰু প্ৰকাশভঙ্গীত মাধুৰ্য্য বা মাদকতা নাই, বিশেষ কলা কৌশলো নাই, কিন্তু এটা সুকীয়া মূল্য আছে। তেখেতৰ বাক্য ৰচনা, শব্দাৱলী আদি কোনো ঠাইত অভিধান আৰু ব্যাকৰণৰ দ্বাৰা সমৰ্থিতো নহয় তথাপি ইয়াৰ এটা বৈশিষ্ট্য আছে। তেখেতৰ প্ৰকাশভঙ্গী সৰল, সহজ পোনপটীয়া আৰু হোজা ধৰণৰ। তেখেতৰ ৰচনা পঢ়িলে আমাৰ এনেহে লাগে যেন গাঁৱৰ পৰা অহা ভদাই গাঁওবুঢ়াৰ মুখত জুহালৰ কাষত বহি মানৰ দিনৰ সাধুকথা শুনা গৈছে। শুনিলে শুনি থাকিবৰ মন যায়। বিষয় বস্তুৰ লগত খাপ খাই পৰাৰ বাবে উপমা অলঙ্কাৰ আদিৰ মাধুৰ্য্য বৰ্জ্জিত ভাষা হলেও সেই ভাষাই আমাক আমনি নিদি তৃপ্তিহে দিয়ে। মনোমতীক কেন্দ্ৰ কৰি লৈয়েই বৰদলৈদেৱে পুৰণি অসমৰ বেলিমাৰৰ দৃশ্যাৱলী আৰু সেই কালৰ ৰাজনৈতিক আৰু সামাজিক অধঃপতনৰ কথা আমাৰ আগত এখন দাপোণৰ নিচিনাকৈ আঁকি দেখুৱাইছে। লিখকৰ ভাষাৰে কবলৈ হলে—"এইটো প্ৰায় সততে দেখা যায় যে যেতিয়া কোনো এটা জাতিৰ নাশন কাল উপস্থিত হয়, অৰ্থাৎ যেতিয়া কোনো এটা জাতি পৰিবলগীয়া হয়, তেতিয়া সেই জাতিৰ মানুহবিলাক হীনবীৰ্য্য হয়। সেই জাতিৰ মানুহবিলাকৰ মনত সকলোবিলাক কুবৃত্তিয়ে ঠাই লয়হি, নিজে নিজৰ ভিতৰত খোৱা-কামোৰা কৰিবলৈ ধৰে আৰু তেনেকুৱা হলেই সেই জাতিক আন কোনো বলৱান বিদেশী জাতিয়ে আহি কাটিমাৰি নাশ কৰে আৰু দাসত্বৰ শিকলিৰে নিগাজীকৈ বান্ধে। এইদৰে ৰোমৰাজ্যক ভেণ্ডাল আৰু গথবিলাকে ধ্বংস কৰে, ভাৰতবৰ্ষক মুছলমানে নাশ কৰে। আমাৰ অসমকো

এইদৰে "মান" নামধাৰী কেতবিনি মানুহে কাটি-ছিঙি জুৰুলাজুপুৰা কৰে। আমাৰ এই কাহিনীত এই মানৱৰ শেষ আক্ৰমণৰ সময়ৰ এটি চিত্ৰ বৰ্ণনা কৰিবলৈ ওলালোঁ।"

কুমলীয়া ৰজা চন্দ্ৰকান্তৰ আমোলত বদনচন্দ্ৰ আৰু পূৰ্ণানন্দৰ বিৰোধৰ জুই কুৰাই কেনেকৈ দেশখন দংশি পেলালে আৰু আমাৰ ডা-ডাঙৰীয়াসকলৰ মাজত মিলাপ্ৰীতিৰ অভাৱতে কেনেকৈ সি চৰম সীমা পাইছিলগৈ তাৰ পটন্তৰ স্বৰূপে দেশৰ এমূৰৰ শোকলগা পৰিণতি কেনেকৈ হবলৈ পালে তাকে গ্ৰন্থকাৰে আঁকি দেখুৱাইছে চণ্ডী বৰুৱা আৰু হলকান্তৰ অমিল আৰু হিংসাহিংসি ভাবৰ পৰিণামৰ মাজেদি। জটীয়া বাবাজীৰ মুখেদিয়ে লিখকে প্ৰাণৰ কথা ব্যক্ত কৰিছে। বাবাজীয়ে হলকান্তক কৈছিল—"মই বুজিলোঁ তইঁতৰ দেশতো ঘোৰ কলি উপস্থিত হ'ল। মই আগেয়ে ভাবিছিলোঁ যে আমাৰ পশ্চিমতহে এনে ডাঙৰ ডাঙৰ ৰাণায়-ৰাণায়, ৰাওৰে-ৰাওৰে, ৰজাই-ৰজাই, বীৰে-বীৰে মনোবাদ আছে। কিন্তু এতিয়া বুজিলোঁ তইঁতৰ এই দেশতো এনে-কুৱাবিলাক মনোবাদ আছে। বাৰু তোৰ যি ইচ্ছা তাকে কৰগৈ। মই বুজিছোঁ তইঁতৰ নাশন কাল উপস্থিত হৈছে।"

দ্বিতীয়তে যি অসমীয়া জাতিয়ে শঙ্কৰ-মাধৱ প্ৰৱৰ্ত্তিত যি বহল উদাৰ মহাপুৰুষীয়া ধৰ্ম্মৰ বলত ৰাজহাড় পোন কৰি থিয় হৈ আছিল সেই ধৰ্ম্ম আৰু সেই ধৰ্ম্মৰ সত্ৰ সবাহ গোসাঁই মহন্ত ভকত আদিৰ ঘুণে ধৰা অৱস্থাটোৰ বিষয়ে গ্ৰন্থকাৰৰ আন আন উপন্যাসৰ দৰে মনোমতীতো মনোৰমকৈ দাঙি ধৰিছে বৰপেটাৰ কীৰ্ত্তন ঘৰৰ চোতালত বহা ৰাজহুৱা ৰৰমেলত। বীৰ আৰু প্ৰকৃত দেশহিতৈষী বদনৰ কথাত বুঢ়া আৰু মেলুৱৈসকলৰ গাৰ লোমেই ন'লৰিল। মেলুৱৈহঁতে কলে—"ই বোলে মই অমুকৰ ঘৰৰ, মই বৰ চক্ৰ পাওঁ, সি বোলে মইও অমুকৰ ঘৰৰ, মইও বৰ চক্ৰ পাওঁ। এই দৰে ঐয়া-হৈয়া হবলৈ ধৰিলে। বৰ চক দিওঁতে দিওঁতে বৰ চক্ৰৰ ওৰ পৰিল।" বদন আৰু লক্ষ্মীকান্তৰ সজ কথাত কাণ নিদিলে ৰাইজে। কীৰ্ত্তন ঘৰত এফালে মেলুৱৈ বীৰসকলৰ হুৱাহুৰি আৰু এফালে লৰা-তিৰোতাবিলাকৰ প্ৰসাদৰ নিমিত্তে হুলস্থুল লাগি থাকোতেই চাউল খোৱা নৈ পাৰ হৈ আহি মানে কীৰ্ত্তন ঘৰত তাণ্ডৱ লীলা চলালে। এনেকুৱা সৰ্ব্বনশীয়া গাঁৱলীয়া মেল 'মনোমতীৰ' কীৰ্ত্তন ঘৰতেই যে ঘটিছিল তেনে নহয় ইয়াক সদৌ অসমীয়া সমাজৰ বাপতিসাহোন বুলিয়েই কব পাৰি।

সুখৰ বিষয় মনোমতীৰ প্ৰায়বিলাক চৰিত্ৰই উত্তম গঢ় লৈছে আৰু স্বয়ং সম্পূৰ্ণ হৈ ফুটি ওলাইছে। বঙালী ঔপন্যাসিক শৰৎচন্দ্ৰৰ উপন্যাসবোৰ নাৰী প্ৰধান হোৱাৰ নিচিনাকৈ ৰজনীকান্তৰ উপন্যাসবোৰো নাৰী প্ৰধান বুলি কোৱা শুনা যায়। ৰঙিলী, ৰহদৈ লিগিৰী আদি উপন্যাসৰ ক্ষেত্ৰত এই কথা সম্পূৰ্ণ সঁচা আৰু মনোমতীৰ ক্ষেত্ৰত ইয়াক আংশিক ভাবে সত্য বুলি কব পাৰি। মনোমতী, পমীলা আৰু পদুমী এই তিনিটা নাৰী চৰিত্ৰৰ প্ৰতি পুৰুষ চৰিত্ৰ কেইটাতকৈ লিখকৰ অলপ অনুৰাগ বেছি যেন দেখা পালেও হলকান্ত, লক্ষ্মীকান্ত, চণ্ডী বৰুৱা, শান্তিৰাম আতৈ আদি পুৰুষ চৰিত্ৰ কেইটাও তেওঁ অসম্পূৰ্ণ কৰি সৃষ্টি কৰা নাই। মনোমতীৰ চৰিত্ৰবোৰৰ মাজত পমীলাই হৈছে জাকত জিলিকা আৰু আটাইতকৈ চকুত লগা। গ্ৰন্থকাৰে পমীলা আৰু মনোমতীক এই দৰে বৰ্ণাইছে—"পাঠক! আমাৰ মনোমতী নকৈ ফুলিব খোজা এপাহি পদুম আৰু পমীলা ভালকৈ ফুলা এপাহি গোলাপ ফুল। মনোমতীৰ চকুত কি গুণ আছিল আমি কব নোৱাৰোঁ কিন্তু তাক দেখিলে অনেকে মোহ নগৈ থাকিব নোৱাৰে বুলি আমি ডাঠকৈ



কব পাৰোঁ; কিন্তু পমীলাৰ চকু যেন ঈশ্বৰে তেওঁক বিশেষকৈ মানুহ বশ কৰিবৰ নিমিত্তে দিছিল। মনোমতীক দেখিলে এইটো বুজিব পাৰি যে তেওঁ একোকে নজনা এজুপি মাধৈ-মালতী লতা কিন্তু পমীলা এজোপা যেই সেই বাটকুৱা মানুহৰ মন মোহৱ পৰা গোলাপ ফুল। মনোমতী আজলী—নিচেই কথা কব নজনা, পমীলা বাধালী আৰু চতুৰালি কথা কব পৰা। মনোমতীৰ বুদ্ধি সৰল বিধৰ, পমীলাৰ বুদ্ধি অলপ-ধতুৰা পুৰুষক ঠাইতে ঘাটি খুৱাব পৰা। ৰূপতো পমীলা মনোমতীতকৈ বিশেষ হীন নাছিল। মনোমতী বগা, পমীলা তেজগোৰা। মনোমতীতকৈ পমীলা অলপ ওখ। মনোমতীৰ চুলিটাৰতকৈ পমীলাৰ চুলিটাৰ দীঘল। পমীলা মনোমতীতকৈ অলপ শকত। তামোল খাই তেওঁৰ মুখখন সদাই তুকতুকীয়া ৰঙা। বুকুখন ওখ আৰু হাতভৰিবিলাক শকত-আৱত।" পমীলাৰ চৰিত্ৰ সৃষ্টি কৰিবৰ সময়ত গ্ৰন্থকাৰৰ চকুৰ আগত কুমৰহৰণ কাব্যৰ চিত্ৰলেখাৰ ছবি নিশ্চয় জলজল পটপট কৈ জিলিকি আছিল। সেই দেখিয়ে চিত্ৰলেখা আৰু পমীলাৰ ভালেখিনি সাদৃশ্য দেখা যায়। শোণিত-কুঁৱৰৰ উষাই তেওঁৰ মনচোৰক দেখা পাইছিল সপোনত, বহাগৰ দ্বাদশী তিথিত। মনোমতীয়ে তেওঁৰ মনচোৰক দেখা পাইছিল দিঠকত, বৰপেটাৰ কীৰ্ত্তন ঘৰৰ ফাকুৱা উছৱত। চিত্ৰলেখাই সেই সপোনকোঁৱৰক হৰণলুকি মায়াৰে দ্বাৰকাৰ পৰা হৰণ কৰি আনি অগ্নিগড়ৰ মাজত গুপুতে উষা-অনিৰুদ্ধৰ পৰিণয় পাতি দি অসাধ্য সাধন কৰিছিল। ঠিক সেই দৰে পমীলায়ো একে কামকে কৰিছিল। তেওঁ মনোমতীক কৈছে—"সখি! বুকৰ সখি! নাকান্দিবা। তুমি থিৰ হোৱা। মই থাকোতে তোমাৰ কিহৰ দুখ?" তাৰ পিছত তেওঁ শান্তিৰাম ভকতৰ সহায়ত একেভাবেই দুটি অহি-নকুল পৰিয়ালৰ বৰকন্যা লক্ষ্মীকান্ত আৰু মনোমতীৰ মাজত মিলন ঘটাইছে। আতৈয়ে তেওঁক 'চিত্ৰলেখী' নাম দিয়াটো যথাৰ্থ হৈছে। মুঠতে উপন্যাসত পমীলাক আমি বুদ্ধিমতী, ৰচকী, উপস্থিত বুদ্ধিসম্পনা আৰু সখীপ্ৰাণা হিচাপে দেখা পাইছোঁ। উপন্যাসত পমীলা আৰু মনোমতী এই দুইটা নাৰী চৰিত্ৰই সমান্তৰালভাবে ফুটি ওলাইছে। মনোমতী লাজকুৰীয়া আৰু সৰল স্বভাৱৰ, পমীলা কিন্তু ওপৰত উল্লেখ কৰা মতে তাৰ বিপৰীত।

উপন্যাসৰ অন্যতম চৰিত্ৰ পদুমীও উপেক্ষিতা হোৱা নাই। এইটো উল্লেখযোগ্য যে গ্ৰন্থকাৰে শান্তিৰাম আৰু পদুমীৰ চৰিত্ৰ দুটা তেওঁৰ আন এখন উপন্যাস ৰঙিলীৰ পৰা টানি আনিছে! মানৱ প্ৰথম আক্ৰমণৰ সময়ত উজনিৰ ৰংপুৰত এওঁলোকৰ কেনে আলৈবিলৈ আৰু অথন্তৰ ঘটিছিল সেইকথা ইতিপূৰ্ব্বে তেওঁ বিবৰি কৈ আহিছে। তেতিয়া আমি পদুমীক উদয়গিৰিত দেখা পাইছিলোঁ, এতিয়া লগ পাইছোঁ অস্তাচলত। মুঠতে মনোমতীৰ পদুমী চৰিত্ৰ বৰ কৰুণ আৰু অতি যাতনা-দায়ক। মানে তেওঁৰ দেহা চুৱা কৰিলে কিন্তু মন চুৱা কৰিব নোৱাৰিলে। বাহ্যিক দৃষ্টিত তেওঁ ভ্ৰষ্টা আৰু মানৱ ধৰ্ষিতা। কিন্তু তেওঁৰ কাৰ্য্যাকলাপৰ অৰ্থাৎ নিজে নৰককুণ্ডত মাজত থাকিও স্বদেশ আৰু স্বজাতিৰ বাবে তেওঁ যিমানখিনি সৎকৰ্ম্ম কৰি গল তাৰ তুলনা নহয়। মিঙিমাহা তিলোৱাই গাৰ বলেৰে তেওঁৰ দেহাটো পাইছিল কিন্তু তেওঁৰ মনৰ গৰাকী, প্ৰাণৰ দেৱতা আছিল শান্তিৰামহে। নিজ উদ্দেশ্য সাধনৰ বাবে মান সেনাপতিক ফটিকা আৰু সঙ্গীতত বুৰাই ৰাখি, পৰীয়া আদিৰো চকুত ধূলি মাৰি, পমীলা, মনোমতী, আদিৰে পৰামৰ্শ কৰি শান্তিৰাম ভকতক সকুৱাই সকলোৰে উদ্ধাৰৰ উপায় কৰি দিছিল। পদুমীৰ স্বাৰ্থত্যাগ, বিচক্ষণ বুদ্ধি আদি মন কৰিবলগীয়া। পদুমীৰ জীৱনৰ লক্ষ্য দৈহিক বা ঐহিক সুখৰ বাবে নাছিল।

পৰৰ হিত সাধনেই আছিল তেওঁৰ জীৱনৰ ব্ৰত। স্বাৰ্থপৰতাৰ ভাব থকা হলে আৰু দেশপ্ৰেম নথকা হলে তেওঁ অতি সহজে শান্তিৰামৰ লগত পলাই সাৰিব পাৰিলেহেতেন আৰু মান পিশাচৰ কোপ দৃষ্টিত পৰি অগ্নিদগ্ধাও হব নেলাগিলহেতেন। পঢ়ুমীয়ে শান্তিৰামৰ উদ্দেশ্যে লিখি থৈ যোৱা আত্মকাহিনী-মূলক পত্ৰখন পঢ়ি আমি তেওঁৰ বাবে এটুপি চকুলো নেপেলোৱাকৈ নোৱাৰোঁ। কিমান হতভাগিনী নাৰীৰ জীৱন এই দৰে ব্যৰ্থ হৈ গৈছে! কিন্তু ব্যৰ্থতাৰ মাজতো জীৱন সাৰ্থক কৰি তুলিব পাৰিছে কিমানে সেইটোহে ভাবিবলগীয়া কথা। এনে এটি দৰদী চৰিত্ৰ সৃষ্টি কৰিব পৰাৰ বাবে বৰদলৈদেৱ আমাৰ ধন্যবাদৰ পাত্ৰ।

পুৰুষ চৰিত্ৰবোৰৰ ভিতৰতো লক্ষ্মীকান্তৰ বীৰত্ব, শান্তিৰামৰ দুতালি আৰু ৰসিকতা, হলকান্তৰ হিংসাকুৰীয়া স্বভাৱ, পৰশ্ৰীকাতৰতা আৰু দেশদ্ৰোহিতা আদি বহুত কথাই দেখুৱা হৈছে। মুঠতে অতীতৰ বুকুত জাহ যোৱা ভালেমান সৰু ডাঙৰ চৰিত্ৰ আৰু ইতিবৃত্ত মনোমতীত মনোৰমকৈ প্ৰকাশ কৰা হৈছে। এই বাবেই বৰদলৈক আমি শ্ৰেষ্ঠ অসমীয়া ঔপন্যাসিক হিচাপে সদায় সুঁৱৰিব লাগিব।

---

# পুথি পৰিচয়

**আহোম ভাষা আৰু অসমীয়া সংস্কৃতি :**—শ্ৰীলীলা গগৈ বিৰচিত আৰু শিৱসাগৰৰ জেউতি প্ৰকাশৰ দ্বাৰা প্ৰকাশিত। বেচ পাঁচ টকা, ১৯৬১ চন।

সংস্কৃতিৰ গতি বোৱঁতী নৈৰ নিচিনা। ইয়াৰ অতীজৰেপৰা একেৰাহে বৈ অহা ধাৰাই হৈছে জাতীয় জীৱনৰ মূল সম্পদ। সভ্যতাই সমাজক সু-শৃঙ্খল কৰি সংস্কৃতিৰ ৰূপ দিয়াত সহায়তা কৰে। সাহিত্য, কলা, স্থাপত্য, ভাস্কৰ্য্য আদি বিভিন্ন ক্ষেত্ৰত প্ৰকাশ পোৱা প্ৰতিভাই হৈছে একোটা জাতিৰ সংস্কৃতিৰ মাপকাঠি। ভাৰতীয় সংস্কৃতিৰ দৰে অসমীয়া সংস্কৃতিও এক বিৰাট সমন্বয়ৰ বস্তু। এই সাংস্কৃতিক সমন্বয় ইমান গাঢ় হৈ পৰিছে যে বিভিন্ন জাতিৰ স্বকীয় সাংস্কৃতিক বৰঙণি নিৰুপণ কৰা বৰ সহজ কাম নহয়। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে 'এ কালচাৰেল হিষ্টৰি অব্ আচাম' ( A cultural History of Assam ) আৰু 'অসমীয়া ভাষা আৰু সংস্কৃতি' নামৰ গ্ৰন্থত অসমৰ সংস্কৃতি বিষয়ক নানা তথ্যপাতি পোহৰলৈ আনে।

শ্ৰীলীলা গগৈৰ 'আহোম জাতি আৰু অসমীয়া সংস্কৃতি' নামৰ সদ্য প্ৰকাশিত গ্ৰন্থত ছশ বছৰীয়া আহোম ৰাজত্বৰ বহুমুখী সাংস্কৃতিক অৱদানৰ কথা পুঙ্খানুপুঙ্খৰূপে আলোচনা কৰিছে। সাহিত্য, স্থাপত্য, ভাস্কৰ্য্য, চিত্ৰ-কলা, ৰাজনীতি, সমাজ-নীতি আদি বিভিন্ন দিকত আহোম ৰাজত্বৰ বৰঙণি ফঁহিয়াই দেখুৱা হৈছে। তেওঁ আহোম যুগৰ সাংস্কৃতিক ক্ৰমবিকাশৰ এটি চমু আভাস দিবৰ চেষ্টা কৰিছে। পুথিখনে লেখকৰ বিস্তৃত অধ্যয়ন, মানসিক শ্ৰম আৰু তথ্য আহৰণ কৰিব পৰা ক্ষমতাৰ চিনাকি দিয়ে।

পুথিখন সোতৰটা অধ্যায়ত ভাগ কৰা হৈছে। ইয়াৰ প্ৰথম অধ্যায়ত ( আহোমসকলৰ সাংস্কৃতিক অৱদান ) সকলো বিষয়ৰে সংক্ষেপে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ বৰঙণি আলোচনা কৰা হৈছে। বাকী অধ্যায়বোৰত লেখকে আহোম ভাষাত ঠাইৰ নাম, আহোম ভাষা, আহোমৰ পূজা-পাতল, শাসন প্ৰণালী, সিংহাসন আৰু সাজপাৰ, বিবাহ পদ্ধতি, খেল-ধেমালি, শিক্ষা-ব্যৱস্থা, দ'ল-দেৱালয়, আহোম ৰাজত্বত সাংস্কৃতিক বিকাশ, আহোম ৰাজত্ব আৰু অসমীয়া সাহিত্য, আহোম লিপিৰ পুথি, আহোম যুগৰ সঙ্গীত, টাই জাতি আদি বিভিন্ন বিষয়ৰ আলোচনা কৰিছে। দ্বিতীয়, দশম আৰু সপ্তদশ অধ্যায়ৰ কিছুমান কথা দুই ঠাইত পুনৰাবৃত্তি হৈছে। লেখকে বিষয়বস্তু অনুসৰি অধ্যায়বোৰ সজোৱা হ'লে পুথিৰ জেউতি চৰিলহেতেন।

চাংকং ফুকনৰ বুৰঞ্জীৰ উদ্ধৃতিৰ পৰা আহোম যুগৰ দ'ল-দেৱালয়, ঘৰ-দুৱাৰ, আলি পুখুৰী আদি নিৰ্ম্মাণৰ বিৱৰণ পাব পাৰি। আহোম ভাষাত অসমৰ ভৌগোলিক নামকৰণ অধ্যায়ত আহোম ভাষাৰ প্ৰভাৱ নিৰ্ণয় কৰোতে লেখকে ডঃ বাণীকান্ত কাকতিৰ 'অসমীয়া ভাষাৰ গঠন আৰু বিবৰ্তন' নামৰ পুথিত থকা কেইটামান অষ্ট্ৰিকমূলজ বুলি ঠাৱৰ কৰা শব্দলৈ ( তিপাম, টিয়ক, নামটিমা, নামতি, তিৰাপ ) আঙুলিয়াই কৈছে যে 'এই শব্দকেইটা আহোমমূলৰ বুলি ক'বলৈ থলৈ আছে' ( পৃঃ ২৫ )। অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশিত ( চতুৰ্দ্দশ বছৰ—দ্বিতীয়-তৃতীয় সংখ্যা ) ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাত আহোম ভাষাৰ শব্দ' শীৰ্ষক প্ৰবন্ধত

'টিপাম, টিয়ক, নামতি' শব্দক বৰুৱায়ে। আহোম ভাষাৰ শব্দ বুলিছে। গতিকে ভাষাতত্ব আৰু বিভিন্ন সাংস্কৃতিক বৰঙণিৰ ক্ষেত্ৰত শেষ কথা কোৱা টান। আহোম যুগৰ দ'ল-পুখুৰী, আহোম যুগত নিৰ্ম্মাণ হোৱা আলি-গড় আদি, আহোমৰ বিভিন্ন ফৈদ, আহোম ৰজাৰ বিষয়া, আহোম যুগৰ সাজ-কাপোৰ, আহোম যুগৰ অয়-অলঙ্কাৰ, আহোম যুগৰ সা-সঁজুলি, আহোম যুগত সৃষ্টি হোৱা খণ্ড বাক্য, যোজনা-পটন্তৰ শীৰ্ষক পৰিশিষ্টৰ তালিকা আৰু টোকাৰ বিভিন্ন তথ্য-পাতিয়ে পুথিখনৰ সোষ্ঠৱ বৃদ্ধি কৰিছে। শেহত ৩৭খন চিত্ৰ সন্নিবেশ কৰা হৈছে। এইবোৰৰ ভিতৰত বৌদ্ধ ত্ৰিৰত্ন ( ফলি নং ১৮ ) আৰু সূৰ্য্যদেৱতাৰ ( ফলি নং ১৯ ) ছবি দুখন প্ৰাক্-আহোম যুগৰ। সম্ভৱ প্ৰাক্-আহোম যুগ আৰু আহোম যুগৰ কলাৰ তুলনামূলক আলোচনাৰ বাবে এই দুখন ছবি দিয়া হৈছে। ঠায়ে ঠায়ে বৰ্ণাশুদ্ধি পৰিলক্ষিত হয়। লেখকৰ ভাষা প্ৰাঞ্জল আৰু ৰচনা-ৰীতিও মনোৰম। বুৰঞ্জীৰ তথ্য পাতি উদ্ঘাটন কৰি আহোম জাতিৰ অসমীয়া সংস্কৃতিলৈ অৱদান নিৰ্ণয় কৰিবলৈ গৈ শ্ৰীগগৈদেৱে 'আহোম জাতি আৰু অসমীয়া সংস্কৃতি' নামৰ যি গ্ৰন্থ ৰচনা কৰিলে তাৰ কাৰণে আমি তেওঁৰ শলাগ লৈছোঁ। পুথিখনৰ ছপা, বন্ধা আদি মনোৰম।

**ভাগৱতৰ সাধু :**—শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা বিৰচিত আৰু লেখকৰ দ্বাৰা ( চামতা হাইস্কুল, চামতা, কামৰূপ ) প্ৰকাশিত। বেচ ০·৭৫ ন. প.

এই পুথিখনত ভাগৱতৰ সাতোটা সাধু ( নাভি ৰজা, তপস্বী ভৰত, নহুষ ৰজাৰ কথা, সুকন্যা সুন্দৰী, ৰাজৰ্ষি অম্বৰীষ, সৌভৰি আৰু ৰজা যুৱনাশ্ব ) লৰা-ছোৱালীৰ উপযোগীকৈ লিখা হৈছে। প্ৰতিটো সাধুতে একোখন চিত্ৰ সংযোগ কৰা হৈছে। পুথিৰ ভাষা সহজ আৰু সৰল। দুই এঠাইত বাক্য-গঠনত খুঁত ৰৈ গৈছে। যেনে—'ৰাজকুমাৰ আজি এক, কালি এক হিচাবে দিনে দিনে বাঢ়িবলৈ ধৰিলে' ( পৃঃ ৬ ), 'ৰজাই হৰিণাটো নেদেখি অৰণ্যৰ মাজত তাক পাতপিতকৈ বিচাৰিলে' ( পৃঃ ১০ ), 'সদায় তেওঁ সাধুসঙ্গত থাকিছিল' ( পৃঃ ১৮ ), 'গছ-গছনি বোৰৰ ঠেঁটুৱা ধৰি ঠেৰেঙা লাগিছিল' ( পৃঃ ২৩ ) ইত্যাদি। বেটুপাত আৰু ছবি আৰু আকৰ্ষণীয় হ'ব লাগিছিল।

**অতীত আৰু বৰ্ত্তমান :**—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীপ্ৰাণেশ্বৰ শৰ্ম্মা আৰু শ্ৰীতৰণীকান্ত শৰ্ম্মা সম্পাদিত আৰু ৰঙিয়া আলোচনী সভাৰ ( ৰঙিয়া, কামৰূপ ) দ্বাৰা প্ৰকাশিত। মূল ১৫০ অনা। জেঠ, ১৩৬১ চন।

অতীত আৰু বৰ্ত্তমান নামৰ ৰঙিয়া আলোচনী সভাৰ সঙ্কলনখনিৰ আদিতে ৰঙিয়াৰ ইতিবৃত্তমূলক চাৰিটা প্ৰবন্ধ ( আদি যুগ, আহোম যুগ, বৃটিছ যুগ আৰু আধুনিক যুগ ) আছে, আৰু আঠোটা বিভিন্ন বিষয়ক প্ৰবন্ধ সন্নিবেশ কৰা হৈছে। ৰঙিয়া আলোচনী সভাৰ উদ্যম শলাগিব লগীয়া। সংগ্ৰহখনিৰ কাগজ আৰু বেটুপাত ভাল হ'ব লাগিছিল। শাখা সভাৰ এনে প্ৰকাশনে ভাষা-সাহিত্য সমৃদ্ধিশালী কৰে। শাখা সভাৰ প্ৰকাশকত বঙলা শক ( ১৩৬১ চন ) ব্যৱহাৰ নকৰাই ভাল।

## প্ৰাপ্তি স্বীকাৰ—

**মুক্তিৰ পথত ছাত্ৰশক্তি :**—শ্ৰীউপেন্দ্ৰকুমাৰ বৰুৱা বিৰচিত আৰু শ্ৰীধৈৰ্য্যেন্দ্ৰ কুমাৰ বৰুৱা ( বইটামাৰী, গোৱালপাৰা ) প্ৰকাশিত। বেচ ॥০ অনা ১৯৬০ চন।

---

# অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ চতুৰ্থ অধিৱেশন

উপস্থিত : শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী, সভাপতি
শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, সহকাৰী সভাপতি
শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মা, ধনৰ্ভঁৰালী
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
শ্ৰীৰঘুৱা তাঁতী
শ্ৰীবিপিন চন্দ্ৰ ৰাজবংশী
শ্ৰীউমাকান্ত শৰ্ম্মা
শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা
শ্ৰীমান গোবিন্দ চক্ৰৱৰ্ত্তী
শ্ৰীমহেশ্বৰ নেওগ, প্ৰধান সম্পাদক
শ্ৰীহৰিপ্ৰসাদ নেওগ, সহকাৰী সম্পাদক
শ্ৰীলীলা গগৈ
শ্ৰীমেদিনী কান্ত ঠাকুৰীয়া
শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা
শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী
শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
শ্ৰীচৈয়দ আব্দুল মালিক
শ্ৰীমতী লক্ষহীৰা দাস

বিশেষভাৱে নিমন্ত্ৰিত : শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

২৯ অক্টোবৰ, ১৯৬১ তাৰিখে পুৱা ৯ বজাৰ পৰা গোৱালপাৰাত প্ৰধান সম্পাদকৰ অস্থায়ী কাৰ্য্যালয়ত ( একোনত্ৰিংশ সন্মিলনৰ বাহৰ ) অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ চতুৰ্থ অধিৱেশন বহে। পুনৰ সিদিনাই ৩ বজাৰ পৰা আৰু ৩০ অক্টোবৰ, ১৯৬১ তাৰিখে পুৱা ৮ বজাৰ পৰা অধিৱেশন বহে।

১। অসম সাহিত্য সভাৰ দ্বিতীয় সন্মিলনৰ ( গোৱালপাৰা ১৯১৮ ) সভাপতি শ্ৰীচন্দ্ৰধৰ বৰুৱা, সাহিত্য-ৰত্নৰ মৃত্যুত শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ শান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনোৱা হয়।

২। ২০ ছেপ্তেম্বৰ, ১৯৬১ তাৰিখে গুৱাহাটীত বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিৱেশনৰ আলোচনা আৰু সিদ্ধান্ত বিৱৰণ পঠিত আৰু গৃহীত হয়। সেই আলোচনা প্ৰসঙ্গত প্ৰধান সম্পাদকে শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱালৈ ২৮. ৯. ৬১ তাৰিখে লিখা চিঠি, দুখ প্ৰকাশ কৰি তুলি লয় আৰু যোৱা অধিবেশনৰ কাৰ্য্যবিৱৰণীত এইখিনি যোগ দিবলৈ স্থিৰ কৰা হয়। ভাৰতৰ স্বৰাষ্ট্ৰ মন্ত্ৰাক ৰাজ্যভাষা সম্পৰ্কে লগ ধৰিবৰ কাৰণে যি সঞ্জাঁতী দল দিল্লীলৈ যাবৰ কাৰণে নিৰ্ব্বাচিত হৈছিল তেওঁলোকৰ আটাই কেইজন সঁজাতী দলত কিয় অন্তৰ্ভুক্ত নহল আৰু পূৰ্ব্বে নিৰ্ব্বাচিত নোহোৱা ব্যক্তিক কিয় আৰু কেনে পৰিস্থিতিত লোৱা হল এই সম্পৰ্কে শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱাই আৰু দুই-এজন অন্য কাৰ্য্যনিৰ্ব্বাহক সভ্যাই জানিবলৈ বিচৰাত প্ৰধান সম্পাদকে জনায় যে অতি মূৰামূৰি সময়ত ( ৭-৯-৬১ গধূলি ) নিৰ্দ্দেশ পাই ১০ তাৰিখে পুৱা সঁজাতী দল দিল্লীলৈ যাবলগীয়া হয়। ইতিমধ্যে প্ৰস্তাৱিত সঁজাতীদলৰ সকলো সভ্যক যথাৰীতি জাননী দিয়া সম্ভৱপৰ নাছিল। সম্পাদকে আৰু জনায়, সভাপতিয়ে চিঠিযোগে জনায় যে দুজন সভ্য সঁজাতী দলত গলেও হব আৰ্থিক পৰিস্থিতি বিবেচনা কৰি। এই প্ৰসঙ্গত কাৰ্য্যনিৰ্ব্বাহক সভ্য শ্ৰীউমাকান্ত শৰ্ম্মাই জনায় যে সভাপতিয়ে পৰৱৰ্ত্তী চিঠিত সম্পাদকলৈ নিৰ্ব্বাচিত

সকলো সদস্যকে জনাবলৈ পৰামৰ্শ দিছিল। কিন্তু সম্পাদকে কয়, যে উক্ত চিঠি তেখেতে পোৱা নাছিল। সম্পাদকে আৰু জনায় যে দিল্লীতো শ্ৰীহেম বৰুৱা, শ্ৰীপুষ্পলতা দাস আদিক বিচাৰি যথাসময়ত নোপোৱাত দিল্লীত থকা অসমীয়া এম. পি. কেইজনমানকে সঁজাতী দলৰ লগত লৈ স্বৰাষ্ট্ৰ মন্ত্ৰীক দেখা কৰা হয়। স্বৰাষ্ট্ৰ মন্ত্ৰীক লগ ধৰি লাভ কৰা ফলাফল সম্পৰ্কে সঁজাতী দলে বাতৰি কাকতত প্ৰচাৰ কৰা বাতৰি সম্পৰ্কে ( য'ত কাছাৰ জিলাত জিলা পৰ্য্যায়ত অসমীয়া ভাষাক বঙলা ভাষাৰ লগতে ওপৰঞ্চি ৰূপে স্বীকৃতি দিবলৈ স্বৰাষ্ট্ৰ মন্ত্ৰীয়ে সন্মতি দিয়া বুলি প্ৰকাশ হৈছিল ) কাৰ্য্যানিৰ্ব্বাহকে সঁজাতী দলৰ পৰা প্ৰধান সম্পাদকৰ যোগে ব্যাখ্যা বিচাৰে। এই সম্পৰ্কত প্ৰধান সম্পাদকে দাখিল কৰা নিবেদন-পত্ৰৰ শেষ ছেদ পঢ়ি দি জনায় যে বাতৰি কাকতত প্ৰচাৰ হোৱা বাতৰিটো সম্পূৰ্ণ শুদ্ধ নহয়। এই ভিত্তিত বাতৰি কাকতত প্ৰচাৰিত এই সম্পৰ্কীয় বিবৃতিৰ এটা শুধৰণি দিবৰ কাৰণে সদস্য-সকলে সম্পাদকক অনুৰোধ জনায়।

৩। প্ৰধান সম্পাদকে কয় তৃতীয় অধি-বেশনত জনোৱা মতে সাহিত্য সভাৰ ফালৰ পৰা মুখ্যমন্ত্ৰীক অসম-শাসকীয় ভাষা অধিনিয়ম ১৯৬০-ৰ সংশোধনৰ বিষয়ত মতামত দাঙি ধৰাৰ পিচত অসম চৰকাৰে কাছাৰত ৰাজ্যিক ভাষা অসমীয়াৰ প্ৰৱেশ ৰোধ নকৰাকৈ জিলা পৰ্য্যায়ত বঙলা ভাষাক স্থান দি অধিনিয়মৰ পঞ্চমছেদ সংশোধন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মতেই যোৱা ৭ অক্টোবৰ তাৰিখে অসম শাসকীয় ভাষা ( সংশোধন ) বিল ১৯৬১ বিধান সভাত গৃহীত হয়।

অধিনিয়মখনি পূৰ্ণাঙ্গ কৰিবৰ উদ্দেশ্যে ভাষাগত সংখ্যালঘুসকলৰ ৰক্ষণাবেক্ষণৰ দিহা কৰি অসমীয়া ভাষাক সমগ্ৰ অসমৰ শাসকীয় ভাষাৰূপে প্ৰৱৰ্ত্তন কৰাৰ আয়োজন কৰিব বুলি অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আশা কৰে।

৪। 'অসমৰ জনজাতীয় সাধু'ৰ প্ৰসঙ্গত প্ৰধান সম্পাদকে জনায় যে পুথিখনিৰ প্ৰণয়নৰ ভাৰপ্ৰাপ্ত ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীৰ লগত চিঠিপত্ৰৰ আদান-প্ৰদান আৰু কথা-বতৰা হোৱাৰ পিছত গোস্বামীয়ে উক্ত পুথিৰ বাবে সংগৃহীত ৯৫টি সাধুৰ ভিতৰত প্ৰধান সম্পাদকে পোনপটীয়াকৈ সংগ্ৰহ কৰা ১৩টি টাংচা জনজাতীয় সাধু ঘূৰাই দিছে, আৰু সাধু সংগ্ৰাহকৰ প্ৰাপ্য, অনুবাদক লিপিকাৰৰ খৰচ, চিঠি-পত্ৰ, কাগজ আৰু 'সম্পাদকীয় আহুকাল'ৰ খৰচ আদি ধৰি মুঠ ২৬০.০০ টকা ( ইয়াৰ ৬০.০০ টকা ইতিমধ্যে দিয়া হৈছে ) দিলে আৰু ৪০টা সাধু সভাক আদায় দিব বুলি আৰু সম্পাদনৰ কাম তেখেতে ত্যাগ কৰিছে বুলি জনাইছে।

অসম-সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ যোৱা অধিৱেশনৰ সংশোধিত সিদ্ধান্ত গ্ৰহণ নকৰি ২৬০.০০ টকাৰ বিনিময়ত ৪৩টা সাধু মাত্ৰ দিবলৈ আগবঢ়াত আৰু বাকীখিনি সাধু নিজলৈ ৰাখি লগতে সম্পাদকীয় দায়িত্ব ত্যাগ কৰাত কাৰ্য্য-নিৰ্ব্বাহক সভাই দুখ প্ৰকাশ কৰে। প্ৰধান সম্পাদকক ২০০.০০ টকা দি গোস্বামীৰ পৰা ৪০টা সাধু লবলৈ ভাৰ দিয়া হয় আৰু শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীক পুথিখনৰ সঙ্কলনৰ ভাৰ দিয়া হয়।

৫। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ২৪-২৫ জুন আৰু ২০ ছেপ্তেম্বৰ ১৯৬১ তাৰিখৰ প্ৰস্তাৱৰ মৰ্ম্মে আকাশবাণীৰ গুৱাহাটী-কেন্দ্ৰৰ পৰা অসমীয়া ভাষা শিক্ষাৰ কাৰ্য্যসূচী চলোৱা সম্পৰ্কে হোৱা কথা-বতৰা প্ৰধান সম্পাদকে সমিতিৰ আগত দাঙি ধৰে। প্ৰধান সম্পাদকে জনায় যে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাই কেন্দ্ৰীয় অনাতাঁৰ দপ্তৰৰ মন্ত্ৰী ডঃ বি. ভি. কেস্কৰৰ লগত এই বিষয়ে নতুন



দিল্লীত আলোচনা কৰাৰ পিছত যোৱা ১২ অক্টোবৰ তাৰিখে মুখ্যমন্ত্ৰী, প্ৰধান সম্পাদক আৰু আকাশ-বাণীৰ গুৱাহাটীৰ কেন্দ্ৰাধিকাৰৰ মাজত অলপ বিশদ কথা-বতৰা হয়। আলোচনা প্ৰসঙ্গত মুখ্যমন্ত্ৰীয়ে অসমীয়াৰ লগতে দুই-এটি জনজাতীয় ভাষা শিক্ষাৰ কাৰ্য্যসূচী ৰচনাৰ পৰামৰ্শও দিয়ে। আশা কৰা হৈছে, স্থানীয় আকাশবাণী কৰ্ত্তৃপক্ষই নতুন দিল্লীৰ কৰ্ত্তৃপক্ষৰ লগত পৰামৰ্শ কৰি কাৰ্য্যপন্থা স্থিৰ কৰিব। এই বিষয়ে অতি শীঘ্ৰে কাৰ্য্যপন্থা হাতত লবলৈ স্থানীয় আৰু নতুন দিল্লীৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰে।

৬। ২০ ছেপ্তেম্বৰ ১৯৬১ তাৰিখৰ কাৰ্য্য-নিৰ্ব্বাহক অধিৱেশনৰ সিদ্ধান্তমতে শ্ৰীচৈয়দ আব্দুল মালিকে যোৱা বাৰ্ষিক সন্মিলনত গৃহীত বৃহৎ প্ৰকাশনসম্পৰ্কীয় প্ৰস্তাৱ-সংশ্লিষ্ট আঁচনি দাখিল কৰে। শ্ৰীমালিকৰ খচৰা আঁচনি গ্ৰহণ কৰি বিশদ তিনিখন আঁচনি কৰিবৰ বাবে তিনিখনি সমিতি নিযুক্ত কৰা হ'ল।

**বুৰঞ্জী :** ডঃ সূৰ্য্যকুমাৰ ভূঞা, শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীপ্ৰেমধৰ চৌধুৰী, ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰী, ডঃ হেৰম্বকান্ত বৰপূজাৰী, শ্ৰীৰাজমোহন নাথ, ডঃ পদ্মেশ্বৰ গগৈ, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী ( আহ্বায়ক )।

**ব্যাকৰণ :** শ্ৰীগোলোক চন্দ্ৰ গোস্বামী, ডঃ উপেন্দ্ৰ নাথ গোস্বামী, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, শ্ৰীবিনন্দ চন্দ্ৰ বৰ্ম্মণ, শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মা (আহ্বায়ক)।

**ভাষা-সাহিত্যৰ বুৰঞ্জী :** ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীমহেশচন্দ্ৰ গোস্বামী, শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু, চৈয়দ আব্দুল মালিক আহ্বায়ক )।

৭। নবেম্বৰৰ পৰা বোম্বাই ছহৰত বহিবলগীয়া অল্ ইণ্ডিয়া ৰাইটাৰ্ছ কনফাৰেঞ্চলৈ 'আৱাহন'ৰ সম্পাদক ডক্টৰ দীননাথ শৰ্ম্মা আৰু বেজবৰুৱা সাহিত্য পৰিষদৰ শ্ৰীশিৱপ্ৰসাদ বৰুৱাই নিজৰ খৰচত যাবলৈ আগ্ৰহ প্ৰকাশ কৰাত আগৰ তিনিজনৰ লগতে ই দুজনকো অসম সাহিত্য সভাৰ প্ৰতিনিধি-ৰূপে পঠাবলৈ স্থিৰ কৰা হয়।

৮। গুৱাহাটীত অসম সাহিত্য সভাৰ সদনৰ উদ্দেশ্যে ভূমি-অধিগ্ৰহণ সম্পৰ্কত মুখ্যমন্ত্ৰী শ্ৰীবিমলা-প্ৰসাদ চলিহাৰ ১৮ ছেপ্তেম্বৰ, ১৯৬১ তাৰিখৰ পত্ৰ পাঠ কৰা হয়। অসম সাহিত্য সভাক গুৱাহাটী ছহৰত এডোখৰ উপযুক্ত মাটি সোনকালে দিয়া হ'ব বুলি আশ্বাস দিয়াত মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰা হয় আৰু অতি শীঘ্ৰে ভূমি-অধিগ্ৰহণৰ ব্যৱস্থা কৰি দি সদন-নিৰ্ম্মাণৰ অৰ্থে ৰাজ্যিক চৰকাৰৰ পক্ষৰ পৰা উপযুক্ত আৰ্থিক সাহায্য দিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ কৰা হয়।

৯। শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মা ( আহ্বায়ক ), শ্ৰীবিশ্ব-নাৰায়ণ শাস্ত্ৰী, শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীমতী লক্ষহীৰা দাস আৰু প্ৰধান সম্পাদকৰ উপস্থিতিত কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীৰ ছুটীৰ নিয়মাৱলী-ৰচনা সমিতিয়ে অনুমোদন কৰা নিয়মাৱলী পাঠ কৰা হয় আৰু আৱশ্যকীয় সংশোধন পাৰিবৰ্ত্তনৰ পিছত তলত দিয়া মতে গ্ৰহণ কৰা হয় :—

### কাৰ্য্যালয় কৰ্ম্মচাৰীৰ ছুটীৰ বিধি

**ক : সাধাৰণ :**

(১) সাহিত্য সভাৰ কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীসকলে তলৰ নিয়ম অনুযায়ী এই কেইবিধৰ ছুটী পাব ; কিন্তু ছুটী অৱশ্য প্ৰাপ্য বুলি দাবী নাথাকিব ।—

(১) আকস্মিক ছুটী ; (২) বৈতনিক ছুটী ;
(৩) অসুস্থতাৰ ছুটী ; (৪) অবৈতনিক ছুটী।

(২) আকস্মিক আৰু অসুস্থতাৰ ছুটীৰ বাহিৰে আন ছুটী আগতে মঞ্জুৰ হ'লেহে ভোগ কৰিব পাৰিব।

(৩) সম্পাদক বা তেওঁৰ হৈ সহকাৰী সম্পাদকে এমাহলৈকে সকলো ছুটী দিব পাৰিব। এমাহতকৈ সৰহ দিনৰ ছুটী আৱশ্যক হ'লে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়েহে সেই ছুটী মঞ্জুৰ কৰিব পাৰিব। কোনো বিশেষ ক্ষেত্ৰত আৱশ্যক বুজি প্ৰধান সম্পাদকে বা তেওঁৰ হৈ সহকাৰী সম্পাদকে তিনি মাহলৈ ছুটী দিয়াৰ ক্ষমতা থাকিব কিন্তু সেই ছুটী চূড়ান্তভাৱে কাৰ্য্য-নিৰ্ব্বাহকেহে মঞ্জুৰ কৰিব।

(৪) যি কোনো ছুটীৰ অন্তত বিনাঅনুমতিত অনুপস্থিত থাকিলে ছুটীত থকা কালছোৱাৰ বাবে বেতন নাপাব।

(৫) আকস্মিক ছুটীৰ বাহিৰে আন ছুটী বন্ধৰ আগে আৰু পিছে, যেই সেই এফালেহে যোগ হব পাৰিব।

(৬) ছুটীৰ ভিতৰত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অনুমতি নোলোৱাকৈ স্থানান্তৰত বেতন বা আন কোনো পাৰিতোষিক লৈ কাম কৰিব নোৱাৰিব।

(৭) ছুটীৰ আদিত ছুটী ভোগ কৰাৰ আৰু অন্তত কামত যোগ দিয়াৰ প্ৰতিবেদন দিব লাগিব।

**খ : আকস্মিক ছুটী : ( Casual leave ) :**

(ক) বছৰেকত বাৰ দিনলৈকে ছুটী পাব পৰিব ; কিন্তু এবছৰতকৈ কম দিনৰ বাবে নিযুক্ত কৰ্ম্মচাৰীয়ে সাধাৰণতে কাৰ্য্যকালৰ অনুপাতেহে সেই বাৰ দিনৰ ছুটী পাব।

(খ) সাধাৰণতে একেলেথাৰিয়ে ৪ দিনতকৈ বেছি আকস্মিক ছুটী নাপাব।

(গ) এবছৰৰ আকস্মিক ছুটী পিছৰ বছৰলৈ প্ৰাপ্য নহ'ব।

(ঘ) আকস্মিক ছুটী আন কোনো ছুটীৰ লগত যোগ নহব।

**গ : আৰ্জ্জিত ছুটী :**

(ক) কাৰ্য্যকাল অনুপাতে আৰ্জ্জিত ছুটী পূৰ্ণ বেতন সহ পাব।

(খ) এই ছুটী ১১ দিনত ১ দিন হিছাপে আৰ্জ্জিত হ'ব। অৱশ্যে দেওবাৰ বা আন বন্ধ আৰু আকস্মিক ছুটীক অনুপস্থিতি বুলি ধৰা নহব।

সাধাৰণতে, এবছৰতকৈ কম দিনৰ কাৰণে নিযুক্ত কৰ্ম্মচাৰীয়ে মাহেকত এদিন আৰু বছৰেকত ১২ দিন মাত্ৰ এই ছুটী পাব।

(গ) ভোগ নকৰিলে এই ছুটী ৰাহি হৈ থাকিব ; কিন্তু একে সময়তে ৯০ দিনতকৈ সৰহ দিনৰ ছুটী ৰাহি নহব।

**ঘ : অসুস্থতাৰ ছুটী :**

(ক) আকস্মিক আৰু আৰ্জ্জিত ছুটীৰ অন্ত হ'লেহে এই ছুটী পাব পাৰিব।

(খ) এই ছুটী সমগ্ৰ কাৰ্য্যকালত কাৰ্য্য-কালৰ অনুপাতে বছৰি এমাহকৈ মুঠ এবছৰৰ কাৰণে অৰ্দ্ধবৈতনিক নিৰিখত পাব। কিন্তু এবছৰতকৈ কম সময়ৰ কাৰণে নিযুক্ত কৰ্ম্মচাৰীয়ে কাৰ্য্যকালৰ অনুপাতে ৩০ দিনত এদিনকৈ মুঠ এমাহলৈকে ছুটী পাব।

(গ) এই ছুটীৰ কাৰণে কৰা আৱেদন-পত্ৰৰ লগত কোনো লাইছেঞ্চপ্ৰাপ্ত ডাক্তৰৰ নিদৰ্শন-পত্ৰ পঠালেহে আৱেদন বিৱেচনাৰ যোগ্য হব।

**ঙ : অবৈতনিক ছুটী :**

আন কোনো ছুটী প্ৰাপ্য নাথাকিলে গ্ৰহণযোগ্য কাৰণত অবৈতনিক ছুটীৰ কাৰণে বিৱেচনা-যোগ্য হ'ব।

১০। সৰ্ব্বসাধাৰণ লোকৰ কাৰণে বিশেষকৈ



অনা-অসমীয়া ভাষাভাষীসকলৰ কাৰণে ঘৰতে পঢ়ি অসমীয়া ভাষাৰ জ্ঞান জুখি চাব পৰা পৰীক্ষাৰ বিষয়ে শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা ( আহ্বায়ক ), শ্ৰীবিশ্ব-নাৰায়ণ শাস্ত্ৰী, শ্ৰীমতী লক্ষহীৰা দাস, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু প্ৰধান সম্পাদকেৰে গঠিত সমিতিৰ অনুমোদনসমূহ পাঠ কৰা হয় আৰু আলোচনাৰ পিছত তলত দিয়া মতে গৃহীত হয়।

## অসমীয়া ভাষা-জ্ঞান প্ৰমাণ পত্ৰ পৰীক্ষা

১। নাম :—অসমীয়া ভাষা-জ্ঞান প্ৰমাণপত্ৰ পৰীক্ষা।

২। উদ্দেশ্য :—যাইকৈ অনা-অসমীয়া ভাষী-সকলৰ ভাষা-জ্ঞান জুখি চোৱাৰ উদ্দেশ্যে এই পৰীক্ষা অনুষ্ঠিত হ'ব।

৩। প্ৰাৰ্থী :—যি কোনো বয়সৰ পুৰুষ বা মহিলাই ঘৰতে পঢ়ি এই পৰীক্ষা দিব পাৰিব।

৪। কেন্দ্ৰ :—পৰীক্ষা সংসদে নিৰ্দ্দিষ্ট কৰি দিয়া তাৰিখত আৰু কেন্দ্ৰত বছৰি এবাৰকৈ এই পৰীক্ষা হ'ব।

৫। প্ৰাৰ্থীৰ আবেদন :—পৰীক্ষা সংসদে নিৰ্দ্ধাৰিত কৰা তাৰিখমতে পৰীক্ষাৰ বাবে নিৰ্দ্দিষ্ট কৰা আবেদন-পত্ৰত প্ৰাৰ্থীয়ে আবেদন কৰিব লাগিব।

৬। মাচুল :—পৰীক্ষা সংসদে নিদ্ধাৰিত কৰা ( নৱম ছেদ দ্ৰষ্টব্য ) মাচুল নিৰ্দ্দিষ্ট তাৰিখৰ ভিতৰত পৰীক্ষা-সচিবৰ হাতত পৰিবগৈ লাগিব।

৭। প্ৰৱেশ-পত্ৰ :—আবেদন-পত্ৰাদিৰ সমীক্ষণৰ পিছত প্ৰাৰ্থীক প্ৰৱেশ-পত্ৰ দিয়া হ'ব।

৮। পৰীক্ষাৰ কেৰিকুলাম আদি :—

(ক) প্ৰাথমিক পৰীক্ষা :—এই পৰীক্ষা মজলীয়া ইংৰাজী স্কুলৰ শেষ পৰীক্ষাৰ পৰ্য্যায়ৰ হ'ব। প্ৰত্যেক পৰীক্ষাৰ্থীয়ে তলৰ নিয়মমতে পৰীক্ষা দিব লাগিব :

(১) প্ৰথম কাকত : অসমীয়া গদ্য : পাঠ্য··· ৬০ নম্বৰ
দ্ৰুতপাঠ্য··· ২০ নম্বৰ
ব্যাকৰণ ··· ২০ নম্বৰ
মুঠ :—১০০ নম্বৰ

(২) দ্বিতীয় কাকত : অসমীয়া পদ্য : পাঠ্য···৬০ নম্বৰ
ৰচনা আৰু অনুবাদ···৪০ নম্বৰ
মুঠ :—১০০ নম্বৰ

(খ) প্ৰতি কাকতৰ পূৰ্ণ অঙ্ক হব ১০০ ; প্ৰতি কাকতৰ শতকৰা ৪০ বা ততোধিক নম্বৰ পালে উত্তীৰ্ণ বুলি গণ্য হ'ব। প্ৰতি কাকতত শতকৰা ৬০ বা ততোধিক নম্বৰ পালে প্ৰথম বিভাগ আৰু ৪০ৰ পৰা ৬০ৰ ভিতৰত পালে দ্বিতীয় বিভাগত উত্তীৰ্ণ বুলি গণ্য হ'ব। শতকৰা ৭৫ নম্বৰতকৈ পালে সম্মানেৰে উত্তীৰ্ণ বুলি গণ্য হ'ব। দুয়োখন কাকতত বেলেগে বেলেগে উত্তীৰ্ণ হলেহে মুঠৰ ওপৰত উত্তীৰ্ণ হোৱা বুলি গণ্য হ'ব।

বিঃ দ্ৰঃ প্ৰাথমিক পৰীক্ষাৰ পিছৰ পৰীক্ষাৰ আয়োজন যথা সময়ত কৰা হ'ব।

৯। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে এটি পৰীক্ষা সংসদ নিযুক্ত কৰিব। তাৰ সদস্যসকল তলত দিয়াৰ দৰে হ'ব :

(১) অসম সাহিত্য সভাৰ সভাপতি—পদেন সভাপতি,
(২) অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক—পদেন উপসভাপতি,
(৩) পৰীক্ষা সচিব,
(৪) কোষাধ্যক্ষ,
(৫) সদস্য } কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰতিনিধি
(৬) সদস্য }

(৭) এজন শিক্ষাবিদ।

পৰীক্ষা সংসদৰ কাৰ্য্যকাল দুবছৰ হ'ব ( পদেন সদস্যসকলৰ বাহিৰে )।

(১) পৰীক্ষা সংসদৰ সভাপতি—

( ক ) অসম সাহিত্য সভাৰ সভাপতিয়েই পৰীক্ষা সংসদৰ পদেন সভাপতি।

( খ ) সভাপতিয়েই সংসদৰ অধিৱেশনত সভাপতিত্ব কৰিব। সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে সভাপতিত্ব কৰিব।

( গ ) সভাপতিয়ে আৱশ্যক অনুযায়ী পৰীক্ষা সংসদৰ অধিৱেশন বহুৱাব পাৰিব।

( ঘ ) সভাপতিৰ চহীত প্ৰমাণ-পত্ৰ প্ৰদত্ত হ'ব।

(২) পৰীক্ষা সংসদৰ উপ-সভাপতি—

( ক ) অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকেই সংসদৰ উপ-সভাপতি হব।

( খ ) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়েই অধিবেশনৰ সভাপতি হ'ব।

(৩) পৰীক্ষা সচিব—

( ক ) পৰীক্ষা সচিবেই পৰীক্ষা-বিষয়ত মুখ্য কাৰ্য্য-নিৰ্ব্বাহক বিষয়া। পৰীক্ষাৰ অনুমতি পত্ৰ, পৰীক্ষা-কেন্দ্ৰৰ প্ৰৱেশ-পত্ৰ আদি পৰীক্ষা সচিবৰ চহীত প্ৰদত্ত হ'ব। আৱশ্যকীয় ফৰ্ম্ম আদি সংসদৰ দ্বাৰাই অনুমোদিত কৰাই ল'ব।

( খ ) পৰীক্ষা-সচিবে পৰীক্ষা-সংসদৰ অধিবেশনসমূহৰ কাৰ্য্য-বিৱৰণ বহীত লিখি ৰাখিব।

( গ ) পৰীক্ষা সংসদৰ সিদ্ধান্তসমূহ কাৰ্য্যত পৰিণত কৰিব।

(৪) কোষাধ্যক্ষ—

( ক ) পৰীক্ষা সংক্ৰান্ত হিছাপ কোষাধ্যক্ষই ৰাখিব। তাৰ কাৰণে আৱশ্যকীয় কেছবহী আদি ৰাখিব।

পৰীক্ষা সংবাদ :—

(১) পৰীক্ষা সংসদৰ ওপৰতে যাৱতীয় পৰীক্ষা ব্যৱস্থাৰ ভাৰ থাকিব।

(২) আৱশ্যক অনুযায়ী পৰীক্ষা সংসদৰ সভাপতি বা পৰীক্ষা-সচিবৰ ইচ্ছানুযায়ী পৰীক্ষা সংসদৰ অধিৱেশন বহিব।

(৩) সংসদে পৰীক্ষাৰ প্ৰশ্নকৰ্ত্তা, পৰীক্ষক, কেন্দ্ৰাধিকাৰ আদি মনোনীত কৰিব।

(৪) ওপৰত অনুল্লিখিত হলেও পৰীক্ষা সংক্ৰান্ত সকলো কাৰ্য্য কৰিব।

(৫) উপৰোক্ত সাধাৰণ বিধি অনুসৰি পৰীক্ষা-সংক্ৰান্ত উপবিধি ৰচনা কৰি কাৰ্য্য পৰিচালনা কৰিব।

## আবেদন-পত্ৰ

১। পৰীক্ষাৰ্থীৰ নাম ( গোট গোটকৈ লিখিব ) :
শ্ৰী/শ্ৰীমতী··· ··· ···

২। পৰীক্ষাৰ্থীৰ পিতৃ বা স্বামীৰ নাম :
শ্ৰী··· ··· ··· ···

৩। পৰীক্ষাৰ্থীৰ জন্মস্থান :
গাওঁ ··· ··· ···
ডাকঘৰ ··· ··· ···
জিলা ··· ··· ···
ৰাজ্য ··· ··· ···

৪। পৰীক্ষাৰ্থীৰ জীৱিকা :
··· ··· ···

৫। পৰীক্ষাৰ্থীৰ নিজ ঘৰত চলা ভাষা :
··· ··· ···

৬। পৰীক্ষাৰ্থীৰ প্ৰাপ্ত শিক্ষাৰ মান :
··· ··· ···

৭। কোন ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰিব :
··· ··· ···

৮। কোন কেন্দ্ৰত পৰীক্ষা দিবলৈ সুচল পাব :
··· ··· ···



মই, শ্ৰী/শ্ৰীমতী ······ অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা দিবৰ কাৰণে ইচ্ছুক। পৰীক্ষাৰ কাৰণে আৱশ্যকীয় মাছুল ······· তাৰিখে দিয়া হৈছে। পষ্টেল অৰ্ডাৰ ইয়াৰ লগতে গাঁথি দিয়া হৈছে। অনুগ্ৰহ কৰি অনুমতিদানে বাধিত কৰিব।

প্ৰতি-স্বাক্ষৰ* পৰীক্ষাৰ্থীৰ স্বাক্ষৰ······

স্বাক্ষৰকাৰীৰ অফিচৰ মোহৰ বৰ্ত্তমান ঠিকানা সম্পূৰ্ণ কৈ—

—০—

[* উচ্চ ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক, কলেজৰ অধ্যক্ষ, চৰকাৰী গেজেটেড বিষয়া বা অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহকৰ সভ্যৰ প্ৰতি-স্বাক্ষৰ দিব লাগিব।]

### অসম সাহিত্য সভা

পত্ৰৰ নম্বৰ······

## অসমীয়া ভাষাজ্ঞান প্ৰাথমিক পৰীক্ষা

### প্ৰমাণ-পত্ৰ

( প্ৰতীক )

শ্ৰী/শ্ৰীমতী ··· ··· ··· ··· যথা নিয়মে অসমীয়া ভাষাজ্ঞানৰ প্ৰাথমিক পৰীক্ষা ( ১৯··· ) দি······ বিভাগত উত্তীৰ্ণ হোৱাৰ কাৰণে এই প্ৰমাণ-পত্ৰ দিয়া হ'ল।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট। পৰীক্ষা সচিব, পৰীক্ষা-সংসদ। সভাপতি, অসম সাহিত্য সভা।
তাৰিখ·········

—০—

### অসম সাহিত্য সভা

## অসমীয়া ভাষাজ্ঞান প্ৰাথমিক পৰীক্ষা

### প্ৰৱেশ-পত্ৰ

শ্ৰী/শ্ৰীমতী ··· ··· ···· ··· অসমীয়া ভাষাজ্ঞান প্ৰাথমিক পৰীক্ষা ( ১৯··· ) ৰ ··· ··· ··· কেন্দ্ৰত পৰীক্ষা দিয়াৰ অনুমতি দিয়া হ'ল।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট।
তাৰিখ······ পৰীক্ষাধিপতি, অসম সাহিত্য সভা।

—০—

সিদ্ধান্ত গ্ৰহণ কৰা হয় যে পৰীক্ষা সংসদত প্ৰথম বছৰৰ বাবে তলত দিয়া কেইজনক সচিব আৰু সদস্য নিযুক্ত কৰে—চৈয়দ আব্দুল মালিক (পৰীক্ষা সচিব), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা (কোষাধ্যক্ষ), শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী আৰু শ্ৰীমতী ইন্দিৰা মিৰি।

১১। সিদ্ধান্ত কৰা হয় যে অসম সাহিত্য সভাৰ কাৰ্য্যালয় তলৰ পৰ্ব্ববোৰত এদিনকৈ ( বন্ধনীৰ ভিতৰত দিন দেখুৱাৰ বাহিৰে ) বন্ধ থাকিব :—

মাঘ বিহু (২ দিন), শ্ৰীপঞ্চমী, লোকতন্ত্ৰ দিৱস, গান্ধীজীৰ মৃত্যু-দিৱস, শিৱৰাত্ৰি, দোল, ইদুল ফিটৰ, অশোকাষ্টমী, বহাগবিহু (৫ দিন), দামোদৰদেৱৰ তিথি, জন্মাষ্টমী, শঙ্কৰদেৱৰ তিৰোভাব তিথি, শঙ্কৰদেৱৰ জন্মোৎসৱ, দুৰ্গাপূজা (৪দিঃ), লক্ষ্মীপূজা কালীপূজা, ৰাস পূৰ্ণিমা, খ্ৰীষ্টমাছ মহৰম, স্বাধীনতা দিৱস, মাধৱদেৱৰ তিথি

১২। তৰুণৰাম ফুকন মধ্য ইংৰাজী স্কুল, দক্ষিণ মোহনপুৰ নিম্ন প্ৰাথমিক স্কুল, আলমখানি নিম্ন প্ৰাথমিক স্কুল, ভিতৰগোল প্ৰাথমিক স্কুলৰ মঞ্জুৰি আৰু সাহায্য সদ্যহতে ৩১ ডিচেম্বৰ ১৯৬১ পৰ্য্যন্ত ৰখাৰ সিদ্ধান্ত কৰা হয়।

১৩। ১৯৬১ চনৰ লোকগণনাৰ ৭ (খ) প্ৰশ্নৰ ব্যাখ্যা দিওঁতে অসমীয়া গণনাকাৰীলৈ নিৰ্দ্দেশাৱলীত সোমোৱা ভুলৰ বিষয়ে মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাৰ ১৮ ছেপ্তেম্বৰ ১৯৬১ তাৰিখৰ চিঠি পাঠ কৰা হয়। মুখ্য মন্ত্ৰীয়ে লিখিছে, অসমৰ চেঞ্চাছ চুপাৰিনটেণ্ডেণ্টৰ মতে এই ভুলৰ কথা লোকগণনাৰ ৰাজ্যিক প্ৰতিবেদনত উল্লেখ কৰিবৰ আৱশ্যক নাই। কিন্তু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকে শাখা সভাসমূহলৈ দিয়া চিঠিৰ

উত্তৰৰ পৰা জনা যায় যে বেছি ভাগ ঠাইতে উক্ত ভুল সম্পৰ্কে চৰকাৰী চাকু লাৰবোৰ শেষ পৰ্য্যন্ত পোৱা দেখা নগৈছিল। গতিকে ২৪-২৫ জুন তাৰিখৰ প্ৰস্তাৱৰ মৰ্ম্মে লোকগণনাৰ প্ৰতিবেদনত বিষয়টো উল্লেখ কৰা উচিত হ'ব বুলি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে দৃঢ় মত প্ৰকাশ কৰে, আৰু লোকগণনাৰ কৰ্ত্তৃপক্ষক উক্ত উল্লেখ কৰিবলৈ পুনৰ অনুৰোধ কৰে।

১৪। দিল্লী বিশ্ববিদ্যালয়ত অসমীয়া ভাষা-শিক্ষাৰ ব্যৱস্থা সম্পৰ্কে মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাৰ ১৮ ছেপ্তেম্বৰ ১৯৬১ তাৰিখৰ চিঠি পাঠ কৰা হয়। শ্ৰীচলিহাদেৱে জনাইছে যে তেখেতসকলে দিল্লী বিশ্ববিদ্যালয়ত এজন অসমীয়া অধ্যাপক দিবলৈ স্থিৰ কৰিছে আৰু বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষেৰে আলোচনা কৰি সেই সম্পৰ্কীয় আঁচনিৰ চূড়ান্ত সিদ্ধান্ত সোনকালে লোৱা হ'ব। অহা বছৰৰ পৰাই এই আঁচনি কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লবলৈ অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অসম চৰকাৰক অনুৰোধ জনায়।

১৫। ১৯৬০-৬১ চনৰ হিছাপ পৰীক্ষকৰ বানচৰূপে ২৫০.০০ টকা মঞ্জুৰ কৰা হয়।

১৬। নিয়মাৱলীৰ ৬৫শ বিধি অনুসাৰে চাৰ্টাৰ্ড একাউন্টেন্ট্ শ্ৰীমহম্মদ চাকিক ১৯৬১-৬২ চনৰ হিছাপ-পৰীক্ষক নিযুক্ত কৰা হ'ল।

১৭। বিশেষকৈ অনা-অসমীয়ালোকে শিক্ষক নোহোৱাকৈ অসমীয়া ভাষাৰ জ্ঞান পাব পৰা পুথি এখনি প্ৰকাশ কৰা সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধান সম্পাদকক এনে এখন পুথি লেখকসকলৰ পৰা আহ্বান কৰিবলৈ দিয়া হয়।

১৮। অসম সাহিত্য সভাৰ তলত নাম দিয়া নতুন প্ৰকাশনসমূহৰ সভ্যৰ বাবে হ্ৰাসীকৃত মূল্য নিৰূপণ কৰা হ'ল :

অসমীয়া খণ্ড বাক্য-কোষ ... ৯.০০,
হ্ৰাসীকৃত ... ৫.০০

মোৰ জীৱন সোঁৱৰণ ... ৫.০০,
হ্ৰাসীকৃত ... ৩.০০

অসম সাহিত্য সভাৰ ভাষণাৱলী
(৩য় খণ্ড) ৭.০০,
হ্ৰাসীকৃত ... ৪.০০

ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া ... ৩.০০,
হ্ৰাসীকৰণ নাই।

Assam's Language Question ১.০০,
হ্ৰাসীকৃত ... ০.৫০

মিকিৰ জনজাতি ... ১.০০,
হ্ৰাসীকৃত ... ০.৫০

১৯। নিয়মাৱলীৰ পঞ্চম বিধি, ষষ্ঠ ছেদ আৰু উপবিধি 'ক' অনুসৰি তলত নাম দিয়া সভাসমূহক শাখাসভাৰূপে স্বীকৃতি দিয়া হ'ল :

(১) ধমধমা আঞ্চলিক সাহিত্য সভা; (২) উষা সাহিত্য সভা;

(৩) চতিয়া সাহিত্য সভা; (৪) চাঁচনি সাহিত্য সভা;

(৫) শ্বিলং মুকুল সভা।

২০। নিয়মাৱলীৰ ৪১শ বিধি অনুসৰি তলত নাম দিয়া সভাসমূহক স্বীকৃত সভাৰূপে স্বাকৃতি দিয়া হ'ল—পূব ঘিলাধাৰী সাহিত্য সভা।

২১। নগাভূমি আৰু কাছাৰৰ পৰা সম্মিলনত যোগ দিবলৈ আহিবলগীয়া নৃত্য-গীত দল দুটিৰ খৰচ ভাষাশিক্ষা আৰু সাংস্কৃতিক সম্প্ৰীতিবৰ্দ্ধন আঁচনিৰ পুঁজিৰ পৰা দিবলৈ থিৰাং কৰা হয়।

২২। ১৯৬০-৬১ ছনৰ উদ্বৃত্ত-পত্ৰ, আয়-ব্যয়ৰ হিচাপ, আৰু জমা-খৰচৰ হিছাপ, হিছাপ-পৰীক্ষকৰ ১৯৬০-৬১ ছনৰ সাধাৰণ হিছাপৰ প্ৰতিৱেদন আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ হিছাপৰ প্ৰতিবেদন পঠিত হয়।



হিছাপ আৰু হিছাপ-পৰীক্ষকৰ প্ৰতিবেদন গৃহীত হ'ল আৰু হিছাপ-পৰীক্ষকে দিয়া পৰামৰ্শ-সমূহ ভৱিষ্যত কাৰ্য্যৰ বাবে গ্ৰহণ কৰিবলৈ ঠিক কৰা হ'ল। উষা-নৃত্য পৰিষদক ১৪।১০।৬০ তাৰিখে দিয়া ১,০০০.০০ টকাৰ খৰচ অনুমোদন কৰা হ'ল। ২০।১০।৬০ তাৰিখে আসাম টি গাৰ্ডেনছ্ ট্ৰাইব্ছ ফেডাৰেশ্যনক দিয়া ৫০০.০০ টকাৰ খৰচ চূড়ান্তভাৱে অনুমোদিত হ'ল যেহেতু সভাৰ খৰচৰ প্ৰমাণ-পত্ৰৰ পদ্ধতি প্ৰৱৰ্ত্তিত নাই। সভাৰ প্ৰকাশন-বিক্ৰি আৰু দান সম্পৰ্কে হিছাপ-পৰীক্ষকৰ টোকা লক্ষ্য কৰি সভাৰ সভ্যক আধামূলীয়াকৈ দিয়া আৰু উপহাৰ দিয়া কিতাপৰ খৰচৰ হিছাপ ৰাখিবলৈ কেন্দ্ৰীয় কাৰ্য্যালয়ক নিৰ্দ্দেশ দিয়া হ'ল। অহা হিছাপ-পৰীক্ষাৰ বাবে এই কাৰ্য্যালয়ে প্ৰস্তুত কৰা ১০।৯।৬১ তাৰিখৰ ষ্টকৰ অৱস্থাকে প্ৰামাণ্য বুলি ধৰা হ'ব। জমা-খৰচৰ হিচাপত হিচাপৰ পাৰ্থক্যৰূপে দেখুৱা টকা ১০৮.৩৯ সেই ভাৱেই গ্ৰহণ কৰা হ'ল। চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ বিষয়ে দিয়া হিছাপ-পৰীক্ষকৰ প্ৰতিবেদনৰ অন্তৰ্গত প্ৰসঙ্গৰ বিষয়ে স্মাৰক পুঁজিৰ সংশ্লিষ্ট প্ৰাক্তন সম্পাদকৰ পৰা এটি বিবৃতি সংগ্ৰহ কৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অহা অধিৱেশনত আলোচনা কৰা হ'ব।

২৩। ১৯৬০ ছনৰ ২০ জানুৱাৰীত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীৰঘুনাথ চৌধাৰীক তিৰাশী বছৰীয়া জন্মতিথি উপলক্ষে সম্বৰ্দ্ধনা জনোৱাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে অনুমোদন কৰে।

৩৪। প্ৰধান সম্পাদকে জনায় যে, শ্ৰীলংকাম টেৰণৰ "মিকিৰ জনজাতি" পুথিখনি শ্ৰীম:ধৱ চন্দ্ৰ গোস্বামী আৰু শ্ৰীচন্দ্ৰসিং টেৰনে চোৱাৰ পিছত অলপ সম্পাদনৰ আৱশ্যক হোৱাত শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মাক সেই কাম দিয়া হয়। মীমাংসা কৰা হয় যে এই ব্যৱস্থা সমৰ্থন জনোৱা হওক।

২৫। প্ৰধান সম্পাদকে জনায় যে, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীৰ দ্বাৰা সংকলিত বেজবৰুৱাৰ "মোৰ জীৱন সোঁৱৰণ" খনি সাধাৰণভাৱে সম্পাদনৰ আৱশ্যক হোৱাত শ্ৰীমহেশ্বৰ নেওগক সেই কাৰ্য্যৰ ভাৰ দিয়া হয়। মীমাংসা কৰা হয় যে এই ব্যৱস্থা সমৰ্থন জনোৱা হওক।

স্বাঃ মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

স্বাঃ শ্ৰীত্ৰৈলোক্য গোস্বামী
৩০।১০।৬১
সভাপতি।

# মুলতুবি বৈঠক

## ১ নৱেম্বৰ ১৯৬১, সন্দিয়া

১। শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱক "ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া" পুথিৰ ২৫ খনি আৰু শ্ৰীনকুল চন্দ্ৰ ভুঞা ডাঙৰীয়াক ০৫ খনি দিবলৈ ঠিক কৰা হয়। এই পুথিৰ ১০ খনি শ্ৰীমহেশ্বৰ নেওগক আৰু ১০ খনি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক দিয়া হ'ব।

২। "মোৰ জীৱন সোঁৱৰণ"ৰ ২৫ খন তেওঁৰ সাধাৰণ সম্পাদনৰ বাবে শ্ৰীমহেশ্বৰ নেওগক দিবলৈ ঠিক কৰা হয়।

৩। কহিমাৰপৰা অহা নৃত্য-শিল্পীদলৰ বাবে ৪০০.০০ আৰু কাছাৰৰ শিলচৰৰ পৰা অহা নৃত্য-শিল্পীদলৰ বাবে ৩৭০.০০ টকা মঞ্জুৰ কৰা হয়।

৪। নিয়মাৱলী ১০ম বিধি অনুসৰি তলত নাম দিয়াজনক আজীৱন সভ্য কৰা হ'ল—

(১৪০) শ্ৰীমহেন্দ্ৰনাৰায়ণ চৌধুৰী।

স্বাঃ মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

স্বাঃ শ্ৰীত্ৰৈলোক্য গোস্বামী,
১।১১।৬১
সভাপতি।

# সম্পাদকৰ দুআষাৰ

**স্মৃতি তৰ্পণ ঃ**—যোৱা ২৬।১০।৬১ তাৰিখে প্ৰবীণ সাহিত্যিক শ্ৰীচন্দ্ৰধৰ বৰুৱা, সাহিত্যৰত্ন পৰলোক প্ৰাপ্ত হয়। বৰুৱাদেৱ অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাতা। তেওঁ অসম সাহিত্য সভাৰ দ্বিতীয় অধিবেশনৰ ( গোৱালপাৰা, ১৯১৮ চন ) সভাপতি আছিল। তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু ষষ্ঠ বছৰৰ সম্পাদক আছিল। তেওঁৰ অসমীয়া ভাষা আৰু সাহিত্যলৈ বৰঙণি উল্লেখযোগ্য। তেওঁৰ মেঘনাদ বধ ( ১৯০৪ ), ভাগ্য পৰীক্ষা ( ১৯১৫ ), তিলোত্তমা সম্ভৱ ( ১৯২৬ ) আৰু ৰাজৰ্ষি ( ১৯৩৭ ) নাটকে এসময়ত মঞ্চত প্ৰভূত সমাদৰ লাভ কৰিছিল। তেওঁৰ ৰঞ্জন ( ১৯২৭ ) নামৰ কবিতা পুথিৰ ব্যঙ্গ কবিতাবোৰ বৰ উপভোগ্য। তেওঁ দুই খণ্ডত ৰচনা কৰা ৰত্নকোষখনি ( প্ৰথম খণ্ড—খণ্ড বাক্য, আৰু দ্বিতীয় খণ্ড—ফকৰা আৰু যোজনা ) তেওঁৰ কীৰ্ত্তিস্তম্ভ স্বৰূপ। প্ৰথমখণ্ড অলপতে প্ৰকাশ হ'ব বুলি জনা গৈছে।

বৰুৱাদেৱে ৰাজনৈতিক ক্ষেত্ৰত উদাৰপন্থী আছিল। অসম এচোচিয়েচন আৰু সাৰ্ব্বজনিক সভাৰ লগত তেওঁৰ ঘনিষ্ঠ সম্বন্ধ আছিল। লণ্ডনত বহা প্ৰথম আৰু দ্বিতীয় ঘূৰণীয়া মেজমেলত তেওঁ অসমৰ প্ৰতিনিধিস্বৰূপে যোগ দিছিল। বৰুৱাদেৱৰ বিয়োগত দেশে এজন ৰাজনীতিবিদ আৰু প্ৰবীণ সাহিত্যিক হেৰুৱালে। আমি পৰলোকগত আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

**সৰ্ব্বভাৰতীয় লেখক সম্মিলন ঃ**—যোৱা ১৭।১১ ৬১ তাৰিখে বোম্বাইত অনুষ্ঠিত চতুৰ্থ সৰ্ব্ব-ভাৰতীয় লেখক সম্মিলন উদ্বোধন কৰি উপৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনে কয় "ঋক্‌বেদৰ পৰা ৰবীন্দ্ৰনাথলৈকে তিনি হেজাৰ বছৰ জোৰা ভাৰতৰ মহান সাহিত্যিক ঐতিহ্যই এটা মাত্ৰ ৰসৰ ওপৰত বেচি গুৰুত্ব দিবলৈ আহ্বান জনাইছে আৰু সেয়ে হৈছে করুণ ৰস। ... সাহিত্যই সদায় মানুহৰ মাজত মানৱতাৰ ভাব বিকাশ, অহমিকা হ্ৰাস আৰু বিনয়ী হবলৈ চেষ্টা কৰে।" লেখকসকলৰ দায়িত্ব আৰু স্থান প্ৰসঙ্গত ডঃ ৰাধাকৃষ্ণনে কয়, "সৃজনশীল লিখকসকল এই বিশ্বব্ৰহ্মাণ্ডৰ ৰচক মহান সৃষ্টিকৰ্ত্তাৰ দৰেই ; কাৰণ তেওঁলোকে নিজৰ মাজত ঐশ্বৰিক স্ফুলিঙ্গ এটা সংৰক্ষণ কৰে আৰু তাৰ পৰাই শৰীৰ, মন আৰু বুদ্ধিৰ দৰে ক্ষণস্থায়ী সামগ্ৰীসমূহৰ উৎকৰ্ষ সাধন হয়।" এই প্ৰসঙ্গত ডঃ ৰাধাকৃষ্ণনে লেখক-সকলক একত্ৰিত মনোভাৱ বৃদ্ধি কৰিবলৈ জনোৱা আহ্বানো প্ৰকৃততে তাৎপৰ্য্যপূৰ্ণ।

**অসমৰ তেল শোধনাগাৰ ঃ**—যোৱা ১।১।৬২ প্ৰধান মন্ত্ৰী শ্ৰীজৱহৰলাল নেহেৰুৱে গুৱাহাটীৰ উপকণ্ঠৰ নুনমাটিত ভাৰতৰ চৰকাৰী খণ্ডৰ অন্তৰ্গত দেশৰ প্ৰথম তেল শোধনাগাৰ আনুষ্ঠানিকভাবে উদ্বোধন কৰে। এই শোধনাগাৰ নিৰ্ম্মাণত ১৮ কোটি টকা ব্যয় হৈছে আৰু ঠিক ২২ মাহত ইয়াৰ নিৰ্ম্মাণকাৰ্য্য সম্পূৰ্ণ হৈছে। ১ তাৰিখৰ পৰা এই শোধনাগাৰৰ পৰা প্ৰত্যহ দুই সহস্ৰাধিক টন ( প্ৰায় ২৫ লাখ লিটাৰ ) তেল-জাত দ্ৰব্য





উৎপন্ন হ'ব। পেট্ৰল আৰু ডিয়েজল তেলৰ উপৰিও এই শোধনাগাৰত উল্লেখযোগ্য পৰিমাণে কেৰাচিন, কোক আৰু তিনি হেজাৰ কিলৱাট বিজুলী শক্তি উৎপন্ন হ'ব। এই তেল শোধনাগাৰৰ পৰা ২ কোটি ২০ লক্ষ টকাৰ বৈদেশিক মুদ্ৰা ৰাহি হ'ব বুলি আশা কৰা হৈছে। তেল শোধনাগাৰ উদ্বোধনৰ স্মাৰক হিচাপে ১৫ নয়া পইচাৰ ডাক টিকট প্ৰচাৰিত হৈছে। এই শোধনাগাৰ অসমত স্থাপনৰ কাৰণে এসময়ত আন্দোলন কৰিবলগীয়াও হৈছিল।

**পাব্বীৰ বিচাৰ ঃ**—১৯৬০ চনৰ ৪ জুলাইত কটন কলেজৰ ছাত্ৰাবাসত গুলী চলোৱাৰ অভিযোগত কামৰূপৰ ভূতপূৰ্ব্ব পুলিচ চুপাৰিণ্টেণ্ডেণ্ট শ্ৰীবি আৰ. পাব্বীৰ বিৰুদ্ধে উক্ত ছাত্ৰাবাসৰ চুপাৰিণ্টেণ্ডেণ্ট ডঃ কালীনাথ শৰ্ম্মাই দাখিল কৰা গোচৰৰ প্ৰাথমিক অনুসন্ধানৰ অন্তত কামৰূপৰ অতিৰিক্ত দণ্ডাধীশ শ্ৰীঅনীলকুমাৰ চৌধুৰীয়ে যোৱা ২।১।৬২ তাৰিখে প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদনত কোৱা হৈছে যে আদালতত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ( হত্যাৰ অপৰাধ ) আৰু আন কেইটামান ধাৰামাতে পাব্বাৰ বিচাৰ কৰিবলৈ প্ৰমাণ আছে। দণ্ডাধীশৰ মতে ছাত্ৰাবাসত গুলীচালনা অবাঞ্ছিত আৰু যুক্তিহীন। তেওঁ কয় যে পাব্বীৰ সপক্ষে দুজন সাক্ষীয়ে সিংহ আয়োগৰ আগত যি জবানবন্দী দিছিল আৰু যিটোৰ ওপৰত নিৰ্ভৰ কৰি গুলী চলাবলগীয়া হৈছিল বুলি সিংহ আয়োগে ৰায় দিছিল সেই জবানবন্দী মনে গঢ়াহে। এতিয়া অসম চৰকাৰে পূৰ্ব্বৰ প্ৰতিশ্ৰুতি মতে পাব্বীৰ বিৰুদ্ধে আদালতত বিচাৰ কৰিবলৈ অনুমতি দিব লাগে।

## অসম সাহিত্য সভা
# প্ৰধান সম্পাদকৰ প্ৰতিবেদন

সভাপতি ডাঙৰীয়া আৰু প্ৰতিনিধিসকল,

অসম সাহিত্য সভাৰ দুগৰাকী সভাপতি অমৃতভূষণ দেৱ অধিকাৰী আৰু নগেন্দ্ৰনাৰায়ণ চৌধুৰী, আৰু প্ৰসন্নকুমাৰ ঘোষ, যোগেন্দ্ৰনাথ নাথ আদিৰ স্মৃতি-বিজড়িত গোৱালপাৰাৰ অন্তৰ্গত এই চহৰখনিত সভাৰ সন্মিলন এই তৃতীয়বাৰৰ বাবে বহিছে। এনে এটি তাৎপৰ্য্যপূৰ্ণ উপলক্ষ্যত আপোনালোকক অভিবাদন জনাবলৈ পাই পৰম আনন্দ লাভ কৰিছোঁ।

অসম সাহিত্য সভাৰ নিচিনা এটি গুৰোগৰীয়ান্ জাতীয় অনুষ্ঠানৰ প্ৰধান সম্পাদকৰ গুৰু বিষয় বাব আমাৰ গাত মিৰ্জ্জা সন্মিলনত পৰা এবছৰ হ'ল। কিন্তু কাৰ্য্যালয় ২৮ ডিচেম্বৰ ১৯৬০ তাৰিখে নিয়মিতভাৱে চমজি সৰ্ব্বভাৰ কান্ধত ল'বৰ হ'ল আজি দহ মাহ। এই দহ মাহে আমি আমাৰ নিজৰে আশানুৰূপ কিবা কৰিব পাৰিছো বুলি উপলব্ধি হোৱা নাই। ইয়াৰ বাবে আমাৰ অন্তুষ্টুপীয়া শক্তিৰ ক্ষুদ্ৰত্বহে দায়ী। প্ৰাচীন কবিৰ ভাষাত যদিও 'গৰুড়ৰ উৰাবক টিপচি নোহে সম' তথাপি আমি 'পখা অনুৰূপে পখী তেবে কি সুবয়' বুলি এই দহ মাহে আমাৰ সৰু পাখিৰে থপ্‌থপাই ফুৰিবলৈ যত্ন এৰা নাই। যিবা এধানিমান কাম হৈছে বুলি যদি কোনোবাই ভাবে, তাৰ কৃতিত্ব আমাৰ নহয়—অসম সাহিত্য সভাৰ নিজস্ব মহত্ত্বৰ, আপোনালোক সকলোৰে নৈতিক সমৰ্থনৰ, আৰু সভাপতি আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সভ্যসকল প্ৰমুখ্যে আপোনালোক সকলোৰে। অসমীয়া সাহিত্যৰ প্ৰাচীন আধুনিক আৰু জীৱিত সেৱকসকললৈ সেৱা জনাই আমাৰ চুটি খতিয়ানখন মেলিছোঁ।

এই মুহূৰ্ত্তত বিশেষকৈ আমাৰ মাজৰপৰা আঁতৰি যোৱা কেইগৰাকীমান অসমীয়া সাহিত্যসেৱীৰ বিয়োগ-দুখ মনত জাগি উঠিছে। সেইসকল হ'ল অসম সাহিত্য সভাৰ গোৱালপাৰাত ১৯১৮ চনত বহা দ্বিতীয় সন্মিলনৰ সভাপতি শ্ৰীচন্দ্ৰধৰ বৰুৱা; অসম সাহিত্য সভাৰ সঙ্গীত অধিৱেশনৰ এগৰাকী পুৰণি সভাপতি, কবি-সুৰকাৰ-নাট্যকাৰ-অভিনেতা ইন্দ্ৰেশ্বৰ বৰঠাকুৰ; পিছ জোনাকী যুগৰ কবি আৰু নাট্যকাৰ দুৰ্গেশ্বৰ শৰ্ম্মা আৰু শিশু-সাহিত্য-ৰচক বিপিনচন্দ্ৰ বৰুৱা, আৰু অধ্যাপক শ্ৰীসৰ্ব্বানন্দ ৰয়। এখেতসকলৰ আত্মাই শান্তি লভোক আৰু আমালৈ এৰি যোৱা সিসকলৰ আদৰ্শই আমাক বলীয়ান কৰক। শ্ৰীবিশ্বনাথ ৰাজবংশীৰ মৃত্যুত সাহিত্য সভাই এজন প্ৰকৃত যোদ্ধা হেৰুৱালে। ডাক্টৰ ইমকংলিবা আওৰ মৃত্যুও দেশৰ এটি ক্ষতিকৰ ঘটনা। যোৱা ১৯ জুন তাৰিখে হাইলাকান্দি চহৰত যিসকলে অসমীয়া ভাষাৰ ন্যায় দাবীৰ হকে মৃত্যু বৰণ কৰিলে, তেখেতসকলৈও আমাৰ আন্তৰিক প্ৰণাম আগ বঢ়াইছোঁ।

### বছৰটোৰ চমু খতিয়ান

যোৱা মাহকেইটাত কি কৰিলোঁ, কি নকৰিলোঁ, নিজকে তাৰ কৈফিয়ৎ দিয়াৰ কথা ভাবিয়ে পেটতে হাত-ভৰি লুকাইছে। কাৰণ নিজৰ কৃতকাৰ্য্যতাতকৈ অকৃত কাৰ্য্য দেখিছো সৰহ, হৈ উঠা কামৰ ক্ষুদ্ৰতাৰ তুলনাত undone vast, অকৃত কৰ্ম্মৰ বিস্তৃতি দেখি নিজকে প্ৰবোধ দিব নোৱাৰা হৈছোঁ। কিয়েইবা কৰিলো ইমান দিনে? (১) অসম চৰকাৰে কেন্দ্ৰীয়



পৰামৰ্শ গ্ৰহণ কৰি এনেয়ে আমাৰ অগ্ৰহণীয় হৈ থকা অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০-ৰ পঞ্চম ছেদটো (কাছাৰ-সম্পৰ্কিত) অধিকতৰ ক্ষতিকৰভাৱে 'সংশোধন' কৰিবলৈ বদ্ধপৰিকৰ হোৱা দেখি অসম সাহিত্য সভাই ভাৰতৰ স্বৰাষ্ট্ৰ মন্ত্ৰী আৰু স্থানীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱামতে সেই সংশোধনত কাছাৰত অসমীয়া ভাষাৰ প্ৰৱেশ উন্মুক্ত ৰখাটোকে আমাৰ কিছু লাভ বুলি ভাবিছোঁ। অসমৰ বাহিৰত সভাৰ সন্মান বৃদ্ধিত ই সহায়কৰ হ'ব। (২) উত্তৰ-পূব সীমান্ত অঞ্চলৰ অসমীয়া-ভাষা-বিৰোধী শিক্ষানীতিৰ বিষয়ে ৰাষ্ট্ৰীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে আৰু এই ক্ষেত্ৰত যুঁজিবলৈ সঙ্কল্প গ্ৰহণ কৰা হৈছে। (৩) টিৰাপ সীমান্তৰ নক্টে আৰু ৱাঞ্চো এলেকাত সভাৰ সম্প্ৰীতি বহন কৰি এটি সৰু দল ভ্ৰমণ কৰি আহিল, আৰু এই খৰালি দলটি পুনৰ্যাত্ৰাৰ বাবে সাষ্টম হৈছে। ছিয়াং আৰু লোহিত অঞ্চলৰ দুগৰাকীমান বন্ধুক আজি আমাৰ আদৰৰ অতিথিৰূপে পাইছোঁ। এনে সম্প্ৰীতি-বৃদ্ধিৰ অৰ্থে নগাভূমিৰ পৰাও কুৰিজনীয়া পুৰুষ-মহিলাৰ এটি নৃত্য-শিল্পীৰ দলক নিমন্ত্ৰণ কৰি অনা হৈছে। (৪) ১৯৬১ চনৰ লোকগণনাত ভাষাসংক্ৰান্ত প্ৰশ্নত ভ্ৰান্তিকাৰী নিৰ্দ্দেশৰ ভ্ৰান্তি-নিৱাৰণৰ কাৰণে চেষ্টা কৰা হয়। (৫) চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সভাৰ পৰম হিতৈষী ৰাধাকান্ত সন্দিকৈৰ এটি ব্ৰঞ্জ মূৰ্ত্তি থাপনা কৰা হয়। (৬) কাছাৰ জিলাৰ দক্ষিণ মোহনপুৰ আৰু আলমখানিত দুখনি নিম্ন প্ৰাথমিক পঢ়াশালিৰ বাবে, তদুপৰি খৈয়াজানী আদি কাছাৰৰ অসমীয়া গাঁৱৰ মাজৰ ভিতৰগোল পঢ়াশালিৰ বাবেও বছৰটোৰ পৰা মঞ্জুৰী দিয়া হৈছে, আৰু শিলচৰ তৰুণৰাম ফুকন মধ্য ইংৰাজী পঢ়াশালিৰ তৃতীয় এজন শিক্ষকৰ বাবে সাহায্য দিয়া হৈছে। বছৰটোৰ নানা বিপৰ্য্যয়েৰে দুৰ্দ্দশাগ্ৰস্ত কাছাৰলৈ আমাৰ এটি শুভেচ্ছাবাহী দল অলপতে পঠাবৰ দিহা কৰা হৈছে। (৭) নগাভূমিৰ ৰাজধানী কহিমাৰ নিম্ন প্ৰাথমিক পঢ়াশালিত বিলাবৰ বাবে ৪০০ খনি ল'ৰাপুথি পঠোৱা হৈছে আৰু ত'ৰ শিক্ষা কৰ্তৃপক্ষয়ো সেয়া শলাগ লৈ গ্ৰহণ কৰিছে। পাৰ্ব্বত্য অঞ্চলৰ বাবে বিশেষ উপযোগী এখনি ল'ৰাপুথি প্ৰণয়ন হ'ব লাগিছে। (৮) যোৱা কেইমাহত এইকেইখন পুথি প্ৰকাশ হ'ল,—কেইবাজনো কৃতী লেখকৰ ইংৰাজী 'Assam's Language Question', বেণুধৰ ৰাজখোৱাৰ 'অসমীয়া খণ্ডবাক্য-কোষ', বেজবৰুৱাৰ 'মোৰ জীৱন-সোঁৱৰণ', তৃতীয় ভাগ 'অসম সাহিত্য সভাৰ ভাষণাৱলী', শ্ৰীনকুলচন্দ্ৰ ভূঞাৰ 'ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া', শ্ৰীকমলেশ্বৰ শৰ্ম্মাৰ 'কবি চৌধৰী আৰু চৌধৰীদেৱৰ কৱিতা' শ্ৰীহৰিপ্ৰসাদ নেওগৰ 'দানবীৰ ৰাধাকান্ত সন্দিকৈ', শ্ৰীলংকাম টেৰণৰ 'মিকিৰ জনজাতি'। (৯) 'অসমৰ জনজাতি' আৰু 'অসমৰ জনজাতীয় সাধু' নামে দুখনি বৃজন কিতাপ ছপাশালৰ বাবে যুগুত হ'ব লাগিছে। (১০) অনা-অসমীয়া লোকে নিজে পঢ়ি অসমীয়া শিকিব পৰা ইংৰাজী মাধ্যমৰ এখনি পুথিৰ প্ৰকাশ বিবেচনাধীন হৈ আছে। (১১) মিশ্বিং ছাত্ৰসকলৰ মুখপত্ৰ 'অৱনাৰী বিল্লম' আৰু ৰামায়ণৰ এখনি গদ্যানুবাদ-প্ৰকাশৰ অৰ্থে সাহায্য দান কৰা হৈছে। (১২) অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষাৰ নিয়ম-তন্ত্ৰ ৰচিত হৈ আছে, ঘৰতে পঢ়ি এনে প্ৰমাণপত্ৰ ল'ব খোজাসকলৰ এটি প্ৰাথমিক পৰীক্ষা এই খৰালিতে ল'ব পৰা হব বুলি ভাবিছোঁ। (১৩) সভাৰ হিচাপ-পত্ৰ আৰু আয়ব্যয়ক-নিৰ্ম্মাণ পদ্ধতি হিছাপ-বিজ্ঞান-সম্মত কৰিবলৈ যত্ন কৰা হৈছে আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভা-সঞ্চালনত পৰিকল্পিত পদ্ধতি গ্ৰহণ কৰা হৈছে। (১৪) পতাকা-উত্তোলন বিধি, সভাৰ প্ৰকাশন-

বিক্ৰীৰ এজেঞ্চিৰ নীতি আৰু সভাৰ কৰ্ম্মচাৰীৰ ছুটীৰ নিয়ম ৰচনা কৰা হৈছে। (১৫) বিপুল উৎসাহেৰে আমাৰ কেইবাখনিও শাখা আৰু স্বীকৃত সভাই আৰু দুজনমান কাৰ্য্যনিৰ্ব্বাহক সদস্যই সভাৰ প্ৰধান লক্ষ্য ভাষা-সাহিত্য-প্ৰীতি-প্ৰচাৰ উদ্দেশ্য-সাধনত কাৰ্য্যব্ৰতী হৈ আমাকো ঋণী কৰিছে। (১৬) বিশেষকৈ নানা সাময়িক সমস্যাৰ সমুখীন হ'ব লগীয়া হোৱাত সভাই পুঁজিৰ বাবে ৰাইজৰ ওচৰত হাত পাতে; আৰু আমাৰ জোলোঙা যদিও নভৰিল, ভাষা অধিনিয়ম-সংক্ৰান্ত কাৰ্য্যত এই পুঁজিয়ে ডাঙৰ সহায় কৰিলে। (১৭) কবি শ্ৰীৰঘুনাথ চৌধৰীৰ সম্বৰ্দ্ধনা, ৰবীন্দ্ৰ-শতবাৰ্ষিকী-পালন আৰু অসম সাহিত্য সভা সপ্তাহ-উদ্‌যাপন আছিল আমাৰ বিশেষ উৎসৱ-উপলক্ষ্য। (১৮) গুৱাহাটীত অসম সাহিত্য সভা সদনৰ বাবে ভূমি-অধিগ্ৰহণ আৰু যোজনা-নিৰ্ম্মাণৰ আদিৰ প্ৰাথমিক কামখিনি হৈছে। সভাপতি আৰু প্ৰধান সম্পাদকে ভাষা-সমস্যাৰ বিশেষ বিশেষ পৰিস্থিতিত সভাৰ শক্তি লৈ বিবৃতিৰে একোটা মাত দি আছিল। আমি বছৰটোত ডাঙৰ কাম একো কৰিব পৰা নাই, ঠিক; কিন্তু এই এইবোৰ কামতে নিজক ব্যাপৃত ৰাখিবৰ যত্ন কৰিছোঁ মিল্টনৰ কবিতাৰ এই অশ্বাসত— They also serve who only stand and wait. আমি থিয় হৈ চাই আছো, বহি পৰা কিন্তু নাই। আমাৰ এই প্ৰতিৱেদনত সেই গতিকে সংবেদন আছে বেদন নাই।

## অষ্টাবিংশ সম্মিলনৰ প্ৰস্তাৱসমূহ

অসম সাহিত্য সভাৰ অষ্টাবিংশ সম্মিলনত গৃহীত চতুৰ্থ প্ৰস্তাৱত যি সৰ্ব্বাঙ্গপূৰ্ণ অসমীয়া ভাষাৰ ব্যাকৰণ, বুৰঞ্জী আৰু পাৰিভাষিক শব্দকোষৰ আৱশ্যক অনুভৱ কৰি সিবোৰৰ প্ৰণয়নৰ সিদ্ধান্ত কৰা হয়, সেই বিষয়ে ক'ব পাৰি যে, এই লাগতিয়াল কাৰ্য্য হাতত ল'বলৈ যেনেকৈ বিপুল আৰ্থিক শক্তিৰ প্ৰয়োজন সেইদৰে এদল চিন্তাশীল আৰু মেধাবী লোকৰ পৰিশ্ৰমৰো প্ৰয়োজন। এই বিষয়ে সভাই কাৰ্য্য-পন্থা হাতত ল'বলৈ স্থিৰ কৰিছে আৰু অনুকূল অৱস্থা পালেই এই প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ সভা আগ বাঢ়ি আহিব। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে এই কাৰ্য্যৰ বহল আঁচনি এখনি ইতিমধ্যে প্ৰস্তুত কৰিছে।

পঞ্চম প্ৰস্তাৱত বিশ্ববিদ্যালয়ত অসমীয়াৰ মাধ্যমেৰে শিক্ষা ব্যৱস্থা কৰিবলৈ যি পৰামৰ্শ দিয়া হৈছে, এই বিষয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যক ব্যক্তিগতভাৱে লগ ধৰি সংশ্লিষ্ট পৰিষদত বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। তেখেতেৰে আলোচনা-প্ৰসঙ্গত কেইটিমান কথা ওলাই পৰে। অসমীয়া ভাষাক বিশ্ববিদ্যালয়ৰ শ্ৰেণীৰ শিক্ষাৰ বাহন কৰাৰ আগতে স্নাতক শ্ৰেণীলৈকে অসমীয়া ভাষাত পাঠ্য পুথি প্ৰণয়ন কৰাৰ আৱশ্যক। এইটো প্ৰথম আৰু ঘাই কথা। বৈজ্ঞানিক বিষয়ৰ পৰীক্ষাত নাইবা চিকিৎসা বিষয়ত এই মাধ্যম-সলনি কাৰ্য্য কিমান দূৰ সমৰ্থনীয় সেই বিষয়ে ভাৰতীয় শিক্ষাবিদসকলৰ নানা বাদ প্ৰতিবাদ এতিয়াও চলি আছে। কিছুমান বিশ্ববিদ্যালয়ত শিক্ষাৰ মাধ্যম স্থানীয় ভাষালৈ পৰিৱৰ্ত্তিত কৰাৰ দৃষ্টান্ত থাকিলেও সি বাঞ্ছনীয়ভাৱে সফলকাম হৈছে বুলি ভাবিব নোৱাৰি। এইটো ঠিক যে এই সালসলনি ধীৰে-সুস্থিৰে হ'ব লাগিব, নহ'লে বিপৰ্য্যয় যে হ'ব ই ধ্ৰুপ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্ট সংসদে অসমীয়া ভাষাক বিশ্ববিদ্যালয়ত শিক্ষাদানৰ মাধ্যম হিছাপে গ্ৰহণ কৰাৰ বিষয়ে আলোচনা কৰি এই সিদ্ধান্তত উপনীত হয় যে স্নাতক শ্ৰেণীলৈকে ব্যৱহাৰ কৰিব পৰা পাঠ্য পুথি-প্ৰণয়নৰ কাম অবিলম্বে হাতত ল'ব লাগে। সন্তোষৰ বিষয় যে ভাৰতীয় বিশ্ববিদ্যালয় অনুদান আয়োগে গোটেই বিষয়টো পৰ্য্যালোচনা কৰিছে আৰু



এই বিষয়ে কাৰ্য্যকৰী পন্থা আন্তঃপ্ৰাদেশিকভাৱে লৈ আগ বাঢ়িব খুজিছে।

ষষ্ঠ প্ৰস্তাৱত কাছাৰ আৰু পৰ্ব্বতীয়া জিলাসমূহৰ অসমীয়া-ভাষা-অনুৰাগী লোকসকলৰ অসমীয়া ভাষাত ব্যুৎপত্তিলাভৰ বাবে প্ৰশিক্ষণ-কেন্দ্ৰ স্থাপন কৰিবলৈ অসম চৰকাৰক অনুৰোধ কৰা হৈছিল। কাছাৰৰ যিসকল খিলঞ্জীয়া অধিবাসীয়ে অসমীয়া শিকিবলৈ মন কৰিছে আৰু অসমীয়া শিক্ষা-শ্ৰেণীৰো আয়োজন কৰি এই কামত আগ বাঢ়িছে, তেওঁবিলাকক এই কামত সহানুভূতি দেখুৱাবলৈ আৰু সাহায্য দিবলৈ চৰকাৰক টানি অনুৰোধ জনাই লেখালেখি কৰা হৈছে।

সভাৰ হাইলাকান্দি শাখাই মুখ্য মন্ত্ৰীৰ ওচৰলৈ সঁজাতী দল পঠাই জনায় যে, স্থানীয় মেট্ৰিকুলেচন আৰু ইণ্টাৰমিডিয়েট্ পাছ ডেকাক অসমীয়া ভাষাত প্ৰশিক্ষণ দি মাধ্যমিক স্কুলবিলাকত শিক্ষকৰূপে নিয়োগ কৰাৰ প্ৰয়োজন হৈছে। কাছাৰত বৰ্ত্তমান শিক্ষাক্ষেত্ৰত আটাইতকৈ ডাঙৰ আৱশ্যক হৈছে অৰ্থ আৰু অসমীয়া মাধ্যমত শিক্ষা দিব পৰা প্ৰাথমিক আৰু মাধ্যমিক শ্ৰেণীৰ শিক্ষক। স্থানীয় অৰ্হতা থকা লোকক অসমীয়া ভাষাৰ এটি চমু প্ৰশিক্ষণ দি ইয়াৰ উপযোগী কৰাৰ আৱশ্যকতা অনুভৱ কৰি অসম সাহিত্য সভাৰ এটি সঁজাতী দলে যোৱা মাৰ্চ্চৰ মাজ ভাগত মুখ্য মন্ত্ৰীৰ লগত সেই বিষয়ে আলোচনা কৰে। ১৯৫২-৫৩ চনত যোৰহাটত অনুষ্ঠিত হোৱা পৰ্ব্বতীয়া লোকসকলৰ অসমীয়া প্ৰশিক্ষণ শ্ৰেণীৰ আৰ্হিত পুনৰ প্ৰশিক্ষণ-শিবিৰ প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ চৰকাৰৰ বিভাগীয় বিচাৰাধীন হৈ আছে বুলি জানিব পৰা হৈছে।

যোৱা অধিৱেশনত গৃহীত হোৱা সপ্তম প্ৰস্তাৱ অনুসৰি বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকাৰ অসমীয়া-সাহিত্য বিষয়ক পৰীক্ষাত উত্তীৰ্ণাঙ্ক তললৈ নমাই দি চাহ-বাগিচাৰ বনুৱাসকলৰ মাজৰপৰা অহা ছাত্ৰ-ছাত্ৰীক সুবিধা দিয়াৰ বিষয়ত এতিয়াও বিশ্ববিদ্যালয়ৰ মতামত অপেক্ষা কৰা হৈছে।

## অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০ আৰু অসমৰ ভাষা সমস্যা

১৯৬০ চনৰ অসম শাসকীয় ভাষা অধিনিয়মৰ লগত জড়িত হৈ উত্থাপিত হোৱা অসম আৰু অসমীয়াৰ প্ৰতিকুলে যোৱা নীতিৰ বিৰুদ্ধে অসম সাহিত্য সভাই চোকা দৃষ্টি ৰাখিব লগীয়া হয়। ১৯৬০ চনৰ ২৪ আৰু ২৫ জুনত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিৱেশনত অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০ তুৰন্তে কাৰ্য্যত পৰিণত কৰিবলৈ অসম চৰকাৰক অনুৰোধ কৰা হয়, যদিও সমিতি সম্পূৰ্ণ সচেতন যে তাত গোটাচেৰেক অসম আৰু অসমীয়াৰ স্বাৰ্থ ক্ষুণ্ণ কৰিব পৰা অনুচ্ছেদ আছিল। এনেয়ে অসন্তোষজনক এই ভাষা আইনখনক কাছাৰৰ মুষ্টিমেয় বঙলা-ভাষীৰ ভ্ৰান্ত আন্দোলনৰ ভিত্তিত ভাৰত চৰকাৰৰ স্বৰাষ্ট্ৰ মন্ত্ৰী শ্ৰীলাল বাহাদুৰ শাস্ত্ৰীয়ে পুনৰ অকল্যাণকৰভাৱে সংশোধন কৰিবলৈ তেখেতৰ 'সূত্ৰ'ত পৰামৰ্শ আগ বঢ়োৱাত আৰু সেই পৰামৰ্শ অসম মন্ত্ৰী-সভা আৰু অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে লৰালৰিকৈ গ্ৰহণ কৰাত গভীৰ উদ্বেগ প্ৰকাশ কৰি সেই কাৰ্য্য যে অসংবিধানিক আৰু অগণতান্ত্ৰিক হৈছে, এই মত সমিতিয়ে স্পষ্টভাৱে প্ৰকাশ কৰে। সমিতিৰ প্ৰস্তাৱত এইটোও কোৱা হয় যে, যদিহে অতিশয় প্ৰয়োজনৰ হেঁচাত অধিনিয়মখন অন্যপ্ৰকাৰে সংশোধন কৰিব লগীয়া হয়, তেনেহ'লেও মহকুমা পৰিষদৰ ছেদৰ সংশোধন জনমতৰ সাপেক্ষেহে কৰা উচিত আৰু ৰাজ্যিক শাসকীয় ভাষা অসমীয়াৰ সাৰ্ব্বভৌমত্ব সকলো জিলাতে সকলোক্ষেত্ৰতে অব্যাহত থাকিব লাগিব।

এই সম্পৰ্কে শ্ৰীলাল বাহাদুৰ শাস্ত্ৰীজীক সম্বোধন

কৰি সাহিত্য সভাই ১৯৬১ চনৰ ২৯ জুলাইৰ দিনা দাখিল কৰা নিবেদন-পত্ৰত প্ৰধান মন্ত্ৰী শ্ৰীজৱহৰলাল নেহৰুৰ তলৰ উক্তিটিলৈ দৃষ্টি আকৰ্ষণ কৰি ৰাজ্যিক ভাষাৰ সাংবিধানিক স্বত্ব প্ৰতিপাদন কৰে।—

"মোৰ বাবে এইটো পৰিষ্কাৰ কথা যে, নেপালী বা এনে এটা আঞ্চলিক পূৰ্ণ সমৰ্থন দিলেও, ৰাজ্যিক ভাষাৰ প্ৰচলন কোনো অঞ্চলতে বন্ধ হৈ নেযায়। আন যি হওক নহওক, ৰাজ্যিক ভাষাটো সমগ্ৰ ৰাজ্যৰে ভাষা। সংখ্যালঘিষ্ঠ মানুহৰ ভাষাক ৰক্ষণাবেক্ষণ দিবলৈ যাওঁতে আমি এনে কাম কৰিবলৈ যাব নেলাগে, যাৰ দ্বাৰায় সেই অঞ্চলৰ আন যেই সেই এটা গোষ্ঠীৰ অপকাৰ ঘটে।"

২৯ জুলাইত দ্বিতীয় এখনি নিবেদন-পত্ৰ স্বৰাষ্ট্ৰ মন্ত্ৰীলৈ পঠোৱা হৈছিল তেখেতৰ পৰামৰ্শ-ক্ৰমেই। ইতিমধ্যে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি অসম সাহিত্য সভাৰ এটি সঁজাতী দলক দেখা কৰাৰ সময় নিৰূপণ কৰিবলৈও তেখেতক অনুৰোধ কৰা হৈছিল। সেই বিষয়ত তেখেত অসম্মত নহয় বুলি আমাক জনায়; কিন্তু কেইবাখনো চিঠি আৰু তাঁৰৰ পিছতো তেখেত নিৰুত্তৰ থাকি শেষত সংসদৰ অধিবেশন শেষ হোৱাত যোৱা ১২ ছেপ্টেম্বৰ তাৰিখৰ দিনটো আমাক মুখামুখি সময়ত তেখেতে দিয়ে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে নিৰূপণ কৰা দলৰ ভিতৰৰ তিনিজন গুৱাহাটীৰ সদস্যেৰে দিল্লী যাত্ৰাৰ আয়োজন লবালবিকৈ কৰা হয়, আৰু তাৰো এজনক শেষত বিশেষ কাৰণত বদল দিব লগীয়া হয়। প্ৰধান সম্পাদক আমি, শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা আৰু শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মাৰে গঠিত এই তিনিজনীয়া দল নতুন দিল্লী পোৱাৰ পিছত ১৩ ছেপ্টেম্বৰৰ দুপৰীয়া বাৰ বজাত স্বৰাষ্ট্ৰ মন্ত্ৰীৰে সাক্ষাতৰ সময় পোৱা হয়। দলটিয়ে ২৯ জুলাই তাৰিখৰ নিবেদন-পত্ৰত জোৰাণ দি অসম সাহিত্য সভাই 'শাস্ত্ৰী-সূত্ৰ' অগ্ৰাহ্য কৰাৰ প্ৰধান কাৰণ দুটি স্পষ্টৰূপে ব্যাখ্যা কৰি এখনি পৰিপূৰক স্মাৰক-পত্ৰ দাখিল কৰে। এই পৰিপূৰক পত্ৰৰ মূল খেদ হ'লঃ (১) অসম শাসকীয় ভাষা অধি নিয়ম ১৯৬০-ৰ পঞ্চম ছেদৰপৰা শাস্ত্ৰীজীৰ পৰামৰ্শ মতে মহকুমা পৰিষদ আৰু নগৰ সভাবোৰৰ এখন মিলিত সভাই কাছাৰৰ প্ৰশাসনীয় ভাষা নিৰূপণ কৰিব পৰা ক্ষমতাৰ কথা বাদ দিলে, সেই ছেদে অসাংবিধানিকভাৱে কাছাৰত অসমৰ প্ৰশাসনীয় ভাষা অসমীয়াৰ প্ৰচলন বন্ধ কৰিব; (২) শাস্ত্ৰী-সূত্ৰৰ দ্বিতীয় পৰামৰ্শ অনুযায়ী কাছাৰ আৰু ৰাজ্যৰ সদৰৰ মাজত আদানপ্ৰদানত বৰ্ত্তমানে ইংৰাজী, আৰু পিছত হিন্দী মাত্ৰ স্বীকাৰৰ ব্যৱস্থা কৰাৰ ফলত কাছাৰত ৰাজ্যিক প্ৰশাসনীয় ভাষাৰ প্ৰৱেশ নিৰোধ কৰা হ'ব। এই কথাও স্পষ্ট কৰি দিয়া হয় যে এই দুইটা ব্যৱস্থা ১১, ১২, ১৩, আগষ্টৰ মুখ্য মন্ত্ৰী সম্মিলনে কৰা সিদ্ধান্তৰ পৰিপন্থী হ'ব। শ্ৰীলাল বাহাদুৰ শাস্ত্ৰীজীয়ে সভাৰ স্মাৰক-পত্ৰ মনোযোগেৰে পঢ়ে, আৰু সঁজাতী দল, সঁজাতী দলক সমৰ্থন কৰা লোক-সভাৰ অসমৰ দুজন সদস্য শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু শ্ৰীযোগেন্দ্ৰনাথ হাজৰিকাদেৰ আৰু স্বৰাষ্ট্ৰ মন্ত্ৰণালয়ৰ দুজন কৰ্ম্মচাৰীৰে উত্থাপিত বিষয়টোৰ বিশদ আলোচনা কৰে। আলোচনাৰ প্ৰসঙ্গতে স্বৰাষ্ট্ৰ মন্ত্ৰীয়ে সঁজাতী দলৰ উপৰোক্ত বিশেষ মত দুটিৰ যুক্তিযুক্ততা স্বীকাৰ কৰে। তেখেতে কিন্তু এইটোও কয় যে, এটা বিশেষ বিভ্ৰাট উপশান্ত কৰিবৰ কাৰণে যি বিধান দিছে, তাক কাৰ্য্যকৰী কৰিবই লাগিব; দ্বিতীয়তে যদি আমাৰ মতামত অনুযায়ী অধিনিয়মৰ পঞ্চম পৰিচ্ছেদত আৰু এটি সলনি কৰিবলৈ যোৱা যায়, তেতিয়া হ'লে ভাষাগত সংখ্যালঘুসকলৰ মনত সন্দেহ আৰু অশান্তি হ'ব পাৰে বুলি তেখেত শঙ্কিত হয়। সংবিধান আৰু নীতিৰ নামত যেতিয়া সঁজাতী



দলে মন্ত্ৰীজনাৰপৰা এটি স্পষ্ট সমিধান বিচাৰে, তেতিয়া তেখেতে জনায়, এই বিষয়ে তেখেতে অসমৰ মুখ্য মন্ত্ৰীৰ লগত পৰামৰ্শ কৰিব আৰু মুখ্য মন্ত্ৰীক আৱশ্যকীয় দিহা দিব। মুখ্য মন্ত্ৰীৰপৰা পিছত জানিব পৰা হয় যে, সঁজাতী দলে নতুন দিল্লী এৰাৰ পিছতে শ্ৰীশাস্ত্ৰীজীয়ে শ্ৰীবিমলাপ্ৰসাদ চালিহা ডাঙৰীয়াৰ লগত টেলিফোনেৰে কথা-বতৰা হয়। যোৱা ১৬ ছেপ্টেম্বৰ তাৰিখে সভাৰ প্ৰধান সম্পাদক আমি দিল্লী অভিমুখে যাত্ৰা কৰি অহা মুখ্য মন্ত্ৰীদেৰক লগ ধৰি অসমীয়া ভাষাৰ ৰাজ্যিক প্ৰশাসনীয় মৰ্য্যাদাৰ ক্ষতিকৰ কোনো কাৰ্য্য যাতে সাধিত নহয়, সেই কথা সকীয়াই দি অনুৰোধ কৰোঁ। তেখেতেও শাস্ত্ৰীজীৰে আলোচনা কৰি কৰিব পৰাখিনি কৰিব বুলি আশ্বাস দিয়ে। ইয়াৰ পিছত অসম চৰকাৰে অসম বিধান সভাৰ ছেপ্টেম্বৰ-অক্টোবৰৰ গ'ল অধিবেশনত কাছাৰত ৰাজ্যিক ভাষা অসমীয়াৰ প্ৰৱেশ ৰোধ নকৰাকৈ অসম শাসকীয় ভাষা অধিনিয়মৰ পঞ্চম ছেদটি সংশোধন কৰি কাছাৰৰ জিলা পৰ্য্যায়ত বঙলা ভাষা চৰকাৰী ভাষা-ৰূপে পৰিগণিত কৰে।

এই প্ৰসঙ্গতে ক'ব লগীয়া যে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশ অনুযায়ী সাতজন বিশিষ্ট সাহিত্যিক সাংবাদিকৰ আলোচনা, আৰু কেইটিমান পৰিশিষ্টেৰে ইংৰাজীত 'Assam's Language Question' নামে এখনি পুথি প্ৰকাশ কৰা হৈছে আৰু ভাৰতীয় সংসদৰ সদস্য, ৰাজ্যসমূহৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী, বিধান সভাৰ অধ্যক্ষ আদিলৈ পঠিওৱা হৈছে।

৯ ছেপ্টেম্বৰ তাৰিখে শ্ৰীমতী নলিনীবালা দেৱী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা আৰু প্ৰধান সম্পাদকৰ সমষ্টিয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্য্যপালিকাক লগ ধৰি শাস্ত্ৰীসূত্ৰ আৰু ভাষা অধিনিয়মৰ সংশোধন সম্পৰ্কে আলোচনা কৰে; কিন্তু দেখা গ'ল ৰাজ্যৰ প্ৰশাসনৰ দায়িত্বশীল এই দলটিয়ে স্বৰাষ্ট্ৰ মন্ত্ৰীৰ লগত হোৱা ৬ জুনৰ চুক্তিৰ দ্বাৰা দৃঢ়ভাৱে নিজকে বদ্ধ বিবেচনা কৰি আছে। আমাৰ সভাৰ মিনতি বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সভা ১০ ছেপ্টেম্বৰৰ দিনা বহোঁতে এখনি পত্ৰিকা সদস্যসকলৰ হাতত দিয়া গৈছিল।

## উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষানীতি

উত্তৰ-পূব সীমান্ত এলেকাত অসমীয়া ভাষাৰ প্ৰতিপত্তি বঢ়াবৰ কাৰণে বহুত দিনৰপৰা কৰা প্ৰচেষ্টাৰ ফল-স্বৰূপে এই অঞ্চলৰ স্কুল-সমূহত অসমীয়া মাধ্যমৰ প্ৰচলনৰ ব্যৱস্থা হোৱাত আমি সুখী হৈছোঁ। এই স্কুলবিলাকত যাতে যথোপযুক্ত-ভাৱে অসমীয়া শিক্ষক নিয়োগ কৰা হয় সেই উদ্দেশ্যে উত্তৰ-পূব সীমান্ত অঞ্চলৰ এডুকেচন ডিৰেক্টৰেটৰ লগত চিঠি-পত্ৰ লিখা হয়। সিসকলেও আমাক ভাল শিক্ষক পঠাবলৈ অনুৰোধ জনাইছিল বাবে আমি বাতৰি কাকতত জাননী দি প্ৰাৰ্থী গোটাবৰ যত্ন কৰিছিলোঁ। কিন্তু আমাৰ কৃত-কাৰ্য্যতাৰ ঘাই অন্তৰায় হ'ল—সিসকলক গ্ৰেজুৱেট বা এম্. এ.; এম্. এছ্. চি. প্ৰাৰ্থী হ'লেই নহয়, তেনে প্ৰাৰ্থীৰ বি. টি. বা প্ৰশিক্ষণ অৰ্হতা থাকিব লাগিব। আমি সীমান্তৰ শিক্ষা-কৰ্ত্তৃপক্ষক এই অৰ্হতা নিয়োগৰ বেলা নিবিচাৰি তেনে অৰ্হতা পিছত দিয়াৰ দিহা কৰিবলৈ পৰামৰ্শ আগ বঢ়াওঁ। উত্তৰত কৰ্ত্তৃপক্ষই জনায় যে দীঘলীয়া শিক্ষাদানৰ অভিজ্ঞতা নেথাকিলে প্ৰশিক্ষণ নোহোৱা শিক্ষকক কামত মকৰল কৰা নহ'ব। ১৯৬১ চনৰ ১৪ মাৰ্চ্চত এই বিষয়ে ডাইৰেক্টৰ অব্ এডুকেচনক লগ ধৰি আলোচনাও কৰা হৈছিল। ইয়াৰ পিছত ২৪ মাৰ্চ্চত ৰাজ্যপালৰ সীমান্ত-সংক্ৰান্ত উপদেষ্টালৈ আমি লিখা দীঘলীয়া চিঠিত তলত দিয়ামতে তিনিটা পৰামৰ্শ আগ বঢ়োৱা হৈছিল :—

(১) অসমীয়া মাধ্যম হোৱা হেতুকে আন স্কুল-সমূহৰ দৰে সীমান্ত অঞ্চলতো প্ৰশিক্ষণ নোহোৱা গ্ৰেজুৱেট আদি নিয়োগ কৰি পিছতো আৱশ্যকমতে প্ৰশিক্ষণৰ দিহা কৰিব লাগে।

(২) সীমান্তৰ জনজাতীয় লোকসকলে বিচৰা-মতে অধিকতৰ সংখ্যাত অসমীয়া শিক্ষক নিয়োগ কৰি ছাত্ৰসকলৰ মাজৰ পৰা সকলো ধৰণৰ সন্দেহৰ আৰু বৰ্ত্তমানে মাজে মাজে উদ্ভৱ হোৱা অশান্তিৰ ভাব আঁতৰ কৰিব লাগে।

বাতৰি কাকতত একেবোৰ বিষয় লৈ সীমান্তৰ লোকসকলৰ কেইবাখনিও চিঠি প্ৰকাশ পাইছে। ১৯৬১ চনৰ ২৯ মেত সভাপতি, প্ৰধান সম্পাদক, শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মাৰে গঠিত এটা দলে গুৱাহাটীত প্ৰধান মন্ত্ৰী শ্ৰীজৱহৰলাল নেহৰুৰ লগ ধৰি এই নিবেদন আগ বঢ়ায়। কিন্তু বিশেষ অসুবিধাত প্ৰধান মন্ত্ৰীৰ লগত সুস্থ আৰু বিশদ আলোচনা হোৱাটো সম্ভৱ নহ'ল। সীমান্তৰ শিক্ষানীতি আৰু সাংস্কৃতিক নীতিৰ পৰ্য্যালোচনাৰে এখনি পুস্তক প্ৰকাশৰ দিহা কৰা হৈছে।

সীমান্তৰ শিক্ষা আৰু শিক্ষক সমস্যাৰ এই-খিনিতে ছুআষাৰ মুকলি আলোচনা কৰিব খুজিছোঁ।

অসমৰ উত্তৰ-পূব-সীমান্ত এলেকাৰ শিক্ষাৰ মাধ্যম আৰু সেই অঞ্চলত প্ৰৱৰ্ত্তন কৰিব খোজা ভাষাৰ সম্পৰ্কে অসম সাহিত্য সভাই কেইবাবছৰো ধৰি অবিশ্ৰাম ভবা-চিন্তা কৰিব লগীয়া হৈছে। শিক্ষাৰ দ্বাৰা যদি সীমান্ত অঞ্চলৰ বিপুল জনজাতিক উপকৃত কৰিব লাগে, তেনে অসম সাহিত্য সভাই পৰামৰ্শ দিয়া কৰ্ম্ম-পদ্ধতিৰ ওপৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে বিশ্বাস স্থাপন কৰি গুৰুত্ব দিয়াৰ একান্ত আৱশ্যক। আমি দেখিছোঁ যে, কেন্দ্ৰীয় চৰকাৰে সীমান্তৰ জনজাতিৰ মাজত অসমীয়া ভাষাৰ প্ৰতি তেওঁবিলাকৰ যি প্ৰীতিভাৱ আছে তাক গুচাবৰ উদ্দেশ্যেই আদিৰে পৰা প্ৰচলিত অসমীয়া ভাষাৰে শিক্ষাদান পদ্ধতি গুচাই পাৰিলে হিন্দী ভাষাত শিক্ষা দিয়াৰ পক্ষপাতিত্ব গ্ৰহণ কৰিছে। এই বিধান জন-জাতীয় ৰাইজে সমূলি পছন্দ নকৰিলে; কিন্তু তেওঁবিলাকৰ আন্দোলন আৰু ছাত্ৰসমূহৰ আপত্তিয়ে পূৰ্ব্বৰ অৱস্থা ঘূৰাই আনিব নোৱাৰিলে, মাত্ৰ কৰ্ত্তৃপক্ষই অসমীয়া ভাষাক কৰেঁা নকৰেঁাকৈ শিক্ষাৰ মাধ্যমৰূপে স্বীকৃতি দিছে। অসমীয়াৰ এই প্ৰবেশ-পথো কণ্টকিত কৰিলে কিছুমান কথাৰে। শিক্ষক হ'বলৈ হলে গ্ৰেজুৱেট বা এম্. এ. বা এম্. এছ্. চি. হোৱাৰ উপৰিও হ'ব লাগিব বি. টি.ও। সীমান্ত অঞ্চলৰ জন-জাতীয় ভাষাৰ ল'ৰাপুথিবোৰৰ হৰফ দেৱনাগৰী কৰাৰ ফলত জন-জাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ পৰা অসমীয়া ভাষাৰ প্ৰতি পুৰুষ পুৰুষানুক্ৰমে চলি অহা সুপ্ৰীতিৰ মনোভাৱ আঁতৰি যোৱা আচৰিত কথা নহ'ব। এইদৰে কিছু দিন চলিলে সীমান্তত যে অসমীয়া ভাষাৰ সমাধি ৰচিত হ'ব তাত একো বিচিত্ৰতা নাই। অসমীয়া ভাষাক জন-জাতীয় ছাত্ৰ-ছাত্ৰীয়ে যে ভাল পায় তাৰ প্ৰমাণ এইটোৱেই যে ১৯৬০ চনৰ আগষ্ট মাহত তাত যি ছাত্ৰ-আন্দোলন হৈছিল তাৰ কেন্দ্ৰ আছিল অসমীয়া ভাষা-প্ৰীতি।

এই প্ৰসঙ্গৰ প্ৰতিধ্বনি-স্বৰূপে শ্ৰীআপেন ভাগন নামৰ পাছিঘাটৰ এজন জনজাতীয় লোকে ১৯৬১ চনৰ ২১ এপ্ৰিলত বাতৰি কাকতত এইদৰে লিখিছিল,—

"যোৱা ৮।১০।৫৯ তাৰিখে বাতৰি পাইছিলো যে নেফাৰ স্কুলবিলাকত আমাৰ নেফাৰ উপদেষ্টা শ্ৰী এন্ কে ৰুস্তমজীয়ে লিখিছিল যে, হিন্দীৰ ঠাইত অসমীয়া হ'ব লাগিব মাধ্যম। আমি সদৌ জন-জাতীয় ৰাইজে এই বাণী শুনি বৰ সুখী হৈ পৰিছিলো। এতিয়া আজি তিনি বছৰ হলহি স্কুলবিলাকত হিন্দী কিতাপহে চলি আছে। তাৰ লগে লগে আমাৰ জন-জাতীয় ভাষাৰ যি এখন কিতাপ দিছে তাৰ আখৰবিলাক হিন্দী। এতিয়া ইংৰাজ চৰকাৰৰ দেশ নহয়; আমাৰ জাতীয় চৰকাৰৰ দেশ। আমাৰ জাতীয় চৰকাৰৰ হৈ কিয় ইংৰাজ-বুদ্ধি লৈছে? যদি আমাক ভালকৈ শিক্ষা দিবলৈ চৰকাৰৰ মন নাই তেতিয়া হলে স্কুলবিলাক নেপাতিলেও ভাল হয়। আমি যদিও পাহাৰী জন-জাতিৰ মানুহ, আমি অসমীয়াতে পঢ়িম।"

এনে কেইবাখনিও চিঠি "অসম বাণী" কাকতত প্ৰকাশ পাইছে। এইবিলাক কথা শুনি অসম সাহিত্য সভাই দুখ অনুভৱ কৰাটো স্বাভাৱিক। ভৈয়ামৰ হাই স্কুলবিলাকত বি. টি. শিক্ষক নথকা সত্বেও সেইবিলাক স্বীকৃত বুলি পৰিগণিত হৈ আছে। তেনেস্থলত সীমান্তৰ শিক্ষা বিভাগে শিক্ষকৰ প্ৰশিক্ষণৰ ওপৰত আৰোপ কৰা গুৰুত্ব অসমৰ প্ৰাৰ্থীসকলক বঞ্চিত কৰিবলৈ অৱলম্বন কৰা এটা অপকৌশল যেনহে লাগে। তেওঁলোকে নিশ্চিতকৈ জানে যে অসমীয়াৰ মাজৰপৰা দুৰ্গম পাহাৰৰ মাজলৈ কাম কৰিবলৈ যাবলৈ প্ৰশিক্ষণ পোৱা নাইবা দীৰ্ঘকাল অভিজ্ঞতা থকা শিক্ষক প্ৰাৰ্থী সংখ্যাত প্ৰায়েই শূন্য হ'ব।

## টিৰাপ সীমান্তত অসম সাহিত্য সভাৰ সন্দেশবাহী দল

উত্তৰ-পূব সীমান্ত অঞ্চলৰ অন্তৰ্গত টিৰাপ সীমান্তৰ দক্ষিণ-পূব সীমাৰ ভিতৰুৱা অঞ্চল অভিমুখে যোৱা ১৬ এপ্ৰিলৰ দিনা সাহিত্য সভাৰপৰা শুভেচ্ছাজ্ঞাপক দল এটি যাত্ৰা কৰে। এই দলত প্ৰধান সম্পাদকৰ বাহিৰেও আছিল শ্ৰীলীলা গগৈ আৰু শ্ৰীহৰিপ্ৰসাদ নেওগ। টিৰাপ চাৰিটি জন-জাতিৰ নিৰাসস্থল—চিংফৌ, নক্টে, ৱাঞ্চো আৰু টাংছা। টিৰাপ বিভাগৰ স্কুলৰ মুঠ সংখ্যা ৩৬। ইয়াৰ চাৰিখন মধ্য ইংৰাজী স্কুল। চাংলাং বোলা ঠাইৰ স্কুলত ৮ম মানলৈকে খোলা হৈছে। খুনছা স্কুলত কিণ্ডাৰগাৰ্টেন পদ্ধতি চলে আৰু বহুতো গাঁৱৰ ল'ৰা-ছোৱালী আহি তাত বিনা খৰচে শিক্ষা লাভ কৰে। বাকী সকলোখিনি পঢ়াশালি প্ৰাথমিক পৰ্য্যায়ৰ। স্কুলবোৰত তিনিটা ভাষা শিকোৱা হয়—অসমীয়া, হিন্দী আৰু মাতৃভাষা। মাতৃভাষাৰ কিতাপবোৰ দেৱনাগৰী হৰফত। ৱাঞ্চো অঞ্চলৰ ঘাই ঠাই নিউআছাৰ প্ৰাথমিক পঢ়াশালিত ৩৭ জন ছাত্ৰ আছে। ৱাঞ্চো ভাষাৰ পাঠ্যপুথি এতিয়াও তৈয়াৰ হৈ উঠা নাই। অসমীয়া আদিপাঠ আৰু ধাৰাপাত সাহিত্য সভাৰপৰা পঠোৱা হ'ব বুলি গাত লোৱা হ'ল আৰু যথা সময়ত পঠোৱা হৈছেও। পলিটিকেল অফিচাৰৰ যোগে বিভাগৰ পুথি ভঁৰাল আৰু চাংলাঙৰ বুনিয়াদী মহাবিদ্যালয়লৈ সাহিত্য সভাৰ প্ৰকাশন কেইখনমান উপহাৰ দিয়া হয়। নিআউছাৰ বাঞ্চো ৰজা, খুনছা, বৰদুৱৰীয়া আৰু নামচাঙৰ ৰজা—ডেকাৰজাৰ লগত সঁজাতী দলৰ আহ্লাদ-আলাপ আৰু উপঢৌকন-বিনিময় হয়। নামচাঙৰ ডেকাৰজাই দলটিক সৌৰবাই দিলে, অসমীয়া আৰু নক্টেৰ সম্পৰ্ক এদিনীয়া নহয় শতেক-দিনীয়া। দলটিৰ ভ্ৰমণৰ প্ৰায়খিনি সময়তে ছাঁৰ দৰে আছিল লাপটাঙৰ ৰাজকোঁৱৰ শ্ৰীৱাংকাপ লোৱাং। বৰ দুৱৰীয়া, নামচাং আৰু লাপটাং মূলতে এক মহাভক্ত 'নগাৰ নৰোত্তম'ৰ বংশৰ। মুঠ কথা, ব্ৰহ্ম সীমান্তলৈকে পাটকাই পৰ্ব্বতৰ ধেমুভিৰীয়া অংশটি ঘূৰি দলটিয়ে অতীজৰ টিৰাপৰ

লগত থকা ভৈয়ামৰ চেনেহ-প্ৰীতিৰ সম্পৰ্ক নতুনকৈ সহৃদয়তাৰে পাতি থৈ আহিব পাৰিলে। এইবাৰ খৰালি লোহিত সীমান্তলৈ যাবৰ মানস কৰা হৈছে।

## আমাৰ মাজত সীমান্তৰ অতিথি

ককাই-ভাই, মিতিৰ-কুটুমৰ মাজত আহ-যাহেইহে আচল সমধ ৰাখে। চৰকাৰৰ ঘৰে ভুলে-চুকে সীমান্ত অঞ্চলৰ লগত আমাৰ চিৰকলীয়া সম্বন্ধ ছিণ্ডিবৰ কাৰণে যত্ন কৰিলেও আমি তাক টানি ধৰিবলৈ পাহৰিব নালাগিব। এই ধাৰণাকে মনত ৰাখি আমি এইবাৰৰ গোৱালপাৰা সন্মিলনকৈ টিৰাপ, লোহিত আৰু ছিয়াং সীমান্ত অঞ্চলৰপৰা দুজনকৈ আমাৰ বন্ধুক নিমন্ত্ৰণ জনাইছিলো। লোহিত সীমান্ত অঞ্চলৰ দুজন আমাৰ জনজাতীয় ভাইক আজি আমাৰ মাজত পাই ৰং পাইছো।

## লোক-গণনা ১৯৬১ আৰু সাংস্কৃতিক সমন্বয়

১৯৬১ ৰ লোক-গণনাৰ ভাষা-বিষয়ক প্ৰশ্নৰ ক্ষেত্ৰত নানা বেমেজালিয়ে দেখা দিয়ে। কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিবেশনত (ডিচেম্বৰ) অসমৰ চাহ-বাগিচা, পাৰ্ব্বত্য আৰু জনজাতীয় অঞ্চল সমূহত সাংস্কৃতিক সমন্বয় সাধনৰ বিষয়ে আলোচনা কৰা হৈছিল; কিন্তু সেই বিষয়ত সংশ্লিষ্টভাৱে ১৯৬১ চনৰ লোক গণনাৰ প্ৰশ্নই বিশেষ দৃষ্টি আকৰ্ষণ কৰিবলৈ ধৰে। গতিকে কেয়োটা বিষয় একেলগে ধৰি কামত আগবঢ়া হয়। উল্লেখযোগ্য যে, ভ্ৰমণ-বানচ বুলি এটি নয়া পইচাও নোলোৱাকৈ কাৰ্য্য নিৰ্ব্বাহক সভ্য শ্ৰীৰঘুৱা তাঁতিয়ে ডিব্ৰুগড় মহকুমাৰ নাহৰকটীয়াকে কেন্দ্ৰ কৰি বহুতোখিনি চাহ-বাগিচাত অসমীয়া ভাষাৰ প্ৰতি বনুৱা ভাইসকলৰ স্নেহ আকৰ্ষণ কৰে। নাহৰকটীয়া সাহিত্য সভা আৰু কাৰ্য্য-নিৰ্ব্বাহকৰ আন এগৰাকী সভ্য শ্ৰীধৰ্ম্মকান্ত গোহাঁয়েও এই অঞ্চলত অতি তৎপৰতাৰে কাম কৰে। আৰু এগৰাকী সভ্য শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱাই অক্টোবৰ মাহত উত্তৰ কামৰূপৰ বিশেষকৈ জনজাতীয় অঞ্চল ভ্ৰমণ কৰে; পুনৰ জানুৱাৰী-ফেব্ৰুৱাৰীত নগাঁৱেদি উজনী অসমৰ ঘাই নগৰ কেইখন আৰু দুই-এখনি শিল্প-উদ্যোগৰ কেন্দ্ৰ আৰু উত্তৰ পাৰৰ তেজপুৰ চহৰ পৰিভ্ৰমণ কৰি বিশেষৰূপে লোকগণনা সম্পৰ্কীয় নানা ভ্ৰান্ত ধাৰণা নিৰাৰণৰ যত্ন কৰে। গোৱালপাৰা সাহিত্য সভাই অক্টোবৰ মাহত অসম সাহিত্য সভাই প্ৰকাশ কৰা প্ৰচাৰ-পত্ৰ ৰাভা ভাষালৈ অনুবাদ কৰি পুনঃ প্ৰকাশ আৰু প্ৰচাৰ কৰে। কাৰ্য্য-নিৰ্ব্বাহকৰ সভ্য শ্ৰীউমাকান্ত শৰ্ম্মাও এই বিষয়ত তৎপৰ আছিল। সহকাৰী সম্পাদকে তেজপুৰ, নগাঁও, গোলাঘাট, যোৰহাট, নাহৰকটীয়া, ডুমডুমা আদি অঞ্চলত ব্যাপকভাৱে ভ্ৰমণ কৰি বিশেষকৈ চাহ-বনুৱা সকলৰ মাজত প্ৰচাৰ-কাৰ্য্য কৰে। ফৰকাটিং সাহিত্য সভা, গোলাঘাটৰ পুৱতী সাহিত্য সভা, ডিফু সাহিত্য সভা আদিও এই বিষয়ত তৎপৰ আছিল। কাৰ্য্য-নিৰ্ব্বাহকৰ সভ্য চৈয়দ আবদুল মালিকে হোজাই, জাগীৰোড, ৰঙিয়াত বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ মাজত পৰিভ্ৰমণ কৰে। যোৰহাটৰ শ্ৰীত্ৰৈলোক্য শৰ্ম্মাই তিতাবৰ অঞ্চলত ঘূৰে। নেপালী সম্প্ৰদায়ৰ মাজৰপৰা শ্ৰীচন্দ্ৰ বাহাদুৰ আৰু চাহ-বনুৱা সকলৰ মাজৰপৰা শ্ৰীপিউস লাক্ৰা নামে দুজন ডেকা কৰ্ম্মীক সামান্য-ভাৱে পুৰস্কাৰ দিয়া হয়; আন এজন বনুৱা শ্ৰীঅৰ্জুন সিং ঘাটোৱালেও গাত লাগি অসম সাহিত্য সভাক সহায় কৰে। সকলো ঠাইতে চাহ-বনুৱা, নেপালী, জনজাতীয় লোকসকলক অসমীয়াৰ মাজৰপৰা আঁহ ফালি নিবৰ যি অপচেষ্টা চলিছিল, তাক ৰোধ কৰিবৰ যত্ন কৰা হয় আৰু লোক-গণনাত বিশেষকৈ মাতৃভাষা কথাটোৰ অপব্যাখ্যাই কৰা খেলি-মেলি আঁতৰাবৰ প্ৰয়াস কৰা হয়। শেষ সময়ত চৰকাৰী "অসমীয়া গণনাকাৰীলৈ নিৰ্দ্দেশাৱলীত" ৭ (খ) প্ৰশ্নৰ (অন্য কি ভাষা জানে) ব্যাখ্যাত "can use with felicity in communicating with others" কথাটো ভুলকৈ ভাঙি "আনলৈ লিখোঁতে স্পষ্টকৈ সকলো কথা বুজাব পাৰিব লাগিব" বুলি দিয়া কথালৈ দৃষ্টি আকৰ্ষণ কৰি প্ৰধান সম্পাদকে অসমৰ লোক-গণনাৰ ছুপাৰিণ্টেণ্ডেণ্ট আৰু মুখ্যমন্ত্ৰী আদিলৈ তাঁৰ কৰে। ছুপাৰিণ্টেণ্ডেণ্টে তাঁৰেৰে উত্তৰত জনায়, ইতিমধ্যে সংশোধনী-পত্ৰ প্ৰকাশ হৈ গৈছে। প্ৰকৃতপক্ষে সংশোধনীখন ডিচেম্বৰতে দিয়া হৈছিল যদিও, তাৰ প্ৰচাৰ ঠায়ে ঠায়ে সমূলি হোৱা নাছিল। এই কথা বিশেষকৈ প্ৰধান সম্পাদকে চাকুলাৰ দি শাখা আৰু স্বীকৃত সভাৰপৰা গোটোৱা খবৰপৰা বুজা যায়। "নতুন অসমীয়া"ই ১৯ ফেব্ৰুৱাৰী ১৯৬১ তাৰিখে লোক-গণনা সম্পৰ্কে প্ৰধান সম্পাদকৰ গোহাৰি এখন চকুত লগাকৈ প্ৰকাশ কৰে আৰু সেই গোহাৰিখনকে যোৰহাটত ডক্টৰ নীলকমল বেজবৰুৱাই পুৰ্নমুদ্ৰণ কৰি খবৰ-কাগজৰ হৰকৰাৰ যোগে প্ৰচাৰ কৰে। সভাৰ কাৰ্য্যালয়ৰপৰা গণনা-প্ৰসঙ্গৰ তিনিখনি বিজ্ঞপ্তি-পত্ৰ শাখা আৰু স্বীকৃত সভাসমূহলৈ পঠোৱা হৈছিল।

কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে '৭ (ক) মাতৃভাষা' আৰু '৭ (খ) অন্য কি ভাষা জানে' এই দুটা প্ৰশ্নৰ বিষয়ত অসমীয়া ভাষাৰ গণনাত অসমীয়াৰ পক্ষত এতিয়াও কিছু ভুল বৈ যোৱাৰ সম্ভাৱনা দেখি উদ্বেগ প্ৰকাশ কৰে আৰু চেন্‌ছাছ চুপাৰিণ্টেণ্ডেণ্টক এই কথা তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰিবলৈ বিশেষ-ভাৱে অনুৰোধ কৰে।



## সভাৰ বিশিষ্ট উৎসৱ পালন

অসম সাহিত্য সভাৰ লেখত ল'বলগীয়া এই বছৰৰ ভিতৰত দুটি সৎকাৰ্য্য সমাপন হয়। প্ৰথমটো, দানবীৰ সাহিত্যানুৰাগী ৰাধাকান্ত ডাঙৰীয়াৰ আঠধতুৱা মূৰ্ত্তি স্থাপন আৰু দ্বিতীয়, কবি শ্ৰীৰঘুনাথ চৌধাৰীদেৱৰ তিৰাশী বছৰীয়া জন্মতিথি উপলক্ষে সম্বৰ্দ্ধনা উৎসৱ।

মূৰ্ত্তি-উন্মোচন উৎসৱৰ সভাপতিত্ব কৰে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই। ৩০ ডিচেম্বৰৰ দিনা দুই বজাত অনুষ্ঠিত হোৱা এই উৎসৱৰ আগবেলা সন্দিকৈদেৱৰ নামত গৱেষণা গ্ৰন্থাগাৰ আৰু বক্তৃতা মঞ্চৰ আধাৰ-শিলা স্থাপন কৰা হয়। অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি শ্ৰীহেড়ম্ব-প্ৰসাদ বৰুৱা ডাঙৰীয়াৰ দ্বাৰা এই শুভকাৰ্য্য সম্পন্ন হয়। আমি দুখেৰে মন কৰিব লগীয়া, ৰাধাকান্ত সন্দিকৈ স্মৃতি-পুঁজিত অতি কম টকাহে গোট খাইছে। মূৰ্ত্তি-উন্মোচন সম্পন্ন কৰে অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়জীয়ে। এই মূৰ্ত্তিটি নিৰ্ম্মাণ কৰিছিল বিখ্যাত চিত্ৰকৰ-ভাস্কৰ শ্ৰীদেৱীপ্ৰসাদ ৰায়চৌধুৰীয়ে। মূৰ্ত্তি-নিৰ্ম্মাণ আৰু উন্মোচন বিষয়ত প্ৰাক্তন সম্পাদক আৰু মূৰ্ত্তি উন্মোচন সমিতিৰ সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱৰ উদ্যোগ শলাগিব লগীয়া।

শ্ৰীৰঘুনাথ চৌধাৰীদেৱক ২০ জানুৱাৰীৰ সন্ধিয়া পাঁচ বজাত অসম সাহিত্য সভাই গুৱাহাটীৰ চুডমাৰ্চন হলত এখনি সভাত সম্বৰ্দ্ধনা জনায়। সভাৰ সভাপতিত্ব কৰে তেতিয়াৰ অসমৰ মুখ্য ন্যায়াধীশ শ্ৰীহলিৰাম ডেকাদেৱে। অসমৰ এগৰাকী শ্ৰেষ্ঠ আৰু ঐকান্তিক কাব্য-সেৱী-ৰূপেই নহয়, চামে চামে ডেকা কবি, সাহিত্যিকৰ অনুপ্ৰেৰণাৰ কেন্দ্ৰ-স্বৰূপেও শ্ৰীচৌধাৰীদেৱৰ ব্যক্তিত্ব অসমীয়া সাহিত্যৰ বুৰঞ্জীত সঞ্জীৱিত হৈ থাকিব। ভৱিষ্যতে অসমৰ বয়োবৃদ্ধ কৃতী সাহিত্যসেৱীক এনে সম্বৰ্দ্ধনা জনোৱাৰ প্ৰথা বিৱেচনা কৰা হৈ আছে।

ৰবীন্দ্ৰ শতবাৰ্ষিকী উপলক্ষ্যে অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে শাখা আৰু স্বীকৃত সভাসমূহক এই উপলক্ষ্য সাধ্যানুসাৰে পালন কৰিবৰ কাৰণে অনুৰোধ জনোৱাত সিসকলৰ অনেকখনিয়েই শতবাৰ্ষিকী পালন কৰে।

যোৱা ১৮ ছেপ্টেম্বৰৰপৰা অসম সাহিত্য সভা সপ্তাহ পালন কৰা হয়। বিভিন্ন শাখা-সভাসমূহে সপ্তাহটি আগ্ৰহ আৰু উলাহেৰে পালন কৰে।

## সম্প্ৰীতিমূলক প্ৰচাৰ আৰু শিক্ষাদান আঁচনি

কাছাৰৰ শিক্ষা-শ্ৰেণীৰ সমস্যাৰ বিষয়ে প্ৰস্তাৱ-প্ৰসঙ্গত আমি আলোচনা কৰি আহিছো। নানা অৱস্থাৰ মাজেদি শিলচৰত থকা তৰুণৰাম ফুকন মধ্য ইংৰাজী স্কুলখনি চলি আহিছে। বৰ্ত্তমান বছৰত কাছাৰৰ অসমীয়া স্কুলৰ ভিতৰত দক্ষিণ মোহনপুৰ আৰু আলমখানি নামে ঠাইত দুখনি নিম্ন প্ৰাথমিক পঢ়াশালি চলাবলৈ লোৱা হৈছে। প্ৰথমখনি হাইলাকান্দি সাহিত্য সভা আৰু দ্বিতীয়খনি নিলামবজাৰ সাহিত্য সভাৰ তৰফে পৰিচালিত হৈছে। ইয়াৰ উপৰি খৈয়াজানী আদি অসমীয়া অঞ্চলৰ ছাতৰৰ ভিতৰগোল প্ৰাথমিক পঢ়াশালিলৈ সামান্য মাহেকীয়া সাহায্য আগ বঢ়োৱা হৈছে, আৰু তৰুণৰাম ফুকন মধ্য ইংৰাজী স্কুলৰ তৃতীয় এজন শিক্ষকৰ বাবে সাহায্য দিয়া হৈছে। কেইবাখনিও সাহিত্য সভা আৰু পঢ়াশালিলৈ "জনমভূমি" আৰু "অসম বাণী" কাকত পঠিওৱা হৈছে। চৰকাৰৰ লগত আলোচনা কৰাৰ পিছত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নতুনকৈ প্ৰতিষ্ঠা কৰিব খোজা পঢ়াশালিৰ কাৰণে উপযুক্ত শিক্ষকৰ দিহা কৰি স্কুল বোৰ্ডৰ যোগে ৰাজ্যৰ শিক্ষাধিকাৰলৈ দৰ্খাস্ত কৰিবলৈ আৰু এনে দৰখাস্তৰ নকল অসম সাহিত্য সভালৈ পঠাবলৈ কাছাৰৰ শাখা-সভাসমূহ আৰু অন্যান্য লোকক পৰামৰ্শ দিয়ে।

কাছাৰত বৰ্ত্তমান বছৰত উদ্ভৱ হোৱা ভাষা-সমস্যা আৰু ভাষা আইন-সম্পৰ্কীয় জটিলতাৰ সম্পৰ্কে অসম শাসকীয় ভাষা অধিনিয়মৰ বিষয়ে আলোচনা কৰোঁতে কৈ অহা হৈছে।

জনজাতীয় অঞ্চল আদিত প্ৰচলনৰ বাবে বিশেষ উপযোগী প্ৰাথমিক পাঠ্যৰ আৱশ্যকতা অনুভৱ কৰাত অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে তেখেতৰ "মিঠাপাঠ" সভাক সম্পাদন কৰি উলিয়াই ল'বৰ ক্ষমতা দিয়ে। প্ৰথমতে এই পৰিৱৰ্ত্তন-কাৰ্য্যৰ দায়িত্ব শ্ৰীগোবিন্দচন্দ্ৰ পৈৰাদেৱক দিয়া হৈছিল। তেখেতে সেই দায়িত্ব পালনত বিশেষ অসুবিধা পোৱাত বৰ্ত্তমানে অধ্যাপক শ্ৰীহাজৰিকাক তিনিজন বিজ্ঞ লোকৰ সহায়ত পুথিখনি ( দুভাগ ) পৰিৱৰ্ত্তন-পৰিবৰ্দ্ধনৰ ভাৰ দিয়া হৈছে।

সম্প্ৰীতিৰ চিন-স্বৰূপে নগাভূমিৰ কহিমাৰ পঢ়াশালিৰ কাৰণে চাৰি শ খনি ল'ৰাপুথি উপহাৰ পঠোৱা হয়। কহিমাৰ শিক্ষা কৰ্ত্তৃপক্ষই শলাগেৰে এইখিনি প্ৰাপ্তি স্বীকাৰ কৰিছে।

যোৰহাট মিশ্বিং ছাত্ৰসকলৰ পক্ষৰপৰা "অৱনাৰী বিল্লাম" ( সোৱণশিৰিৰ গতি ) নামে এখনি তিনিমহীয়া অসমীয়া আলোচনী উলিয়াবৰ যত্ন কৰি অসম সাহিত্য সভাৰ সাহায্য বিচৰাত দুশ টকাৰ এটি সক অনুদান দিবলৈ স্থিৰ কৰা হয়।

অসম সাহিত্য সভাৰপৰা এখনি প্ৰচাৰ পত্ৰ প্ৰকাশ কৰাৰ এখনি বহল আঁচনি এতিয়া সভাৰ বিবেচিত হৈ আছে।

যোৱা বছৰ বতৰে আগবাৰিষা পতা কাৰণে উত্তৰ-পূব সীমান্ত অঞ্চললৈ যাব লগীয়া সন্দেশবাহী দলটি পঠিয়াব পৰা নহৈছিল। বৰ্ত্তমান বছৰৰ প্ৰাৰম্ভতে দলটিয়ে সকলো আশা আৰু উদ্দীপনাৰে লোহিত প্ৰান্ত অভিমুখে যাত্ৰা কৰে। কিন্তু চৈখোৱাঘাট-ধলা প্ৰায়ে লোহিত নৈৰ পানী ওফন্দি ঘাটৰ দুই পাৰ বুৰোৱা দেখি আৰু পাৰ-নাৱলৈ গাড়ী তুলিব নোৱাৰি সকলোটি ঘূৰিব লগীয়া হয়। টিৰাপ সীমান্তলৈ যাবলৈ তেতিয়ালৈকে চৰকাৰী অনুমতি নোপোৱা সত্ত্বেও মাৰ্ঘেৰিটালৈ গৈ ত'লৈ যাবলৈ যত্ন কৰা হৈছিল যদিও বিফল মনোৰথ হৈ ঘৰলৈ ঘূৰিব লগীয়া হ'ল। এপ্ৰিলৰ মাজভাগত তিনিজনীয়া সঁজাতী দলে কেনেকৈ টিৰাপৰ সম্ভাৱ-সম্প্ৰীতিৰ আদান-প্ৰদান কৰেগৈ, তাৰ বৃত্ত আপোনালোকক আগতে দিছো। এনে আদান-প্ৰদান ঘনাই হ'ব লাগে, কাৰণ 'মিতিৰৰ অহা-যোৱা' হে মিতিৰালিৰ চিন, সেয়ে নহ'লে ভায়ে-ভায়েও অচিন হয়।

কাছাৰৰ ওপৰেদি পাৰ হৈ যোৱা বছৰটোৰ দুৰ্যোগৰ পিছতে অসম সাহিত্য সভাৰ এটি সঁজাতী দল কাছাৰলৈ পঠাবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে যোৱা ২৫ জুন তাৰিখে স্থিৰ কৰে। কিন্তু চৰকাৰৰ পক্ষৰপৰা জনোৱা হৈছে, এনে দলৰ ভ্ৰমণৰ অৰ্থে জিলাৰ পৰিস্থিতি এতিয়াও অসহযোগী হৈ থকাত ডিচেম্বৰ আগতে যাত্ৰা কৰা অনুচিত হ'ব।

## প্ৰকাশন : সাধাৰণ

আমাৰ কাৰ্য্যকালৰ প্ৰাৰম্ভণতে অসম সাহিত্য সভাৰ এজন পৰম বান্ধৱ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ মূৰ্ত্তি প্ৰতিষ্ঠাৰ দিনাখনেই শ্ৰীহৰিপ্ৰসাদ নেওগৰ প্ৰধানমানি পুথি 'দানবীৰ ৰাধাকান্ত সন্দিকৈ' প্ৰকাশিত হয়।

প্ৰকৃতিৰ প্ৰেমৰ বাণী প্ৰচাৰ কৰা কৱি আৰু অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি শ্ৰীৰঘুনাথ চৌধাৰীদেৱৰ জন্মৰ তিৰাশী বছৰীয়া তিথি উপলক্ষ্যে কটন কলেজৰ ইংৰাজীৰ অধ্যাপক শ্ৰীকমলেশ্বৰ শৰ্ম্মাৰ 'কৱি চৌধাৰী আৰু চৌধাৰীদেৱৰ কৱিতা' অসম সাহিত্য সভাৰ নামত প্ৰকাশিত হয়, যদিও এগৰাকী নাম নিবিচৰা দাতাই তাৰ সকলো খৰচ বহন কৰে আৰু সৰহভাগ কিতাপ উপহাৰ-ৰূপে বিতৰণ কৰা হয়।

এগৰাকী নিৰভিমান দাতাই অসম সাহিত্য সভাৰ উনত্ৰিংশ সন্মিলনৰ আগতে ওলোৱাকৈ ৰাধাকান্ত সন্দিকৈৰ এখনি বিস্তৃত জীৱনী সংকলন আৰু প্ৰকাশ কৰাৰ আৰ্থিক দায়িত্ব বহন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত শ্ৰীনকুলচন্দ্ৰ ভূঞাদেৱৰ ৰচিত 'ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া' পুথিখনি ছপাখানাৰ-পৰা আহি পাইছে।

## প্ৰকাশন : প্ৰকাশন-আঁচনি

১৯৬০-৬১ চনৰ বিত্তীয় বছৰত ছখনি পুথি আৰু "অসম সাহিত্য-সভা পত্ৰিকা"ৰ প্ৰকাশনৰ বাবে অসম চৰকাৰৰপৰা কুৰি হেজাৰ টকাৰ এটি অনুদান পোৱা হৈছিল। পত্ৰিকাৰ উনবিংশ বছৰৰ দ্বিতীয় আৰু তৃতীয় সংখ্যা আমাৰ কাৰ্য্যকালৰ ভিতৰতে প্ৰকাশ হৈছে। ইতিমধ্যে প্ৰকাশিত নোহোৱা তিনিখনি পুথিৰ ভিতৰত (১) বেণুধৰ ৰাজখোৱাৰ 'অসমীয়া খণ্ডবাক্য কোষ' শ্ৰীমহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত পৰিৱৰ্দ্ধিত হৈ, (২) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন-সোঁৱৰণ" শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা সংকলিত হৈ ( শ্ৰীমহেশ্বৰ নেওগৰ সাধাৰণ সম্পাদনাত ), আৰু (৩) অসম সাহিত্য সভাৰ বুৰঞ্জী অধিৱেশনবোৰৰ সভাপতিসকলৰ অভিভাষণ সমূহৰ সমষ্টি 'অসম সাহিত্য সভাৰ ভাষণাৱলী, তৃতীয় ভাগ' শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা সঙ্কলিত-সম্পাদিত হৈ উনবিংশ সন্মিলনতে প্ৰকাশ হৈছে। যোৱা বছৰ প্ৰকাশিত অসম সাহিত্য সভাৰ এই আঁচনিৰ অন্তৰ্গত আন এখনি সঙ্কলন 'পৱিত্ৰ অসম' বিক্ৰী হৈ দুই-এদিনতে শেষ হ'ব।

## প্ৰস্তাবিত প্ৰকাশন : সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি

১৯৬০-৬১ চনৰ বিত্তীয় বছৰত অসমৰ জনজাতি আৰু অসমৰ জনজাতীয় সাধু লৈ দুখন পুথি প্ৰকাশ কৰাৰ চৌবিশ হেজাৰ টকাৰ এখনি আঁচনি ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰে অনুমোদন কৰি ৯,০০০.০০ হেজাৰ টকাৰ এটি অনুদান দিয়ে, আৰু ৬,০০০.০০ টকা অসম চৰকাৰৰপৰা লৈ ৯,০০০.০০ টকা সভাৰ ভঁৰালৰপৰা ধৰি পুথি দুখন প্ৰকাশ কৰাৰ ব্যৱস্থা দিয়ে। অসম চৰকাৰৰ ভাগৰ টকা নোপোৱাত আঁচনি আড়ষ্ট হৈ পৰিছিল। কিন্তু দুইখনি পুথিৰ সংকলনৰ কামত যথেষ্ট আগ বঢ়া হৈছে।

## প্ৰকাশন : প্ৰচাৰ আৰু শিক্ষা আঁচনি

অসমৰ বিষয়ে বিশেষকৈ পশ্চিম বঙ্গৰ বাতৰি কাকতত ঘোৰ অপপ্ৰচাৰ হোৱাৰ ফলত ভাৰত আৰু ভাৰতৰ বাহিৰতো অসমীয়াৰ অযথা নিন্দা-গৰিহা বিয়পি পৰালৈ লক্ষ্য কৰি অসমৰ ভাষা সমস্যাৰ প্ৰকৃত স্বৰূপ সকলোৰে আগত দাঙি ধৰিবৰ উদ্দেশ্যে আৰু অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০, শাস্ত্ৰীৰ প্ৰস্তাৱ আদিৰ তাৎপৰ্য্য বিচাৰ কৰি দেখুৱাবৰ মনেৰে কেইটিমান প্ৰবন্ধেৰে 'Assam's Language Question' বোলা পুথিখনি উলিওৱা হৈছে। শ্ৰীলংকাম টেৰণৰ 'মিকিৰ জনজাতি' পুথিখনিৰ ছপা শেষ হৈছে। পাৰ্ব্বত্য অঞ্চল আদিৰ উপযোগী শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ 'মিঠাপাঠ'ৰ নৱ-সংস্কৰণ, সীমান্ত শিক্ষা আৰু সাংস্কৃতিক নীতি সম্পৰ্কীয় এখনি ইংৰাজী পুথি এই আঁচনিৰ-পৰাই প্ৰকাশ কৰিবৰ মানস কৰা হৈছে। তদুপৰি বাহিৰা লোকে শিক্ষক নোহোৱাকৈ অসমীয়া শিকিব পৰাকৈ এখনি ইংৰাজী মাধ্যমৰ অসমীয়া প্ৰাথমিক পুথি প্ৰকাশ কৰাবো আয়োজন কৰা হৈছে।

## প্ৰকাশন সাহায্য

যোৰহাটৰ মিশ্বিং ছাত্ৰ সকলৰ মুখপত্ৰ "অৱনাৰী বিল্লাম"ৰ বাবে আগ বঢ়োৱা সাহায্যৰ কথা ইতিপূৰ্ব্বে উল্লেখ কৰা হৈছে। গুৱাহাটীৰ শ্ৰীকবিচন্দ্ৰ মহন্তদেৱে মূল ৰামায়ণৰ গদ্যানুবাদ কৰি প্ৰকাশৰ অৰ্থে সাহায্য বিচৰাত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই অসম সাহিত্য সভাৰ জৰিয়তে দুহাজাৰ টকাৰ দান আগ বঢ়াইছে।

## প্ৰস্তাবিত প্ৰকাশন : সংস্কৃত পুথি

ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ 'দুৰ্ল্লভ হাতে লিখা (সাংস্কৃত) পুথি প্ৰকাশ' আঁচনি অনুসৰি উক্ত দপ্তৰলৈ পূৰ্ব্বৰ প্ৰধান সম্পাদকে ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাৰ দ্বাৰা সম্পাদিত কৰাই 'কামকুমাৰ হৰণ', 'বিঘ্নেশ-জন্মোদয়' আৰু 'শঙ্খচূড় বধ' নাটক তিনিখনি এখন পুথি কৰি প্ৰকাশ কৰিবৰ উদ্দেশ্যে আৱশ্যকীয় বুলি দেখুওৱা চাৰি হেজাৰ টকাৰ বুকৰ দুহেজাৰ টকা বিচাৰি উক্ত দপ্তৰলৈ আৱেদন কৰে (অক্টোবৰ ১৯৬০)। সম্প্ৰতিকে উক্ত দপ্তৰৰপৰা এই অনুদানৰ মঞ্জুৰী পোৱা হৈছে। ডঃ শৰ্ম্মাই সংগ্ৰহ কৰা ছপাখানাৰ নিৰিখমতে ছপা আৰু আন খৰচ ধৰি পুথিখনিত মুঠে ৬,৫০০·০০ টকা লাগিব বুলি অনুমান হয়। বৰ্ত্তমানলৈকে অসম সাহিত্য সভাই কোনো সংস্কৃত পুথি প্ৰকাশ কৰা নাই। পুথিখনিৰ প্ৰকাশৰ বিষয়টো সাহিত্য সভাৰ ১৯৬১-৬২ চনৰ প্ৰকাশন আঁচনিত (অসম চৰকাৰৰ বিৱেচনালৈ পঠিওৱা) ধৰা হৈছিল, আৰু উক্ত পুথি প্ৰকাশৰ বাবে আৱশ্যকীয় ওপৰঞ্চি টকাৰ বাবে আৱেদনো কৰা হৈছে। কোনো ফালৰপৰা পৰিপূৰক অৰ্থ পালেই পুথিখনি বৰ্ত্তমান বিত্তীয় বছৰতে ছপাব পৰা হয়।



## শাখা আৰু স্বীকৃত সভা

বছৰৰ আৰম্ভতে শাখা আৰু স্বীকৃত সভা আছিল ১৩৪খন, বৰ্ত্তমানে হৈছেগৈ ১৬২। শাখা আৰু স্বীকৃত সভা-সমূহৰ অনেকখনিয়ে যোৱা পিয়লৰ সময়ত সজাগ আৰু সক্ৰিয় আছিল। অনেকখনি সভাই চাহ-বাগিচাৰ কৰ্ম্মী ভাইসকলৰ মাজত আৰু জনজাতীয় অঞ্চলসমূহত কাম কৰিছিল। এই প্ৰসঙ্গত নাহৰকটীয়া, ডুমডুমা, ফৰকাটিং গোলাঘাট, ডিফু, কুৰালগুৰি, প্ৰগতি অসম সাহিত্য সভা আৰু গোৱালপাৰা সাহিত্য সভাৰ নাম উল্লেখ কৰিবই লাগিব। আলোচনা চক্ৰ, সঙ্গীত সন্ধিয়া আদি পতাত শাখাসমূহ সক্ৰিয় দেখা গৈছে। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁই বৰুৱা, ৰজনীকান্ত বৰদলৈ আদি আমাৰ প্ৰাতঃস্মৰণীয় সাহিত্য-গুৰুসকলৰ মৃত্যু-তিথি আদি প্ৰায় সকলো সভাই সমাৰোহেৰে পালন কৰে। তদুপৰি কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশ অনুযায়ী অনেক সংখ্যক সভাই ৰবীন্দ্ৰনাথ জন্ম-শতবাৰ্ষিকী পালন কৰিছে। ঢিং সাহিত্য সভাই ১৯৬০ চনৰ গণ্ডগোলৰ সময়ত গৃহহীন হোৱা লোকসকলক সাহায্যদান কৰাও মন কৰিবলগীয়া কথা। ওদালগুৰি সাহিত্য সভাই অসমৰ বড়ো আৰু নেপালীসকলৰ জাতীয় পৰ্ব্ব দিনবিলাকৰ বিষয়ে সংগ্ৰহ আৰু প্ৰচাৰৰ কাৰণে আঁচনি হাতত লৈছে। ঢিং সাহিত্য সভাই বিশেষকৈ অসমীয়া আৰু অনা-অসমীয়া লোকসকলৰ মাজত সম্প্ৰীতি স্থাপন কৰিবৰ নিমিত্তে সঙ্গীত সন্ধিয়াৰ আয়োজন কৰে; আৰু জাতীয় আৰু ৰাষ্ট্ৰিয় পৰ্ব্বসমূহো সামূহিকভাৱে পালন কৰে। বঙালী, নেপালী, হিন্দুস্থানী, মাৰোৱাৰী লোকসকলৰ মাজত অসমীয়া ভাষা প্ৰচলনৰ বাবে গাঁৱৰ মাজে মাজে প্ৰাথমিক স্কুল পতা আৰু সেই সেই স্কুল-সমূহত অসমীয়া ভাষাত নিখুঁত জ্ঞান থকা শিক্ষক নিযুক্তিত সহায় কৰা আদি কাৰ্য্যও কৰা হয়। শ্বিলং মুকুল সঙ্ঘই ১৯৬০-৬১-ৰ ভিতৰত বাৰটা অধিৱেশনত পঠিত ৰচনাৱলীৰপৰা "মুকুল-প্ৰকাশ" নামে প্ৰায় চাৰি-শ পিঠীয়া গ্ৰন্থ এখন প্ৰকাশিত হৈছে। শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ 'Assam, its people and language' নামৰ পুস্তিকাৰ অসমীয়া অনুবাদ এটিও প্ৰকাশ কৰা হৈছে। সঙ্ঘৰ অধিৱেশনত হোৱা সাহিত্য চৰ্চ্চাৰ অনুপ্ৰেৰণাত কেইবাজনো সভ্যৰ ৰচিত গ্ৰন্থ প্ৰকাশিত হৈছে। সৰিতা সভাত এজন প্ৰখ্যাত সংবাদ-পত্ৰ-সেৱী মথুৰামোহন বৰুৱাৰ স্মৃতি উপলক্ষে 'জীৱনীমালা' (দ্বিতীয় খণ্ড) প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হয়। 'জীৱনীমালা' (প্ৰথম খণ্ড) এই সভাৰ যোগেদি আগতে প্ৰকাশিত হৈ গৈছে। "সৰিতা-বাণী" নামৰ সৰু কবিতা পুথি এখনৰ যোগেদি ভাষা আন্দোলনত সংঘটিত অশান্তিৰ কাৰ্ফু-যুগৰ ছবি এটি দাঙি ধৰা হৈছে। 'বেজবৰুৱাৰ সাহিত্য-প্ৰতিভা' নামৰ সভাৰ প্ৰকাশিত পুথিখনৰ দ্বিতীয় পৰিবৰ্দ্ধিত সংস্কৰণ ওলাইছে। ডিমৌ আৰু গুৱাহাটী সাহিত্য সভাই স্থায়ী গৃহ-নিৰ্ম্মাণৰ অৰ্থে ভূমি অধিগ্ৰহণ কৰিছে আৰু তিনিচুকীয়া সাহিত্য সভাই এটি গৃহ-নিৰ্ম্মাণ কাৰ্য্য প্ৰায় সম্পূৰ্ণ কৰিছে। ৰংপুৰ সাহিত্য সভাই অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৰি শ্ৰীযতীন্দ্ৰনাথ দুৱৰাদেৱক সম্বৰ্দ্ধনা জনায়।

অষ্টাবিংশ বাৰ্ষিক সম্মিলনৰ পিছত এই সভা-সমূহক অসম সাহিত্য সভাৰ শাখা-ৰূপে স্বীকৃতি দান কৰা হ'ল,—ৰামদিয়া সাহিত্য সভা, ডিব্ৰুগড়

সাহিত্য সভা, পছিম ঘিলাধাৰী সাহিত্য সভা, ৰাজ্যিক ভাষা প্ৰচাৰ সমিতি—আলগাপুৰ, ন-আলি ঢেকিয়াজুলি সাহিত্য সভা, শলগুৰি মুকুল সাহিত্য সভা, চম্পকনগৰ সাহিত্য সভা, মাকুম সাহিত্য সভা, ৰ'দালী সাহিত্য সভা, সৰুপথাৰ সাহিত্য সভা, তামুলপুৰ সাহিত্য সভা, বিজনী সাহিত্য সভা, পকোৱা মৌজা সাহিত্য সভা, ডিমাপুৰ সাহিত্য সভা, ডিব্ৰুগড় বৰপথাৰ আঞ্চলিক সভা, বালিগাঁও সাহিত্য সভা, টিপ্‌লিং সাহিত্য সভা, ধমধমা আঞ্চলিক সাহিত্য সভা, চাঁচনি সাহিত্য সভা, শ্বিলং মুকুল সঙ্ঘ (এইখনি আগৰ স্বীকৃত সভা)। এইসমূহৰ উপৰি স্বীকৃত সভা-ৰূপে মদাৰখাট আলোচনা চক্ৰ আৰু পূব ঘিলাধাৰী সাহিত্য সভাক স্বীকৃতি দিয়া হয়।

## নতুন আজীৱন সভ্য

এই বছৰত এইসকল লোকে সভাৰ আজীৱন সভ্য হৈছে,—শ্ৰীমুকলীধৰ বৰুৱা, শ্ৰীগকুলচন্দ্ৰ গোস্বামী, ছৰ্দ্দাৰ শ্ৰীযোগীন্দৰ সিংহ, শ্ৰীপদ্মৰঞ্জন বৰুৱা, শ্ৰীওবায়দল হক, শ্ৰীৰাধানাথ হাজৰিকা, শ্ৰীমতী সুপ্ৰভা গোস্বামী, শ্ৰীতোলনচন্দ্ৰ শইকীয়া, শ্ৰীমোক্ষদাপ্ৰসাদ বৰুৱা, শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, শ্ৰীশৰৎ বৰা, শ্ৰীমতী দেৱবালা চলিয়া, শ্ৰীমতী সুৰলা হাজৰিকা, শ্ৰীমতী মালতী বৰুৱা।

## আৰ্থিক অনাটন

অসম সাহিত্য সভাই অসমীয়া ভাষা সংস্কৃতিৰ প্ৰচাৰৰ অৰ্থে যিথিনি কৰিব লাগিছিল আৰু যিদৰে প্ৰকাশন আঁচনি আদি কাৰ্য্যকৰী কৰিব লাগিছিল; সেইভাৱে নিশ্চয় কৰিব পৰা নাই। আৰু এই অপাৰগতাৰ মূল কাৰণ হ'ল আৰ্থিক অনাটন। আন এটি কথাৰ প্ৰতি আমাৰ নিজৰে দৃষ্টি আকৰ্ষণ কৰিব লগীয়া হৈছে। ১৯৫৯-৬০ আৰু ১৯৬০-৬১ চনত প্ৰকাশন-আঁচনি আৰু পৰ্ব্বত-ভৈয়ামৰ সাংস্কৃতিক প্ৰীতিবৃদ্ধিৰ আঁচনিৰ বাবে অসম চৰকাৰে কুৰি হেজাৰকৈ চল্লিশ হেজাৰ টকাৰ অনুদান দিছিল। আমি কাৰ্য্যভাৰ লোৱাৰ পিছত এই দুই আঁচনিৰ কাম ১৯৬১-৬২ চনত চলাই থাকিবৰ বাবে চৰকাৰক অনুদান পুনৰ দিবৰ বাবে আৱেদন কৰোঁ; ১৯৬১-ৰ ১৪ মাৰ্চ্চ তাৰিখে সভাৰ ছজনীয়া এটি দলে মুখ্য মন্ত্ৰী প্ৰমুখ্যে চৰকাৰ পক্ষৰ আগত ১৯৬১-৬২ চনৰ প্ৰকাশন আঁচনি আৰু সাংস্কৃতিক প্ৰীতি-বৃদ্ধিৰ আঁচনি দুখন উত্থাপন কৰে। চৰকাৰৰ পক্ষৰপৰা জনোৱা হয় যে আঁচনিবোৰ চৰকাৰৰ আয়ব্যয়ক প্ৰস্তুত কৰা সময় অৰ্থাৎ অন্ততঃ আগষ্ট মাহৰ ভিতৰতে চৰকাৰৰ হাতত পৰিব লাগিছিল। গতিকে প্ৰতিজন প্ৰধান সম্পাদকে নিজৰ কাৰ্য্য-কালৰ বিষয়ে মাত্ৰ চিন্তা নকৰি অসম সাহিত্য সভাক এটি চিৰঞ্জীৱী অনুষ্ঠান-ৰূপে গণ্য কৰি পূৰ্ব্বৰ আৰু পিছৰ বছৰবোৰৰ কথা ভাবি অৰ্থ-সংস্থানৰ যত্ন কৰিব লাগিব। কিছুমান আঁচনিৰ পৌনঃপুনিক তাৎপৰ্য্য থাকিবই; যেনে পঢ়াশালি এখন স্থাপন কৰিলে তাক চৰকাৰক বা আনৰ হাতত গতই নিদিয়া পৰ্য্যন্ত চলাই থাকিবলৈ ধনৰ চিন্তা কৰিবই লাগিব। গতিকে এজন সম্পাদক পিছৰ বছৰত থাকক-নাথাকক সেই বছৰৰ বাবে এই পৌনঃ-পুনিক আঁচনিবোৰৰ বিষয়ে সংস্থানৰ অন্ততঃ যত্ন কৰি হোৱা উচিত হ'ব; নহ'লে সাহিত্য সভা কেতিয়াবা বিপদত পৰিব লগীয়া হব পাৰে।

বৰ্ত্তমান বছৰত অৰ্থ-চিন্তাই আমাক বিশেষ প্ৰপীড়ন কৰাত আমি ৰাইজৰ ওচৰত ভিক্ষা বিচাৰি হাত পাতিবলৈ স্থিৰ কৰোঁ। সদাশয় অনেক লোকেই আমাৰ আবেদন শুনি সাহিত্য সভাৰ পুঁজিলৈ দান আগ বঢ়াইছে। 'নতুন অসমীয়া' কাকতৰ গৰাকীসকলৰ সৌজন্যত এটি 'নতুন অসমীয়া অসম সাহিত্য পুঁজি' নামে এটি পুঁজি স্থাপন হৈছে।



## বিত্তীয় পৰিচালনা

অসম সাহিত্য সভাৰ পৰিচালনাৰ বিষয়ে নিয়মাৱলীত কেইবাটিও পৰিষ্কাৰ বিধি বান্ধি দিয়া আছে; কিন্তু কাৰ্য্যালয়ৰ অনুষ্টুপীয়া ৰূপৰ কাৰণেই হওক বা প্ৰধান সম্পাদকৰ কাৰ্য্যকাল চমু হৈ এই বিষয়ে চিন্তা কৰি ব্যৱস্থা ল'বৰ আৱশ্যকীয় সময়ৰ অভাৱৰ কাৰণেই হওক, খতিয়ান, স্টক বহী আৰু প্ৰত্যেক অক্ষয় পুঁজি আৰু দান পুঁজিৰ কেন্দ্ৰীয় কাৰ্য্যালয়ত হিচাপ ৰখা আদি কাৰ্য্য ১৯৬০-৬১ বিত্তীয় বছৰলৈকে হোৱা নাছিল। হিছাপ-পৰীক্ষক সকলৰ দুই-এজনে এই বিষয়লৈ আঙুলিয়াই দেখুৱাইছিল যদিও প্ৰতি প্ৰধান সম্পাদকৰ কাৰ্য্য-কালৰ প্ৰায় শেষতহে হিছাপ-পৰীক্ষাৰ কাম হোৱাত বিষয়টো কাৰ্য্যকৰী কৰাত মহৎ অসুবিধা হৈছিল। এতিয়া সভাৰ এজন কাৰ্য্যালয় সচিব নিযুক্ত হোৱাত হিছাপ ৰখাৰ কামটো সিজন কৰ্ম্মচাৰীৰ দায়িত্বলৈ নিয়া উচিত হ'ব বুলি আমাৰ ভাব হয়; নহ'লে সকলো প্ৰধান সম্পাদক হিছাপ-বিজ্ঞান-শিক্ষা-প্ৰাপ্ত হ'ব বুলি যেতিয়া আশা কৰা নাযায়, সভাৰ হিছাপ আৰু আয়-ব্যয়কৰ সঙ্গতি ৰক্ষা কৰা টান হ'ব বা কেতিয়াবা এই বিষয়ত বিভ্ৰাটৰ সৃষ্টি হোৱাৰো সম্ভাৱনা থৈ যায়। অৱশ্যে এই ব্যৱস্থা কৰাৰ আগতে কাৰ্য্যালয় সচিব এজনক স্থায়ীৰূপে নিয়োগ দিব লাগিব।

বৰ্ত্তমান বছৰৰপৰা (১৯৬১-৬২) সভাৰ হিছাপ হিছাপ-বিজ্ঞান-সম্মত কৰি ৰাখিবৰ যত্ন কৰা হৈছে, আৰু সেইমতেই আয়-ব্যয়ক প্ৰস্তুত কৰা হৈছে। এতিয়ালৈকে সভাৰ হিছাপ-বহীত নেদেখুওৱা আচুতীয়া পুঁজিসমূহ আয়-ব্যয়কৰ ভিতৰলৈ অনা হৈছে, সাধাৰণ পুঁজি আৰু অক্ষয় পুঁজি তাত ভাগ কৰি দেখুওৱা হৈছে; খতিয়ান-পদ্ধতিও প্ৰয়োগ কৰা হৈছে। এইবিলাকৰ পৰা প্ৰধান সম্পাদকৰ কাৰ্য্যালয় আৰু কেন্দ্ৰীয় কাৰ্য্যালয়ৰো কাম যথেষ্ট বাঢ়িছে আৰু সেই বাবেই লাহে লাহে অধিক কৰ্ম্মচাৰীৰো আৱশ্যকতা হ'ব। কিন্তু বিপদ অহাৰ আগতে সভাই অৱস্থানুৰূপ ব্যৱস্থা লোৱা বাঞ্ছনীয়।

ছপা আদি কাম দিয়া সময়ত ক'টেচন্ বিচৰা পদ্ধতি এই বছৰৰপৰা নিৰূপিত কৰিবৰ যত্ন কৰা হৈছে।

## অক্ষয় পুঁজি

কমলাদেৱী স্মাৰক পুঁজিৰ বাঢ়িৰ পুঁজিত ১৯৬১-৬২ চনৰ প্ৰাৰম্ভণত ৮০৭·৬১ টকা উদ্বৃত্ত-ৰূপে আছিল। এই পুঁজিৰপৰা উত্তৰ-পূব সীমান্ত অঞ্চলৰ সাধুকথাৰ এটি সংগ্ৰহ প্ৰকাশ কৰিবৰ কাৰণে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে মানস কৰিছে।

হৰিহৰ চৌধুৰী বঁটা পুঁজিৰপৰা পোৱা বাঢ়িৰে 'হৰিহৰ চৌধুৰী বঁটা-১৯৬১' ১৯৬১ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষাত অসমীয়া বিষয়ত প্ৰথম হোৱা উত্তৰ-পূব সীমান্ত অঞ্চলৰ ছাত্ৰজনক দিয়া হ'ব। এতিয়াও বিশ্ববিদ্যালয়ৰ পৰা ছাত্ৰজনৰ নাম পাব পৰা হোৱা নাই।

## চন্দ্ৰকান্ত অভিধান

যোৱা বাৰ্ষিক সন্মিলনৰ সময়ত চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় সংস্কৰণৰ ছপাৰ কাম চ-বৰ্গৰ মাজত আছিল অৰ্থাৎ প্ৰথম সংস্কৰণৰ চাৰি শ পিঠিৰ ওপৰলৈ উঠিছিল। এই বছৰটোত ছপা কাম যথেষ্ট বেগেৰে আগ বাঢ়িছে আৰু বৰ্ত্তমান প-বৰ্গৰ শেষৰ ফাল পাইছেহি অৰ্থাৎ প্ৰথম সংস্কৰণৰ আঠ শ পিঠিৰ ওপৰ উঠিছে। বৰ্ত্তমান বেগত কাম চলিলে

১৯৬১ শেষ প্ৰান্তত নহ'লেও ১৯৬২-ৰ প্ৰাৰম্ভত অভিধানৰ ছপা কাম শেষ হ'ব বুলি আশা কৰা যায়।

## শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি

অসম সাহিত্য সভাৰ প্ৰথম প্ৰধান সম্পাদক আৰু সভাৰ এজন অন্যতম প্ৰতিষ্ঠাতা শৰৎচন্দ্ৰ গোস্বামীৰ নামত এটি দান-পুঁজি স্থাপন কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ২৯ ডিচেম্বৰ ১৯৬০ তাৰিখৰ অধিৱেশনে থিৰাং কৰে। বিভিন্ন শাখা-সভা আৰু স্বীকৃত সভাসমূহলৈ দান সংগ্ৰহৰ অনুৰোধতে আবেদন পঠোৱা হৈছিল। কিন্তু এই সংগ্ৰহৰ কাম আগ বঢ়া নাই বুলিলেই হয়।

## গুৱাহাটীত অসম সাহিত্য সভা সদন

গুৱাহাটী আজি অসমৰ সাংস্কৃতিক প্ৰাণ-কেন্দ্ৰ আৰু বাহিৰৰপৰা অহা সংস্কৃতি-প্ৰেমীসকলৰ কাৰণে অসমৰ দুৱাৰ-দলি। ইয়াত অসম সাহিত্য সভাৰ কাৰ্য্যালয় আৰু অতিথি-শালা আদিৰে এটি ঘৰ হোৱাৰ বাঞ্ছনীয়তা কেইবা বছৰৰ পৰা অনুভৱ কৰি অহা হৈছে। কিন্তু এই বিষয়ত বিশেষ আগ বাঢ়িব পৰা হোৱা নাছিল। বৰ্ত্তমানে অসম চৰকাৰৰ ওচৰত মাটিৰ বাবে আৰু ভাৰত চৰকাৰৰ ওচৰত গৃহ-নিৰ্ম্মাণৰ সাহায্যৰ বাবে নিৰূপিত আঁচনিৰে আবেদন জনোৱা হৈছে। অসমৰ মুখ্য মন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাদেৱে জনাইছে, অতি অলপতে আমাৰ ভূমি-অধিগ্ৰহণৰ ব্যৱস্থা সম্ভৱ হ'ব।

## অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা

সৰ্ব্বসাধাৰণ লোকে, বিশেষকৈ অনা-অসমীয়া-ভাষীসকলে ঘৰতে পঢ়ি অসমীয়া ভাষাজ্ঞানৰ নিদৰ্শন-স্বৰূপে প্ৰমাণ-পত্ৰ পাব পৰা পৰীক্ষাৰ কাৰণে আৱশ্যকীয় নিয়মাৱলী গঠন কৰি অহা বছৰৰ প্ৰথম ভাগতে প্ৰাথমিক পৰীক্ষা লোৱাৰ আয়োজন কৰা হৈছে।

## বিবিধ

সভাৰ এজন আজীৱন সভ্য আৰু প্ৰাক্তন কাৰ্য্য-নিৰ্ব্বাহক সদস্য শ্ৰীপ্ৰেমধৰ ৰাজখোৱাক সেই সময়ৰ প্ৰধান সম্পাদকে কলিকতাত পুথি ছপা কৰাৰ দিহা কৰিবলৈ দিয়া টকাৰ ভিতৰৰ ১,৭৫০'০০ টকা শ্ৰীৰাজখোৱাই ঘূৰাই নিদিয়াত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশ অনুযায়ী আদালতত গোচৰ তৰা হয়। যোৱা ২ মেই ১৯৬১ তাৰিখে এই মোকৰ্দ্দমাৰ বিষয়ত যোৰহাটৰ ছাবৰ্ডিনেট্ জজৰ আদালতৰ ১৮ জানুৱাৰী ১৯৬১ তাৰিখৰ ২,০২৮'৫০ টকাৰ একতৰফা ডিক্ৰীৰ হুকুম পোৱা হয়। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ পৰামৰ্শমতে সভাৰ পক্ষৰ উকীলক ডিক্ৰীজাৰিৰ ব্যৱস্থা হাতত ল'বলৈ দিয়া হৈছে।

দিল্লী বিশ্ববিদ্যালয়ত আন আধুনিক ভাৰতীয় ভাষাৰ দৰে অসমীয়া ভাষাৰো শিক্ষণৰ ব্যৱস্থা কৰাৰ যত্ন কৰিবলৈ অসম চৰকাৰক কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অনুৰোধ কৰে। অসমৰ মুখ্য মন্ত্ৰীয়ে জনাইছে যে, এজন অসমীয়া অধ্যাপক দিবলৈ অসম চৰকাৰে স্থিৰ কৰিছে।

আকাশ-বাণীৰ গুৱাহাটী কেন্দ্ৰৰপৰা অসমত বসতি কৰা অসমীয়া ভাষা নজনা লোকৰ কাৰণে অসমীয়া শিকোৱা এটি স্থায়ী কাৰ্য্যসূচী স্থিৰ কৰিবলৈ আকাশবাণীৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হৈছিল। এই বিষয়ত অসমৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী ডক্টৰ বি. ডি. কেস্কৰৰ লগত আলোচনা কৰি আমাক সাহায্য কৰি আছে।

## কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিবেশন

১৯৬০ চনৰ ২৯ অক্টোবৰ দিনা দিনৰ বেলা বহ



অসম সাহিত্য সভাৰ মুকলি অধিৱেশনত নিৰ্ব্বাচিত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ এখনি প্ৰাথমিক অধিৱেশন সিদিনা সন্ধিয়াতে পতা হয়। ২৮ ডিচেম্বৰ তাৰিখে আমি কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। ২৯ ডিচেম্বৰ তাৰিখে সমিতিৰ প্ৰথম অধিৱেশন চন্দ্ৰকান্ত সন্দিকৈ ভৱনত বহুওৱা হয়। এই অধিৱেশনত পঁচিশটি বিভিন্ন বিষয়ৰ আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ হয়। ১৯৬১ চনৰ ২৪ আৰু ২৫ জুন তাৰিখে গুৱাহাটীৰ জিলা গ্ৰন্থাগাৰত সমিতিৰ দ্বিতীয় অধিৱেশন বহে। অধুনা বিখ্যাত শাস্ত্ৰী-সূত্ৰ আলোচনা কৰা এই অধিৱেশনৰ গুৰুত্বপূৰ্ণ বিষয় আছিল। বৈঠকটিত ৫৬-টি বিষয়ৰ আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ হয়। সমিতিৰ তৃতীয় অধিৱেশন গুৱাহাটীত ২০ ছেপ্টেম্বৰ তাৰিখে বহে। এই বৈঠকত ৩৭টি বিষয়ৰ আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ হয়। চতুৰ্থ অধিৱেশন গোৱালপাৰাত ২৯-৩০ অক্টোবৰ তাৰিখে বহে আৰু পঁচিশটি বিষয়ৰ আলোচনা আৰু সিদ্ধান্ত কৰে। বছৰৰ মাজ ভাগত অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক ড: সত্যেন্দ্ৰনাথ শৰ্ম্মাই শাৰীৰিক অসুস্থতাবশতঃ পদত্যাগ কৰাত শ্ৰীযতীন্দ্ৰনাথ গোস্বামী বিংশ বছৰৰপৰা পত্ৰিকাৰ সম্পাদক নিযুক্ত হয় আৰু শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীক কাৰ্য্য-নিৰ্ব্বাহক সমিতিত নতুন সদস্যৰূপে নিৰ্ব্বাচিত হয়। সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আন এগৰাকী সদস্য শ্ৰীবিশ্বনাথ ৰাজবংশীৰ মৃত্যুত শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশীক সদস্য নিৰ্ব্বাচন কৰা হয়।

## সামৰণি

আমাৰ বাচ্য-বক্তব্যেৰে আপোনালোকক বহুত পৰ আমনি দিয়া হ'ল। এতিয়া সামৰোঁ। তাৰ আগতে আমাক হাতে-কামে লাগি আৰু নানা দিহা-পৰামৰ্শেৰে সততে সহায় কৰা বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্যসকলৰ বাহিৰেও প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীৰঘুনাথ চৌধাৰী আৰু শ্ৰীঅম্বিকাগিৰি ৰায় চৌধুৰী, প্ৰাক্তন কোষাধ্যক্ষ শ্ৰীনকুলচন্দ্ৰ ভূঞা, নতুন অসমীয়া'ৰ সম্পাদক শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, 'অসম বাণী'ৰ সম্পাদক শ্ৰীসতীশচন্দ্ৰ কাকতীক সভাৰ পক্ষৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰোঁ। অধ্যাপক শ্ৰীখগেন্দ্ৰনাথ শইকীয়াই হিছাপ-ৰক্ষণৰ এটি দৃঢ়-ৰূপ দিবলৈ কৰা আমাৰ যত্নত সহায় কৰা বাবে আমাৰ শলাগৰ পাত্ৰ। তদুপৰি আৰ্থিক সাহায্যৰ বাহিৰেও নিলগৰেপৰা আমাক দুই-এটি আৱশ্যকীয় পৰামৰ্শ দিয়া বাবে আমি আমাৰ এগৰাকী প্ৰাক্তন সভাপতি শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ ওচৰত বিশেষ ঋণী।

অহা ১৭ ডিচেম্বৰ তাৰিখে অসম সাহিত্য সভাৰ বয়স ৪৪ বছৰ পূৰ হ'ব। চৌচল্লিশ-বছৰীয়া এই অনুষ্ঠানটি আজি শক্তিশালী আৰু ৰাজ্যৰ আৰু বাহিৰৰ শ্ৰদ্ধানুৰাগভাজন এটি প্ৰতিষ্ঠানত পৰিণত হৈছে। ইয়াৰ যোৱা চুকুৰি চাৰি বছৰৰ ইতিহাস কাতিমহীয়া লুইতৰ বুকত পালতৰা নাও ধীৰেৰ ভটীয়নী সোঁতত আগ বঢ়াৰ দৰে বাঢ়িব পৰা নাই। বহুতো বতাহ-ধুমুহা-ধল ইয়াৰ তলিয়ে, বুকে, মূৰৰ ওপৰে বেগেৰে বৈ গৈছে। কিন্তু সাহিত্য সভা আজিও স্থিৰ হৈ বৈ গৈছে আৰু আগলৈও ৰ'ব। ই দলগত, ৰাজনৈতিক কিম্বা সাম্প্ৰদায়িক অনুষ্ঠান নহয়। কাকো আঁতৰাই নপঠাই সকলোকে সামৰাৰ আদৰ্শ আমাৰ সভাই পাহৰিব নালাগে।

কাছাৰ অঞ্চলত অসমীয়া পঢ়াশালি আৰু গ্ৰন্থাগাৰৰ কাৰণে উঠা দাবী-পূৰণৰ কাৰণে চৰকাৰে নিৰ্দিষ্ট এটি পন্থা অনতিবিলম্বে হাতত লোৱা উচিত। নহ'লে প্ৰশাসনীয় ভাষাৰ যোগে ৰাজ্যিক একীকৰণৰ নীতি সাৰ্থক নহ'ব। এই বিষয়ত

পাৰ্ব্বত্য জিলা-সমূহৰ ফালেও আমাৰ দৃষ্টি হেৰাব নালাগিব।

আৰু এটি কথা। আমাৰ সভাৰ দুৰ্ব্বল আৰ্থিক অৱস্থাৰ হেতুকে আমি ৰাইজৰ সমুখত ভিক্ষাৰীৰ জোলোঙা পাতিছোঁ। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিক ভাল পোৱা সকলোৱেই যেন তাত খুদ-কণ একোটা হ'লেও পেলায়, ইয়াকে কামনা আৰু প্ৰাৰ্থনা কৰিলোঁ।

আপোনালোকৰ ওচৰত এটা বছৰে লগোৱা খোৱাৰ খোজে পতি অপৰাধ আৰু আজি এতেপৰে দিয়া আমনি, দুয়োটাৰ বাবেই ক্ষমা পামনে ?

গোৱালপাৰা
৩০ অক্টোবৰ ১৯৬১

মহেশ্বৰ নেওগ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

গৃহীত।
শ্ৰীত্ৰৈলোক্য গোস্বামী
৩১।১০।৬১
সভাপতি

## অসম সাহিত্য সভা

### ১৯৬০-৬১ চনৰ উদ্বৃত্ত-পত্ৰ

| ঋণ | | | সম্পত্তি | | |
|---|---|---|---|---|---|
| আজীৱন সভ্যৰ বৰঙণি | | ১৩,৩০০·০০ | বেঙ্ক জমা | | ২১,৮৪৫·২২ |
| চলিত বছৰৰ আয় ( আগৰ ষ্টক ধৰি ) | | ৬,১৩৭·৪৬ | নগদ | | ৭১৩·৪৭ |
| পূৰ্ব্বৰ আয় ( গ্ৰন্থাগাৰ আদিত নিহিত ) | | ২২,৩৭৮·২২ | আচবাব আৰু সঁজুলি | ৫,১৯৩·০০ | |
| অক্ষয় পুঁজি-সমূহৰ বাবদ | | | চলিত বছৰৰ জমা | ৭৩২·১৩ | ৫,৯২৫·১৩ |
| দক্ষিণপাট অধিকাৰ গোস্বামী | | | ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিত জমা | | ৩,০৫৮·০০ |
| অক্ষয় পুঁজি | ৫,০০০·০০ | | অক্ষয় পুঁজি-সমূহৰ বিনিয়োগ | | ৪০,৩৯২·১৮ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ১৭,৪০০·০০ | | সামৰণী ষ্টক | | ১৫,৯৫১·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি | ১৫৫০·০০ | | গ্ৰন্থাগাৰ | | |
| কমলাদেৱী স্মাৰক পুঁজি | ২,০০০·০০ | | আগৰ মূল্য | ৮,০০০·০০ | |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | ২৬,৯৫০·০০ | চলিত বছৰৰ যোগ | ১০০·০১ | ৮,১০০·০১ |
| বাঢ়ি পুঁজি-সমূহৰ মুঠ | | ২,৪৪২·১৮ | লেখন-সামগ্ৰী আদিৰ ষ্টক | | ১০০·০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | | ৩,০৫৮·৭০ | প্ৰাক্তন সম্পাদকৰ হাতত জমা | | ১·৪৩ |
| অসম চৰকাৰৰ বিশেষ অনুদানৰ বাকী | | ১৩,২৩৯·৮৮ | সহকাৰী সম্পাদকৰ হাতত জমা | | ৩৫০·০০ |
| ভাৰত চৰকাৰৰ অনুদানৰ বাকী | | ৮,৯৩০·০০ | | | |
| | | ৯৬,৪৩৬·৪৪ | | | ৯৬,৪৩৬·৪৪ |

শ্ৰীত্ৰৈলোক্য গোস্বামী
২৯।১০।৬১
সভাপতি

মহেশ্বৰ নেওগ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

## অসম সাহিত্য সভা

### ১৯৬০-৬১ চনৰ আয়-ব্যয়ৰ হিচাপ

**ব্যয়**

| | | |
|---|---|---|
| দৰ্মহা | | ২,৭৯২,৫৮ |
| ভ্ৰমণ-বানচ আৰু পৰিবহন | | |
| ভ্ৰমণ-বানচ | ৩,৫৬৪.৫৯ | |
| পৰিবহন | ৩৩২.৪২ | ৩,৮৯৭.০১ |
| ডাক আৰু তাঁৰ | | ১,৯৮৪,১৬ |
| খাজনা আৰু কৰ | | ২৩৬.৭৫ |
| লেখন-সামগ্ৰী আদি | ১,১৪৯.৩৫ | |
| বাদ অৱশিষ্ট | ১০০.০০ | ১,০৪৯.৩৫ |
| মুদ্ৰণ আৰু প্ৰকাশন : | | |
| ক্ষুদ্ৰ মুদ্ৰণ | ৭৪১.৬২ | |
| সাধাৰণ প্ৰকাশন | ৮৩০.০০ | ১,৫৭১.৬২ |
| অসম সাহিত্য সভা পত্ৰিকা | | ৩,০৪৫.৯৭ |
| সাধাৰণ প্ৰচাৰ : বিজ্ঞাপন | | ৬৪৫.০০ |
| চৰকাৰী অনুদানৰপৰা আঁচনি | | |
| ভাৰত চৰকাৰ | ৭০.০০ | |
| অসম চৰকাৰ : প্ৰকাশন | ৯,৫৮৬.২৮ | |
| অসম চৰকাৰ : সাংস্কৃতিক··· | ৬,৭৬০.১২ | ১৬,৩৪৬.৪০ |
| ৰাধাকান্ত সন্দিকৈ তিথি-পালন | | ২৫.০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিলৈ দান | | ২০০.০০ |
| ৰাধাকান্ত সন্দিকৈ মূৰ্তি-নিৰ্ম্মাণ আৰু উন্মোচন | | ৩,৯১৯.০৬ |
| হিচাপ-পৰীক্ষণ | | ২৫০.০০ |
| ন্যাস সমিতিৰ পুথি-ক্ৰয় | | ১২.০০ |
| | | ৩৫,৯৭৪.৯০ |

**আয়**

| | | |
|---|---|---|
| বাজ্যিক বাৰ্ষিক চৰকাৰী অনুদান | | ১৬,০০০,০০ |
| চৰকাৰী অনুদান : অসম চৰকাৰ : সাংস্কৃতিক আঁচনি | ৬,৭৬০.১২ | |
| চৰকাৰী অনুদান : ভাৰত চৰকাৰ : | ৭০.০০ | ৬,৮৩০.০০ |
| সাধাৰণ প্ৰকাশন-বিক্ৰী | | ৬,৪৬২.২২ |
| অসম সাহিত্য সভা পত্ৰিকা-বিক্ৰী | | ২৫S.৬৬ |
| বিভিন্ন বিষয়ক দান : | | |
| শ্ৰীৰাধাকান্ত সন্দিকৈ মূৰ্ত্তি-উন্মোচন | ৩,৪৬২.০০ | |
| শ্ৰীৰাধানাথ ফুকন সম্বৰ্দ্ধনা সমিতি | ৩৯৪.০৮ | ৩,৮৫৬.০৮ |
| ৰবগুণি | | ৪,৩৩৬.১০ |
| ৰবগুণি আৰু সাধাৰণ প্ৰকাশন বিক্ৰী | | ১৩৭.০০ |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা | | ১৫.০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিৰ পুথি-বিক্ৰী | | ৫২.০০ |
| সামৰণি ষ্টক : কিতাপ, আচবাব আদি | ৪,৩২৮.০০ | |
| লেখন-সামগ্ৰী আদি | ১০০.০০ | ৪,৪২৮.০০ |
| বিভিন্ন পুঁজি আৰু বেঙ্ক জমাৰ বাঢ়ি | | ৪২৩.২২ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি | | ৫০.০০ |
| | | ৪২,৮৪৪.৪০ |



**ব্যয়**

| | | |
|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ ব্যয় | | ৩৫,৯৭৪.৯০ |
| সভাৰ যাৱতীয় খৰচ | | |
| বৈঠক আদি | ৩৬.৬০ | |
| সভাপতিৰ ঐচ্ছিক | ১৩০.০০ | |
| অন্যান্য | ৪৪২.০০ | ৬০৮.৬০ |
| বেঙ্কৰ খৰচ | | ৭৪.৪৪ |
| অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি : | | |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ | | ৪৯.০০ |
| চলিত বছৰৰ আয় ( আগৰ ষ্টক ধৰি ) | | ৬,১৩৭.৪৬ |
| | | ৪২,৮৪৪.৪০ |

**আয়**

| | |
|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ আয় | ৪২,৮৪৪.৪০ |
| | ৪২,৮৪৪.৪০ |

শ্ৰীত্ৰৈলোক্য গোস্বামী,
সভাপতি
২৭।১১।৬০

মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

### চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মেৰামতি | ৬০৬'৬৮ | আৰম্ভণী উদ্বৃত্ত ( বেঙ্ক ) | |
| সামৰণী উদ্বৃত্ত ( যোৰহাট ডাকঘৰ ছেভিংছ বেঙ্ক ) | | ( হাতে জমা ) | ৬৫২'২৯ |
| ( হাতে জমা ) | ৬৯২'৬৩ | চলিত বছৰৰ মূল পুঁজি আৰু বাঢ়ি পুঁজিৰ বাঢ়ি | ৬৪৭'০২ |
| | ১,২৯৯'৩১ | | ১,২৯৯'৩১ |

### চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| সাধাৰণ পুঁজিলৈ সমাৰোহৰ বাবে নিয়া | ৫০'০০ | আৰম্ভণী উদ্বৃত্ত | ১৩৬'০০ |
| সামৰণী উদ্বৃত্ত ( যোৰহাট ডাকঘৰ ছেভিংছ বেঙ্ক ) | ৮৭'৩৬ | চলিত বছৰৰ বাঢ়ি পুঁজিৰ বাঢ়ি | ১'৩৬ |
| | ১৩৭'৩৬ | | ১৩৭'৩৬ |

### কমলাদেৱী স্মাৰক পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| উদয়াচলৰ সাধু-প্ৰকাশ | ১,১২০'০০ | আৰম্ভণী উদ্বৃত্ত | ৯০১'০৯ |
| সামৰণী উদ্বৃত্ত ( যোৰহাট ডাকঘৰ ছেভিংছ বেঙ্ক ) | ৮০৭'৬১ | সাধাৰণ পুঁজিৰপৰা পৃথক কৰি অনা | ১,০১৬'০০ |
| | ১৯২৭'৬১ | চলিত বছৰৰ বাঢ়ি পুঁজিৰ বাঢ়ি | ১০'৫২ |
| | | | ১,৯২৭'৬১ |

## চৰকাৰী অনুদান

### অসম চৰকাৰ : ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি

| | | | |
|---|---|---|---|
| কাছাৰৰ পঢ়াশালি আৰু সাংস্কৃতিক সমন্বয়কামী কাৰ্য্য | ৬,৭৬০'১২ | অনুদান | ২০,০০০'০০ |
| সামৰণী উদ্বৃত্ত ( সাধাৰণ পুঁজিত ) | ১৩,২৩৯'৮৮ | | |
| | ২০,০০০'০০ | | ২০,০০০'০০ |



### অসম চৰকাৰ : প্ৰকাশন আঁচনি

| | | | |
|---|---|---|---|
| অসম সাহিত্য সভা পত্ৰিকা ( সাধাৰণ পুঁজি চাওক ) | ৩,০৪৫'৯৭ | সাধাৰণ পুঁজিৰপৰা ঋণ | ১২,৬৩২'২৫ |
| পবিত্ৰ অসম, অসমীয়া লোকগীতি সংগ্ৰহ, কামিনীকান্ত-প্ৰকাশ, ভাষণাৱলী আৰু মোৰ জীৱন-সোঁৱৰণৰ প্ৰস্তুতি | ৯,৫৮৬'২৮ | | ১২,৬৩২'২৫ |
| | ১২,৬৩২'২৫ | | |

### ভাৰত চৰকাৰ : সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি

| | | | |
|---|---|---|---|
| অসমৰ জনজাতি আৰু অসমৰ জনজাতীয় সাধুৰ প্ৰস্তুতি | ৭০'০০ | অনুদান | ৯,০০০'০০ |
| সামৰণী উদ্বৃত্ত | ৮,৯৩০'০০ | | ৯,০০০'০০ |
| | ৯,০০০'০০ | | |

## দানৰ পুঁজি

### ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( অসম কো-অপাৰেটিভ এপেক্স বেঙ্ক যোৰহাট ) | ৩'০৫৮'৭০ | আৰম্ভণী উদ্বৃত্ত | ২,৮২১'৮৬ |
| | ৩'০৫৮'৭০ | সাধাৰণ পুঁজিৰপৰা দান | ২০০'০০ |
| | | চলিত বছৰৰ বেঙ্কৰ বাঢ়ি | ৩৬'৮৪ |
| | | | ৩,০৫৮'৭০ |

শ্ৰীত্ৰৈলোক্য গোস্বামী.
২৯।১০।৬১
সভাপতি

মহেশ্বৰ নেওগ.
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## ১৯৬০-৬১ চনৰ বিশেষ পুঁজিৰ হিচাপ

### অক্ষয় পুঁজি

#### দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( চৰকাৰী ৪% ঋণপত্ৰ ১৯৬০-৭০ ) | ৫,০০০·০০ | মূল পুঁজি | ৫,০০০·০০ |
| | ৫,০০০·০০ | | ৫,০০০·০০ |

#### চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( ৰিজাৰ্ভ বেঙ্ক অব্ ইণ্ডিয়া, কলিকতা, স্থায়ী জমা ) | ১৭,৪০০·০০ | মূল পুঁজি | ১৭,৪০০·০০ |
| | ১৭,৪০০·০০ | | ১৭,৪০০,০০ |

#### চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( অসম কঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট, স্থায়ী জমা ) | ১,৫৫০·০০ | মূল পুঁজি | ১,৫৫০·০০ |
| | ১,৫৫০·০০ | | ১,৫৫০·০০ |

#### কমলাদেৱী স্মাৰক পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( অসম কঅপৰেটিভ এপেক্স বেঙ্ক, যোৰহাট, স্থায়ী জমা ) | ২,০০০·০০ | মূল পুঁজি | ২,০০০·০০ |
| | ২,০০০·০০ | | ২,০০০·০০ |



#### হৰিহৰ চৌধুৰী বঁটা পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( অসম কঅপাৰেটিভ এপেক্স বেঙ্ক যোৰহাট, স্থায়ী জমা ) | ১,০০০·০০ | সাধাৰণ পুঁজিৰপৰা পৃথক কৰি অনা মূল পুঁজি | ১,০০০·০০ |
| | ১,০০০·০০ | | ১,০০০·০০ |

#### আজীৱন সভ্যৰ পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত | | | |
| ( গুৱাহাটী ডাকঘৰ, নেচনেল ছেভিংছ চাৰ্টিফিকেট ) | ৫,০০০·০০ | মূল পুঁজি | ৫,০০০·০০ |
| ( অসম কঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট, স্থায়ী জমা ) | ৬,০০০·০০ | সাধাৰণ পুঁজিৰপৰা পৃথক কৰি অনা মূল পুঁজি | ৬,০০০·০০ |
| ( সাধাৰণ পুঁজি ) | ৫০০·০০ | চলিত বছৰৰ বৰঙণি | ৫০০·০০ |
| | ১১,৫০০·০০ | | ১১,৫০০·০০ |

### অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি

#### দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| সামৰণী উদ্বৃত্ত ( যোৰহাট ডাকঘৰ ছেভিংছ বেঙ্ক ) | ৮৯৪·২৪ | আৰম্ভণী উদ্বৃত্ত | ২৯০·৯৯ |
| | ৮৯৪·২৪ | চলিত বছৰৰ মূল পুঁজি আৰু বাঢ়ি পুঁজিৰ বাঢ়ি ( সাধাৰণ পুঁজিৰ যোগেদি অনা বাঢ়ি ৫৯৬·০০ ) | ৬০৩·২৫ |
| | | | ৮৯৪·২৪ |

| জমা | | | খৰচ | | |
|---|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ জমা | | ২৮,৫০৩.৮৩ | পূৰ্ব্ব পৃষ্ঠাৰ মুঠ খৰচ | | ২১,০৫০.০৩ |
| প্ৰকাশন-বিক্ৰী : সাধাৰণ | | ৬,৪৭২.২২ | সামৰণী উদ্বৃত্ত : | | |
| প্ৰকাশন-বিক্ৰী : | | | নগদ : কেন্দ্ৰীয় কাৰ্য্যালয় | ৪৯৫.৮১ | |
| অসম সাহিত্য সভা পত্ৰিকা : | | | প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | ১০৮.৫৫ | |
| কেন্দ্ৰীয় কাৰ্য্যালয় | ২১৪.৬৬ | | অসম সাহিত্য সভা পত্ৰিকা : | | |
| পত্ৰিকা সম্পাদকৰ হিচাপ | ৪০.০০ | ২৫৪.৬৬ | কেন্দ্ৰীয় কাৰ্য্যালয় | ২১.১৮ | |
| বিবিধ : ৰাধাকান্ত সন্দিকৈ মূৰ্ত্তি-নিৰ্ম্মাণ-উন্মোচনৰ বাবে দান | ৩,৪৬২.০০ | | পত্ৰিকা সম্পাদকৰ হিচাপ | ৮৭.৯৩ | ৭১৩.৪৭ |
| শ্ৰীৰাধানাথ ফুকন সম্বৰ্দ্ধনা সমিতিৰ দান | ৩৯৪.১৮ | | বেঙ্ক : অসম কঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | ২,৯২৬.২৮ | |
| শাখা সভাৰ বৰঙণি আৰু প্ৰকাশন-বিক্ৰীৰ মিহলি | ১৩৭.০০ | | অসম কঅপাৰেটিভ এপেক্স বেঙ্ক, গুৱাহাটী | ৯,০০৬.০৮ | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা | ১৫.০০ | | ষ্টেট বেঙ্ক অব্ ইণ্ডিয়া, যোৰহাট | ৯,৬৫১.৫৭ | |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিৰ পুথি-বিক্ৰী | ৫২.০০ | ৪,০৬০.০৮ | পষ্ট অফিচ ছেভিংছ বেঙ্ক যোৰহাট | ২৬১.২৯ | ২১,৮৪৫.২২ |
| বিশেষ পুঁজি | | | কেন্দ্ৰীয় কাৰ্য্যালয়ৰ বাবে দিয়া সহকাৰী সম্পাদকৰ হাতে থোৱা | | ৩৫০.০০ |
| অক্ষয় পুঁজিৰ বাঢ়ি : দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | | ২৯৮.৩৭ | প্ৰাক্তন প্ৰধান সম্পাদকৰ হাতে থোৱা | | ১.৪৩ |
| অক্ষয় পুঁজি : চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি | | ৫০.০০ | | | ৪৩,৯৬০.১৫ |
| চৰকাৰী অনুদান : অসম চৰকাৰ : ভাষাশিক্ষা সাংস্কৃতিক সমন্বয় | | ২০,০০০.০০ | | | |
| চৰকাৰী অনুদান : ভাৰত চৰকাৰ : সাংস্কৃতিক সম্পৰ্ক-উন্নয়ন | | ৯,০০০.০০ | | | |
| আজীৱন সভ্যৰ পুঁজি : চলিত বছৰৰ বৰঙণি | | ৫০০.১০ | | | |
| হিচাপৰ পাৰ্থক্য | | ১০৮.৩৯ | | | |
| | | ৬৯,২৩৭.৫৫ | | | |



| জমা | | | খৰচ | | |
|---|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ জমা | | ৬৯,২৩৭.৫৫ | পূৰ্ব্ব পৃষ্ঠাৰ মুঠ খৰচ | | ৪৩,৯৬০.১৫ |
| | | | বিশেষ পুঁজি | | |
| | | | অক্ষয় পুঁজি : | | |
| | | | হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০.০০ | |
| | | | আজীৱন সভ্যৰ পুঁজি | ৬,০০০.০০ | |
| | | | অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি : | | |
| | | | দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি বাঢ়ি পুঁজি | ৫৯৬.০০ | |
| | | | চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি বাঢ়ি পুঁজি | ৪৯.০০ | |
| | | | কমলাদেৱী স্মাৰক পুঁজি বাঢ়ি পুঁজি | ১,০১৬.০০ | |
| | | | চৰকাৰী অনুদান : অসম চৰকাৰ : ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | ৬,৭৬০.১২ | |
| | | | চৰকাৰী অনুদান : অসম চৰকাৰ : প্ৰকাশন আঁচনি ( পত্ৰিকাৰ হিচাপ এৰি ) | ৯,৫৮৬.২৮ | |
| | | | চৰকাৰী অনুদান : ভাৰত চৰকাৰ : সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি | ৭০.০০ | ২৫,০৭৭.৪০ |
| | | | দানৰ পুঁজি : ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিলৈ দান | | ২০০.০০ |
| | | ৬৯,২৩৭.৫৫ | | | ৬৯,২৩৭.৫৫ |

**শ্ৰীত্ৰৈলোক্য গোস্বামী,**
২৯।১০।৭১
সভাপতি

**মহেশ্বৰ নেওগ,**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## ১৯৬০-৬১ চনৰ জমা-খৰচৰ হিচাপ

### ১ এপ্ৰিল ১৯৬০-ৰপৰা ৩১ মাৰ্চ্চ ১৯৬১-লৈ

**জমা**

| | | |
|---|---|---|
| আৰম্ভণী উদ্বৃত্ত : | | |
| নগদ : কেন্দ্ৰীয় কাৰ্য্যালয় | ২১৯.৭০ | |
| অসম সাহিত্য সভা পত্ৰিকা : | | |
| কেন্দ্ৰীয় কাৰ্য্যালয় | ২৭.৫২ | |
| পত্ৰিকা সম্পাদকৰ হিচাপ | ১,২০০.০০ | ১,৪৪৭.২২ |
| বেঙ্ক : অসম কঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | ১,১১১.৩৮ | |
| ষ্টেট বেঙ্ক অব্ ইণ্ডিয়া, যোৰহাট | ৫,০০০.৬২ | |
| পষ্ট অফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ২১৩.৫৭ | |
| পষ্ট অফিচ ছেভিংছ বেঙ্ক, গুৱাহাটী | ৩১৮.০৯ | ৬,৬৪৩.৬৬ |
| বেঙ্কৰ জমাৰ বাঢ়ি : | | |
| সাধাৰণ হিচাপ | | ৭৬.৮৫ |
| ৰাজ্যিক চৰকাৰী অনুদান : বাৰ্ষিক | | ১৬,০০০.০০ |
| বৰঙণি : | | |
| শাখা সভা | ৪,১৯৬.১০ | |
| স্বীকৃত সভা | ১৩০.০০ | |
| আজীৱন সভ্য ( ভৰ্ত্তি ) | ৪.০০ | |
| পোনপটীয়া সভ্য | ৬.০০ | ৪,৩৩৬.১০ |
| | | ২৮,৫০৩.৮৩ |

**খৰচ**

| | | |
|---|---|---|
| দৰ্মহা | | ২,৭৯২.৫৮ |
| ভ্ৰমণ-বানচ | | ৩,৫৬৪.৫৯ |
| ডাক আৰু তাঁৰ | | ১,৯৮৪.১৬ |
| পৰিবহন | | ৩৩২.৪২ |
| খাজনা আৰু কৰ | | ২৩৬.৭৫ |
| আচবাব আৰু সঁজুলি | | ৭৩২.১৩ |
| লেখন-সামগ্ৰী আদি | | ১,১৪৯.৩৫ |
| মুদ্ৰণ আৰু প্ৰকাশন : ক্ষুদ্ৰ মুদ্ৰণ | ৭৪১.৬২ | |
| সাধাৰণ প্ৰচাৰ | ৮৩০.০০ | ১,৫৭১.৬২ |
| সাধাৰণ প্ৰচাৰ : বিজ্ঞাপন | | ৬৪৫.০০ |
| প্ৰকাশন : | | |
| অসম সাহিত্য সভা পত্ৰিকা : | | |
| কেন্দ্ৰীয় কাৰ্য্যালয় | ১,৮৯৩.৯০ | |
| সম্পাদকৰ হিচাপ | ১,১৫২.০৭ | ৩,০৪৫.৯৭ |
| গ্ৰন্থাগাৰ | | ১০০.০১ |
| ৰাধাকান্ত সন্দিকৈ তিথি-পালন | | ২৫.০০ |
| বিবিধ : ৰাধাকান্ত সন্দিকৈ মূৰ্ত্তি-নিৰ্ম্মাণ আৰু উন্মোচন | ৩,৯১৯.০৬ | |
| হিচাপ-পৰীক্ষণ | ২৫০.০০ | |
| সমিতিৰ বৈঠক আদিৰ খৰচ | ৩৬.৬০ | |
| সভাপতিৰ ঐচ্ছিক খৰচ | ১৩০.০০ | |
| ন্যাস সমিতিৰ পুথি-ক্ৰয় | ১২.০০ | |
| বেঙ্কৰ খৰচ | ৮০.৩৪ | |
| অন্যান্য | ৪৪২.৪৫ | ৪,৮৭০.৪৫ |
| | | ২১,০৫০.০৩ |